● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ মʼবাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ মʼবাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

নিজৰ ঘৰখনেই
এনে এক স্থান যʼলৈ
আপুনি যেতিয়াই
যায় ই আদৰি
লʼবই।

ৰʼবাৰ্ট ফ্ৰষ্ট
আমেৰিকান কবি



www.dainikagradoot.in

৭ ফ্ৰান্সতো কৰʼনাৰ দৈনিক সংক্ৰমণ লক্ষাধিক
১৫ ৰাহুলৰ শতক, ভাৰতৰ দৃঢ় আৰম্ভণি
৪ কʼভিডত বিধ্বস্ত অৰ্থনীতিৰ বছৰটোৰ অন্ত পৰিবনে?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮১তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১১ পুহ ১৪২৮ ভাস্কৰাব্দ ২৭ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 27 December 2021 মূল্য ঃ ৯.০০ টকা

■ চোৰাং বেহাত জড়িত কনিষ্টবল-গৃহৰক্ষী জোৱানক আটক ■ নগাঁৱত পুনৰ জব্দ ৪২টা গৰু, গ্ৰেপ্তাৰ সাত চোৰাং সৰবৰাহকাৰী ■ বহু থানাৰ আৰক্ষী জড়িত ঃ কʼলে স্বয়ং আৰক্ষী অধীক্ষকে

আৰক্ষীয়েই জড়িত গৰু সৰবৰাহত

বাৰিষাত ত্ৰাসৰ সৃষ্টি কৰা ধেমাজিৰ গাই নদী পানীৰ অভাৱত শুকাই খৰখৰীয়া মাৰিছে, দেওবাৰে।

বিশেষ সংবাদদাতা

নগাঁও, ২৬ ডিচেম্বৰ ঃ ৰাজ্য চৰকাৰে গো সুৰক্ষা আইন কঠোৰভাৱে বলবৎ কৰাৰ সময়তে নগাঁৱত স্বয়ং আৰক্ষীয়েই জড়িত হʼল গৰুৰ চোৰাং সৰবৰাহত। ইতিমধ্যে নগাঁও আৰক্ষীৰ এই অভিযানত গৰুৰ বহুতো চোৰাং সৰবৰাহকাৰী গ্ৰেপ্তাৰ হোৱাৰ লগতে আৰক্ষীয়ে জব্দ কৰিছে বহু বাহনসহ শতাধিক পশুধন। এনে সময়তে অতি উদ্বেগজনকভাৱে এই গৰুৰ চোৰাং সৰবৰাহত নগাঁৱৰ বৰঘাট আৰক্ষী চকীৰ লগতে আন একাংশ আৰক্ষী থানাৰ আৰক্ষীও জড়িত থকাৰ তথ্য পোহৰলৈ অহাত এতিয়া আৰক্ষী মহলতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই কথা সদৰী কৰিছে স্বয়ং নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই। আৰক্ষী অধীক্ষকজনে আজি সদৰী কৰে যে গৰুৰ চোৰাং সৰবৰাহত লিপ্ত থকাৰ অভিযোগত বৰঘাট আৰক্ষী চকীৰ এজন কনিষ্টবল আৰু এজন গৃহৰক্ষী জোৱানক ইতিমধ্যে আটক কৰা হৈছে। আৰক্ষী অধীক্ষক মিশ্ৰই আজি সাংবাদিকৰ আগত কয়, 'নগাঁৱৰ মাজেৰে গৰুৰ চোৰাং সৰবৰাহ অব্যাহত আছে। এই কামত তলখাপৰ একাংশ আৰক্ষীয়ে চোৰাং সৰবৰাহকাৰীক সহায় কৰাৰ তথ্য আমি লাভ কৰিছো। যি আৰক্ষী থানাৰ সন্মুখেদিয়ে এই গৰুৰ চোৰাং সৰবৰাহ হৈ আছে, তেওঁলোক ইয়াৰ বাবে

১০ পৃষ্ঠাত চাওক

অসমত আঞ্চলিক দলৰ ভৱিষ্যৎ

■ প্ৰাঞ্জলসেন ডেকা

সাধাৰণতে নিৰ্বাচনৰ সময়তে এনে বিষয়বোৰ চৰ্চিত হোৱা হেতুকে আজি ইয়াৰ প্ৰসংগক লৈ বহুতৰে মনত প্ৰশ্নৰ উদ্ৰেক হʼব পাৰে; কিন্তু আন বহু ক্ষেত্ৰৰ দৰে দেশৰ ৰাজনীতিও এতিয়া আৰু পৰম্পৰাগত ধ্যান-ধাৰণাত চলি থকা নাই। বিশেষকৈ নৰেন্দ্ৰ মোদী-অমিত শ্বাহ যুটিয়ে বিজেপিৰ বাঘজৰী হাতত লৈ কেন্দ্ৰত ক্ষমতালৈ অহাৰ পাছৰে পৰা ভাৰতীয় ৰাজনীতিয়েও ৰূপ সলনি কৰিছে আৰু ই সম্প্ৰতি এক দৈনন্দিন কাৰ্যসূচীত পৰিণত হৈছে। দেশত এতিয়া প্ৰতিদিনে এক নিৰ্বাচনমুখী পৰিৱেশ। পূৰ্বতে সংসদীয়

১০ পৃষ্ঠাত চাওক

■ দিল্লীত গৃহমন্ত্ৰী শ্বাহৰ সʼতে বৈঠকৰ অন্তত সদৰী কৰিলে নগালেণ্ডৰ মুখ্যমন্ত্ৰী ৰিঅʼৱে ■ অধ্যক্ষতাত থাকিব গৃহ দপ্তৰৰ শীৰ্ষ বিষয়া ■ ৪৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

আফস্পা প্ৰত্যাহাৰৰ বাবে পেনেল গঠন

■ নিউজ ব্যুৰʼ

কহিমা, ২৬ ডিচেম্বৰ ঃ বিতৰ্কিত সেনা আইনক লৈ নগালেণ্ডত বৰ্ধিত উত্তাপৰ মাজতে কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কীয় বিষয়টো বিবেচনাৰ বাবে কমিটী গঠনৰ সিদ্ধান্ত লৈছে। দেওবাৰে বিয়লি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সʼতে হোৱা এক বৈঠকৰ অন্তত সম্পন্ন হোৱা নগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅʼ টুইটাৰযোগে প্ৰকাশ কৰে যে বিতৰ্কিত সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন প্ৰত্যাহাৰৰ বিষয়টো বিবেচনাৰ বাবে এখন কমিটী গঠন কৰা হʼব। চলিত মাহতে নগালেণ্ডৰ মন জিলাৰ অটিং বস্তিত সেনাৰ গুলিত ১৪ জন নিৰীহ লোকৰ মৃত্যু হোৱাৰ পাছত ৰাজ্যখনত ধাৰাবাহিক প্ৰতিবাদ অব্যাহত আছে। সেনাবাহিনীক অতি ক্ষমতাশালী কৰি তোলা আইনখন প্ৰত্যাহাৰৰ বাবে পুনৰ নগালেণ্ডৰ লগতে উত্তৰ-পূৰ্বাঞ্চলতে সজোৰে দাবী উত্থাপিত হৈছে। নগালেণ্ডত ৰাজ্যজুৰি প্ৰতিবাদী সমদল অব্যাহত আছে। ৰাজধানী কহিমাকো কঁপাই তুলিছে এই প্ৰতিবাদে।

১০ পৃষ্ঠাত চাওক

গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচন

চৰকাৰৰ ৱাৰ্ড পুনৰ গঠনৰ পৰিকল্পনা অসাংবিধানিক ঃ কংগ্ৰেছ

ষ্টাফ ৰিপʼৰ্টাৰ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ শেহতীয়াকৈ অসম চৰকাৰে গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনক উদ্দেশ্য কৰি গৃহ আৰু নগৰ উন্নয়ন বিভাগৰ অধীনত 'ডিলিমিটেশ্বন বʼৰ্ড' গঠন কৰিবলৈ লোৱা সিদ্ধান্তক আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অসাংবিধানিক আখ্যা দিয়ে।

মহানগৰীৰ ৰাজীৱ ভৱনত এক সংবাদমেল সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন সাংসদ

দুই পৃষ্ঠাত চাওক

উন্নয়নৰ প্ৰস্তাৱৰ ধনো নাই ■ গঠনৰ লক্ষ্য-উদ্দেশ্য সুদূৰ পৰাহত

■ পুঁজি মোকলাই দিবলৈ চৰকাৰক আহ্বান ঃ কাৰ্যভাৰ গ্ৰহণতে আবদ্ধ

তিনিমাহ সম্পূৰ্ণ চাৰি স্বায়ত্তশাসিত পৰিষদৰ, ঘোষিত এক কোটি নাপালে

ষ্টাফ ৰিপʼৰ্টাৰ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ আজিৰ পৰা তিনিমাহ পূৰ্বে টনা-আঁজোৰাৰ মাজেৰে অসম চৰকাৰে গঠন কৰা চাৰিখন স্বায়ত্তশাসিত পৰিষদে পুঁজিৰ বাবে এতিয়া লৰা-ঢপৰা কৰিবলগীয়া হৈছে। অথচ চৰকাৰে কমতাপুৰ, মৰাণ, মটক আৰু বড়ো-কছাৰী (উপগ্ৰহীয়) পৰিষদকেইখনৰ বাবে এক কোটি টকাকৈ ধাৰ্য কৰা বুলি ঘোষণা কৰিছিল। তদুপৰি বিধানসভাৰ সদ্যসমাপ্ত শীতকালীন অধিৱেশনত অনুমোদনৰ বাবেও পদক্ষেপ গ্ৰহণৰ আশ্বাস দিছিল; কিন্তু কোনো ব্যৱস্থাই আজিলৈকে গ্ৰহণ কৰা নহʼল। ফলত পৰিষদকেইখনৰ বিষয়ববীয়াসকলে কাৰ্যভাৰ গ্ৰহণতে দায়-দায়িত্ব সীমাৱদ্ধ ৰাখিবলগীয়া হৈছে। ইয়াৰ ফলত যোৱা তিনিমাহ বিষয়ববীয়াসকলে

১০ পৃষ্ঠাত চাওক

■ নন্দেশ্বৰ তালুকদাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানত সৰৱ য়েচুৰী

■ গণ আন্দোলনে স্বেচ্ছাচাৰী শাসক পক্ষক উচিত শিক্ষা দিবলৈ সক্ষম

ব্ৰিটিছে যেনেকৈ পলাইছিল, দেশৰ জনতাৰ পৰা এদিন পলাব বিজেপিয়েও



ষ্টাফ ৰিপʼৰ্টাৰ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ 'দেশৰ জনতাই যেনে ধৰণে ব্ৰিটিছৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে, ঐক্যবদ্ধভাৱে আৰু ব্যাপক ৰূপত গণ আন্দোলন কৰিছিল, ঠিক তেনেকৈয়ে বিজেপি চৰকাৰৰ বিৰুদ্ধেও আন্দোলন কৰিব লাগিব। আমি সকলোৱে মিলি দেশৰ জনতাক একত্ৰিত কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ

১০ পৃষ্ঠাত চাওক

নতুন পেঞ্চন নীতি বাতিলৰ দাবীত প্ৰাথমিক শিক্ষকৰ আজি ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

আজাৰা, ২৬ ডিচেম্বৰ ঃ অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ আহ্বান ক্ৰমে নতুন পেঞ্চন নীতি বাতিলৰ দাবীত কাইলৈ ভাৰতবৰ্ষৰ প্ৰতিখন জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ত ধৰ্ণা

দুই পৃষ্ঠাত চাওক

ৰঙিয়াত প্ৰেমিক যুগলৰ আত্মহত্যাক লৈ ৰহস্যৰ সৃষ্টি



অগ্ৰদূত বাৰ্তা

ৰঙিয়া, ২৬ ডিচেম্বৰ ঃ ৰঙিয়াত ব্যৰ্থ প্ৰেমৰ পৰিণতিত অকালতে আত্মঘাতী হʼল এহাল প্ৰেমিক যুগল। এই অঘটনটো সংঘটিত হয় ৰঙিয়াৰ উদিয়ানাত। আজি ৰঙিয়াৰ উদিয়ানাত ৰেলৰ আগত পৰি আত্মহত্যা কৰে যুৱক-যুৱতীহালে। মৃত

১০ পৃষ্ঠাত চাওক

■ তুলসী দিৱস পালন নকৰাৰ বাবে খৰ্গহস্ত

হিন্দুৱে বৰদিন পালন কৰাৰ বাবেই উত্তেজনা

শিলচৰত বৰদিনৰ উৎসৱ বন্ধ কৰিলে বজৰংগ দলে

বিশেষ সংবাদদাতা

শিলচৰ, ২৬ ডিচেম্বৰ ঃ বৰদিন উদ্‌যাপনক কেন্দ্ৰ কৰি কালি শিলচৰত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। শিলচৰৰ এটা গিৰ্জাত আয়োজিত বৰদিনৰ অনুষ্ঠান বন্ধ কৰি দিয়ে বজৰংগ দলৰ একাংশ

১০ পৃষ্ঠাত চাওক

আমছুক প্ৰত্যাহ্বান বীৰ লাচিত সেনাৰ

ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বিৰোধিতা

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৬ ডিচেম্বৰ ঃ 'আমছুৱে অসমীয়াৰ স্বাৰ্থত কোনোদিনেই মাত মতা নাই। এন আৰ চিৰ পাইলট প্ৰজেক্টৰ সময়ত তেওঁলোকে বৰপেটাত যি কাৰ্য কৰিছিল তাৰ পৰাই তেওঁলোকৰ প্ৰকৃত স্থিতি কি সেয়া স্পষ্ট হয়। গতিকে এতিয়া

দুই পৃষ্ঠাত চাওক

নিয়তিৰ ওচৰত হাৰ মানিলে মডাৰ্ণ স্কুলৰ ছাত্ৰী জিনজিৰীয়ে

অভিভাৱক-ৰাইজে ঘেৰাও কৰিলে অধ্যক্ষাৰ বাসগৃহ

ষ্টাফ ৰিপʼৰ্টাৰ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ নিয়তিৰ ওচৰত হাৰ মানিলে গুৱাহাটীৰ দিছপুৰ থানাৰ অন্তৰ্গত মডাৰ্ণ ইংলিছ স্কুলৰ ছাত্ৰী জিনজিৰী দেউৰীয়ে। পিতৃ-মাতৃ আৰু প্ৰেমিকক ভালদৰে থাকিবলৈ কৈ মৃত্যুৰ সʼতে যুঁজি যুঁজি অৱশেষত শনিবাৰে নিশা দুই বজাত শেষ নিশ্বাস ত্যাগ কৰে অষ্টম শ্ৰেণীৰ ছাত্ৰীগৰাকীয়ে। উল্লেখ্য যে শুকুৰবাৰে বিদ্যালয়খনৰ পঞ্চম মহলাৰ পৰা

১০ পৃষ্ঠাত চাওক

অগপক এৰিবলগীয়া ৱাৰ্ড বাছনিৰ জিলাক নিৰ্দেশ ৰাজ্যিক বিজেপিৰ

ষ্টাফ ৰিপʼৰ্টাৰ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ ৰাজ্যৰ আগন্তুক পৌৰসভা আৰু নগৰ সমিতিৰ নিৰ্বাচনত মিত্ৰদল অসম গণ পৰিষদ (অগপ)ক এৰি দিবলগীয়া সম্ভাব্য ৱাৰ্ডবোৰ শীঘ্ৰে চিনাক্ত কৰিবলৈ ৰাজ্যিক বিজেপিৰ নেতৃবৃন্দই জিলা সমিতিবোৰক নিৰ্দেশ দিছে। যদিও দলটোৱে এই নিৰ্বাচনত এককভাৱে প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, তৎসত্ত্বেও নিজৰ দুৰ্বলতা থকা ৱাৰ্ডবোৰ স্থানীয় পৰ্যায়ত বুজাবুজিৰ মাজেৰে অগপক এৰি দিব। ইয়াৰ জৰিয়তে পৌৰসভা আৰু নগৰ সমিতিবোৰ চৰকাৰৰ মিত্ৰদলৰে মিলি দখলৰ ৰণকৌশল বিজেপি নেতৃত্বই গ্ৰহণ কৰিছে। তাৰ বাবে অগপৰ নেতৃত্বৰ লগতো আলোচনা সম্পন্ন কৰা হৈছে।

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি অহা ফেব্ৰুৱাৰীত পৌৰ নিৰ্বাচন অনুষ্ঠিত হʼব। তাৰ বাবে যোৱা নৱেম্বৰৰ প্ৰথম ভাগৰ পৰাই

১০ পৃষ্ঠাত চাওক

■ ডিব্ৰু কলেজৰ নিৰ্বাচনী হিংসাক কেন্দ্ৰ কৰি গ্ৰেপ্তাৰ আৰক্ষীৰ

■ প্ৰতিবাদত আহ্বান দিয়া বন্ধ সৰ্বাত্মক ■ আন্দোলনৰ কাৰ্যসূচী ঘোষণা

ডিব্ৰুগড়ৰ পাঁচ আছু নেতাক জেললৈ প্ৰেৰণ, চেপা উত্তেজনা অব্যাহত

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ২৬ ডিচেম্বৰ ঃ পাঁচজন ছাত্ৰনেতাক আজি কাৰাগাৰলৈ প্ৰেৰণ কৰা কাৰ্যত জাঙুৰ খাই উঠিছে সদৌ অসম ছাত্ৰ সন্থা। আছুৰ ডিব্ৰুগড় জিলাৰ সদৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, উমেশ ৰায়, পাপু দাস, ৰাজা গগৈ আৰু অৱিনাশ গজমেৰক আজি বিয়লি ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰলৈ

১০ পৃষ্ঠাত চাওক

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	২৪°	১২°
ডিব্ৰুগড়	২৩°	১১°
দিল্লী	২০°	১২°
কলকাতা	২৭°	১৮°
মুম্বাই	২৯°	২১°
চেন্নাই	২৯°	২৩°
বাংগালুৰু	২৯°	১৫°
শ্বিলং	১৪°	০৫°

২৬ ডিচেম্বৰ, ২০২১

■ তাৎক্ষণিক চিকিৎসাৰ অন্তত সম্প্ৰতি সুস্থ মহানায়ক ■ দংশন কৰা সাপডালক জংঘলত এৰি দিলে ■ আজি ৫৬ বছৰত ভৰি দিলে

জন্মদিনৰ প্ৰাক্‌ক্ষণত নিজৰ ফাৰ্ম হাউছতে সৰ্পৰ দংশন ছলমান খানক

■ নিউজ ব্যুৰʼ

মুম্বাই, ২৬ ডিচেম্বৰ ঃ সৰ্প দংশনৰ বাবে আজি চিকিৎসাধীন হʼবলগীয়া হʼল বলিউদৰ মহানায়ক ছলমান খানে।আজি পুৱতি নিশা প্ৰায় তিনি বজাত মহাৰাষ্ট্ৰৰ ৰাইগড় জিলাৰ পানভেলত থকা ছলমানৰ পামঘৰত এডাল অবিষধৰ সাপে তেওঁৰ হাতত দংশন কৰে। সাপডাল অবিষধৰ হোৱাৰ বাবে অধিক জটিল পৰিস্থিতিৰ সন্মুখীন নহʼল 'বলিউদৰ ভাইজান'

১০ পৃষ্ঠাত চাওক

চেঙা তেল



বৰদিনৰ উপহাৰৰ বাবে বহুত ধন্যবাদ! আমিও উপহাৰ দিওঁ, অৱশ্যে নিৰ্বাচনৰ বতৰতহে!

নতুনকৈ ২০.৪ কোটি লোকক প্ৰদান কৰা হʼব কʼভিড প্ৰতিষেধক ■ ১৩.৪ কোটিক বুষ্টাৰ

সাত কোটি কিশোৰ-কিশোৰীলৈ প্ৰতিষেধক

ভাৰত বায়ʼটেকৰ কʼভাক্সিনৰ জৰুৰী ব্যৱহাৰ অনুমোদন

■ নিউজ ব্যুৰʼ

নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ ভয়াৱহ ডেল্টাৰ আক্ৰমণৰ পাছত এইবাৰ বিশ্বৰ বিভিন্ন স্থানত সন্ত্ৰাস সৃষ্টি কৰিছে অতি ভয়াৱহ অʼমিক্ৰনে। কৰʼনাৰ এই নতুন প্ৰজাতিয়ে ভাৰততো উদ্বেগৰ সৃষ্টি কৰিছে। সেই মৰ্মে অʼমিক্ৰনৰ সʼতে মোকাবিলা কৰিবলৈ দেশৰ স্বাস্থ্য সেৱাখণ্ড, প্ৰথম শাৰীৰ কৰ্মী আৰু জটিল ৰোগাক্ৰান্ত ৬০ৰ ঊৰ্ধ্বৰ লোকসকলক প্ৰথমতে বুষ্টাৰ প্ৰতিষেধক দিবলৈ সিদ্ধান্ত লৈছে কেন্দ্ৰীয় চৰকাৰে। একে সময়তে ১৫ৰ পৰা ১৮ বছৰৰ কিশোৰ-কিশোৰীসকলৰ মাজত টিকাকৰণ সম্প্ৰসাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন কৰিবলগীয়া যে এই সিদ্ধান্তৰ ফলত দেশত নতুনকৈ ২০.৪ কোটি মানুহক কʼভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰা হʼব। ইয়াৰ ভিতৰত ১৫ৰ পৰা ১৮ বছৰ বয়সৰ তৰুণসকলৰ বাবে ৭.৪ কোটি টকা আবণ্টন দিয়া হৈছে। স্বাস্থ্য সেৱা আৰু প্ৰথম শাৰীৰ কৰ্মীসকলৰ বাবে তিনি কোটি টকা আবণ্টন দিয়া হৈছে। তদুপৰি জটিল ৰোগাক্ৰান্ত ৬০ৰ ঊৰ্ধ্বৰ লোকসকলৰ বাবে ১০ কোটি টকা আবণ্টন দিয়া হৈছে।

উল্লেখ্য যে কালি দেশবাসীক উদ্দেশি দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰে যে তিনি জানুৱাৰীৰ পৰা ১৫ৰ পৰা ১৮ বছৰ বয়সৰ কিশোৰ-কিশোৰীসকলক কʼভিড প্ৰতিষেধক প্ৰদান কৰা হʼব। দেশৰ দৰব নিয়ন্ত্ৰকে নিৰ্দিষ্ট চৰ্ত আৰোপ কৰি ১২ বছৰৰ অধিক বয়সৰ কিশোৰ-কিশোৰীৰ বাবে ভাৰত বায়ʼটেকৰ দ্বাৰা প্ৰস্তুত

দুই পৃষ্ঠাত চাওক

প্ৰতি বছৰে সংঘটিত হৈ আহিছে দুৰ্ঘটনা ■ সজাগতাৰ নাই ব্যৱস্থা

বনভোজলৈ গৈ নিজৰাত ডুবি মৃত্যু দুই কিশোৰৰ

অগ্ৰদূত বাৰ্তা

বকো, ২৬ ডিচেম্বৰ ঃ বকোৰ সমীপৰ মেঘালয়ৰ আৰেডোঙাৰ বনভোজস্থলীত আজি সংঘটিত হয় এক কৰুণ ঘটনা। বনভোজৰ আনন্দ উপভোগৰ বাবে আহি আৰেডোঙাৰ এক নিজৰাত ডুবি প্ৰাণ হেৰুৱালে দুজন কিশোৰে। এই ঘটনাই আজি আৰেডোঙাৰ বনভোজস্থলীত শোকাকুল পৰিস্থিতিৰ সৃষ্টি কৰে।

বছৰৰ অন্তিমটো দেওবাৰ হোৱা উপলক্ষে আজি ৰাজ্যৰ অন্যান্য বনভোজস্থলীৰ লগতে আৰেডোঙাতো বহু বনভোজৰ দলৰ সমাগম হৈছিল। সকলোৱে মিলি-জুলি বনভোজৰ আনন্দ উপভোগ কৰি থকাৰ মাজতে এই দুৰ্ঘটনা সংঘটিত হয়। বনভোজস্থলীত

দুই পৃষ্ঠাত চাওক

বৰপেটাত বিজেপি যুৱ মৰ্চাৰ মটৰ চাইকেল সমদল

বিশেষ সংবাদদাতা

বৰপেটা, ২৬ ডিচেম্বৰ ঃ দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক জন্মদিন উপলক্ষে যোৱা ২৫ ডিচেম্বৰত ৰাজ্যজুৰি বিজেপি যুৱ মৰ্চাৰ উদ্যোগত সুশাসন দিৱস পালন কৰা হয়। বিজেপিৰ যুৱ মৰ্চাৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত আৰু বৰপেটা, হাউলী, বৰপেটাৰোড নগৰ মণ্ডল আৰু চকচকা মণ্ডলৰ সহযোগত জিলাখনৰ ভিন্ন প্ৰান্তত এই দিৱস পালন কৰা হয়। অন্যান্য কাৰ্যসূচীৰ লগতে প্ৰতিটো মণ্ডল অঞ্চল আৰু পৌৰ অঞ্চলত মটৰ চাইকেল সমদল উলিওৱা হয়। বৰপেটা জিলা বিজেপিৰ সভাপতি অনিল দাসে সৰভোগ পৌৰ অঞ্চলত মটৰ চাইকেল ৰেলীত অংশগ্ৰহণ কৰে। আনহাতে, বৰপেটা জিলা যুৱ মৰ্চাৰ সভাপতি দুলাল দাস, ৰাজ্যিক যুৱ মৰ্চাৰ সম্পাদিকা ডলফি মজুমদাৰ, সহ প্ৰভাৰী জিতু ডেকা, সম্পাদকদ্বয় ধ্ৰুৱজিৎ নাথ, কৰ্ণ কুণ্ডল ভড়ালীয়ে বৰপেটাৰোড নগৰ মণ্ডলৰ উদ্যোগত বৰপেটাৰোডত অনুষ্ঠিত মটৰ চাইকেল সমদলত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি যুৱ মৰ্চাৰ বৰপেটা নগৰ মণ্ডলৰ সভাপতি অমিত দাস, হাউলী মণ্ডলৰ সভাপতি জ্ঞানজিৎ দাস, চকাচকা মণ্ডলৰ সভাপতি বিপুল দাস আৰু বৰপেটাৰোড নগৰ মণ্ডলৰ সভাপতি পৰমানন্দ ৰায়ে মণ্ডল অঞ্চলসমূহত নেতৃত্ব দিয়ে।

আন্তঃৰাষ্ট্ৰীয় বাথৌ যুৱ সমিতিৰ অধিবেশনৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

ভূৰাগাঁও, ২৬ ডিচেম্বৰ ঃ লাহৰীঘাটৰ কুশতলিত আন্তঃৰাষ্ট্ৰীয় বাথৌ যুৱ সমিতিৰ চতুৰ্থ সংখ্যক বাৰ্ষিক অধিবেশনৰ কালি লাইখুঁটা স্থাপন কৰা হয়। মৰিগাঁও জিলা বাথৌ যুৱ সমিতিৰ উদ্যোগত আৰু কুশতলি আঞ্চলিক সমিতিৰ সহযোগত অহা ৩০ আৰু ৩১ ডিচেম্বৰত অনুষ্ঠিত হ'ব লগা অধিৱেশনৰ উপলক্ষে কালি কুশতলি গ্ৰাম্য খেলপথাৰত লাইখুঁটা স্থাপন কৰে কেন্দ্ৰীয় বাথৌ যুৱ সমিতিৰ উপাধ্যক্ষ ভূপেশ বৰমহেলা আৰু কুশতলি গাঁও পঞ্চায়তৰ সভাপতি ৰাজেন সেনাপতিয়ে। বড়ো সম্প্ৰদায়ৰ লোকসকলে পূজ-অৰ্চনা কৰি ধৰ্মীয় ৰীতি-নীতিয়ে এই লাইখুঁটা স্থাপন কৰে। উল্লেখ্য যে বড়ো সম্প্ৰদায়ৰ সমাজখন অধিক প্ৰগতিশীল কৰি তোলাৰ ক্ষেত্ৰত এই যুৱ অধিৱেশনখন অনুষ্ঠিত কৰা হৈছে। কালিৰ এই কাৰ্যসূচীত উপস্থিত থাকে অভ্যৰ্থনা সমিতিৰ সভাপতি দিলীপ কুমাৰ বড়ো, সম্পাদক মুকেশ বড়ো, মৰিগাঁও জিলাৰ বাথৌ মহাসভাৰ সভাপতি মহেন্দ্ৰ বড়ো, জিলা বড়ো সাহিত্য সভাৰ সম্পাদক ধীৰেশ্বৰ বড়ো, জিলা বাথৌ যুৱ সমিতিৰ সম্পাদক প্ৰসেনজিৎ খাকলাৰী, বড়ো ষ্টুডেণ্ট ইউনিয়নৰ সভানেত্ৰী মৃদুলা স্বৰ্গীয়াৰীকে ধৰি কে'বাটাও বড়ো সংগঠনৰ বিষয়ববীয়া। উল্লেখ্য যে অহা ৩০ আৰু ৩১ ডিচেম্বৰত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা এই অধিৱেশনত মুখ্য অতিথিৰূপে উপস্থিত থাকিব বিটিআৰৰ প্ৰধান প্ৰমোদ বড়ো। আনহাতে, অধিৱেশনখনত ভাৰতৰ লগতে নেপাল, ভূটান, বাংলাদেশ, ম্যানমাৰ আদি ৰাষ্ট্ৰৰ পৰাও বাথৌ ধৰ্মীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি অভ্যৰ্থনা সমিতিৰ সভাপতি দিলীপ কুমাৰ বড়োৱে জনাইছে।

জ্যোতিষী

আপোনাৰ যিকোনো সমস্যা যিমান কঠিন নহওক কিয় বা জটিল নহওক, ১০০% guarantee সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।

আচাৰ্য্য ডি. শৰ্ম্মা
(M) ঃ 8099336044

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী

জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

১১ পুহ সোমবাৰ ২৭ ডিচেম্বৰ

সূৰ্যোদয় ঃ ঘঃ ৬।১১।১৮, **সূৰ্যাস্ত ঃ** ঘঃ ৪।৩২।৪৬। **তিথি ঃ** কৃষ্ণা অষ্টমী, দং, ২০।৪৮।৩৪ ঘঃ ২।৩০।৪৪। **নক্ষত্ৰ ঃ** হস্তা, দং ৪৭।১৭।১০ ৰাঘঃ ১।৬।১০। **যোগ ঃ** শোভন, দং ৫৩।২৮।৩৩ ৰাঘঃ ৩।৪৪।৪৩। **কৰণ ঃ** কৌলৱ। **জন্মত ঃ** কন্যাৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ, মহিষৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী বুধ, বিংশোত্তৰী চন্দ্ৰৰ দশা, ৰাঘঃ ১।৬।১০ যোৱাত দেৱাৰিগণ, বাঘৰ অস্থি, বিংশোত্তৰী মঙলৰ দশা। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনীঃ** ঈশানকোনত ঘঃ ২।৩০।৪৪ যোৱাত পূবত। **যাত্ৰা ঃ** নাই, তিথ্যাদি দোষ, ঘঃ ২।৩০।৪৪ যোৱাত ৰিক্তাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** নাৰিকল, মাছ-মাংস খোৱা, প্ৰায়শ্চিত্ত হোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ নিজৰ বিচাৰ বুদ্ধিক কামত লগাওতে দুবাৰ চিন্তা কৰাটো উচিত বুলি ধৰক। দাম্পত্যত জটিলতা কম। সন্তানৰ ভৱিষ্যৎ সম্পৰ্কে বিশেষ গুৰুত্বৰ নহ'লেও চিন্তা থাকিব। শুভ ৰং আকাশী নীলা, শুভ সংখ্যা ।

বৃষ ঃ যোৱা দিনৰ তুলনাত আজি ফৰকাল। ঘৰুৱা পৰিৱেশ আপোনাৰ অনুকূল। সতি-সন্ততিৰ বাবে বিশেষ দুৰ্ভৱনা দেখা নাযায়। কৰ্মক্ষেত্ৰত আপোনাৰ ব্যক্তিত্ব অক্ষুণ্ণ থাকিব। ভ্ৰমণত সাৱধান হওক। শুভ ৰং ক্ৰীম, শুভ সংখ্যা ৩।

মিথুন ঃ আৰ্থিক ক্ষেত্ৰত সাধাৰণ জটিলতা থাকিব। বুদ্ধিৰ অপব্যৱহাৰ হোৱাৰ আশাংকা থাকিব। প্ৰেম-প্ৰীতিত মধ্যম মনোযোগ। ঘৰুৱা উন্নতিৰ প্ৰচেষ্টা। বন্ধুৰ আগমন। শুভ ৰং ৰঙা, শুভ সংখ্যা ৪

কৰ্কট ঃ কৰ্কট ঃ আৰ্থিক উন্নতিৰ বাবে কিছু যত্নত থাকক। বিদ্যাত তেনে আহুকাল দেখা নাযায়। বন্ধু-বৰ্গৰ লগত বিশেষ সান্নিধ্য নকৰাই উচিত হ'ব। নতুন কোনো আশাৰ সন্ধান পালেও গোপনে ৰাখক। শুভ ৰং কমলা, শুভ সংখ্যা ৫।

সিংহ ঃ সিংহ ঃ যোগাযোগৰ ইচ্ছুকে উৎসাহ লাভ কৰিব। কৰ্মসন্ধানীয়ে হঠাৎ সুসংবাদ লাভ কৰিব পাৰে। অৱশ্যে জটিল চক্ৰৰ সাৱধান হওক। ঘৰুৱা মধ্যম। সন্তানৰ শুভ। প্ৰেমত উৎসাহ। শুভ ৰং সেউজীয়া, শুভ সংখ্যা ৭

কন্যা ঃ দিনটো প্ৰায় ভালেৰে পাৰ হ'ব। বিদ্যাত কিছু সমস্যা আহিব পাৰে। কৰ্মস্থানত শৰীৰ ভালে ৰখাৰ যত্ন কৰক। ভ্ৰমণ সম্ভৱ। পিছে সাৱধান হওক। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৯।

তুলা ঃ (অশুভ প্ৰভাৱ হ্ৰাস পাব। বিদ্যাৰ্থীয়ে আদৰ পাব)। সংবাদত সুখী হ'ব। কৰ্মক্ষেত্ৰত যোগ্যতা থাকিব। ঘৰুৱা জটিলতা সকলোৰে সমান নহ'ব। ব্যৱসায়-বাণিজ্যত বেছি লাভবান নহ'ব পাৰে। শুভ ৰং কমলা, শুভ সংখ্যা ২

বৃশ্চিকঃ মজলীয়া দিন। কোনো আত্মীয়ৰ বাবে চিন্তা থাকিব। বিদ্যাৰ্থীৰ সময়টো খুব বেয়া নহ'ব। দাম্পত্যত চঞ্চলতা থাকিব যদিও বিশেষ আহুকাল নাই। সন্তানৰ ভৱিষ্যৎ সম্পৰ্কে উৎসাহ। শুভ ৰং নীলা, শুভ সংখ্যা ৬।

ধনু ঃ শৰীৰ খুব ভাল নহ'লেও বিশেষভাৱে কোনোৰে সন্মানিত হোৱাৰ যোগ। পাৰিবাৰিক আৰু কৰ্মক্ষেত্ৰত ভালেই দেখা যায়। আৰ্থিকত মধ্যম। পঢ়া-শুনাত শুভ। শুভ ৰং বগা, শুভ সংখ্যা ৭।

মকৰ ঃ মানসিক দিশত উন্নত দিন। বিদ্যাতো মনোযোগ বঢ়াব পাৰিব। শৰীৰৰ প্ৰতি বিশেষ চিন্তা নাই। দাম্পত্যত বুজা পৰা থাকিব। কিবা প্ৰাপ্যাদি থাকিলে যত্ন কৰক। যোগাত্মক ফল পাব। শুভ ৰং ৰঙা, শুভ সংখ্যা ২।

কুম্ভঃ সম্ভাৱনীয় দিশত পোনে পোনে সফল নহ'ব। নিজৰ বুদ্ধিত কিছু কৌশল প্ৰয়োগ কৰক। দাম্পত্যত সামান্য ওফোন্দ-অমিল দৃষ্ট হ'ব। সন্তানৰ ভালেই। আৰ্থিকত মধ্যম। শুভ ৰং পাতল ৰঙা, শুভ সংখ্যা ১।

মীন ঃ মীন ঃ কৰ্মত কোনো লোকৰ দ্বাৰা যাতে বাধা নাপায় লক্ষ্য কৰক। ঘৰুৱাত বেয়া নহ'ব। বিদ্যাত মন দিয়ক। শৰীৰৰ সামান্য বাধাৰ বাহিৰে বাকী শুভ। ভ্ৰমণ হ'ব পাৰে। শুভ ৰং গেৰুৱা, শুভ সংখ্যা ৪।

বাজপেয়ীৰ জন্মদিনত গ্ৰাম্য পথৰ আধাৰশিলা স্থাপন

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ২৬ ডিচেম্বৰ ঃ বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিটিচিৰ উন্নয়ন ত্বৰান্বিত কৰাৰ গুৰুত্ব আৰোপ কৰি অহাৰ লগতে সকলো কাৰ্যবাহী সদস্য, পৰিষদীয় সদস্যসকলক উন্নয়নৰ আঁচনিত মনোনিৱেশ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰাৰ পৰিপ্ৰেক্ষিতত চিৰাং জিলাৰ বিজনীৰ দাঁতিকাষৰীয়া অঞ্চলৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰিছে বিটিচিৰ পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়নে। চিৰাং জিলাৰ বিজনী চহৰৰ নিকটৱৰ্তী এক নম্বৰ দহলাপাৰাত শনিবাৰে বিটিচিৰ পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়নৰ দ্বাৰা ৰাজহুৱা নামঘৰৰ আধাৰশিলা স্থাপন কৰা হয়। নামঘৰ গৃহৰ আধাৰশিলা স্থাপন কৰি বায়নে অসমৰ নামঘৰসমূহৰ জৰিয়তে এখন সুন্দৰ সমাজ গঢ়ি উঠাৰ লগতে সমাজখনৰ সংস্কাৰ সাধনৰ কাম কৰি আহিছে বুলি মত প্ৰকাশ কৰে। পৰিষদীয় সদস্যজনে এমচিএলএ পুঁজিৰ পৰা পাঁচ লাখ টকাৰ অনুদান আগবঢ়ায়। ইয়াৰ পাছতে পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়নে শিয়ালমাৰীত ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম দিৱস উপলক্ষে শিয়ালমাৰী আৰু ডাঙাইগাঁও পথৰ আধাৰশিলা স্থাপন কৰা হয়। ৰাজ্য চৰকাৰৰ এছঅ'পিডি আঁচনিৰ অধীনত ৯০ লাখ টকা ব্যয় সাপেক্ষে চিচি ব্লক বহুৱাই নিৰ্মাণ কৰিবলগীয়া পথটো বিটিচিৰ পৰিষদীয় সদস্য প্ৰদীপ বায়নে আধাৰশিলা স্থাপন কৰে। উক্ত আধাৰশিলা স্থাপন অনুষ্ঠানত লোকনিৰ্মাণ বিভাগৰ কে'বাগৰাকী বিষয়া, বিজেপিৰ নেতা-কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

নতুন পেঞ্চন নীতি বাতিলৰ

এক পৃষ্ঠাৰ পৰা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ক্ষতি নোহোৱাকৈ বিদ্যালয় বন্ধ নাৰাখি সৰ্বাধিক এশজন শিক্ষকে জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত এঘণ্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিব।

নতুন পেঞ্চন আঁচনিভুক্ত অৱসৰপ্ৰাপ্ত শিক্ষকসকলে আজি জীয়াতু ভুগিব লগা পৰিস্থিতিয়ে দেশৰ শিক্ষক সমাজক শংকিত কৰি তুলিছে। এই শংকা পূৰ্বে উপলব্ধি কৰি দেশৰ প্ৰাথমিক শিক্ষক সমাজে ২০০৬ৰ পৰাই এই আঁচনি বাতিলৰ দাবীত ভিন্ন ৰূপত সংগ্ৰাম চলাই আহিছে। আনহাতে, দেশৰ শিক্ষাখণ্ডৰ আমূল পৰিৱৰ্তনৰ স্বাৰ্থত ঠিকা ভিত্তিক শিক্ষকসকলৰ চাকৰি নিয়মীয়া, ৰাষ্ট্ৰীয় শিক্ষানীতিত থকা শিক্ষক বিৰোধী দফাসমূহ পৰিহাৰ কৰা ৰাষ্ট্ৰীয় দাবীৰ লগতে স্নাতক শিক্ষকৰ পৰা কাঢ়ি নিয়া ৮৭০০ টকাৰ গ্ৰেড পে ঘূৰাই দিয়াৰ লগতে জ্যেষ্ঠ সহকাৰী শিক্ষকৰ পদ প্ৰধান শিক্ষকৰ পদলৈ উন্নীত কৰাৰ বাবে শিক্ষা বিভাগে গ্ৰহণ কৰা প্ৰস্তাৱ শীঘ্ৰে কাৰ্যকৰী, ঠিকা ভিত্তিক শিক্ষকৰ প্ৰাপ্য মৰগীয়া বানচ মোকলোৱা, আৰ্জিত ছুটী ১০ৰ পৰিৱৰ্তে ৩০ দিনলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কাৰ্যকৰী কৰা, ২০২০ৰ মুখ্যমন্ত্ৰী বিশেষ বৃত্তি পৰীক্ষা অনুষ্ঠিত কৰা মুঠ আঠটা দাবীৰ সমৰ্থনত এঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভাপতি আনোৱাৰ হুছেইন আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে জনাইছে যে ৰাজ্যখনৰ ৩৩ টা জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত দিনৰ ১২ বজাৰ পৰা এক বজালৈ খণ্ড আৰু মহকুমাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত সৰ্বাধিক এশ শিক্ষকে সমবেত হৈ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশ আৰু ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নিয়মীয়া পাঠদান অব্যাহত ৰাখি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়িত কৰিব।

পঞ্জাব নেশ্যনেল বেংক punjab national bank
গুৱাহাটী মণ্ডল কাৰ্যালয়, [illegible], গুৱাহাটী - [illegible], অসম

নিবিদা আহ্বানৰ জাননী

[illegible]

[illegible] https://etender.pnbnet.in [illegible]

[illegible]

তাৰিখ ঃ ২৭-১২-২০২১
স্থান ঃ গুৱাহাটী

স্বাক্ষৰ/
[illegible]

শব্দ-বেহু ঃ ২৭ডিচেম্বৰ ২০২১



[illegible]

পথালিয়ে ঃ

[illegible]

থিয়কৈ ঃ

[illegible]

উত্তৰ অহা সংখ্যাত

২৬ ডিচেম্বৰ ২০২১ সংখ্যাৰ উত্তৰ ঃ

পথালিয়ে ঃ [illegible]

থিয়কৈ ঃ [illegible]

সাত কোটি কিশোৰ-

এক পৃষ্ঠাৰ পৰা ক'ভাক্সিনৰ জৰুৰী ব্যৱহাৰত অনুমোদন দিছে। চলিত বৰ্ষৰ ১৬ জানুৱাৰীৰ পৰা ভাৰতত স্বাস্থ্যকৰ্মীসকলক ক'ভিড প্ৰতিষেধক প্ৰদানৰ অভিযান আৰম্ভ হয়। চৰকাৰৰ আনুমানিক তথ্য অনুসৰি দেশত স্বাস্থ্যকৰ্মীৰ সংখ্যা প্ৰায় দুই কোটি। ২০১১ৰ প্ৰতিবেদন অনুসৰি ভাৰতত ৬০ৰ উৰ্ধ্বৰ লোকৰ সংখ্যা মুঠ ১৩.৭৯ কোটি। একেদৰে ২০২০ত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ভাৰতৰ ৭৫ শতাংশ বয়সস্থ লোক দীঘলীয়া স্বাস্থ্যজনিত সমস্যাত আক্ৰান্ত।

আমছুক প্ৰত্যাহ্বান বীৰ

এক পৃষ্ঠাৰ পৰা আমছুৱে দ্বিতীয় অসম আন্দোলনৰ কথা কৈ অসমীয়াৰ অভিভাৱক হ'বলৈ নাহিব!' এই মন্তব্য বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰন্তু পানীফুকনৰ। তেজপুৰ সাহিত্য সভা ভৱনত সংগঠনটোৰ শোণিতপুৰ জিলাৰ পূৰ্ণাংগ সমিতি গঠনৰ বাবে অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত অংশ লৈ সংগঠনটোৰ মুখ্য সচিবজনে সংবাদ মাধ্যমৰ আগত কয় যে আমছুৱে অসমীয়াৰ অভিভাৱক হ'বলৈ আহিলেই অনাগত দিনত লাচিত সেনাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। আনহাতে ৰাজ্য চৰকাৰে শেহতীয়াকৈ ইংৰাজী মাধ্যমৰ বিদ্যালয় খোলাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰোধিতা কৰি এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰক আহ্বান জনায়। পানীফুকনে কয় যে এই সন্দৰ্ভত বীৰ লাচিত সেনাৰ স্থিতি অহা ২৮ ডিচেম্বৰত গুৱাহাটীত ঘোষণা কৰা হ'ব।

চৰকাৰৰ ৱাৰ্ড পুনৰ গঠনৰ পৰিকল্পনা

এক পৃষ্ঠাৰ পৰা দ্বিজেন শৰ্মাই কয় যে ৰাজ্যিক নিৰ্বাচন আয়োগৰ কৰ্তৃপক্ষক সম্পূৰ্ণ নস্যাৎ কৰি চৰকাৰে কাম কৰিবলৈ আৰম্ভ কৰিছে যিটো গণতন্ত্ৰৰ বাবেই ভয়ংকৰ ভাবুকি।

যোৱা ২০১৮ তে গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচন অনুষ্ঠিত হ'ব লাগিছিল যদিও বিজেপি চৰকাৰে একান্ত গাফিলতিৰে যোৱা চাৰে তিনি বছৰে সেই দায়িত্বৰ পৰা আঁতৰি থাকিল বুলি সমালোচনা কৰি শৰ্মাই কয় যে ৱাৰ্ডসমূহৰ ডিলিমিটেশ্বন যদি প্ৰয়োজনীয় আছিল তেন্তে যোৱা চাৰে তিনি বছৰে তাক পেলাই থোৱা হ'ল কিয় চৰকাৰে স্পষ্ট কৰা উচিত। শৰ্মাই কয়, 'ৱাৰ্ড ডিলিমিটেশ্বনৰ বাবে সৰ্বদলীয় সভা আহ্বান কৰি আলোচনাৰ মাজেৰে এটা সৰ্বসন্মত সিদ্ধান্তত উপনীত হোৱাটো নিয়ম। সেই সকলো জলাঞ্জলি দি বিগত চাৰে তিনি বছৰে বিজেপি চৰকাৰে সৰ্বদলীয় সভা কিয় পাতিব নোৱাৰিলে তাৰ উত্তৰ গুৱাহাটীৰ ৰাইজক দিয়ক।' এতিয়া হঠাৎ সকলো সাংবিধানিক বিধি-ব্যৱস্থা নস্যাৎ কৰি বিজেপি নেতৃত্বাধীন চৰকাৰে কেৱল নিজৰ ৰাজনৈতিক লাভালাভৰ অংকত শেষ মুহূৰ্তত লৰালৰিকৈ ৱাৰ্ড ডিলিমিটেশ্বনৰ বাবে ৱাৰ্ড গঠন কৰি নিজৰ অভিষ্ট সিদ্ধি কৰিবলৈ প্ৰয়াস কৰিছে বুলিও কংগ্ৰেছে আজি সমালোচনা কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলা বৰ্তমানৰ অসম চৰকাৰখন এতিয়া কেৱল ক্ষমতাৰ ৰাগিত মতলীয়া হৈছে বুলি ক্ষোভ প্ৰকাশ কৰি জ্যেষ্ঠ কংগ্ৰেছ নেতা শৰ্মাই লগতে কয়, 'দেশৰ প্ৰচলিত আইন-কানুন আৰু সাংবিধানিক বিধি ব্যৱস্থা অগ্ৰাহ্য কৰি গণতান্ত্ৰিক কাঠামো ধ্বংস কৰি পেলাবলৈ তেওঁলোকে আপ্ৰাণ চেষ্টা চলাইছে। ক্ষমতাৰ বাবে যিকোনো স্তৰলৈ নামিবলৈ তেওঁলোক কুণ্ঠাবোধ কৰা নাই। এয়া গণতন্ত্ৰৰ বাবে ভয়ংকৰ ভাবুকি।'

প্ৰচলিত আইন আৰু বিধি ব্যৱস্থা মতে এটা ৱাৰ্ড সমষ্টি কেৱল পাঁচ বছৰৰ বাবেহে 'ৰিজাৰ্ভড' হ'ব পাৰে বুলি উল্লেখ কৰি শৰ্মাই কয় যে ড° শৰ্মা নেতৃত্বাধীন চৰকাৰখনে সকলো আইন, নীতি-নিয়ম, পৰম্পৰা ভৰিৰে মোহাৰি ৱাৰ্ড ভিত্তিক 'ৰিজাৰভেছন'ৰ ব্যৱস্থা ১০ বছৰলৈ বঢ়াই আইন প্ৰণয়ন কৰিছে। তেওঁ কয়, 'সেয়া কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। আমি ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছো আৰু এই সীমা পূৰ্বৰ নীতি মতেই, অৰ্থাৎ এটা ৱাৰ্ড সমষ্টি সৰ্বোচ্চ পাঁচ বছৰৰ বাবে 'ৰিজাৰ্ভড' হোৱাৰ ব্যৱস্থা বাহাল থাকিব লাগিব।'

বনভোজলৈ গৈ নিজৰাত ডুবি মৃত্যু দুই

এক পৃষ্ঠাৰ পৰা থকা নিজৰাৰ পানীত ডুবি মৃত্যু হয় মানস বৰা (১৭) আৰু বিকি কলিতা (১৭) নামৰ কিশোৰ দুজনৰ। বনভোজ দলৰ সদস্যই জনোৱা মতে, বিকিৰ ঘৰ মহানগৰীৰ বিৰুবাৰীৰ শংকৰপুৰত। আনহাতে, মানসৰ ঘৰ নগাঁৱত যদিও তেওঁ বিকিৰ বাসগৃহত থাকি নিজাববীয়াকৈ কৰ্ম কৰি উপাৰ্জন কৰিছিল। আজি বিৰুবাৰী অঞ্চলৰ পৰা পৰিয়ালসহ প্ৰায় ৪০জনীয়া দল এটাই বনভোজ খোৱাৰ লগতে প্ৰকৃতিৰ বুকুত কিছু সময় অতিবাহিত কৰিবলৈ আহিছিল বুলি বিকিৰ মোমায়েক জিতুমনি কলিতাই জানিবলৈ দিয়ে। তেওঁ লগতে জনায় যে বিকি আৰু মানসে সমনীয়াৰ স'তে গা ধুবলৈ নিজৰাৰ পানীত নামোতেই এই অঘটন সংঘটিত হয়। নিজৰাৰ শিলৰ ফাকৰ দ পানীত সোমাই পৰে কিশোৰ দুজন। ঘটনাৰ পাছতে আৰেডোঙা বনভোজস্থলী কমিটী আৰু পৰিয়ালৰ সদস্যই দুয়োকে উদ্ধাৰ কৰি বকোস্থ ব্যক্তিগত হাস্পতাল অৰুণোদয়লৈ নিয়ে। অৱশ্যে দুইজনকে পৰীক্ষাৰ অন্তত চিকিৎসকে মৃত বুলি ঘোষণা কৰে।

আজিৰ এই ঘটনাই সম্প্ৰতি স্থানীয় লোকৰ মাজতো ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিয়নো এক কথাত দক্ষিণ কামৰূপ হৈছে প্ৰাকৃতিক সৌন্দৰ্যৰ মিলনভূমি। এই অঞ্চলৰ সেউজীয়া পৰিৱেশ, নৈ, জান-জুৰিয়ে প্ৰকৃতিপ্ৰেমীক সদায় হাত-বাউল দি মাতে। যান্ত্ৰিকতাৰ পৰা আঁতৰত থকা আৰেডোঙাত নৱবৰ্ষৰ প্ৰাকমুহূৰ্তৰ পৰা আৰম্ভ কৰি ফেব্ৰুৱাৰীৰ শেষলৈকে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোক সমবেত হোৱা পৰিলক্ষিত হয়। পৰিয়াল, আত্মীয়-স্বজন অথবা বন্ধু-বান্ধৱৰ স'তে প্ৰকৃতিৰ ৰম্যভূমি আৰেডোঙাত বনভোজ খোৱাৰ লগতে প্ৰকৃতিৰ বোকোচাত কিছু সময় উম লয়হি। বিশেষভাৱে সেউজীয়া পৰিৱেশ, পাহাৰৰ পৰা বৈ অহা পানীয়ে কুলু কুলু শব্দৰে শিলৰ ফাকে ফাকে বৈ থকা দৃশ্য আৰু ওলমা দলঙে বনভোজকাৰীসকলৰ মন পুলকিত কৰি তুলে। বকো ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বকো হাহিম পথেৰে আৰেডোঙালৈ যাবলৈ সময় লাগে প্ৰায় ৪৫-৫০ মিনিট। পৰিতাপৰ বিষয় যে যান্ত্ৰিকতাৰ পৰা আঁতৰত থকা প্ৰকৃতিৰ দান আৰেডোঙা এতিয়া সুস্থ পৰিৱেশ আৰু স্বাস্থ্যৰ উপযোগী ঠাই হৈ থকা নাই। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে প্ৰধানকৈ দেখা যায় যে কদৰ্যময় পৰিৱেশ। প্ৰকৃতিয়ে বনভোজকাৰী দলসমূহৰ প্ৰত্যেকজন লোকৰ মন-প্ৰাণ পুলকিত কৰি তোলে, অথচ এইসকল লোকেই আকৌ ঠাইখিনি কদৰ্যময় কৰি প্ৰকৃতিক কন্দুৱাই থৈ যায়। ভোজপাতৰ পৰা আৰম্ভ কৰি প্লাষ্টিকৰ বটল, খাদ্য আদি আবৰ্জনাসমূহ এৰি থৈ স্বাস্থ্যৰ হানিকাৰক তথা দূষিত বাতাৱৰণৰ সৃষ্টি কৰিছে। একেদৰে আৰেডোঙা বনভোজস্থলীত বছৰে বছৰে অঘটন সংঘটিত হৈ আহিছে। নিজৰাৰ পানীত পৰি বহুলোকৰ মৃত্যু হৈছে আৰেডোঙা বনভোজস্থলীত। অথচ এইবোৰৰ প্ৰতি বনভোজকাৰী দলক সজাগ কৰাৰ ক্ষেত্ৰত চোৱাচিতাৰ বাবে থকা বনভোজস্থলী কমিটী আৰু স্থানীয় প্ৰশাসনে বিশেষ গুৰুত্ব নিদিয়ে বুলিহে স্থানীয় লোকে অভিযোগ কৰে।

NO.DSWO(D)255/2021/57

ADVERTISEMENT

Temporary Contractual Position (Ministry of Social Justice and Empowerment funded) at District Disability Rehabilitation Centres (DDRCs).

Applications are Invited for filling up of 12 Nos. of purely temporary/Contractual positions (Ministry of Social Justice and Empowerment funded) in the District Disability Rehabilitation Centres (DDRCs)

Sl. No.	Position	Minimum Education Qualification	Experience	Age	Job Profile	Remineration	Post of claim
1	Clinical Psychologist	M. Phil in Clinical Psychology	Preferably with 2 years experience in the filed of disability rehabilitation	Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 20,500/- P.M. (Fixed)	Self attested Photocopies of Original certificate to be enclosed with application form
2	Sr. Physiotherapist/Occupational Therapist	Post Graduate in related field	Preferably with 5 years experience	Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 20,500/- P.M. (Fixed)	
3	Orthopedically Handicapped Sr. Prosthetic/ Orthotic	Degree in Prosthetic and Orthotic Preferably from National Institute.	Preferably with 5 yrs. Experience or a diploma in Prosthetic & Orthotic with 6 years experience.	Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 20,500/- P.M. (Fixed)	
4	Prosthetic/ Orthotic technician	ITI Trained	Preferably with 2/3 years experience.	Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 14,500/- P.M. (Fixed)	
5	Sr. Speech Therapist/ Audiologist	Post Graduate in related field/B.Sc (Speech & Hearing)		Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 20,500/- P.M. (Fixed)	
6	Hearing Asstt./Junior Speech Therapist	Diploma in speech & Hearing with Knowledge of hearing aids repair/ear mould making.		Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 14,500/- P.M. (Fixed)	
7	Mobility Instructor	Matriculation + Certificate Diploma in Mobility		Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 14,500/- P.M. (Fixed)	
8	Multipurpose Rehabilitation Worker	10+2 with diploma in CBR/MRW course or one yrs. Diploma course in early childhood special education	Preferably with two years of experience	Maximum age limit 38 Yrs as on 1st Jan/2021.		Rs. 14,500/- P.M. (Fixed)	
9	Accountant cum Clerk cum Storekeeper	B. Com/SAS	Preferably with two years of experience	Maximum age limit 38 Yrs as on 1st Jan/2021		Rs. 14,500/- P.M. (Fixed)	Self attested Photocopies of Original certificate to be enclosed with application form
10	Attendant cum peon cum Messenger	VIII Class pass		Maximum age limit 38 Yrs as on 1st Jan/2021		Rs. 9,500/-P.M. (Fixed)	
11	Field & Publicity Assistant	Graduate		Maximum age limit 38 Yrs as on 1st Jan/2021		Rs. 9,500/-P.M. (Fixed)	
12	Vocational Counselor cum Computer Asstt.	Graduate		Maximum age limit 38 Yrs as on 1st Jan/2021		Rs. 9,500/-P.M. (Fixed)	

Eligible Candidates may apply for the above position with dully filled in application form as per prescribe format (**From te be collutil from the office of the D.S.W.O., Dhubri** with two recent passport sized colour photographs, self attested copies of testimonials/certificates and attend the selection procedure on specified dates against their respective position at District Disability Rehabilitation Centres (DDRCs) which will be notified letter through website. The Chairman reserves the right to alter or cancel the requirement for any of the positions listed Sl. No. 1 & 2 at any stage/time. A candidate shall apply for any one of the above 2 (two) Positions only.

Address for submission of application :- District Social Welfare Office, Dhubri.
Application will be received from 1100 A.M. to 5 .00 P.M. on all working days
Last date for submission of Application : on or before 12th January/2022 at 5.00 P.M.

Selection will be on the basis of written test followed by interview and skill test. The candidates short listed in the written test will alone be called for interview. The schedule of tests will be intimated to concerned candidates by email and telephonic.

Deputy Commissioner, Dhubri, and
Chairman,
District Management Team, Dhubri

Janasanyog/D/11815/21

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৭ ডিচেম্বৰ, ২০২১ সোমবাৰ পৃষ্ঠা তিনি

ভিকে-এনআৰএলৰ চিকিৎসালয়ৰ অধীনস্থ পংকা পাঁচ ছহিদ বহিঃবিভাগৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ২৬ ডিচেম্বৰ ঃ আজি নুমলীগড় শোধনাগাৰৰ বিবেকানন্দ চিকিৎসালয়ৰ অধীনস্থ পংকা পাঁচ ছহিদ বহিঃবিভাগৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক, নুমলীগড় শোধনাগাৰৰ মানৱ সম্পদ বিভাগৰ মুখ্য প্ৰবন্ধকক ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি মৰঙি আঞ্চলিক সমিতিয়ে একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰে। তেওঁলোকৰ মূল দাবী হৈছে- নুমলীগড় শোধনাগাৰৰ অধীনস্থ বিবেকানন্দ চিকিৎসালয় আৰু ইয়াৰ নতুনকৈ স্থাপন হোৱা এক অংশস্বৰূপ পংকা সপ্ত ছহিদ বৰ্হিবিভাগত মৰঙি মৌজাৰ

ছয় পৃষ্ঠাত চাওক

সোঁতৰ বিপৰীতে

■ ঘগ্ৰাপাৰত নোনা নৈৰ ডিজিটেল ইণ্ডিয়াৰ নমুনা ?

বাঁহৰ দলং পাৰ হ'বলৈ ভৰিব লাগে ১০ টকা

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৬ ডিচেম্বৰ ঃ যি সময়ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত পাঁচ বছৰত 'ডিজিটেল ইণ্ডিয়া', 'মেক ইন ইণ্ডিয়া' আদি আঁচনিৰে দেশখনক আগুৱাই নিয়া বুলি সভা-সমিতিয়ে ঘোষণা কৰিছে, সেই সময়তে নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ নোনা নৈৰ ওপৰত থকা বাঁহেৰে সজা দলং পাৰ হ'বলৈ ১০ টকাকৈ ভৰিব লগা ঘটনাই 'ডিজিটেল ইণ্ডিয়া'ৰ প্ৰকৃত স্বৰূপটোক উদঙাই দিছে। বিশেষকৈ নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰ সোণকুৰিহা আৰু ৰঙিয়া সমষ্টিৰ খোপনিকুছি অঞ্চলৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত নিতৌ ধন ভৰিব লগা পৰিলক্ষিত হৈছে। উল্লেখ্য যে নলবাৰী আৰু ৰঙিয়া সমষ্টিৰ সীমা সংযোগী নোনা নৈৰ ওপৰত কে'বাখনো পকী দলং নিৰ্মাণৰ প্ৰয়োজন আছিল যদিও পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ লেখীয়া বৰ্তমানৰ

ছয় পৃষ্ঠাত চাওক

খাৰুপেটীয়াত অট্টালিকা নিৰ্মাণৰ বাবে বাঁহ বান্ধি বন্ধ কৰিলে ব্যস্ত পথ

অগ্ৰদূত বাৰ্তা

দলগাঁও, ২৬ ডিচেম্বৰ ঃ 'জোৰ যাৰ মুলুক তাৰ' এই প্ৰবচন ফাঁকিয়ে যেন সত্য প্ৰমাণিত হ'ব ধৰিছে দৰঙৰ খাৰুপেটীয়াত। খাৰুপেটীয়াত এটি গৃহ নিৰ্মাণৰ সুবিধাৰ বাবে অতি ব্যস্ত পথ এটাত বাঁহ বান্ধি পথটো বন্ধ কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে পথচাৰীসকলৰ মাজত। উল্লেখ্য যে খাৰুপেটীয়াৰ মহাবীৰ ৰোডৰ পৰা ইছলামপুৰ, বাইগৰমাৰী হৈ চৰাঞ্চললৈ যোৱা

ছয় পৃষ্ঠাত চাওক

ভাৰতীয় ৰিজাৰ্ভ বেংক
RESERVE BANK OF INDIA
www.rbi.org.in

অসম চৰকাৰৰ 5 আৰু 10 বছৰীয়া প্ৰতিভূতি জমা (Security)ৰ নিলাম

অসম চৰকাৰে মুঠ প্ৰায় ₹1,200.00 কোটি টকাৰ (প্ৰত্যক্ষ মূল্য)ৰ প্ৰতিভূতি জমা বিক্ৰীৰ বাবে আগবঢ়াইছে।

অহা 28 ডিচেম্বৰ 2021 তাৰিখে (মঙ্গলবাৰ) বহু তলপীয়া মূল্য বা পণ্য অৰ্জিত এই মূল্য উদ্ধৃত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ 'কোৰ বেংকিং চলিউচন' (E-kuber)ত অনুষ্ঠিত হ'ব। ব্যক্তিগত বিনিয়োগকাৰীয়েও অপ্ৰতিযোগিতামূলক বিডিং অনুযায়ী ৰিটেইল ডাইৰেক্ট পৰ্টালৰ জৰিয়তে ভাগ ল'ব পাৰে (https://rbiretaildirect.org.in)।

অধিক তথ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ ৱেবছাইট www.rbi.org.in ত 24 ডিচেম্বৰ 2021 তাৰিখে (শুক্ৰবাৰে) প্ৰকাশিত প্ৰেছ বিজ্ঞপ্তি চাব পাৰে।

"[illegible]"

ৰূপহীহাটত চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনিত সচিবৰ বিৰুদ্ধে অভাৰলেপিঙৰ অভিযোগ

সচিব বদলিৰ চাৰি মাহ পাছতো নহ'ল দায়িত্বভাৰ হস্তান্তৰ

অগ্ৰদূত বাৰ্তা

ৰূপহীহাট, ২৬ ডিচেম্বৰ ঃ নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ অন্তৰ্গত ৰূপহীহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰূপহী গাঁও পঞ্চায়তৰ পূৰ্বৰ সচিব প্ৰদীপ বৰাৰ বিৰুদ্ধে চতুৰ্দশ বিত্তীয় আয়োগৰ মুঠ পাঁচখন আঁচনিত অবাধ খেলিমেলি সংঘটিত কৰা বুলি খণ্ড উন্নয়ন বিষয়াৰ ওচৰত অভিযোগ দাখিল কৰিছে সচেতন ৰাইজে। পঞ্চায়তখনৰ ২০১৮-১৯ৰ ৰূপহী জ্যোতি নগৰৰ ৰেলৱে গেইটৰ পৰা গাজিবুৰ ৰহমানৰ গৃহলৈ যোৱা চি চি ব্লকৰ পথটোৰ বিপৰীতে আৱণ্টিত সাত লাখ ৪৪ হেজাৰ ৩৬৯ টকাৰে মাত্ৰ ১০ মিটাৰ মান পথ নিৰ্মাণ কৰি গড়কাপ্তানী আৰু ৰেলৱে বিভাগে নিৰ্মাণ কৰা পথক অভাৰ লেপিং কৰা দেখুৱাই ধন আত্মসাৎ কৰা বুলি সচিবৰ বিৰুদ্ধে লিখিত অভিযোগ দাখিল কৰিছে। ইপিনে, ২৯১৯-২০ৰ পুথিখাইতি গড়কপ্টানী পথৰ পৰা হাৰুন ৰছিদৰ ফেক্টৰীলৈ যোৱা পথৰ বিপৰীতে ১০ লাখ আৰু নজৰুল ইছলামৰ গৃহৰ পৰা আব্বাছ আলীৰ গৃহলৈ যোৱা পথত আঠ লাখ ৫০ হেজাৰ টকা আৱণ্টন হোৱা আঁচনি দুখন একেটা পথৰ বিপৰীতে মঞ্জুৰ কৰা হৈছিল। কিন্তু ১৮ লাখ ৫০ হেজাৰ টকাৰে ৪২০ মিটাৰ পথ নিৰ্মাণ হ'ব লাগে যদিও মাত্ৰ ২৩০ মিটাৰ পথহে

ছয় পৃষ্ঠাত চাওক

লাহৰীজানত অগ্নিকাণ্ডত ভস্মীভূত বহুকেইটা বাসগৃহ

অগ্ৰদূত বাৰ্তা

বোকাজান/বকলীয়াঘাট, ২৬ ডিচেম্বৰ ঃ বোকাজানৰ খটখটি থানাৰ অন্তৰ্গত লাহৰীজানত আজি পুৱাৰ ভাগত এক অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাত কে'বাটাও বাসগৃহ জুইত জাহ যায়। ঘটনাৰ বিৱৰণী মতে লাহৰীজানৰ চৌধুৰী বিল্ডিঙত প্ৰথমে জুইৰ ধোঁৱা দেখা যায় আৰু নিমিষতে জুইয়ে আৱৰি ধৰে অট্টালিকাটো। ইয়াৰ লগে লগেই কে'বাটাও চিলিণ্ডাৰ বিস্ফোৰণ ঘটাত জুয়ে কাষৰ কে'বাটাও বাসগৃহ আৱৰি ধৰে। ইয়াৰ ফলত সম্পূৰ্ণৰূপে বাসগৃহকেইটা ধ্বংস হোৱাৰ লগতে কে'বা লক্ষ টকাৰ সামগ্ৰী জুইত জ্বলি যায়। পৰৱৰ্তী সময়ত বোকাজান আৰু ডিমাপুৰৰ অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও বৈদ্যুতিক ছৰ্টচাৰ্কিটৰ ফলতেই হোৱা বুলি সন্দেহ কৰা হৈছে।

বৰপথাৰত সমনীয়াৰ লগত নদীত গা ধুবলৈ গৈ দুজন ছাত্ৰৰ সলিল সমাধি

বৰপথাৰ, ২৬ ডিচেম্বৰ ঃ গোলাঘাট জিলাৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ শিঙিমাৰিৰ সমীপৰ ধনশিৰি নদীত নজন সমনীয়াৰ স'তে গা ধুব গৈ আজি এক শোকাৱহ ঘটনা ঘটিল। ঘটনাত দুজন ছাত্ৰৰ সলিল সমাধি ঘটিল। ছাত্ৰ দুজন হ'ল ক্ৰমে বিষ্ণু মালাকাৰ আৰু দ্বীপ পাল। দুয়োজনেই বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ আছিল। এছ ডি আৰ এফ বাহিনী অহাৰ পূৰ্বে বিষ্ণু মালাকাৰৰ নৈপৰীয়া ৰাইজে উদ্ধাৰ কৰে মৃতদেহ।

ছয় পৃষ্ঠাত চাওক

মাইক্ৰ'ফাইনেঞ্চ শোষণ বিৰোধী যৌথ সংগ্ৰামী মঞ্চৰ সভা

বিশেষ সংবাদদাতা

নগাঁও, ২৬ ডিচেম্বৰ ঃ মাইক্ৰ'ফাইনেঞ্চ শোষণ বিৰোধী যৌথ সংগ্ৰামী মঞ্চৰ তুলসীমুখ-কুৰুৱাবাহী-চকৰিগাঁও নৈৰে শাখাৰ উদ্যোগত কুৰুৱাবাহী চকৰিগাঁও প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আজি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত অনিতা দাসে সভাপতিত্ব কৰে। সভাত আলোচকৰূপে কুজিডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মৃদু পৱন বৰা, মাইক্ৰ'ফাইনেঞ্চ শোষণ বিৰোধী যৌথ সংগ্ৰামী মঞ্চৰ নগাঁও জিলাৰ সম্পাদিকা

ছয় পৃষ্ঠাত চাওক

মৰাণত আছুৰ বন্ধৰ প্ৰভাৱ ৰাস্তাত জ্বলিল টায়াৰ

অগ্ৰদূত বাৰ্তা

মৰাণ, ২৬ ডিচেম্বৰ ঃ অসমত পুনৰ বন্ধৰ সংস্কৃতি আৰম্ভ হ'ল। যোৱা ২৫ ডিচেম্বৰত ডিব্ৰুগড়ৰ এখন মহাবিদ্যালয়ত নিৰ্বাচনী কেন্দ্ৰিক ঘটনাত আৰক্ষীয়ে আছুৰ কে'বাজনো নিৰ্দোষী কৰ্মীক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত আছুৱে আজি পুৱাৰ পৰা ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা দুখনত ২৪ ঘণ্টাৰ এক বন্ধৰ আহ্বান জনাইছিল। কিন্তু আজিৰ এই বন্ধ চৰাইদেউ জিলাৰ মৰাণ নগৰতো বিস্তৰ প্ৰভাৱ পৰিল। ডিব্ৰুগড় আৰু চৰাইদেউ জিলা দুখনত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৱে দুভাগত ভাগ কৰিছে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৱেই সীমা হোৱাত এখন জিলা বন্ধ হ'লে বন্ধ নোহোৱা জিলাখনলৈ গৈ ৰাইজে বজাৰকে ধৰি বিভিন্ন কাম-কাজ কৰিব পাৰে। যিটো সমস্যা তলাবন্ধৰ সময়ত সৃষ্টি হৈছিল। গতিকে এইবাৰ বন্ধৰ সমৰ্থক মৰাণ আঞ্চলিক ছাত্ৰ সন্থাই ডিব্ৰুগড় জিলাৰ লগতে চৰাইদেউ জিলাৰ অন্তৰ্গত মৰাণ নগৰতো বন্ধৰ ঘোষণা কৰাত আজি পুৱাৰ

ছয় পৃষ্ঠাত চাওক

■ওদালগুৰিৰ বাবে ২০২১ বৰ্ষটোৰ কেইটিমান উল্লেখযোগ্য ভাল খবৰ ■

নতুন সশস্ত্ৰ সংগঠন এনএলএফবিৰ যুদ্ধ বিৰতি আছিল উল্লেখনীয় দিশ

বিশেষ সংবাদদাতা

ওদালগুৰি, ২৬ ডিচেম্বৰ ঃ চলিত ২০২১ বৰ্ষটোৱে বিদায়ী ল'বলৈ মাজত মাথোঁ কেইটামান দিন বাকী। পুৰণিক বিদায় জনাই নতুন বৰ্ষক আদৰাৰ বাবে এতিয়া সকলো ব্যস্ত হৈ পৰা দেখা গৈছে। বিগত দুটাকৈ বছৰ ক'ভিড-১৯ ভাইৰাছে জুৰুলা কৰাৰ অন্তত ৰাজ্যবাসীয়ে আগন্তুক ২০২২ বছৰটো যাতে সকলোৰে বাবে কুশলে যায় তাৰ বাবে নেদেখাজনৰ সন্মুখত প্ৰাৰ্থনাৰে আশা প্ৰকাশ কৰিছে। কিন্তু ক'ভিডৰ এই জটিল সময়ৰ মাজতো ২০২১ত কেইটিমান উল্লেখনীয় খবৰে আশাৰ সঞ্চাৰ কৰিয়াই আনিছিল ওদালগুৰিবাসীৰ বাবে। এনে জটিল পৰিৱেশৰ মাজতো ওদালগুৰি অসামৰিক চিকিৎসালয়খনত প্ৰায় ১৫গৰাকীতকৈ অধিক ক'ভিড আক্ৰান্ত মহিলাই সুকলমে সন্তান প্ৰসৱ কৰিবলৈ সক্ষম হৈছিল। ইফালে, চলিত বৰ্ষত কে'বাটাও সমীক্ষাত ৰাজ্যৰ ভিতৰতে সুফল কঢ়িয়াবলৈ সক্ষম হৈছে ওদালগুৰি অসামৰিক চিকিৎসালয়খনে। বিগত সাত বছৰৰ অন্তত 'কায়কল্প ২০২০-২১'ৰ অভিযানত ৰাজ্যৰ ১৬খন চিকিৎসালয়ৰ তালিকাৰ ভিতৰত অষ্টম স্থান অধিকাৰ কৰি ওদালগুৰি অসামৰিক চিকিৎসালয়খনে পুৰস্কৃত হোৱাৰ লগতে প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনতো অসামৰিক চিকিৎসালয়খনে উন্নত সেৱা প্ৰদানৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে ধনাত্মক তালিকাত সন্নিবিষ্ট হোৱা দেখা গৈছিল। ইয়াৰ মাজতে নিটি আয়োগৰ সমীক্ষাত চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত আকাংক্ষিত

ছয় পৃষ্ঠাত চাওক

Azadi Ka Amrit Mahotsav

উন্নয়নৰ পথত দ্ৰুত গতিত অগ্ৰসৰ হৈছে ভাৰত

প্ৰতিজনৰে প্ৰচেষ্টাই দেশৰ প্ৰগতিত ইন্ধন যোগায়

সময় মতে কৰ আদায়ৰ জৰিয়তে এয়া সম্ভৱ

নিম্নোলিখিত তাৰিখ অথবা তাৰ পূৰ্বে
আপোনাৰ কৰ ৰিটাৰ্ণ ই-ফাইল কৰক

৩১ ডিচেম্বৰ, ২০২১

(২০২১-২২ৰ আয়কৰ ৰিটাৰ্ণ দাখিলৰ অন্তিম দিন)
সেইসকল ব্যক্তি অথবা অনুষ্ঠান যাৰ একাউণ্টৰ হিচাপ পৰীক্ষাৰ প্ৰয়োজন নাই

আয়কৰ ৰিটাৰ্ণ সময়মতে দাখিলৰ জৰিয়তে
কৰদাতাসকল বিভিন্ন ধৰণে উপকৃত হয়। যেনে ঃ

- সম্পূৰ্ণ সূদসহ ৰিফাণ্ড লাভ
- ঋণ লাভৰ ক্ষেত্ৰত সুবিধা
- ভিছা আবেদন সহজ

নিৰ্ধাৰিত তাৰিখত আই টি আৰ দাখিল নকৰাৰ ফল ঃ

- সুদ আদায় দিবলগীয়া হ'ব পাৰে
- কিছুমান সমিলমিল নকৰা ক্ষতি আগলৈ নিব পৰা নাযাব

সহজ আয়কৰ ৰিটাৰ্ণ ই-ফাইলিঙৰ বাবে লগ্ অন কৰক ঃ

www.incometax.gov.in

আয়কৰ বিভাগ
প্ৰত্যক্ষ কৰৰ কেন্দ্ৰীয় ব'ৰ্ড

তথ্যৰ বাবে কিউআৰ কোড স্কেন কৰক

@IncomeTaxIndia @IncomeTaxIndiaOfficial @IncomeTaxIndiaOfficial @Income Tax India @ Income Tax India Official

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১১ পুহ ১৪২৮ ভাস্কৰাব্দ ২৭ ডিচেম্বৰ ২০২১

সংবাদ মাধ্যমৰ স্বাধীনতা

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে লোকসভাত যোৱা বৃহস্পতিবাৰে এক লিখিত প্ৰশ্নৰ উত্তৰত কৈছে যে সংবাদ মাধ্যমৰ স্বাধীনতাৰ যি সূচক ৰিপ'ৰ্টাৰ্ছ উইদাউট ব'ৰ্ডাৰ্ছ নামৰ আন্তৰ্জাতিক সংস্থাটোৱে প্ৰকাশ কৰিছে তাক ভাৰত চৰকাৰে মানি নলয়।

উল্লেখ্য যে এই আন্তৰ্জাতিক সংস্থাটোৱে সংবাদ মাধ্যমৰ স্বাধীনতা সূচকৰ ক্ষেত্ৰত ভাৰতবৰ্ষক এনে কেতবোৰ দেশৰ স'তে সংলগ্ন কৰিছে, য'ত সংবাদ মাধ্যমৰ স্বাধীনতা তেনেই কম। ভাৰতবৰ্ষক অন্যান্য কেইখনমান দেশৰ লগতে সাংবাদিকৰ বাবে অতি বিপজ্জনক দেশ বুলি এই সংস্থাটোৱে কৈছে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে কৈছে যে এই সংবাদ মাধ্যমৰ স্বাধীনতা সূচক বিদেশৰ এটি বেচৰকাৰী সংগঠন ৰিপ'ৰ্টাৰ্ছ উইদাউট ব'ৰ্ডাৰ্ছ বা সংক্ষেপে আৰ এছ এফে যুগুতায়। কেন্দ্ৰীয় চৰকাৰে কৈছে যে আৰ এছ এফৰ এই সূচক ভাৰত চৰকাৰে নাজানে কাৰণ অতি কম নমুনা সংগ্ৰহ কৰি সংস্থাটোৱে এই সূচক প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ইয়াকো কৈছে যে গণতান্ত্ৰিক মৌলিকতাকো এই সূচক তৈয়াৰ কৰোতে আৰ এছ এফে বিবেচনা কৰা নাই। এইটো সত্য যে আৰ এছ এফ এক বেচৰকাৰী ফ্ৰান্স ভিত্তিক আন্তৰ্জাতিক সংস্থা। এই সংস্থাটোৱে মূলতঃ সাংবাদিকতাৰ ওপৰত অহা ভাবুকিবোৰ নথিবদ্ধ কৰিয়েই সংবাদ মাধ্যমৰ স্বাধীনতা সূচক প্ৰস্তুত কৰে। ইন্টাৰনেছনেল ফেডাৰেছন অৱ জাৰ্ণেলিষ্ট বা সংক্ষেপে আই এফ জে'ত আৰ এছ এফৰ এই সূচকক মান্যতা দিয়া নাই বিভিন্ন কাৰণত।

পিছে বিশ্বত সাংবাদিকতা কিমান মুক্ত তাক জানিবলৈ হ'লে আন কোনো অধ্যয়ন দৃষ্টিগোচৰ হোৱা নাই। ম্যানমাৰ, ফিলিপাইনছ, পাকিস্তান আদি দেশৰ ক্ষেত্ৰত আৰ এছ এফে দিয়া সূচকৰ স্থান ভাৰতবৰ্ষতকৈও বেয়া। গতিকে আৰ এছ এফৰ স্বাধীনতাৰ সূচকক একেবাৰে উৰুৱাই দিয়াটোও কঠিন। উল্লেখ্য যে ১৮০ খন দেশত সাংবাদিকতালৈ অহা আক্ৰমণ আৰু আনুসংগিক বিষয়বোৰ বিবেচনা কৰি আৰ এছ এফে সংবাদ মাধ্যমৰ স্বাধীনতাৰ সূচকৰ ক্ষেত্ৰত ভাৰতবৰ্ষক ১৪২ নম্বৰ স্থানত থৈছে। অথচ ভাৰতৰ চুবুৰীয়া দেশ নেপালৰ সংবাদ মাধ্যমৰ স্বাধীনতা সূচক হ'ল ১০৬, শ্ৰীলংকাৰ স্থান ১২৭ নম্বৰত, পাকিস্তানৰ স্থান ১৪৫, বাংলাদেশৰ স্থান ১৫২ত বুলি আৰ এছ এফৰ প্ৰতিবেদনত কোৱা হৈছে। আৰ এছ এফে এই তথ্য প্ৰকাশ কৰিছে যে ২০২০ত চাৰিগৰাকী সাংবাদিকক তেওঁলোকৰ সাংবাদিকতাৰ বাবে হত্যা কৰা হৈছে। আৰ এছ এফে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে এই অভিযোগ আনিছে যে তেওঁ সংবাদ মাধ্যমৰ ওপৰত যথেষ্ট হেঁচা দিছে।

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে কৈছে যে ভাৰত চৰকাৰে সাংবাদিকসহ সকলো নাগৰিককেই নিৰাপত্তা প্ৰদান কৰি আহিছে। পিছে সাংবাদিক আৰু সমাজকৰ্মীসকলক চৰকাৰক সমালোচনা কৰাৰ বাবে দেশদ্ৰোহী আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা, সাংবাদিকক হাৰাশাস্তি কৰাৰ ঘটনাবোৰে স্বাভাৱিকভাৱে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে। তদুপৰি সংবাদ মাধ্যমক ক'ভিড-১৯ৰ সংকটৰ সময়ত অন্যান্য উদ্যোগক দিয়াৰ দৰে অনুদান বা বিত্তীয় পেকেজ নিদিয়াৰ বিষয়টোও সমালোচিত হৈছে। সি যি কি নহওক, আৰ এছ এফৰ সূচক চৰকাৰে মানে বা নামানে— দেশৰ সংবাদ মাধ্যমৰ স্বাধীনতা আনৰ তুলনাত যথেষ্ট সংকুচিত হৈছে বুলি সময়ে সময়ে বিভিন্ন পক্ষই অভিযোগ উত্থাপন কৰি আহিছে।

মূল্যবৃদ্ধি সম্বন্ধে চৰকাৰ সম্পূৰ্ণ নিমাত

ক'ভিডত বিধ্বস্ত অৰ্থনীতিৰ বছৰটোৰ অন্ত পৰিবনে ?

দৃষ্টিপাত

অনন্ত কলিতা

২০০৮ত বিশ্ব অৰ্থনীতি মহাসংকটত নিমজ্জিত হোৱাৰে পৰা আজিলৈ সম্পূৰ্ণ পুনৰুজ্জীৱিত হোৱাই নাছিল। 2019ত ক'ভিড-19 আক্ৰমণে এই সংকটত নিমজ্জিত অৰ্থনীতিক জৰাজীৰ্ণ কৰি দিলে, বিশেষকৈ বিশ্বৰ পুঁজিবাদী অৰ্থনৈতিক নীতিৰ দেশবোৰক। ক'ভিড-19-এ বিশ্বত 100 নিযুত লোকক আক্ৰমণ কৰিছিল আৰু দুই নিযুত লোকৰ মৃত্যু ঘটিছিল। 1990ৰ পাছত বিশ্বত 2020 আৰু 2021ত প্ৰথমবাৰৰ বাবে দুৰ্ভিক্ষত আক্ৰান্ত হোৱা লোকৰ সংখ্যা বৃদ্ধি হৈছে। বিশ্ববেংকৰ তথ্য অনুযায়ী বিশ্বত মুঠ দৰিদ্ৰ লোকৰ সংখ্যা ক'ভিড আক্ৰমণৰ আগতে আছিল 689 নিযুত, কিন্তু ক'ভিড আক্ৰমণৰ পাছত 124 নিযুত দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধি হ'ল। নিবনুৱাৰ সংখ্যাও সমগ্ৰ বিশ্বতে তীব্ৰ আকাৰত বৃদ্ধি পালে। বিশ্বৰ প্ৰত্যেক দেশতে অসংগঠিত খণ্ডৰ উদ্যোগ-প্ৰতিষ্ঠানবোৰ মহাসংকটত। আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰে কৈছে যে বিশ্বৰ অৰ্থনীতিৰ বিকাশ স্বাভাৱিক হোৱাৰ পথত, কিন্তু ইয়াৰ কোনো নিশ্চয়তা নাই। উন্নত দেশবোৰত নিবনুৱাৰ শতাংশ বৃদ্ধি হৈছে। আন্তৰ্জাতিক শ্ৰম সন্থাৰ তথ্য অনুযায়ী বিশ্বত 2019ত মুঠ নিবনুৱাৰ সংখ্যা আছিল 187 নিযুত, 2021ত নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈছে 205 নিযুতলৈ। আই-এল-ৱে আৰু কৈছে যে বিশ্বৰ শ্ৰমশক্তিৰ 30 শতাংশ নিবনুৱা। বিশ্বৰ ধনী দেশবোৰতে 34 নিযুত নিবনুৱা আছে। ইউৰোপীয় ইউনিয়নত নিবনুৱাৰ হাৰ গড়ে 11.3 শতাংশলৈ বৃদ্ধি হৈছে। এই পৰিস্থিতিত বিশ্বৰ পুঁজিবাদী অৰ্থনীতিৰ দেশবোৰৰ অধিকাংশৰে আয় হ্ৰাস হৈছে, অনেক লোক আয়হীন হৈছে। ফলত সমস্ত সামগ্ৰীৰে দেশবোৰত বজাৰ চাহিদা হ্ৰাস পাইছে। আনফালে সকলো দেশতে যোৱা বিশ বছৰৰ ভিতৰতে অধিতম মুদ্ৰাস্ফীতি হৈছে। এফালে, এই দেশবোৰৰ লোকবোৰ আয়হীন বা আয় হ্ৰাস হৈছে। আনফালে অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি সকলো সামগ্ৰীৰে আকাশলংঘী মূল্যবৃদ্ধি হৈছে, বিশ্বৰ পুঁজিবাদী দেশবোৰৰ জনসাধাৰণলৈ পুঁজিবাদী অৰ্থনীতিয়ে চৰম দুখ-যন্ত্ৰণা কঢ়িয়াই আনিছে। আমেৰিকান ৰাষ্ট্ৰপতি জ' বাইডেনে জনসাধাৰণক দৰিদ্ৰতাৰ পৰা উদ্ধাৰ কৰিবলৈ নব্য-উদাৰ অৰ্থনীতিৰ বিপৰীতে কেইন্সীয় অৰ্থনীতিৰ তত্ত্বক অনুসৰণ কৰি জনসাধাৰণৰ হাতত ডলাৰ যোৱাৰ কাৰ্যসূচীৰে তিনি লাখ কোটি ডলাৰৰ (তিনি ট্ৰিলিয়ন) উদ্দীপক পেকেজ ইউ-এছ কংগ্ৰেছত পাছ কৰাই লৈছে। এই বৃহৎ পৰিমাণৰ ধন তেওঁ যোগাৰ কৰিব পুঁজিপতিসকলৰ ওপৰত অধিক কৰ বহুৱাই আৰু কোষাগাৰীয় ঘাটিৰে। বিশ্বৰ সমাজবাদী দেশ চীন, ভিয়েটনাম, কিউবা আদি দেশবোৰৰ জনসাধাৰণক বিশ্বৰ অৰ্থনৈতিক সংকটে স্পৰ্শ কৰিব পৰা নাই। এইবোৰ দেশে বিভিন্ন অসুবিধা সত্ত্বেও জনসাধাৰণক দৰিদ্ৰতাৰ গ্ৰাসত পৰিব দিয়া নাই। ক'ভিডকো নিয়ন্ত্ৰণত আনিব পাৰিছে।

আন্তৰ্জাতিক অৰ্থনীতিৰ উক্ত পৰিস্থিতি ভাৰতৰ জনসাধাৰণৰ অৱস্থা আৰু বেয়া। ভাৰতে বিশ্বৰ ভিতৰতে অধিক হাৰত অৰ্থনীতিৰ বিকাশ হোৱাৰ গৌৰৱ কৰি আছে; কিন্তু মহামাৰীৰ সময়ত ভাৰতৰ অৰ্থনীতিৰ বিশ্বৰ ভিতৰতে অধিক হাৰত বিকাশ নিম্নগামী হৈছিল। 2021-22 বিত্তীয় বছৰটোৰ দ্বিতীয় ত্ৰৈমাসিকত (জুলাই-ছেপ্টেম্বৰ) 8.4 শতাংশ জিডিপিৰ বিকাশ হোৱা বাবে মোদী চৰকাৰে বিৰাট গৌৰৱ কৰিছে যে ভাতৰৰ অৰ্থনীতি হেনো বিশ্বৰ ভিতৰতে বিকাশশীল অৰ্থনীতি। যোৱা দুবছৰৰ অৰ্থনীতিৰ বিকাশৰ পৰ্যালোচনা কৰিলে প্ৰতিফলিত হয় যে '2021-22 বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত (এপ্ৰিল-জুন) অৰ্থনীতিৰ বিকাশ আছিল 20.1 শতাংশ বিপৰীতে যোৱা বিত্তীয় বৰ্ষৰ (2020-21) প্ৰথম ত্ৰৈমাসিকত অৰ্থনীতিৰ বিকাশ নিম্নগামী হৈছিল 24.4 শতাংশ। এই বছৰৰ দ্বিতীয় ত্ৰৈমাসিকত (জুলাই-ছেপ্টেম্বৰ) জিডিপি বিকাশ 8.4 শতাংশ হৈছে হেনো। যোৱা বিত্তীয় বছৰৰ দ্বিতীয় ত্ৰৈমাসিকত জিডিপি বিকাশ 7.4 শতাংশ নিম্নগামী হৈছিল। এই বছৰৰ দুয়োটা ত্ৰৈমাসিক মিলি বিকাশ হৈছে (20.1ÙÂ8.4) 28.4 শতাংশ। যোৱা বছৰত এই দুয়োটা ত্ৰৈমাসিকত জিডিপি নিম্নগামী হৈছে (24.4ÙÂ7.4) 31.8 শতাংশ। গতিকে এই বছৰৰ দুই ত্ৰৈমাসিকৰ বিকাশ 28.4 শতাংশ যোৱা বছৰৰ দুই ত্ৰৈমাসিকৰ বিকাশ নিম্নগামী শতাংশ 31.8 শতাংশ বিয়োগ কৰিলে 3.4 শতাংশ নিম্নগামিতা থাকি যায়। অৰ্থাৎ দেশৰ জিডিপি 2021-22ৰ বিত্তীয় বৰ্ষৰ দ্বিতীয় ত্ৰৈমাসিকলৈ 2019-20 বৰ্ষৰ জিডিপিৰ তুলনাত 3.4 শতাংশ নিম্নগামী হৈ আছে, প্ৰকৃততে 8.4 শতাংশ জিডিপি বিকাশৰ নহয়। এই পটভূমিত অৰ্থনীতিৰ বিকাশক লৈ গৌৰৱ কৰাৰ একো নাই। ভাৰতৰ অৰ্থনীতিৰ জিডিপিৰ পৰিমাণ 2019-20ৰ পৰ্যায়তকৈ হ্ৰাসহৈ হৈ আছে। তদুপৰি 2020-21 বিত্তীয় বৰ্ষটোতো বিকাশৰ বিপৰীতে জিডিপি হ্ৰাসহৈ হৈছিল।

বৰ্তমানো ভাৰতৰ অৰ্থনীতি ক'ভিডৰ আগৰ অৱস্থালৈ আহিব পৰা নাই। ভাৰতৰ অসংগঠিত খণ্ড য'ত দেশৰ কৰ্মশক্তিৰ 90 শতাংশ কাম কৰে এই অসংগঠিত খণ্ড এতিয়াও পুনৰুজ্জীৱিত হোৱা নাই সংকটতে নিমজ্জিত হৈ আছে। তদুপৰি বজাৰ চাহিদা ঘূৰি অহা নাই অৰ্থাৎ দেশৰ জনসাধাৰণে আয় কৰিব পৰা নাই, যি কাৰণে তেওঁলোকৰ ক্ৰয় ক্ষমতা নাই। যোৱা জুলাই-ছেপ্টেম্বৰত ব্যক্তিগত ভোজনৰ (Private Consumption) পৰিমাণ হ'ল 19.58 লাখ কোটি টকা ক'ভিডৰ আগৰ সময়তকৈ 3.5 শতাংশ কম। অৰ্থনীতৰ নিৰ্মাণখণ্ড, সেৱাখণ্ড বিশেষকৈ হোটেল-ৰেষ্টুৰেণ্ট খণ্ড প্ৰাক্-ক'ভিড অৱস্থালৈ অহা নাই। অৰ্থাৎ কৰ্মসংস্থান সৃষ্টিকাৰী অসংগঠিত খণ্ড পুনৰুজ্জীৱিত হোৱা নাই, ফলস্বৰূপে সমাজৰ দুখীয়া শ্ৰেণীৰ লোকৰ আয় কৰাৰ সুযোগ সৃষ্টি হোৱা নাই আৰু তেওঁলোকে আয় কৰি খৰচ কৰিব নোৱাৰাৰ ফলত ব্যক্তিগত ভোজন বা বজাৰ চাহিদা প্ৰাক্-ক'ভিড অৱস্থালৈ ঘূৰি যোৱা নাই। আনকি অনেক মধ্যবিত্ত শ্ৰেণীৰ লোকেও কৰ্মসংস্থান ঘূৰাই পোৱা নাই আৰু ক্ষুদ্ৰ ব্যৱসায় তথা ক্ষুদ্ৰ উদ্যোগবোৰ পুনৰুজ্জীৱিত হোৱা নাই।

আনফালে মুদ্ৰাস্ফীতি ভাৰতৰ অৰ্থনীতিৰ বাবে ডাঙৰ সমস্যা হৈ পৰিছে। পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ ওপৰত আৰোপ কৰা অতিৰিক্ত কৰ-এ সকলোবোৰ সামগ্ৰীৰ দাম বৃদ্ধি কৰাইছে। ফলশ্ৰুতিত সকলো সামগ্ৰীৰ পৰিবহণ, উৎপাদন খৰচ বৃদ্ধি হৈ বস্তুবোৰৰ দাম বৃদ্ধি হৈছে। দুৰ্ভাগ্যজনক যে মূল্যবৃদ্ধি সম্বন্ধে চৰকাৰ সম্পূৰ্ণ নিমাত আৰু মূল্যবৃদ্ধিক ন্যায্য বুলি কৈছে। জিডিপিৰ বিকাশত চৰকাৰৰ অধিক কৰ সংগ্ৰহ আৰু কৃষিখণ্ডৰ উৎপাদন বৃদ্ধিয়ে অৰিহণা যোগাইছে; কিন্তু অধিক কৰ সংগ্ৰহৰ দ্বাৰা কক্‌বকাই থকা অসংগঠিত খণ্ডক আৰু ক্ষতি কৰিছে। খৰতকীয়া উপভোগ্য সামগ্ৰী (FMCG)বোৰৰ বিক্ৰীও হ্ৰাস পাইছে। ইয়াৰ ফলতে ক'ভিডৰ লক্-ডাউনৰ বাবে হেৰুৱা বহু কোটি লোক কামলৈ ঘূৰি আহিব পৰা নাই, নতুনকৈ সৃষ্টি হোৱা নিবনুৱাক চাকৰি দিয়া দূৰৰ কথা। ইয়াৰ ফলত দৰিদ্ৰতাত আক্ৰান্ত লোকসকলে আনকি মধ্যবিত্ত শ্ৰেণীৰ নিবনুৱাসকলেও উপায় নাপাই মহাত্মা গান্ধী জাতীয় গ্ৰামীণ নিশ্চয়তা কৰ্মসংস্থানৰ আঁচনিৰ কাম 57.4 নিযুত পৰিয়ালে বিচাৰিছে। এই আঁচনিত চৰকাৰে যোৱা বছৰতকৈ 34 শতাংশ পুঁজি কম আবণ্টন কৰিছে। অৰ্থনীতিৰ বিকাশক লৈ ভাৰত চৰকাৰে গৌৰৱ কৰিলেও এই বিকশিত অৰ্থনীতিয়ে ভাৰতৰ জনসাধাৰণক অকণো সকাহ দিব পৰা নাই তথা এই বিকাশে তেওঁলোকক স্পৰ্শই কৰা নাই। বৃহৎ পুঁজিপতিৰহে উন্নতি হৈছে।

দেশৰ অৰ্থনীতিৰ উক্ত পটভূমিত অসমৰ অৰ্থনীতি। অসমৰ অৰ্থনীতিৰ অৱস্থা আৰু অধিক বেয়া। চৰকাৰখন দেৱলীয়া হৈছে। চৰকাৰৰ নিজস্ব আয় প্ৰয়োজনভিত্তিক নহয়। কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত অনুদান দিয়াটো দূৰৰ কথা, পাবলগীয়া অনুদানখিনিও দিয়া নাই। অসম চৰকাৰে আনফালে যিখিনি পুঁজি আহৰণ কৰিছে, সেইখিনিও উৎপাদন খণ্ড বা সম্পদ সৃষ্টিত খৰচ নকৰি অনা-উৎপাদন আৰু অপ্ৰয়োজনীয় তথা প্ৰসাধনীয় কৰ্মত খৰচ কৰি আছে। অতি সম্প্ৰতি নিটি আয়োগে প্ৰকাশ কৰা প্ৰতিবেদনৰ বহুমাত্ৰিক দৰিদ্ৰসূচকত অসমৰ 33 শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত আছে বুলি কৈছে; কিন্তু অসম চৰকাৰৰ হিতাধিকাৰী তালিকাত প্ৰায় এক কোটি 70 লাখ লোক অন্তৰ্ভুক্ত কৰিছে, অৰ্থাৎ অসমৰ 50 শতাংশ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত আছে। 2016ত বিজেপিয়ে প্ৰকাশ কৰা 'অসম দৃষ্টি-পত্ৰ'ত কৈছিল পাঁচ বছৰৰ ভিতৰত 25 লাখ লোকক চাকৰি দিব। হিমন্ত বিশ্ব চৰকাৰে সেই সংখ্যা কমাই কৈছে দুই লাখ যুৱকক চাকৰি দিব। প্ৰকৃততে অসমত কৰ্মসংস্থান সৃষ্টিৰ বাবে চৰকাৰী বা বেচৰকাৰী কোনো ধৰণৰ বিনিয়োগে হোৱা নাই। অসমৰ অৰ্থনীতিৰ আটাইতকৈ ডাঙৰ সমস্যা কৰ্মসংস্থাপনহীনতা। 30ৰ পৰা 40 লাখ লোক প্ৰব্ৰজনকাৰী শ্ৰমিক হিচাপে বহিঃৰাজ্যলৈ গৈছিল। ক'ভিডৰ সমস্যাৰ বাবে সেইটোও সম্ভৱ হোৱা নাই। অসম চৰকাৰখন ব্যস্ত প্ৰচাৰমুখী কাম-কাজত আৰু ভোটদাতাক আকৰ্ষণ কৰিবলৈ জনসাধাৰণক ভিক্ষাৰী বনায় হিতাধিকাৰী সজাবলৈ। এই পটভূমিত অসম চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে অসমক হেনো ভাৰতৰ অন্যতম সমৃদ্ধিশালী ৰাজ্যত পৰিণত কৰিব। সামৃদ্ধিশালী দূৰৰ কথা 2021 বৰ্ষটোত অসমৰ সমস্ত জনসাধাৰণে পেটে-ভাতে খাই থাকিব পৰা অৱস্থাৰ সৃষ্টিয়ে কৰিব পৰা নাই।

ফোন ঃ 9435041203

● ● ● ●

বিশ্বৰ সমাজবাদী দেশ চীন, ভিয়েটনাম, কিউবা আদি দেশবোৰৰ জনসাধাৰণক বিশ্বৰ অৰ্থনৈতিক সংকটে স্পৰ্শ কৰিব পৰা নাই। এইবোৰ দেশে বিভিন্ন অসুবিধা সত্ত্বেও জনসাধাৰণক দৰিদ্ৰতাৰ গ্ৰাসত পৰিব দিয়া নাই। ক'ভিডকো নিয়ন্ত্ৰণত আনিব পাৰিছে।

● ● ● ●

উজনি অসমৰ প্ৰাথমিক স্ত্ৰী-শিক্ষানুষ্ঠানৰ অতীত-বৰ্তমান

ফুলেশ্বৰী কুঁৱৰীৰ পৰা আজিলৈকে

ব্ৰজেন দাস

অসমৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ ইতিহাসত শিৱসাগৰৰ অৱদান উল্লেখনীয়। আহোম স্বৰ্গদেওসকলে অসমত প্ৰৱেশ কৰি প্ৰথমে নিজৰ ভাষা-সংস্কৃতি এৰি থলুৱা লোকৰ ভাষা সংস্কৃতিকে আঁকোৱালি লৈছিল আৰু পৰৱৰ্ত্তী সময়ত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে আত্মনিয়োগ কৰাৰ লগতে পৃষ্ঠপোষকতা কৰিছিল। যিটো সময়ত নাৰী শিক্ষাৰ প্ৰচলন নাছিল সেই সময়ত ৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে ৰাজকাৰেঙত মহিলাসকলক গোটাই লৈ পঢ়োৱাৰ ব্যৱস্থা কৰিছিল। আনুষ্ঠানিক শিক্ষাৰ ইতিহাসত বৰ-ৰজা ফুলেশ্বৰী কুঁৱৰীক বাটকটীয়া বুলি ক'ব পাৰি। কিয়নো ষষ্ঠদশ শতিকাত নৱবৈষ্ণৱ আন্দোলনত অসমৰ বিভিন্ন ঠাইত বহুতো সত্ৰ স্থাপন হৈছিল আৰু এইবোৰত শিক্ষা-সংস্কৃতিৰ শিক্ষা দিয়া হৈছিল, কিন্তু এই সত্ৰবোৰলৈ নাৰী প্ৰৱেশ নিষিদ্ধ আছিল। প্ৰণিধানযোগ্য যে আহোম ৰাজত্ব কালত থলুৱা শিক্ষা সংস্কৃতিৰ প্ৰসাৰৰ বাবে তেওঁলোকে পৃষ্ঠপোষকতা কৰিছিল যদিও নাৰীয়ে সেই শিক্ষা ল'বলৈ সক্ষম হোৱা নাছিল। 1846 চনত শিৱসাগৰৰ পৰা প্ৰকাশিত অৰুণোদয় বাতৰি কাকতত নাৰী শিক্ষাৰ সম্পৰ্কত কেইবাটাও প্ৰবন্ধ প্ৰকাশ পাইছিল। সমাজৰ গণ্যমান্য লোকৰ ছোৱালীয়ে পাঠ্যপুথিৰ শিক্ষা ঘৰতে আহৰণ কৰিছিল যদিও সেয়া আছিল সীমিত। প্ৰবাদ আছে যে সেই সময়ত লিখা পঢ়া জনা ছোৱালীক বিয়া পাতিবলৈ পুৰুষে সাহস নকৰিছিল বা অমান্তি হৈছিল। যি কি নহওক আহোম ৰাজত্ব কালছোৱাত আনুষ্ঠানিক শিক্ষাৰ সুবিধা নাৰীয়ে নাপালেও পৰৱৰ্ত্তী সময়ত বৰ-ৰজা ফুলেশ্বৰী কুঁৱৰীয়ে ঘৰতে নাৰীক শিক্ষা প্ৰদান কৰি নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ এক বাতাবৰণ সৃষ্টি কৰিছিল। কিন্তু এই শিক্ষা মাজভাগতে বন্ধ হৈ পৰিছিল বিভিন্ন কাৰণত।

1860ত বেপ্তিষ্ট মিছনেৰীসকলে শিৱসাগৰত এখন স্ত্ৰী শিক্ষাৰ অনুষ্ঠান পাতিবলৈ সক্ষম হোৱাৰ কথা বুৰঞ্জীয়ে কয়। কিন্তু পৰৱৰ্ত্তী সময়তপোৱা নাযায়। 1844 চনত মিচনেৰী সকলৰ পৃষ্ঠপোষকতাত নাথান ব্ৰাউনৰ নেতৃত্বত নিজস্বভাৱে 'ব'ৰ্ডিং স্কুল' নামৰ এখন ছোৱালী স্কুল প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। 1870ত 'ন-আলি খ্ৰীষ্টান গাঁও প্ৰায়মেৰী স্কুল' নামেৰে এখন বিদ্যালয় স্থাপন হয় যদিও সেইখনৰো অস্তিত্ব আজি পাবলৈ নাই। প্ৰাক স্বাধীনতা কালত শিৱসাগৰত মুঠ 4 খন স্ত্ৰী শিক্ষাৰ অনুষ্ঠান গঢ়লৈ উঠিছিল। সেই কেইখন হ'ল- 1885ত 3 নং টাউন প্ৰাইমেৰী স্কুল, 1910ত আমোলাপট্টি ছোৱালী প্ৰাইমেৰী স্কুল [1 নং টাউন প্ৰাইমেৰী স্কুল), 1913 চনত 2 নং টাউন প্ৰাইমেৰী স্কুল (গণকপট্টি ছোৱালী প্ৰাইমেৰী), আৰু 1922 চনত ধাই-আলি ছোৱালী প্ৰাইমেৰী স্কুল স্থাপন হোৱা কথা বুৰঞ্জীয়ে কয়। উল্লেখযোগ্য যে এই নাৰী শিক্ষাৰ প্ৰাথমিক বিদ্যালয় কেইখন আজিও আছে যদিও পুৰণি অৱশিষ্ট একোকে পোৱা নাযায়। দুখনমানৰ ঠাইও বদলি হ'ল। বিদ্যালয় .গৃহবোৰ পকী হ'ল আৰু বিদ্যালয়বোৰত এতিয়া ল'ৰা-ছোৱালী উভয়ে পঢ়ে। সেইসময়ত এই বিদ্যালয়বোৰ পৌৰসভাই নিয়ন্ত্ৰণ আৰু পচিালনা কৰিছিল। আৰু 1948ৰ পহিলা আগষ্টৰ পিছত এই বিদ্যালয়বোৰৰ দায়িত্ব পৌৰসভাৰ পৰা স্কুল ব'ৰ্ডৰ হাতলৈ যায়। এইখিনিতে উল্লেখ নকৰিলে ভুল হ'ব যে 4 নং প্ৰাইমেৰী প্ৰাথমিক বিদ্যালয়খন ইছলামিক স্ত্ৰী শিক্ষাৰ আৰম্ভণি আছিল বুলি শিৱসাগৰীয়াই দাবী কৰিব খোজে। প্ৰাকস্বাধীনতা কালত ছোৱালী স্কুলবিলাকৰ পৰিদৰ্শনৰো সুকীয়া ব্যৱস্থা আছিল।

স্ত্ৰী-শিক্ষাৰ অনুষ্ঠানবোৰত প্ৰাক্--স্বাধীনতা কালত পাঠ্যপুথি বুলিবলৈ বিশেষ পাঠ্যপুঠি আছিল নে নাছিল জনা নাযায়। কিন্তু পাঠদানৰ ভিতৰত চিলাই, তাঁতবোৱা, উল গুঠা, আদি বিষয় অন্তৰ্ভুক্ত আছিল। উল্লেখযোগ্য যে 1840 চনৰ পৰা 1947 চনলৈকে অসমৰ পঢ়াশালীত প্ৰচলিত পাঠ্যপুথিৰ তথ্য আজি তাৰিখত পোৱাতো একেবাৰে অসম্ভৱ। সংৰক্ষণৰ অভাৱ নে সেইসময়ৰ শিক্ষিত চামৰ অনিহা তাক বুজা কঠিন। 1833ত প্ৰকাশ পোৱা 'ওল্ড টেষ্টামেণ্ট 'ৰ অসমীয়া ভাঙনি প্ৰকাশ পোৱাৰ পিছত অৱশ্যে আধুনিক গদ্য সাহিত্যৰ পথাৰখনৰ সন্ধান ওলায়।

ব্ৰিটিছ প্ৰশাসক সকলে ইচ্ছাকৃতভাৱে হওক বা অনভিজ্ঞতাৰ কাৰণেই হওক 1836 চনৰ পৰা অসমৰ পঢ়াশালী আৰু আদালতত অসমীয়াৰ পৰিৱৰ্তে বাংলা ভাষা প্ৰচলন কৰে আৰু এই বাংলা ভাষা 1872লৈকে অসমৰ পঢ়াশালী আৰু আদালতত চলি আছিল। সেই সময়তে মিছনেৰীসকলৰ লগতে অসমীয়া শিক্ষিত এচাম ডেকাই অসমীয়া ভাষাৰ পঢ়াশলীয়া পাঠ্যপুথি প্ৰস্তুত কৰিবলৈ মন মেলে। আৰু তাৰ ফলশ্ৰুতিত ব্ৰাউনৰ প্ৰথম গণনা(1844) , দ্বিতীয় গণনা (1855), ভূগোলৰ বিৱৰণ (1851) প্ৰথম অসমীয়া পঢ়াশলীয়া পাঠ্যপুথি হিচাপে বিদ্যালয়বোৰত প্ৰচলিত হয়। অসমীয়া শিক্ষিত ডেকা হিচাপে সেই সময়ত হেমচন্দ্ৰ বৰুৱাই প্ৰায় অকলশৰে যুঁজ দি 'ব্ৰাউন যাদুৰাম গোষ্ঠী'ৰ 'অৰুণোদই'ৰ গদ্যৰীতি সলনি কৰি সংস্কৃত বৰ্ণ -বিন্যাস পদ্ধতিত আধুনিক অসমীয়া গদ্যৰ ভেটি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। এই গদ্য ৰীতিৰ লগত সামান্য সাদৃশ্য থকা আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ' (1849) নামৰ গ্ৰন্থখনো পঢ়াশলীয়া পাঠ্যপুথি হিচাপে কিছুদিন চলিছিল। উল্লেখযোগ্য যে 1890 চনৰ পৰা 1947 চনলৈকে অসমৰ সকলো পঢ়াশালীতে সত্যনাথ বৰা, সিংহ দত্তদেৱ অধিকাৰী, বলদেৱ মহন্ত, আনন্দ চন্দ্ৰ আগৰৱালা, পানীন্দ্ৰনাথ গগৈ, শৰৎ চন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞি বৰুৱা আদি এই ব্যক্তিসকলৰ দ্বাৰা লিখিত পাঠ্যপুথি চলিছিল বুলি জনা যায়। এই লেখকসকলে অসমৰ ল'ৰা-ছোৱালীয়ে পাঠ্যপুথিৰ পৰা সকলো জ্ঞানেই আহৰণ কৰিব পৰাকৈ পাঠ্যপুথি প্ৰস্তুত কৰিছিল। বলদেৱ মহন্তৰ ' উজু পাঠ' তেনে এখন পুথি। একেদৰেই পানীন্দ্ৰ নাথ গগৈৰ 'ল'ৰা শিক্ষা আগছোৱা, মাজছোৱা আৰু শেহছোৱা', শৰৎ চন্দ্ৰ গোস্বামীৰ 'অসম দেশৰ পুৰণি কথা', আনন্দ চন্দ্ৰ আগৰৱালাৰ 'আদি পাঠ' আদি পাঠ্যপুথিসমূহ অসমৰ পঢ়াশালীসমূহত বহুকাল ধৰি প্ৰচলিত হৈ আছিল। প্ৰণিধানযোগ্য যে প্ৰাথমিক বিদ্যালয়সমূহত সেইসময়ত 'ক' মানৰ পৰা তৃতীয়মানলৈকে পাঁচোটা শ্ৰেণী আছিল। ল'ৰা-ছোৱালীবোৰক বৰ্ণ শিক্ষাৰে শিক্ষা আৰম্ভ কৰি ক্ৰমান্বয়ে শব্দ শিক্ষা, গণনা শিক্ষা, ভূগোল-বুৰঞ্জী আৰু প্ৰকৃতি পাঠৰ শিক্ষাৰে শিক্ষা দি প্ৰাথমিক পৰ্যায়ৰ শিক্ষা সমাপ্ত কৰা হৈছিল। আনন্দ ৰাম ঢেকিয়াল ফুকন, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ পৰা আৰম্ভ কৰি পানীন্দ্ৰ নাথ গগৈ, পদ্মনাথ গোহাঞি বৰুৱাৰ মাজেদি ডিম্বেশ্বৰ নেওগৰ কাললৈকে প্ৰকাশ পোৱা প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যপুথিৰ সমীক্ষাৰ প্ৰয়োজন আছে। কাৰণ, কোনো ধৰণৰ বৈজ্ঞানিক দৃষ্টিভংগীৰে গৱেষণা নকৰাকৈ নিজৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে ৰচনা কৰা সেই পাঠ্যপুথিসমূহৰ ব্যৱহাৰিক মূল্য কম নাছিল। এইটো ঠিক যে সেই সময়ৰ পাঠ্যপুথিসমূহ স্থানীয় প্ৰয়োজন আৰু জীৱনধাৰাৰ লগত বিশেষভাৱে সংপৃক্ত আছিল, যিটো সাম্প্ৰতিক অসমৰ পাঠ্যপুথিত দেখা পোৱা নাযায়। আমাৰ শিক্ষক সংগঠনসমূহে অতীতৰ লেখকসকলৰ দৰে সাম্প্ৰতিক যৌথ আৰু মুক্ত শিক্ষাৰ প্ৰসাৰ আৰু পাঠ্যপুথি প্ৰণয়নৰ ক্ষেত্ৰত পাঠ্যপুথি প্ৰণয়ন নিগম আৰু অসম চৰকাৰৰ লগত সঠিক আলোচনা কৰি সঠিক সিদ্ধান্ত ল'ব বুলি বৌদ্ধিক মহলে আশা কৰে।

ফোন- 8638758679

Happy new year
2022

২০২২ কৰ্মসংস্কৃতিৰে আৰম্ভ কৰো আহক

কুলেন বৰ্মন

বহুতো ঘাত-প্ৰতিঘাত তথা অনিশ্চয়তাৰে ভৰা এটা বছৰ অতিক্ৰম কৰিবলৈ আমি সাজু হৈছো। বিগত দুটা বছৰত মানৱজাতিয়ে সীমাহীন দুখ-কষ্ট, জ্বালা-যন্ত্ৰণা তথা অলেখ দুৰ্ভোগ ভুগিলে। অতিমাৰী ক'ভিড-১৯ৰ বিষাক্ত জীৱাণুৰ সংক্ৰমণে যে সমগ্ৰ মানৱ জাতিৰ জীৱনশৈলীলৈ অপ্ৰত্যাশিতভাৱে এনেকুৱা অভাৱনীয় পৰিৱৰ্তন আনিব পাৰে, সেয়া সকলোৰে বাবে আছিল কল্পনাতীত। সমগ্ৰ বিশ্ববাসীৰ বাবে এক তীব্ৰ প্ৰত্যাহ্বান হিচাপে থিয় দিয়া মাৰাত্মক কৰ'না ভাইৰাছৰ সংক্ৰমণে ব্যাহত কৰিছে মানৱ জীৱনৰ স্বাভাৱিক জীৱন যাত্ৰা প্ৰণালী। খালী চকুৰে দেখিবলৈ নোপোৱা এইবিধ ভাইৰাছৰ সংক্ৰমণে সমগ্ৰ বিশ্বৰ লগতে ইয়াৰ বিভীষিকাই আমাৰ অসম ৰাজ্যখনতো ত্ৰাসৰ সৃষ্টি কৰিলে। মাৰাত্মক কৰ'না ভাইৰাছৰ কৱলত পৰি ৰাজ্যখনৰ প্ৰায় দুই সহস্ৰাধিক লোকে অকাল মৃত্যুক সাবটি ল'লে। ৰাজ্যখনৰ প্ৰতিজন লোকেই আৰ্থিকভাৱে বিস্তৰ ক্ষতিৰ সন্মুখীন হ'বলগীয়া হ'ল। তলাবন্ধৰ সময়ছোৱাত মানুহে প্ৰায় গোটেই বছৰটো গৃহবন্দী হৈ নিষ্কৰ্মা হৈ থাকিবলগীয়া হোৱাত একপ্ৰকাৰ দুৰ্ভিক্ষৰ ৰাজ্যলৈ পৰ্যবসিত হ'ল অসম। অভাৱ-অনাটনৰ দোমোজাত পৰি জ্বালা-যন্ত্ৰণা সহ্য কৰিব নোৱাৰি জীৱন যুঁজত হাৰ মানি উপায়হীন হৈ বহুজনে আত্মহননৰ পথ বাছি ল'লে। এক কথাত ক'বলৈ হ'লে ৰাজ্যখনত প্ৰায় সকলো ক্ষেত্ৰতে অচলাৱস্থাৰ সৃষ্টি হৈছিল। সময়ৰ গতিশীলতাই কেতিয়াবা মানুহৰ জীৱনলৈ সুদিনৰ, আন কেতিয়াবা দুৰ্দিনৰ আকস্মিক বাৰ্তা লৈ আহে। তেনে অশুভ তথা অমংগলীয়া পৰিস্থিতিত আমি হতাশ অথবা নিৰাশ নহৈ ইয়াক প্ৰত্যাহ্বান হিচাপে লৈ বাস্তৱৰ মুখামুখি হৈ নিজ কৰ্মক্ষেত্ৰত আগুৱাই যাব পৰাটোহে আচল কথা। বিগত বছৰত কৰ'না ভাইৰাছৰ বিষাক্ত জীৱাণুৱে আমাৰ সমাজ জীৱনত যিখিনি নেতিবাচক প্ৰভাৱ পেলালে তাক আমি নতুন বছৰৰ পহিলা দিনটোৰ পৰাই নিৰ্মূল কৰিবলৈ চেষ্টা কৰিব লাগিব। মহামাৰীয়ে বিধ্বস্ত কৰা আমাৰ সমাজখন পুনৰুদ্ধাৰ কৰিবলৈ আমি সকলোৱে যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব। পুৰণি বৰ্ষৰ সকলো দুখ-দৈন্য, অৱসাদ আঁতৰাই নতুন বছৰত নতুন উৎসাহ-উদ্দীপনাৰে জীৱনটো নতুনকৈ সজোৱাৰ বাবে আমি প্ৰত্যেকে দৃঢ় সংকল্প ল'ব লাগিব। কাৰণ সুখ-দুখৰ সামঞ্জস্যৰেই মানৱ জীৱন। জীৱন সুখ-দুখৰ সমষ্টি। এটা আনটোৰ পৰিপূৰক। জীৱনৰ আন এটা নাম সংগ্ৰাম। জীয়াই থকাৰ নামেই জীৱন। জীৱন যুদ্ধত জয়ী হ'বলৈ হ'লে সংগ্ৰাম কৰিবই লাগিব, ইয়াৰ গত্যন্তৰ নাই। অৱশ্যে এইটোও ঠিক যে প্ৰতিটো বৰ্ষতে ভাল-বেয়া, সফলতা-বিফলতা তথা ইতিবাচক-নেতিবাচক আদি সকলোখিনিয়ে থাকিব। এই সকলোবোৰ সততাৰে কৰ্মসংস্কৃতিৰ যোগেদি অতিক্ৰমী জীৱনক আগুৱাই নিব পৰাটোহে আচল কথা; আৰু সেই মহৎ উদ্দেশ্য আৰু লক্ষ্য সন্মুখত ৰাখিহে আমি সকলোৱে জীৱন সংগ্ৰামত মন-প্ৰাণ ঢালি অৱতীৰ্ণ হোৱা উচিত। মানুহ মাত্ৰেই আশাবাদী জীৱ। কাৰণ জীৱ শ্ৰেষ্ঠ মানুহে বুকুত বহুত আশা-ভৰসাক লৈয়ে এই মায়াময় পৃথিৱীত জীয়াই থকাৰ সপোন দেখে। বিগত বৰ্ষত আমি কি পালো, নাপালো অথবা কি হেৰুৱালো, সেইবোৰ এতিয়া চৰ্বিত-চৰ্বণ কৰি মূল্যৱান সময় অপচয় কৰাৰ সময় নহয়। যদিও বিগত কালত মনৰ মণিকোঠাত চাপ বহি যোৱা কিছুমান কথা, কাম আৰু ঘটনা-পৰিঘটনা মানসপটত নষ্টালজিয়া হৈ ৰয় আৰু এয়া স্বাভাৱিক। এতিয়া আমাৰ প্ৰত্যেকৰে লক্ষ্য আৰু উদ্দেশ্য এইটোৱে হ'ব লাগে যে বিগত বৰ্ষটোত কৰ'না মহামাৰীৰ প্ৰকোপৰ বাবে মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা প্ৰণালী একপ্ৰকাৰ স্তব্ধ হৈ পৰাত যিখিনি কাম-কাজ সম্পূৰ্ণ কৰিব পৰা নগ'ল অথবা যিসমূহ অবাঞ্ছিত ঘটনা-পৰিঘটনাই সৰ্বসাধাৰণ ৰাইজক হাৰাশাস্তি কৰিলে, অযথা শাৰীৰিক-মানসিক অশান্তি দিলে, সেই অতি বিৰক্তিকৰ, অনাকাংক্ষিত ঘটনাসমূহৰ যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে, তাৰ প্ৰতিহে আমি সকলোৱে নৱবৰ্ষৰ প্ৰথমটো দিনৰে পৰাই সজাগ আৰু সতৰ্ক হৈ থকা দৰকাৰ।

নতুন বছৰৰ প্ৰাক্‌ক্ষণত আমি আশা কৰিম জাতি-মাটি-ভেঁটি সুৰক্ষাৰ মহান মন্ত্ৰ আওৱাই শাসনত অধিষ্ঠিত হোৱা বৰ্তমানৰ ডং হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে অসম চুক্তি ৰূপায়ণ, বিদেশী চিনাক্ত কৰি ইয়াৰ এটা স্থায়ী সমাধান, দুৰ্নীতি-ভ্ৰষ্টাচাৰ ৰোধত কঠোৰ ব্যৱস্থা গ্ৰহণ, ক'লা বেপাৰীৰ লুণ্ঠনৰাজ বন্ধ কৰা, বানগৰাখহনীয়াৰ স্থায়ী সমাধান, চুবুৰীয়া ৰাজ্যৰ লগত থকা সীমা সমস্যাৰ স্থায়ী সমাধান, সন্দেহযুক্ত নাগৰিকে অবৈধভাৱে বেদখল কৰি ৰখা অঞ্চলসমূহ উচ্ছেদ কৰি বেদখলমুক্ত কৰা আৰু উগ্ৰপন্থীৰ সমস্যাকে আদি কৰি ৰাজ্যখনৰ দীৰ্ঘদিনীয়া জ্বলন্ত সমস্যাসমূহ সমাধান কৰাত গুৰুত্ব প্ৰদান কৰি বলিষ্ঠ পদক্ষেপ ল'ব। নতুনৰ নতুনত্বই সকলোৱে জীৱনলৈ সুখ-সমৃদ্ধি আৰু আশাৰ বতৰা কঢ়িয়াই আনক, তাকেই কামনা কৰিছো।

ফোন ঃ ৯৪৩৫৩৩৮৪১৯

খোলা মঞ্চ

অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে ?

ফণীন্দ্ৰ নাথ বৰ্মন, লেখক

অসমীয়া ভাষাৰ সংকট এতিয়াৰ নহয়। আজিৰ পৰা বহু বছৰ পূৰ্বৰে পৰা আমাৰ ভাষাটো নানা সমস্যাৰ সন্মুখীন হৈ আহিছে। ১৮২৬ত ইংৰাজে অসমৰ শাসন ভাৰ লোৱাৰ পাছত, তেওঁলোকৰ চৰকাৰী কাম-কাজ চলোৱাৰ সুবিধাৰ্থে ১৯৩৬ত অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাৰ প্ৰচলন কৰে। প্ৰথমে ইয়াৰ প্ৰতিবাদ কৰিছিল খ্ৰীষ্টান মিছনেৰীসকলে। খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবৰ অৰ্থে গাঁৱে-ভূঞে, চহৰে-নগৰে অসমীয়া ভাষাত পুষ্টিকা প্ৰকাশ কৰি প্ৰচাৰ কৰিব ধৰে। অসমীয়া ভাষা জীয়াই ৰাখিবলৈ তেওঁলোকৰ চেষ্টাৰ লগতে হেমচন্দ্ৰ গোস্বামী, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আদিৰ চেষ্টাত অসমীয়া ভাষাই পুনৰ নিজৰ স্থান পাবলৈ সক্ষম হয়। তাৰ পাছত ভাৰত স্বাধীন হোৱাত স্বাধীন ভাৰতৰ সংবিধান প্ৰণয়নৰ সময়ত অসমীয়া ভাষাক ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰে। ইয়াৰ পাছতো ১৯৬০ত ভাষা আন্দোলন কৰিব লগা হয় আৰু ১৯৭২ত আকৌ মাধ্যম আন্দোলন কৰিব লগা হয়।

এনেদৰে এটাৰ পাছত এটা সংকট পাৰ হৈ এতিয়া অসমীয়া ভাষা সংকটত পৰা আশংকা কৰা হৈছে, সম্প্ৰতি নতুন আঁচনিৰ অধীনত অসম লোক সেৱা আয়োগৰ পৰীক্ষাসমূহৰ অসমীয়া ভাষা আঁতৰাই দিয়াটো। অসমীয়া ভাষাটো জীয়াই ৰখাটো অসমত বাস কৰা সকলোৰে দায়িত্ব আৰু কৰ্তব্য। নহ'লে ৰাজ্যিক ভাষা হিচাপে অসমীয়া ভাষাৰ স্বীকৃতিহে থাকিব, গুৰুত্ব হ্ৰাস পাব। চৰকাৰী আৰু বেচৰকাৰী অফিচ, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত প্ৰচলন কমি যাব বা নাইকিয়া হ'ব। লগতে অসমীয়া ভাষা কোৱা লোকৰ সংখ্যাও কমি আহিব। অসমীয়া ভাষা মুখে মুখেহে বেছি প্ৰচলন হৈ থাকিব।

এতিয়া নতুন সংকটো হৈছে অসমীয়া মাধ্যমত পঢ়া ল'ৰা-ছোৱালীৰ সংখ্যা দিনক দিনে কমি অহাটোহে। সম্প্ৰতি অসমীয়া বিদ্যালয়ৰ পৰিৱৰ্তে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী মাধ্যমৰ স্কুলৰ প্ৰীতি। আমি আজি এনে এটা যুগত বাস কৰিছো য'ত ইংৰাজী ভাষাৰ জ্ঞান অবিহনে দৈনন্দিন জীৱনৰ লগতে উচ্চ শিক্ষাৰ ক্ষেত্ৰতো সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে ধনী-দুখীয়া সকলো শ্ৰেণীৰ নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানত পঢ়ুওৱাৰ প্ৰৱণতা গা কৰি উঠা দেখা গৈছে। তাৰ ফলস্বৰূপে অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনকদিনে কমি অহাৰ বিপৰীতে ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি গৈছে। চিন্তনীয় বিষয়টো হ'ল ইংৰাজী মাধ্যমত শিক্ষা লাভ কৰা সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অসমীয়া ভাষাৰ জ্ঞান অতি সামান্য। গতিকে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া ভাষাৰ প্ৰশ্ন কাকত থাকক বা নাথাকক অসমীয়া ভাষাৰ ভৱিষ্যত সংকট মুক্ত নহয়।

যোৱা দুটা দশক ধৰি গঢ় লৈ উঠা ইংৰাজী মাধ্যমৰ স্কুলসমূহৰ প্ৰতি অহেতুক প্ৰীতি আৰু ব্যক্তিগত স্কুলবিলাকৰ প্ৰতি ধাউতি শুভ লক্ষণ নহয়। ইয়ে ভৱিষ্যতে অসমীয়া ভাষাটোলৈ সংকট মাতি অনাটো অস্বাভাৱিক নহয়। লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল— স্বদেশৰ আৰু স্বজাতিৰ আৰু মংগল মন্দিৰৰ সিংহ দুৱাৰ মাতৃভাষা। মহাত্মা গান্ধীয়ে কৈছিল কেঁচুৱাৰ শাৰীৰিক বিকাশৰ বাবে মাকৰ গাখীৰ যিদৰে প্ৰয়োজনীয়, ঠিক সেইদৰে মানুহৰ মানসিক বিকাশৰ বাবে মাতৃ ভাষাত সমানে গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাক সংকটৰ গৰাহৰ পৰা মুক্ত কৰা আৰু উঠি অহা প্ৰজন্মৰ কাৰণে সুস্থ, সবল শৈক্ষিক পৰিৱেশ এটা গঢ় দিয়াৰ স্বাৰ্থত অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয় ব্যৱস্থাটো উন্নতিকৰণত গুৰুত্ব আৰোপ কৰিব লাগিব। অসমীয়া মাধ্যমৰ স্কুলসমূহৰ প্ৰতি মানুহৰ আস্থা ঘূৰাই আনিবলৈ বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশ গঢ় দিয়াটো অতি প্ৰয়োজন। প্ৰয়োজনীয় আন্তঃগাঁথনি, পাঠ্যপুথি সংশোধন, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ আদিৰ উন্নয়নৰ দৰকাৰ। আজি ভাষা সমস্যাটো অসমীয়াৰহে হৈছে। আন ৰাজ্যৰ মানুহে সলসলিয়াকৈ ইংৰাজী, হিন্দী ক'ব পাৰিলেও নিজৰ ভাষাটো সুন্দৰভাৱে আগুৱাই নিছে। কাৰো ভাষাৰ ওপৰত সংকট আহি পৰা নাই।

ফোন ঃ ৯৯৫৪০২৪০৪০

দৈনিক
অগ্ৰদূত

সাহিত্য আৰু জীৱন

ৰোমাণ্টিক কবি আৰু কল্পনা

ৰোমাণ্টিক কবিক প্ৰকৃতি কবি বুলি কোৱাটো সত্যৰ অতিৰঞ্জনা। চৰাই, জীৱ-জন্তু, গছ-গছনি, প্ৰাকৃতিক দৃশ্য আদিক ৰোমাণ্টিক কবিতাত উদ্‌যাপন কৰা হয়, কিন্তু প্ৰকৃতিৰ উদ্‌যাপনেই ৰোমাণ্টিক কবিতাৰ প্ৰধান আৰু শেষ কথা নহয়। কবিৰ মনৰ জগতৰ চিন্তাহে কবিতাৰ ঘাই কথা।



ড° আনন্দ বৰমুদৈ

'ৰোমাণ্টিক' শব্দটো আমি প্ৰায় সকলোৱে ব্যৱহাৰ কৰো, কিন্তু শব্দটোৱেনো খাটাংকৈ কি বুজাই তাক কোৱা টান। শব্দটোৱে ইমান বেছি কথা বুজায় যে ইয়াৰ নিজাকৈ কোনো অৰ্থই নোহোৱা হ'ল বুলিহে পণ্ডিত সমালোচকে কয়। বাৰ্জুনৰ Classic, Romantic and Modern গ্ৰন্থত 'ৰোমাণ্টিক' শব্দটো এইবিলাক বিশেষণৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয় বুলি উল্লেখ কৰা হৈছে। আকৰ্ষণীয় নিস্বাৰ্থ, উচ্ছ্বাসিত, আলংকাৰিক, অলীক বাস্তৱবাদী, অযৌক্তিক, বস্তুবাদী, অসাৰ, বীৰোচিত, ৰহস্যময়, আবেগময়, স্মৰণীয়, ৰক্ষণশীল, বৈপ্লৱিক, আড়ম্বৰপূৰ্ণ, চিত্ৰময়, নৰ্ডিক, আগঢ়ী, আচাৰনিষ্ঠ, অনুভূতিপ্ৰৱল, কল্পনাপ্ৰিয় আৰু মূৰ্খ। দেখা যায় যে শব্দটো আচলতে বাদ দিবও নোৱাৰি আৰু তাৰ গতি নিৰ্দিষ্ট অৰ্থও আৰোপ কৰিব নোৱাৰি।

ই.বাৰ্ণবামে Guide through the Romantic Movemant গ্ৰন্থত ভালেসংখ্যক পণ্ডিত- সমালোচকে দিয়া সংজ্ঞাৰ উল্লেখ কৰিছে। গ্যেটেৰ মতে ৰোমাণ্টিচিজম ৰোগ, ক্লাছিচিজম স্বাস্থ্য। ফেয়াৰচাইল্ডে ক'লে যে ই হ'ল সসীমৰ মাজতে অসীমক লগ পোৱাৰ আকাংক্ষা; বাস্তৱ আৰু অবাস্তৱৰ মাজত সমন্বয়সাধন। ধৰ্মতত্ত্বত যাক সৰ্বেশ্বৰবাদী উৎসাহ বুলিব পাৰি, কলাত তাৰ প্ৰকাশেই ৰোমাণ্টিচিজম। এবাৰক্ৰম্'বিৰ মতে, ই ক্লাছিচিজমৰ বিৰোধিতা নহয়, বাস্তৱবাদৰ বিৰোধিতা; ই বহিৰ্জগতৰ অভিজ্ঞতাৰ পৰা অন্তজগতৰ অভিজ্ঞতাৰ ওপৰত কৰা মনোনিবেশ। লুকাচে কৈছে যে ই মনৰ কম সচেতন অৱস্থাৰ মুক্তি, ৰাগি লগা সপোন। ক্লাছিচিজম হ'ল চেতন মনৰ নিয়ন্ত্ৰণ। হাৰফ'ৰ্ডৰ মতে ই সৃজনী কল্পনাৰ অসাধাৰণ বিকাশ। কাজামিয়াঁৰ মতে ই অনুভূতিক জীৱনৰ বিশেষ আধিপত্য। ৰাট্‌চ ডাণ্টনৰ মতে ই হ'ল আশ্চৰ্যৰ নৱজাগৰণ। পেটাৰৰ সংজ্ঞা হ'ল ই সৌন্দৰ্যৰ লগত আচহুৱাৰ সংযোগ। 'ৰোমাণ্টিক' বিশেষণটো সাধাৰণতে বিভিন্ন কলা আৰু সিবিলাকৰ ধৰণ, দৰ্শন আৰু সময়ত পোছাক-পৰিচ্ছদ আৰু আচাৰ বুজাবৰ বাবেও ব্যৱহাৰ কৰা হয়। ইংৰাজী সাহিত্যত ১৭৭০ৰ পৰা ১৮৩০ৰ মাজৰ কালছোৱাক ৰোমাণ্টিচিজমৰ কাল বুলি ধৰা হয়।

ৱৰ্ডছৱৰ্থে তেওঁৰ বিখ্যাত লিৰিকেল বেলাড্‌জৰ পাতনিত 'ৰোমাণ্টিক' শব্দটো ক'তো ব্যৱহাৰ কৰা নাই। শ্যেলীৰ ডিফেঞ্চ অৱ পয়েট্ৰি অথবা কলৰিজৰ বায়'গ্ৰাফিয়া লিটাৰেৰিয়াৰ ক'তো 'ৰোমাণ্টিক' শব্দটো ব্যৱহাৰ কৰা হোৱা নাই। ১৮১৮ৰ ২৮ জুনত কীট্‌চে ভায়েক জৰ্জলৈ লিখা এখন চিঠিত শব্দটো ব্যৱহাৰ কৰিছিল যদিও কোনো সাহিত্যিক অৰ্থত শব্দটো ব্যৱহাৰ কৰা নাছিল। কিন্তু ইংলণ্ডতেই শব্দটো প্ৰথম জনপ্ৰিয় হৈ অৰ্থৰ বিস্তৃতি লাভ কৰে বুলি কোৱা হয়। ৰোমাণ্টিচিজমক ইউৰোপীয় চিন্তালৈ ইংলণ্ডৰ বিশেষ বৰঙণি বুলি ধৰা হয়। পোনতে 'ৰোমাণ্টিক' শব্দটো পুৰণি ৰোমাঞ্চ, বীৰত্বৰ কাহিনী, প্ৰেমৰ বাবে দুঃসাহসিক অভিযান আদিৰ লগত জড়িত আছিল। কাহিনীবোৰত আছিল আড়ম্বৰপূৰ্ণ অনুভূতি, অতিৰঞ্জনা, অবাস্তৱ আৰু অবিশ্বাস্য ঘটনা। জীৱনৰ প্ৰতি তেনে দৃষ্টিভংগী যুক্তি নিৰ্ভৰ দৃষ্টিভংগীৰ সম্পৰ্ণ বিৰোধী। ৰোমাণ্টিক কাহিনী বুলি ক'লে তেতিয়া মিছা আৰু কল্পনাপ্ৰসূত কাহিনীকহে বুজাইছিল। সোতৰ শতিকাৰ যুক্তি প্ৰধান যুগত জীৱনৰ প্ৰতি দৃষ্টিভংগীক শৃংখলা আৰু পৰম সত্যই প্ৰভাৱিত কৰি ৰাখিছিল। 'ৰোমাণ্টিক' শব্দটোৱে তেতিয়া মৰ্যাদা লাভ কৰা নাছিল। কল্পনাতকৈ শুদ্ধতাৰ ওপৰত গুৰুত্ব দিয়া যুগত 'ৰোমাণ্টিক' অদ্ভুত আৰু অবিশ্বাস্যৰ সমাৰ্থক আছিল। ওঠৰ শতিকাৰ মাজভাগত শব্দটোৱে পুৰণি অৰ্থৰ লগতে নতুন অৰ্থ আৰু মৰ্যাদা লাভ কৰিলে। 'ৰোমাণ্টিক' শব্দটো ধুনীয়া অৰ্থতো ব্যৱহৃত হ'ল। সেই সময়তে মধ্যযুগ আৰু এলিজাবেথৰ যুগৰ বিষয়েও মানুহৰ আগ্ৰহ বাঢ়িল। পুৰণি ৰোমাঞ্চবোৰত থকা পাহাৰ-পৰ্বত, হাবি-বন, জান-জুৰি আদিকো কবি সাহিত্যিকে নতুন ৰূপত চাবলৈ ধৰিলে।

সাহিত্য ক্ষেত্ৰত ৰোমাণ্টিচিজমৰ কথা ক'বলৈ হ'লে নব্য ক্লাছিকেল সাহিত্যৰ কথাও ক'ব লাগিব। নব্য ক্লাছিকেল সাহিত্যিকসকলৰ ক্লাছিকেল কবি সাহিত্যিকসকলৰ প্ৰতি অসীম শ্ৰদ্ধা আছিল। তেওঁলোক পৰম্পৰাবাদী আছিল আৰু সাহিত্য ক্ষেত্ৰত কোনো বৈপ্লৱিক আৱিষ্কাৰত তেওঁলোকে বিশ্বাস নকৰিছিল। পুৰণি গ্ৰীচ আৰু ৰোমৰ মহান লেখকসকলে নব্য ক্লাছিকেলসকলৰ মতে অনীতিক্ৰমণীয় সিদ্ধি লাভ কৰিছিল। ক্লাছিকেল লেখকসকলৰ আৰ্হি তেওঁলোকে সৰ্বকালৰ বুলি ভাবিছিল। ইংৰাজী সাহিত্যত ১৬৬০ৰ পৰা ১৭০০ৰ ভিতৰত প্ৰখ্যাত কবি-সাহিত্যিকসকলৰ সাহিত্যৰ বিশিষ্টতাকে নব্য ক্লাছিকেল সাহিত্যৰ বিশিষ্টতা হিচাপে আলোচনা কৰা হয়। এই কবি-সাহিত্যিকসকলে বিশ্বাস কৰিছিল যে ৰোমৰ অথবা শ্বেইক্সপীয়েৰৰ দৰে প্ৰতিভা দুষ্প্ৰাপ্য। সমসাময়িক কোনো শ্ৰেষ্ঠ কবিয়ে তেওঁলোকৰ সিদ্ধি লাভ কৰিব নোৱাৰে। তৎকালীন সাহিত্য যদি সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে, তাত ক্লাছিকেল সাহিত্যত থকা গুণ থাকিব লাগিব।

ৰোমাণ্টিক কবি-সাহিত্যিক নব্য ক্লাছিকেলৰ স্থিতিৰ পৰা সচেতনভাৱে বহুদূৰ আঁতৰি আহিছিল। নব্য ক্লাছিকেলৰ পৰম্পৰাবাদৰ বিৰোধিতা কৰি ৰোমাণ্টিকে নতুন উদ্ভাৱনাৰ পোষকতা কৰিছিল। এই নতুন উদ্ভাৱনে বিষয়বস্তু, ৰীতি আৰু শিল্পৰূপক সামৰি লৈছিল। ১৮০০ত প্ৰকাশিত ৱৰ্ডছৱৰ্থৰ লিৰিকেল বেলাড্‌জৰ পাতনিখন কবিতাৰ ইস্তাহাৰ অথবা বৈপ্লৱিক উদ্দেশ্যৰ উক্তি হিচাপেই ধৰা হয়। এই ইস্তাহাৰতে ওঠৰ শতিকাৰ কাব্য পৰম্পৰাক ত্যাগ কৰাও হৈছিল। ইয়াত কোৱা হৈছিল যে কবিতাৰ ভাষা আৰু মানুহে মানুহৰ লগত কথা পতা ভাষাৰ মাজত পাৰ্থক্য থাকিব নালাগে। নব্য ক্লাছিকেলসকলৰ দৰে গহীন বিষয় গহীন ৰূপত উপস্থাপন কৰাৰ তাগিদা ৰোমাণ্টিকে অনুভৱ কৰা নাছিল। ৰোমাণ্টিকৰ কাৰণে কবিতাৰ অপৰিহাৰ্য উপাদান হৈ পৰিল কবি মনৰ শক্তিশালী আৰু স্বতঃস্ফূৰ্ত অনুভূতি। আগতীয়াকৈ দেখা পোৱা লক্ষ্যস্থলত উপনীত হ'বলৈ নব্য ক্লাছিকেলে শিল্পৰূপ নিৰ্মাণ কৌশল কামত খটুওৱাৰ কথা কৈছিল; কিন্তু স্বতঃস্ফূৰ্ততাই তেনে পূৰ্বপৰিকল্পনা মানি নলয়। কি উদ্দেশ্যত, কি কৌশল কেনেকৈ প্ৰয়োগ কৰা হ'ব তেনে জল্পনা-কল্পনা অনুভূতিৰ শক্তিশালী আৰু স্বতঃস্ফূৰ্ত প্ৰকাশৰ সোঁতত তিষ্ঠিব নোৱাৰে। ৰোমাণ্টিকৰ এই স্বতঃস্ফূৰ্ততাৰ সূত্ৰৰ লগত সমালোচনাৰ ক্ষেত্ৰত অভিব্যক্তিবাদী সমালোচনাৰ তত্ত্ব জড়িত হৈ আছে। এই সমালোচনাই সাহিত্য কৃতিক সাহিত্যিকৰ ব্যক্তিত্বৰ লগত সাঙুৰি ব্যাখ্যা কৰে।

ৱৰ্ডছৱৰ্থে অনুভূতিৰ স্বতঃস্ফূৰ্ততাৰ কথা কওঁতে এই কথাও কৈছিল যে কবিতা মনৰ স্থিৰ অৱস্থাত ৰোমন্থন কৰা অনুভূতি। কবিৰ স্বতঃস্ফূৰ্ততাও আচলতে পূৰ্বৱৰ্তী গভীৰ ধ্যান অৱস্থা এটাৰহে ফচল। কবিতাৰ নিৰ্মাণ কৃত্ৰিম হ'ব নালাগিব। নীতি আৰু পৰম্পৰাৰ ওপৰতে নব্য ক্লাছিকেলৰ দৰে কবিতাই নিৰ্ভৰ কৰিলে নহ'ব। স্বতঃস্ফূৰ্ততাৰ ক্ষেত্ৰত জন কীট্‌চেও এটা বিখ্যাত উক্তি কৰিছিল, 'গছৰ ডাললৈ কুঁহিপাত অহাৰ স্বাভাৱিকতাৰে যদি কবিতা নাহে, কবিতা নহাই ভাল।'

ৰোমাণ্টিক কবিক প্ৰকৃতি কবি বুলি কোৱাটো সত্যৰ অতিৰঞ্জনা। চৰাই, জীৱ-জন্তু, গছ-গছনি, প্ৰাকৃতিক দৃশ্য আদিক ৰোমাণ্টিক কবিতাত উদ্‌যাপন কৰা হয়, কিন্তু প্ৰকৃতিৰ উদ্‌যাপনেই ৰোমাণ্টিক কবিতাৰ প্ৰধান আৰু শেষ কথা নহয়। কবিৰ মনৰ জগতৰ চিন্তাহে কবিতাৰ ঘাই কথা। বহিঃপ্ৰকৃতিক সাধাৰণতে তাক নিজৰবৰীয়াকৈ ৰোমাণ্টিক কবিতাত উদ্‌যাপন কৰা নহয়। কবিৰ মনৰ জগতৰ বিশেষ চিন্তাক কাৰ্যকৰী কৰাবৰ বাবে উদ্দীপক হিচাপেহে প্ৰকৃতিক উপস্থাপন কৰা হয়। কবিতাৰ মূল কথা মানুহৰ কেন্দ্ৰীয় সমস্যা আৰু অভিজ্ঞতা।

নব্য ক্লাছিকেল কবিতা আছিল আন মানুহৰ বিষয়ে। ৰোমাণ্টিকে কবিতাৰ চৰিত্ৰক কবিৰ লগত একেজন মানুহ বুলি ধৰি ল'বলৈ আহ্বান জনালে। গদ্যতো ব্যক্তিগত ৰচনা লিখাৰ পৰম্পৰা গঢ়ি উঠিল। ৰোমাণ্টিক কবিতাৰ বিষয় কবি নিজেই হওক বা আন মানুহেই হওক, কবিতাই মানুহক সংগঠিত সমাজ এখনৰ অবিচ্ছেদ অংগ হিচাপে নেদেখুৱা হ'ল। কবি হৈ পৰিল অকলশৰীয়া মানুহ । অসীম প্ৰৱঞ্চনাময় সুদীৰ্ঘ পথৰ অকলশৰীয়া যাত্ৰী। তেওঁলোকৰ অনেক আছিল সমাজৰ লগত অমত হোৱা আৰু সমাজৰ পৰা বৰ্জিত মানুহ। ৰোমাণ্টিক সাহিত্যত অনেক চৰিত্ৰ অকলশৰীয়া আৰু বিদ্ৰোহী।

ওঠৰ শতিকাৰ শেষ দশকত ফৰাচী বিপ্লৱে মানুহৰ মনলৈ কঢ়িয়াই অনা প্ৰতিশ্ৰুতিয়ে অনেক ৰোমাণ্টিক কবি সাহিত্যিকক এক ধৰণৰ নিশ্চিতি প্ৰদান কৰিছিল যে তেওঁলোকৰ যুগ নতুন সম্ভাৱনাৰে ইতিহাসৰ এটা বিখ্যাত যুগ। মানুহৰ মংগলৰ প্ৰতি সীমাহীন আকাংক্ষা তেওঁলোকে দেখা পাইছিল। নব্য ক্লাছিকেলে ব্যক্তিৰ সীমাবদ্ধতা স্বীকাৰ কৰিবলৈ শিকোৱাৰ বিপৰীতে ৰোমাণ্টিকে মানুহৰ সীমাহীন সম্ভাৱনাৰ কথা কৈছিল। কবিৰ কল্পনাই তাক মানুহৰ অসীম সীমাবদ্ধতাৰ সিপাৰলৈ লৈ গৈছিল।

ৰোমাণ্টিক কবিতাত আৰু বিশেষকৈ গীতিধৰ্মী কবিতাত কবিৰ কণ্ঠস্বৰ ব্যক্তিগত। আজিৰ যুগত গীতিধৰ্মী কবিতাৰ জনপ্ৰিয়তাৰ আঁৰতো তেনে কাব্যচিন্তা সোমাই আছে। কবি কল্পনাক ৰোমাণ্টিকে সৃজনীশীল আৰু ৰূপান্তৰকামী শক্তি বুলি ভাবে। এই বিশ্বাসৰ সৰ্বাধিক প্ৰভাৱ গীতি কবিতাৰ ওপৰতে পৰিল। *ফোন ঃ ৯৮৬৪২৩২০৮৬*

প্ৰহলাদ তাছাৰ প্ৰবন্ধ সংলন

শ্ৰীজগন্নাথ

গন্ধেশ্বৰ শইকীয়া

বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক, প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ, ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান প্ৰাপক প্ৰহ্লাদ চন্দ্ৰ তাছাৰ সদ্য প্ৰকাশিত প্ৰবন্ধ সংকলনটো হ'ল— 'শ্ৰীজগন্নাথ'।

প্ৰথম দৃষ্টিত উল্লিখিত গ্ৰন্থখনক এখন ভ্ৰমণমূলক গ্ৰন্থ যেন লাগিলেও, ক্ৰমাৎ ইয়াৰ ভিতৰলৈ প্ৰৱেশ কৰিলে এইখন কেৱল এখন ভ্ৰমণমূলক গ্ৰন্থ হৈ নাথাকে। সাধাৰণ পাঠকৰূপে প্ৰাৰম্ভতেই এই কথাই আমাৰ মনলৈ আহিছে। অৱশ্যে, পাঠক ভেদে এই সম্পৰ্কীয় অনুভৱ যে সুকীয়া সুকীয়া হ'ব— ইয়াত সন্দেহ নাই।

পুৰীৰ শ্ৰীজগন্নাথ মন্দিৰ দৰ্শন কৰা, মহাপ্ৰভুৰ চৰণত সভক্তিৰে সেৱা নিবেদন কৰাৰ লগতে 'শ্ৰীজগন্নাথ' সম্পৰ্কে বাস্তৱ অভিজ্ঞতাৰে কিছু তথ্য-পাতি আহৰণৰ এক অদম্য তাড়নাতেই লেখকৰ এই যাত্ৰা বুলি আমি অনুভৱ কৰিছো। সেই পৱিত্ৰ যাত্ৰাৰ ফলত আহৰিত বাস্তৱ অভিজ্ঞতাৰ প্ৰতিপুষ্টি কেৱল নিজৰ মনোজগততেই আবদ্ধ নাৰাখি সামগ্ৰিকভাৱে পাঠক সমাজৰ লগতে একান্ত ভক্তবৃন্দৰ মাজতো বিলাই দিয়াৰ মানসেৰে গ্ৰন্থভাগি যুগুতাই প্ৰকাশৰ ব্যৱস্থা কৰি এক মহৎ কাৰ্য সম্পাদন কৰিছে বুলি একাষাৰেই ক'বলৈ মন গৈছে।

গ্ৰন্থভাগত বাছকবনীয়া ১৭টা লেখাৰ সমাহাৰ ঘটোৱা হৈছে। সেইবোৰ হ'ল যথাক্ৰমে— নীলাচলৰ পৰা নীলাচললৈ, জগতৰ নাথ জগন্নাথ, দাৰুব্ৰহ্মৰ পুৰা কথা; শ্ৰীক্ষেত্ৰৰ আধ্যাত্মিক পৰিৱেশ; শ্ৰীমন্দিৰৰ তিথি-পাৰ্বণ; শ্ৰীক্ষেত্ৰত দৰ্শনীয় স্থান; শ্ৰীক্ষেত্ৰৰ বিভিন্ন মঠ; পুৰীৰ আশে-পাশে; ৰথৰ চকৰি ঘূৰে; গুৰুজনাৰ শ্ৰীক্ষেত্ৰ ভ্ৰমণ, গুৰুজনা আৰু পঞ্চ সখা; গুৰুজনাৰ 'উৰেষা-বৰ্ণন'; পুৰীত নামঘৰ প্ৰতিষ্ঠাৰ ইতিকথা; অসমীয়া লোকসংস্কৃতিত জগন্নাথ; নমো নমো জগন্নাথ; শেষৰটো লেখা হ'ল— জয় জগবন্ধু জগন্নাথ। উল্লেখ থাকে যে এই কেওটি লেখা ইতিমধ্যে অসমৰ জনপ্ৰিয় পযেকীয়া কাকত 'হামদেৰ অধিকাৰ' কাকতত গুৰুত্ব সহকাৰে প্ৰকাশ পাই গৈছে।

প্ৰথম লেখা 'নীলাচলৰ পৰা নীলাচললৈ' নামৰ লেখাটোত যাত্ৰাৰ আৰম্ভণি পৰ্বৰ লগতে লক্ষ্যস্থান অভিমুখে গৈ থকাৰ আনন্দ-উলাহৰ দিশবোৰ সৰস ৰূপত বিবৃত হৈছে। যাক নেকি 'গৈ পোৱাতকৈ গৈ থকাৰ আনন্দ' বুলি এক কথাত ক'ব পৰা হয়। লেখকৰ ভাষাত তেনে এক উৎকণ্ঠা প্ৰকাশ পাইছে এনেকৈ, 'অসম, পশ্চিমবংগ আৰু ঝাৰখণ্ডৰ মাজেদি গৈ আমি ওড়িছাত প্ৰৱেশ কৰিলো। আমাৰ উৎকণ্ঠা বাঢ়িবলৈ ধৰিলে। পুৰী পাবলৈ আৰু কিমান দূৰ? আমাৰ পৰম গুৰু শ্ৰীমন্ত শংকৰদেৱে দুবাৰকৈ ভ্ৰমণ কৰা পুণ্য তীৰ্থ পুৰীৰ মাটি স্পৰ্শ কৰিবলৈ আৰু কেতপৰ লাগিব?' 'জগতৰ নাথ জগন্নাথ শীৰ্ষক লেখাটোত 'জগন্নাথ' সম্পৰ্কীয় ব্যাখ্যা দাঙি ধৰি কোৱা হৈছে এনেকৈ ঃ হিন্দু শাস্ত্ৰ অনুসৰি ঈশ্বৰৰ সহস্ৰনামৰ ভিতৰত 'জগন্নাথ' অন্যতম। ই এটা অৰ্থপূৰ্ণ শব্দ। জগত + নাথ = জগন্নাথ অৰ্থাৎ জগতৰ নাথ। শ্ৰীনাথ, শ্ৰীকান্ত, শ্ৰীজয়, শ্ৰীনন্দ, শ্ৰীবাস, শ্ৰীনিবাস, শ্ৰীপতি, শ্ৰীবিষ্ণু আদি সমাৰ্থক শব্দ। বিশ্ব ঐতিহ্যক্ষেত্ৰ ৰূপে পৰিগণিত ওড়িছাৰ পুৰীস্থিত জগন্নাথ ধাম হিন্দু মান্যতা অনুসৰি চাৰি ধামৰ অন্যতম। শ্ৰীধামৰ মাহাত্ম্যৰ বাবেই পুৰীক শ্ৰীক্ষেত্ৰ বোলা হয়। আনহাতে শ্ৰীক্ষেত্ৰক মহিমামণ্ডিত কৰা জগন্নাথ মন্দিৰক শ্ৰীমন্দিৰ হিচাপে অভিহিত কৰা হয়। গতিকে জগন্নাথ, শ্ৰীমন্দিৰ আৰু শ্ৰীক্ষেত্ৰ এই তিনিওটা নামেই তীৰ্থস্থানখনৰ মাহাত্ম্য আৰু ঐতিহ্যকে প্ৰকাশ কৰিছে। এনে মাহাত্ম্য আৰু ঐতিহ্যৰ বাবেই জগন্নাথ পুৰীক মৰ্ত্যৰ বৈকুণ্ঠছপুৰী ৰূপে গণ্য কৰা হয়। 'দাৰুব্ৰহ্ম'ত ইয়াৰ বিৱৰণ দি কোৱা হৈছে ঃ দাৰুব্ৰহ্ম হৈছে শ্ৰীজগন্নাথ মহাপ্ৰভুৰ অন্য এক নাম। দাৰু মানে গছ বা কাঠ আৰু ব্ৰহ্ম মানে পৰমাত্মা বা পৰমেশ্বৰ। সৰল বাক্যত ক'বলৈ গ'লে কাঠেৰে নিৰ্মিত পৰমেশ্বৰৰ বিগ্ৰহেই হৈছে দাৰুব্ৰহ্ম। শ্ৰীক্ষেত্ৰত অৱস্থিত শ্ৰীমন্দিৰত মহাপ্ৰভু এই ৰূপতে পূজিত হৈ আছে। 'শ্ৰীক্ষেত্ৰৰ আধ্যাত্মিক পৰিৱেশ'ত শ্ৰীজগন্নাথ মন্দিৰৰ ঘাই ভাগ চাৰিটা— (১) বিমান বা মূল মন্দিৰ, (২) মুখশালা বা জগমোহন, (৩) নাট মন্দিৰ আৰু (৪) ভোগ মণ্ডপৰ বিষয়ে উল্লেখ কৰি এই চাৰিটা ভাগতে গুৰুত্বপূৰ্ণ মাংগলিক, ধৰ্মীয় তথা সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হয় বুলি সদৰী কৰা হৈছে। 'শ্ৰীমন্দিৰৰ তিথি-পাৰ্বণ' শীৰ্ষক লেখাত 'স্থানীয় লোকৰ মতে ইয়াত 'বাৰ মাহত তেৰ তিথি' পালন কৰা হয়' বুলি উল্লেখ কৰি বিভিন্ন তিথিত পালন কৰা মাংগলিক যাত্ৰা-উৎসৱ আদিৰ চমু আভাস দিবলৈ লেখকে বিনম্ৰ প্ৰয়াস কৰিছে। 'শ্ৰীক্ষেত্ৰত দৰ্শনীয় স্থান'ত ক্ষেত্ৰখনৰ কিছু উল্লেখনীয় আৰু দৰ্শনীয় স্থান যেনে নৰেন্দ্ৰ সৰোবৰ, শ্ৰীগুণ্ডিচা মন্দিৰ, সিদ্ধ বকুল মঠ, স্বৰ্গদ্বাৰ, তোটা গোপীনাথ আদি স্থানৰ চমু বিৱৰণ দাঙি ধৰা হৈছে। 'শ্ৰীক্ষেত্ৰৰ বিভিন্ন মঠ' নামৰ লেখাত— শ্ৰীক্ষেত্ৰৰ গোবৰ্ধন মঠ, ৰাজগোপাল মঠৰ পৰা আৰম্ভ কৰি গোপাল বল্লভ মঠলৈকে মুঠ ১২টা মঠৰ চমু পৰিচয় দিছে। 'পুৰীৰ আশে-পাশে থকা কিছু মঠ-মন্দিৰ আৰু অন্যান্য স্থানৰ বিৱৰণ দিবলৈ যত্ন কৰা হৈছে। 'ৰথৰ চকৰি ঘূৰে' নামৰ লেখাটোত 'চক্ৰ', 'চকৰ', 'চককৰ', 'চকৰি', 'চকা' ইত্যাদি শব্দৰ উৎপত্তি আৰু ধৰ্মীয়, আধ্যাত্মিক দৰ্শনৰ লগত ইয়াৰ সংগতিৰ কথা উল্লেখ কৰি— পুৰীৰ ৰথা যাত্ৰা, শ্ৰীজগন্নাথ মহাপ্ৰভু, শ্ৰীবলভদ্ৰ আৰু শ্ৰীসুভদ্ৰাৰ ৰথৰ চকৰি কেৱল উৎকল বা ওড়িছাৰ নহয় সমগ্ৰ ভাৰতৰ ধৰ্ম-দৰ্শন, আধ্যাত্মিক চিন্তা-চেতনা আৰু ভক্তি ভাৱনাৰ প্ৰতীক বুলি ব্যক্ত কৰা হৈছে।

'অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মত জগন্নাথ চেতনাৰ প্ৰভাৱ অতি গভীৰ। গুৰুজনাই দুবাৰকৈ শ্ৰীক্ষেত্ৰ ভ্ৰমণ কৰি উৎকলীয় সমাজ, সংস্কৃতি, সাহিত্য, নাট্যাভিনয়, ধৰ্মীয় চিন্তা আদি বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন আৰু অন্বেষণ কৰিছিল। নিজৰ জীৱন কালত দুবাৰকৈ কৰা তীৰ্থ ভ্ৰমণত ভাৰতীয় ভক্তি আন্দোলনৰ স'তে অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ একাত্ম প্ৰকাশ কৰিবলৈ গুৰুজনাই সাৰ্থক প্ৰয়াস কৰিছিল।' লেখকৰ এই কথাখিনিৰ লগত সম্পৰ্ক থকা দিশবোৰ সম্যক ৰূপত দাঙি ধৰা হৈছে 'গুৰুজনাৰ শ্ৰীক্ষেত্ৰ ভ্ৰমণ' শীৰ্ষক লেখাত।

'শ্ৰীজগন্নাথ মহাপ্ৰভুৰ লীলাৰ স'তে সাঙোৰ খাই থকা এক নাৰী চৰিত্ৰ হৈছে গুণ্ডিচা দেৱী। অসমীয়া বৈষ্ণৱ সাহিত্যত গুণ্ডিচাক ঘুনুচাৰূপে বৰ্ণনা কৰা হৈছে।' এই কথাৰ লগত সংগতি ৰাখি লেখকে আপোন শৈলীৰে কাহিনীৰ লগত সম্পৰ্কিত কথাবোৰ তুলি ধৰাৰ প্ৰয়াস কৰিছে— শ্ৰীধৰ কন্দলিৰ 'ঘুনুচা-কীৰ্তন' নামৰ লেখাত।

বৃহত্তৰ অসমীয়া জাতিৰ জাতীয় জীৱনৰ প্ৰাণকেন্দ্ৰ স্বৰূপ হৈছে— নামঘৰ। সামগ্ৰিকভাৱে ভাৰতীয় সমাজ জীৱনৰ ধৰ্মীয় আৰু আধ্যাত্মিক ক্ষেত্ৰৰ পৱিত্ৰ স্থান পুৰীত নামঘৰ প্ৰতিষ্ঠা কৰাৰ ইতিহাস নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিত লেখকে তুলি ধৰিছে 'পুৰীত নামঘৰ প্ৰতিষ্ঠাৰ ইতিকথা' বিষয়ক লেখাত। 'অসমীয়া লোকাচাৰ, লোক পৰম্পৰা আৰু লোকসংস্কৃতিত জগন্নাথৰ গুৰুত্ব মন কৰিবলগীয়া' বোলা কথাষাৰৰ লগত সংগতি ৰক্ষা কৰি এক মনোজ্ঞ আলচ কৰা হৈছে— 'অসমীয়া লোকসংস্কৃতিত জগন্নাথ'ত।

'নমো নমো জগন্নাথ' আৰু শেষৰটো লেখা 'জয় জগবন্ধু জগন্নাথ' শীৰ্ষক দুয়োটা লেখাতে মহাপ্ৰভু জগন্নাথক বন্দনা কৰা বিষয়ক দিশৰ বিৱৰণ আছে। 'নমো নমো জগন্নাথ'ত কোৱা হৈছে এনেকৈ, 'কেৱল অসমীয়া বৈষ্ণৱ সাহিত্যতে নহয় ওড়িয়া বৈষ্ণৱ সাহিত্যতো কৃষ্ণই জগন্নাথ আৰু জগন্নাথেই হৈছে কৃষ্ণ। অসমৰ গুৰু দুজনা আৰু ওড়িছাৰ পঞ্চসখাৰ ৰচনাত এই বিষয়টো প্ৰতিপাদিত হৈছে।' সেইদৰে 'জয় জগবন্ধু জগন্নাথ' 'সমগ্ৰ জগতৰ পালন কৰ্তাৰূপে 'জগন্নাথ' বিশ্ব বন্দিত। জগতবাসীৰ বন্ধুৰূপে তেৰা জগবন্ধু জগন্নাথ'। বন্দনাৰ ধ্বনি-প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়' বুলি লেখকে প্ৰত্যয়ৰে উল্লেখ কৰিছে।



লেখকে নিষ্ঠা, একাগ্ৰতা আৰু আন্তৰিকতাৰে আহৰণ কৰা বাস্তৱ অভিজ্ঞতাৰ লগতে পৰিশিলীত অধ্যয়ন, চিন্তন, চৰ্চন, মনন আৰু আত্মিক দৃষ্টিভংগীৰ সমাহাৰ ঘটাই নিটোল ৰূপত যুগুতাই প্ৰকাশ কৰি উলিওৱা গ্ৰন্থভাগিয়ে ধৰ্মীয় আৰু আধ্যাত্মিক পীঠস্থান পুৰীৰ লগতে শ্ৰীজগন্নাথ মহাপ্ৰভুৰ লগত সংপৃক্ত হৈ থকা দিশবোৰ সম্যকভাৱে উপলব্ধি কৰাত আৰু সেই অনুক্ৰমে হৃদয়ংগম কৰাতো পাঠকৰ মনোজগতত প্ৰভূত ইন্ধন যোগাব বুলি আমি অনুভৱ কৰিছো। গ্ৰন্থখন অধ্যয়ন কৰা পাঠকসকলৰ— যিসকলে নেকি উক্ত স্থান দৰ্শন কৰি আহিছে সেইসকলেও স্মৃতিবোৰ পুনৰ যুকীয়াই চোৱাৰ অৱকাশ পাব আৰু যিসকলে এতিয়াও যোৱা নাই সেইসকলৰো জীৱন কালত এবাৰ হ'লেও যোৱাৰ হাবিয়াস জাগ্ৰত হ'ব বুলি বিনাদ্বিধাই ক'ব পৰা হয়। এগৰাকী নিপুণ শিল্পীয়ে অংকন কৰা চিত্ৰপটৰ দৰে হৈ পৰা লেখকৰ সাৱলীল কথন শৈলীৰ সজীৱতায়ো এই ক্ষেত্ৰত নিশ্চয় অৰিহণা যোগাব।

সাতে সোতৰাই মিলি সুখপাঠ্যৰ শাৰীলৈ উন্নীত হোৱা উল্লিখিত গ্ৰন্থভাগিৰ বিদ্যায়তনিক মূল্যও অনস্বীকাৰ্য। অনুসন্ধিৎসু বিদ্যাৰ্থীয়ে গ্ৰন্থখন অধ্যয়ন কৰিলে বিষয় সম্পৰ্কীয় অনেক জ্ঞানৰেই সম্ভেদ পাব; গৱেষকসকলেও প্ৰয়োজনীয় তথ্য-পাতি লাভ কৰাৰ সুযোগ পাব। 'শ্ৰীজগন্নাথ মহাপ্ৰভুৰ বিষয়ে গদ্যশৈলীত ৰচনা কৰা এইখনেই সম্ভৱত ঃ অসমীয়া ভাষাৰ প্ৰথম গ্ৰন্থ' বুলি গ্ৰন্থখনৰ প্ৰকাশক 'মুক্তি প্ৰকাশন'-এ ব্যক্ত কৰা এই মন্তব্যৰ প্ৰতি আমিও সহমৰ্মিতা প্ৰকাশ কৰিছো। এই কথা পাঠকেও নিশ্চয় উপলব্ধি কৰিব।

ফোন ঃ ৯৪৩৫৪৭৩৬০২

গাঁৱৰ ছবি

অৰূপজ্যোতি হাজৰিকা

এসময়ত মদাহীক খেদা
গাঁৱৰ ডেকাবোৰ
এতিয়া নিজেই মদাহী
আৰু গাঁও ভালপোৱা মানুহবোৰ সিহঁতৰে শত্ৰু।
গাঁও ভালপোৱা মানুহে
প্ৰতিটো উশাহত গাঁৱৰ কথা ভাবে
বদনাম ওলালে
জলি-পকি উঠিব পাৰে।

কাম কৰা মানুহে
নিবিচাৰে কামৰ গুণ
বিপদ-আপদ মানুহ অসুখ-বিসুখত
জপিয়াই পৰেনো কোন?
যিয়েই ভাবক বা নাভাবক
থাকে বহুত এজন ভাল চিন্তাৰ বিপৰীতে
আৰু ভাল চিন্তা কৰাজন
সততে বদনামী হয় বহুতৰে।

গাঁৱৰ উন্নতিৰ প্ৰতিটো খোজত
ভাল মানুহজন সহযাত্ৰীৰ দৰে
দুখবোৰ নিজৰ গালৈ টানে
আৰু গাঁৱৰ মানুহে তেওঁকহে জগৰীয়া কৰে।

কুৰিটা জনগোষ্ঠীয় পৰম্পৰাৰ মূল্যৱান কোষগ্ৰন্থ

বৃহত্তৰ অসমৰ জনগোষ্ঠীয়

উৎসৱ-পাৰ্বণ

এম আবু হানিফা

বৃহত্তৰ অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ

আমাৰ সমাজত অতীজৰে পৰা কিছু লোক বিশ্বাস পৰম্পৰাগতভাৱে চলি আহিছে । সেই সমূহে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ জীৱন-ধাৰণ প্ৰক্ৰিয়া, আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা আদিক প্ৰতিফলিত কৰে । যিবোৰৰ অবিহনে এখন সমাজৰ সামগ্ৰিক দিশ কেতিয়াও সম্পূৰ্ণ নহয় । মানুহৰ মাজত থকা চিন্তাৰ ভিন্নতা আৰু বৈচিত্ৰপূৰ্ণ আচাৰ-আচৰণেই একো একোটা শ্ৰেণীৰ স্বকীয় বৈশিষ্ট দাঙি ধৰে । অসমখন বিভিন্ন জাতি, জনগোষ্ঠীৰ লোকৰ এখন বৈচিত্ৰপূৰ্ণ ৰাজ্য । ইয়াৰ প্ৰতিটো জনগোষ্ঠীৰ লোকবিশ্বাস, লোকাচাৰ, জীৱন ধাৰণ শৈলী ভিন ভিন। অসমীয়া কৃষ্টি-সংস্কৃতি, জনবিশ্বাস আৰু জনসাহিত্য, ধৰ্মীয় নীতি-নীয়ম, সংস্কৃতিৰ ৰূপ-ৰেখা সন্দৰ্ভত অসমীয়া সাহিত্যত অধ্যয়নৰ যথেষ্ট সমল পোৱা যায় ।

অসমৰ বিভিন্ন জাতি-ধৰ্মৰ মাজত থকা পৰম্পৰা, লোকবিশ্বাস আদিৰ বিষয়ে অলপতে খৰচি মাৰি প্ৰকাশ হোৱা এখন গ্ৰন্থ পঢ়াৰ সৌভাগ্য হৈছে । কিতাপখনৰ নাম "বৃহত্তৰ অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ "। লোক সাহিত্য, লোক সংস্কৃতিৰ গৱেষক ড0 ৺ভদ্ৰকান্ত বৰাই অক্লান্ত সাধনাৰে অসমত প্ৰচলিত প্ৰতিটো উৎসৱ, পৰম্পৰাৰ পূংখানুপূংখ অধ্যয়ন আৰু বিশ্লেষণেৰে গুৰুত্বপূৰ্ণ গ্ৰন্থখন যুগুতাই উলিয়াইছে । ড0 ৺বৰাৰ বৃহত্তৰ অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণত 20 টা প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে আৰু প্ৰতিটো প্ৰবন্ধতে অসমীয়া সংস্কৃতিক প্ৰতিফলিত কৰা দিশৰ সঠিক উপস্থাপন কৰা হৈছে বুলিব পাৰি । জনগোষ্ঠীসমূহৰ মাজত অতীজৰে পৰা চলি অহা লোকবিশ্বাস অনুযায়ী চিকাৰৰ পৰা আৰম্ভ কৰি কৃষি পদ্ধতি, বংশগতি আৰু ৰুচিবোধলৈকে দেখা পোৱা যায় । গ্ৰন্থখনিৰ সন্দৰ্ভত অসমীয়া সংস্কৃতিৰ সাধক ড0 ৺উমেশ চন্দ্ৰ ডেকাই লিখিছে- "গ্ৰন্থখনত যিবোৰ উৎস, স্বৰূপ, বিকাশ তথা গাঁথনিক দিশবোৰ বিশ্লেষণ কৰাৰ চেষ্টা প্ৰতিফলিত হৈছে । ...ইবোৰৰ আন্তঃক্ষেত্ৰমূলক সম্পৰ্ক নিৰ্ণয় এক গভীৰ অধ্যয়নৰ বিষয় । লোক সংস্কৃতিৰ কোনো উপাদানেই প্ৰসংগ অবিহনে সাৰ্থক হ'ব নোৱাৰে, সেয়ে উৎসৱ-পাৰ্বণৰ প্ৰকৃত প্ৰসংগ আৰু অনুষংগ বিচাৰে লোকসংস্কৃতিৰ অধ্যয়নৰ পৃথক সুকীয়া মাত্ৰা প্ৰদান কৰিব পাৰে ।"

জনগোষ্ঠীকেন্দ্ৰিক ভাৱে পৃথকে পৃথকে জন-জীৱন, জনবিশ্বাস আৰু ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে ৰচনা কৰা গ্ৰন্থখনত উৎসৱ-অনুষ্ঠানৰ সামগ্ৰিক ধাৰণা দিয়াৰ উদ্দেশ্যৰে বিস্তৃত বিশ্লেষণ আগবঢ়োৱা হৈছে । গ্ৰন্থখনৰ প্ৰথম প্ৰবন্ধতে অসমীয়া সমাজৰ বাপতিসাহোন বিহুৰ সৈতে জড়িত পৰম্পৰা, সংহতি-সদ্ভাৱ আদিৰ বিষয়ে আলোচনা কৰা হৈছে । অসমৰ জাতীয় উৎসৱ বিহুৰ উৎপত্তি, আয়োজন ৰীতি, অনুষ্ঠান বিশেষত্ব, সজুঁলি ব্যৱহাৰ আদিৰ কথা সাৱলীলভাৱে বৰ্ণনা কৰিছে । ইয়াৰোপৰি গ্ৰন্থখনত কোঁচ ৰাজবংশীসকলৰ বিশ্বাস বিৱৰ্তনৰ আৰ্য-অনাৰ্য প্ৰভাৱৰ লগতে উত্তৰ বংগৰে সম্পৃক্ত প্ৰাচীন ধাৰণা আৰু শৈৱ ধৰ্মলৈকে কথাবিলাক আলোকপাত কৰা দেখা গৈছে । তদুপৰি গৱেষণামূলক গ্ৰন্থখনত কাৰ্বি, গাৰো, টাই আহোম, টাই-বৌদ্ধ, টাংছা, ডিমাছা, তিৱা, দেউৰী, নেপালী, বড়ো, মৰাণ , মণিপুৰি, মিছিং, মুছলমান, ৰাভা, সোণোৱাল, হাজং আৰু চাহ আদি প্ৰতিটো জনগোষ্ঠীৰ প্ৰচলিত বিশ্বাস, জীৱন-প্ৰণালী, আচাৰ-ব্যৱহাৰৰ বস্তুবাদী বিশ্লেষণ দেখা যায় ।

গৱেষণামূলক গ্ৰন্থখনৰ সন্দৰ্ভত অভিমত ব্যক্ত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, বিশিষ্ট সাহিত্যিক, সমালোচক ড0 ৺প্ৰফুল্ল কুমাৰ নাথ দেৱে লিখিছে- "... জনগোষ্ঠীয় উৎসৱ-পাৰ্বণৰ বিষয়ে ড0 ৺বৰাৰ গ্ৰন্থখনি আৰু অধিক বিস্তৃতি লাভ কৰিলে ই নিশ্চিতভাৱেই এখনি উৎসৱ-পাৰ্বণ সম্পৰ্কীয় কোষগ্ৰন্থৰ মৰ্যদা লাভ কৰিব । ড0 ৺বৰাৰ এই চেষ্টা প্ৰসংশনীয় আৰু অনুকৰণীয় । প্ৰতিটো আলোচনাই তাৎপৰ্যপূৰ্ণ আৰু বিদ্যায়তনিক দিশৰ পৰা যথেষ্ট গুৰুত্বপূৰ্ণ ।"

বৰ্তমান আধুনিক তথ্য-প্ৰযুক্তি নিৰ্ভৰশীল সময়ত নতুনকৈ উঠি অহা প্ৰজন্ম ইন্টাৰনেট সৰ্বস্ব জীৱনত অভ্যস্ত । যিকোনো কথা আজিকালি গুগল, ইউকিপিডিয়া আদিৰ পৰা আহৰণ কৰি জ্ঞানৰ চাহিদা পূৰণ কৰা হৈছে । কিন্তু সকলো ক্ষেত্ৰতে ইন্টাৰনেটৰ প্ৰয়োজনীয়তা থাকিলেও কিছু দিশত বিশ্বাসযোগ্যতাৰ ক্ষেত্ৰত আমাৰ থলুৱা ঐতিহ্য-পৰম্পৰাৰ বাবে আজিও আমি কিতাপ-আলোচনীৰেই সহায় ল'ব লাগে । ইয়াৰ মূল কাৰণ হৈছে, অসমৰ সৰু-বৰ জাতি, জনগোষ্ঠী আদিৰ সঠিক তথ্য-পাতিৰ সুলভ সংৰক্ষণ তথা উপস্থাপন এতিয়াও ইন্টাৰনেটত সহজ-সাধ্য হৈ উঠা নাই । গ্ৰন্থখনে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক উপকৃত কৰাৰ লগতে অসমীয়া সাহিত্য-সংস্কৃতিৰ অধ্যয়নত পাঠক সমাজক পৰ্যাপ্ত সমল যোগাব বুলি আশা কৰিব পাৰি । বাস্তৱ আৰু বিজ্ঞানসন্মত বিশ্লেষণসমৃদ্ধ 248 পৃষ্ঠাৰ গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে ৰাজ্যৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী পাঞ্চজন্য বুক্‌ছে ।

ফোন ঃ 94357-11909

জাৰ্মান সাহিত্যত এভূমুকি



সৃষ্টিবেদনা বুলিলে সাধাৰণতে সৃষ্টিকালত উদ্ভৱ হোৱা বা সন্মুখীন হোৱা প্ৰতিকূল পৰিস্থিতিৰ কথাকে বুজোৱাৰ লগতে সেই প্ৰতিকূল পৰিস্থিতিয়ে মুকলি কৰা নতুন সম্ভাৱনীয়তাৰ কথাও বুজায়। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত এই কথাষাৰ খুবেই প্ৰযোজ্য। সাহিত্য সৃষ্টিৰ পশ্চাদপটত একোখন সমাজৰ স্থিতিৰ বিষয়ে সকলো জ্ঞাত। সেই সমাজখনৰ ভৌগোলিক স্থিতি, সমাজখনৰ ৰাজনৈতিক পৰিৱেশ-পৰিস্থিতি, সামাজিক শ্ৰেণী বিন্যাস, মানুহৰ বিশ্বাস-পৰম্পৰা, লোককথা, গীত-মাত আদিয়েও সাহিত্য সৃষ্টিৰ মৌখিক তথা লিখিত পৰম্পৰা উভয়কে সহায় আৰু প্ৰভাৱিত কৰে। ইয়াৰ আলোকতে আমি জাৰ্মান সাহিত্যৰ বিচিত্ৰ ক্ষেত্ৰখনত দৃষ্টি আৰোপ কৰিব বিচাৰিছো।

ইউনিভাৰচিটি অৱ ৱাশ্বিংটনৰ জাৰ্মানিকছ আৰু তুলনামূলক সাহিত্যৰ অধ্যাপক ষ্টিফেন জেগাৰে জাৰ্মান সাহিত্যৰ আলোচনাৰ প্ৰসংগত এই সাহিত্য শ্ৰেণীৰ যুগ বিভাজন কৰোতে পূৰ্ব খ্ৰীষ্টিয়ান আৰু প্ৰাৰম্ভিক খ্ৰীষ্টিয়ান যুগ (Early Christian Era.) হিচাপে ভাগ কৰি আলোচনা কৰিছে। মৌখিক সাহিত্যৰ সমলেৰে ঐশ্বৰ্যশালী জাৰ্মান সাহিত্যৰ Pre Christian Period.-টোৰ সৃষ্টিৰাজি গীত-মাত, পৌৰাণিক তথা বীৰত্বব্যঞ্জক গীতি-কবিতা, কথা-কাহিনীত লিপিট খাই আছিল। এই সৃষ্টিৰাজিৰ কিছু অৱশিষ্টাংশ শিলালিপি, পৌৰাণিক স্মৃতিচিহ্ন আৰু যাদুমূলক লিপিত সংৰক্ষিত অৱস্থাত আছে। এই তথ্যসমূহ জাৰ্মান মাৰ্চবাৰ্গ গ্ৰন্থালয়ত সংৰক্ষিত হৈ আছে।

ইংৰাজী বা ফৰাচী সাহিত্যৰ দৰে জাৰ্মান সাহিত্যৰ এক নিৰৱচ্ছিন্ন ধাৰাবাহিক বিকাশৰ গতি পৰিলক্ষিত নহয়। ইয়াৰ কাৰণো নথকা নহয়। মধ্য ইউৰোপৰ জাৰ্মানভাষী লোকসকলৰ লিখিত সৃষ্টিৰাজিক লৈয়েই জাৰ্মান সাহিত্য গঢ় লৈ উঠিছে। এই লোকসকলৰ জীৱন জাৰ্মান ৰাজনীতি আৰু ইতিহাসৰ লগত সংপৃক্ত। সেই ৰাজনীতি আৰু ইতিহাস ভঙা-গঢ়াৰ জীয়া কাহিনী। সেই পৰিস্থিতিত নিৰৱচ্ছিন্নতাৰ কোনো স্থান নাছিল।

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন

১৮৭১ত যথাৰ্থ ৰূপত এখন আধুনিক ৰাষ্ট্ৰ হোৱাৰ পূৰ্বে জাৰ্মানী বা তেতিয়াৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাৰ্মান ৰাজ্যসমূহৰ পৰস্পৰৰ আঁৰিয়া-আঁৰি, হতাহতি, যুদ্ধ-বিগ্ৰহ, ধৰ্মীয় অস্থিৰতা, অৰ্থনৈতিক সংকট ইত্যাদি স্তৰেদি অতিক্ৰম কৰিছিল। তৎসত্বেও জাৰ্মান সাহিত্যই তিনিছোৱা বিশেষ সময়ত নিজৰ ঐশ্বৰ্যশালী ৰূপ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। এছোৱা সময় হৈছে High Middle Ages. (১১৬০--১২৩০ খ্ৰীঃ লৈ), অষ্টাদশৰ পৰা ঊনবিংশ শতিকাৰ এছোৱা (গ্যেটেৰ যুগ) আৰু ঊনবিংশৰ পৰা বিংশ শতিকালৈ।

জাৰ্মান সাহিত্য শ্ৰেণীৰ ভাৱ-ভাষা, বিষয়বস্তু, বৈশিষ্ট্যৰ প্ৰতি দৃষ্টি ৰাখি অধ্যাপক ষ্টিফেন জেগাৰে সেই সাহিত্যশ্ৰেণীক বহলাই কে'বাটাও ভাগত আলোচনা কৰিছে। তেওঁৰ সেই শ্ৰেণী- বিভাজন এনেধৰণৰ--

মিডল হাই জাৰ্মান লিটাৰেচাৰ, প'ষ্ট ক্লাছিকেল মিডল হাই জাৰ্মান লিটাৰেচাৰ, শেষ মধ্যযুগ আৰু পুনৰ্জাগৰণৰ প্ৰাৰম্ভিক স্তৰ, সংস্কাৰৰ স্তৰ, বাৰোক যুগ, অষ্টাদশ শতিকা (Ages of Enlightenment), ৱেইমাৰ ক্লাছিজিম, প'ষ্ট ক্লাছিজিম, ঊনবিংশ শতিকা (The Romantic Movement), বিংশ শতিকা (জাৰ্মান আধুনিকতাবাদ), দ্য প'ষ্ট- ১৯৪৫ পিৰিয়ড ঃ 'Zero Hour', বিংশ শতিকাৰ পঞ্চম দশকৰ শেষভাগ আৰু ষষ্ঠ দশকৰ আৰম্ভণি ভাগ, বিংশ শতিকাৰ সপ্তম আৰু অষ্টম দশক (New Subjectivity), জাৰ্মান প'ষ্ট মডাৰ্ণিজিম, পুনৰ একত্ৰীকৰণৰ পৰৱৰ্তীকাল (After Reunification), একবিংশ শতিকাৰ জাৰ্মান সাহিত্য।

সাহিত্যৰ বুৰঞ্জীৰ যুগ ভিত্তিক বা স্তৰভিত্তিক ৰেখাডালৰ অংকন সহজসাধ্য নহয়। এই ক্ষেত্ৰত ভিন্ন দৃষ্টিভংগীৰ সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ মাজতো মতৰ অমিল হ'ব পাৰে। জাৰ্মান সাহিত্যৰ বুৰঞ্জীৰ ক্ষেত্ৰতো এনে মত-অমত নাই বুলি আমি ক'ব নোৱাৰো। তথাপিতো যদি আমি এই বিশিষ্ট আলোচকগৰাকীৰ তথ্যসমৃদ্ধ লেখাসমূহত চকু ফুৰাওঁ তেতিয়াহ'লে আমি এইটো দেখিম যে পঞ্চম শতিকাৰ শেষ ভাগৰ পৰা জাৰ্মান সাহিত্যত এটা প্ৰত্যাহ্বানে দেখা দিছিল। সেই প্ৰত্যাহ্বানৰ লগত ধৰ্মীয় জীৱনলৈ অহা এটা পৰিৱৰ্তন ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। পঞ্চম শতিকাৰ শেষ ভাগত ব্যাপক সংখ্যক জাৰ্মান লোক খ্ৰীষ্টিয়ান ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। এইখিনিতে সাহিত্যৰ সৃষ্টিৰ লগত জড়িত ব্যক্তিসকলে অন্য এটা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। সেইটো এয়ে যে সেই সময়ছোৱাত যি জাৰ্মান ভাষাৰ প্ৰচলন আছিল সেই ভাষাত কেৱল মৌখিক সাহিত্যৰ পৰম্পৰাহে আছিল। এনেস্থলত খ্ৰীষ্টিয়ান ধৰ্মৰ লগত জড়িত সাহিত্যশ্ৰেণী লিখিত সাহিত্যৰ পৰম্পৰা নথকা সেই ভাষাটোলৈ অনুবাদ কৰাটো কিমান জটিল কাৰ্য হ'ব সেইটো খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰক সাহিত্যিক তথা অনুবাদকসকলে বাৰুকৈয়ে উপলব্ধি কৰিছিল। এই প্ৰসংগত বিশ্বপ ওলফিলাচে চতুৰ্থ শতিকাৰ শেষ ভাগত অনুবাদ কৰা গ'থিক বাইবেলখনৰ কথা বিশেষভাৱে উল্লেখযোগ্য।

(আগলৈ) ইমেইল- neevarani11@gmail.com

অসম দাপোণ
দৈনিক অগ্ৰদূত

মৰাণত আছুৰ বন্ধৰ প্ৰভাৱ ৰাস্তাত

তিনি পৃষ্ঠাৰ পৰা পৰা নগৰখনৰ সকলো দোকান, ব্যৱসায় প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। পুৰা অঞ্চলটোৰ বিভিন্ন প্ৰান্তত আছুৰ কৰ্মীয়ে পথৰ ওপৰত টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। বন্ধৰ সময়ত ব্যক্তিগত যান-বাহনবিলাক স্বাভাৱিকভাৱে চলাচল কৰি আছে। বাতৰি লিখা পৰলৈকে বন্ধ শান্তিপূৰ্ণভাৱে চলি আছে। দীৰ্ঘদিন ধৰি অসমত বন্ধ, আন্দোলন আদি নোহোৱাৰ কাৰণৰ জনসাধাৰণে কিছু সকাহ পাইছিল যদিও পুনৰ বন্ধ-সংস্কৃতি আৰম্ভ হৈছে বুলি সচেতন নাগৰিকে মতপোষণ কৰিছে।

ডিব্ৰুগড় জিলা বন্ধ সফল

নামৰূপ ঃ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় ছহিদ ন্যাসৰ পৰা ১৫ জন ছাত্ৰ কৰ্মীক ৰাজনৈতিক হেঁচাত ডিব্ৰুগড় আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই নিৰ্মম প্ৰহাৰ কৰি গ্ৰেপ্তাৰ কৰা কাৰ্যৰ প্ৰতিবাদত ডিব্ৰুগড় জিলা বন্ধ কাৰ্যসূচীৰ মিশ্ৰিত প্ৰভাৱ নামৰূপত পৰিলক্ষিত হয়। আজি নামৰূপত সকলো ৰাজহুৱা যাতায়াত সম্পূৰ্ণৰূপে বন্ধ থকাৰ উপৰি ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ থাকে। বন্ধৰ সময়ছোৱাত বাতৰি লিখা পৰ্যন্ত কোনো ধৰণৰ বিক্ষিপ্ত ঘটনা সংঘটিত হোৱা নাই।

খাৰুপেটীয়াত অট্টালিকা নিৰ্মাণৰ বাবে

তিনি পৃষ্ঠাৰ পৰা অতি ব্যস্ত পথত নিজৰ আধিপত্য দেখুৱাই ৱাৰ্ডটোৰ এগৰাকী ব্যৱসায়ীয়ে নিজৰ পকী অট্টালিকা নিৰ্মাণৰ বাবে প্ৰায় দুমাহ ধৰি পথছোৱাত শিল, বালি আদি পেলাই যাতায়াত বিঘ্নিত কৰি ৰাখিছে। এই সন্দৰ্ভত ৰাইজৰ অভিযোগ খাৰুপেটীয়া নগৰৰ মহাবীৰ ৰোডৰ পৰা ইছলামপুৰ, বাইগৰমাৰি, কেউৰাটচুবা, মাগুৰমাৰী আদি গাঁৱলৈ যোৱা চৰকাৰী পথত শিল-বালি পেলাই বন্ধ কৰি থোৱাৰ ফলত এম্বুলেন্স সেৱাকে আদি কৰি মাছ-পাচলি কঢ়িওৱা গাড়ীৰ লগতে উক্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল যাতায়াতৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হ'বলগীয়া হৈছে। বাৰম্বাৰ অভিযোগ কৰাৰ পাছতো ৰাইজৰ সুবিধাৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব নিদি বাঁহ বান্ধি বন্ধ কৰি ৰাখে পথটো। যাক লৈ আজি এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয় ঘটনাস্থলীত। একেদৰে উক্ত অবিবেচক কাণ্ডই বন্ধ কৰি পেলাইছে চৰকাৰী ধনেৰে পানী নিষ্কাসনৰ বাবে নিৰ্মাণ কৰা নলা। চৰকাৰী পথ নিজৰ পৈত্ৰিক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰা লোকজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ লগতে যাতায়াত ব্যৱস্থা সুচল কৰাৰ বাবে ভুক্তভোগীসকলে প্ৰশাসনক দাবী জনাইছে।

বাঁহৰ দলং পাৰ হ'বলৈ ভৰিব লাগে ১০

তিনি পৃষ্ঠাৰ পৰা বিজেপি মিত্ৰজোঁট পৰিৱৰ্তনকামী চৰকাৰ তথা জনপ্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষই মুঠেই গুৰুত্ব প্ৰদান নকৰাত নলবাৰী আৰু ৰঙিয়া সমষ্টিৰ ৰাইজে নৈখন পাৰাপাৰ হওতেই যমৰ যাতনা ভুগিব লগা হৈছে। উল্লেখ্য যে নোনা নৈৰ পূব প্ৰান্তত ৰঙিয়া সমষ্টিৰ বিচেন্নলা গাঁও পঞ্চায়তৰ খোপনিকুছি গাঁও। ইফালে, নলবাৰী সমষ্টিৰ অন্তৰ্গত খাতিকুছি গাঁও পঞ্চায়তৰ সোণকুৰিহাও এখন জনবহুল গাঁও। গাঁও দুখন সংলগ্ন পথেৰে, নলবাৰী-ৰঙিয়া সমষ্টিবাসী ৰাইজে ব্যৱসায়-বাণিজ্য, খেতি-বাতি, যাতায়াত আৰু যোগাযোগ কৰিবলৈ নোনা নৈখন ইপাৰ-সিপাৰ হ'ব লাগে। কিন্তু পৰিতাপৰ বিষয় যে অতি প্ৰয়োজনীয় পথত আজিলৈকে নৈখনৰ ওপৰত এখন পকী দলং স্থাপন নোহোৱাৰ বাবে সোণকুৰিহা আৰু খোপনিকুছিৰ বাসিন্দাসকলে যাতায়াতৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হিচাপে যুগ যুগ ধৰি থিয় দি আহিছে এই নোনা নৈখনে। উল্লেখ্য যে ২০০১ৰ পৰা নলবাৰী-ৰঙিয়া সমষ্টিৰ অন্তৰ্ভুক্ত নৈখনৰ দুয়োপাৰৰ অঞ্চলবাসী ৰাইজে সাংসদ, বিধায়ক-মন্ত্ৰী তথা বিভাগীয় কৰ্তৃপক্ষক আবেদন-নিবেদন কৰি আহিছে যদিও বৰ্তমানলৈকে ইয়াৰ কোনো সুফল নোপোৱাত ক্ষোভিত হৈ পৰিছে। সেয়েহে জনপ্ৰতিনিধিসকলৰ ওপৰত সম্পূৰ্ণ আস্থা হেৰুৱাই নৈখনৰ দুয়োপাৰৰ ৰাইজে বছৰ বছৰ ধৰি বাঁহৰ দলং নৈখনৰ ওপৰত নিৰ্মাণ কৰি কোনোমতে যাতায়াত কৰি আহিছে।

ভিকে-এনআৰএলৰ চিকিৎসালয়ৰ অধীনস্থ

তিনি পৃষ্ঠাৰ পৰা প্ৰতিজন ব্যক্তি বা ৰোগীক শীঘ্ৰেই বিনামূলীয়া চিকিৎসা লাভ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু আজি উদ্বোধন হোৱা বিবেকানন্দ চিকিৎসালয়ৰ এটা অংশ পংকা পাঁচ ছহিদ বহিঃবিভাগত প্ৰয়োজনীয় সকলো পদতে স্থানীয় নিবনুৱাক নিযুক্তি দিব লাগে। মূলতঃ এই দুটা দাবী লৈয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক পিন্টু গগৈৰ নেতৃত্বত আঞ্চলিক সমিতিৰ সভাপতি তপন দাস, যুটীয়া সম্পাদক সাগৰ তাঁতীকে ধৰি এটা সঁজাতী দলে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক, নুমলীগড় শোধনাগাৰৰ মুখ্য প্ৰৱন্ধক কাজল শইকীয়াক স্মাৰকপত্ৰ প্ৰদান কৰে। ছাত্ৰনেতা পিন্টু গগৈয়ে সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে ৮৫৫জন ছহিদৰ ত্যাগৰ বিনিময়ত গোলাঘাট জিলাৰ মৰঙি মৌজাত স্থাপন হোৱা নুমলীগড় শোধনাগাৰ আমাৰ সকলোৰে স্বাভিমান। এই শোধনাগাৰ অৱস্থিত ঠাই মৰঙি মৌজাৰ বাবে, ইয়াৰ ৰাইজৰ বাবে নুমলীগড় শোধনাগাৰৰ দায়ৱদ্ধতা যথেষ্ট আছে আৰু কৰণীয় বহুতো আছে যি কৰণীয়খিনি সামগ্ৰিভাৱে স্থানীয় সকলো ৰাইজে উপকৃত হ'ব পৰাকৈ আজিলৈকে নুমলীগড় শোধনাগাৰে একো পদক্ষেপ গ্ৰহণ কৰা নাই। এই দায়ৱদ্ধতাখিনিৰ মাজত নুমলীগড় শোধনাগাৰৰ বিবেকানন্দ চিকিৎসালয়ৰ অধীনত নুমলীগড় শোধনাগাৰ অৱস্থিত তথা নুমলীগড় শোধনাগাৰৰ সমীপৱৰ্তী মৰঙি মৌজাৰ সকলো ব্যক্তি তথা ৰোগীয়ে বিনামূলীয়া চিকিৎসা পোৱাটো এক প্ৰাপ্য অধিকাৰ। কিয়নো মৰঙি মৌজাতে নুমলীগড় শোধনাগাৰ অৱস্থিত হৈ যদি ইয়াৰ অঞ্চলৰ ৰাইজে চিকিৎসাৰ সুবিধাকণো বিনামূলীয়াকৈ নাপায় তেন্তে মৰঙি মৌজাৰ ৰাইজক অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ব, কাৰণ এই নুমলীগড় শোধনাগাৰৰ পৰা হোৱা যিকোনো সমস্যা, এই শোধনাগাৰৰ পৰা হোৱা প্ৰদূষণৰ প্ৰভাৱ এই আটাইবোৰৰ বোজা মূৰ পাতি ল'ব লাগে মৰঙি মৌজাৰ ৰাইজে। গতিকে নুমলীগড় শোধনাগাৰে মৰঙি ৰাজহ চক্ৰ অঞ্চলৰ প্ৰতিজন ব্যক্তি বা ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাটো নুমলীগড় শোধনাগাৰৰ দায়ৱদ্ধতা আৰু মৰঙি মৌজাৰ ৰাইজৰ বাবে এয়া প্ৰাপ্য অধিকাৰ' বুলি ছাত্ৰনেতাজনে অভিহিত কৰে। আনহাতে, যদিহে নুমলীগড় শোধনাগাৰে শীঘ্ৰেই নুমলীগড় শোধনাগাৰৰ দাঁতিকাষৰীয়া মৰঙি মৌজাৰ ৰাইজৰ স্বাৰ্থত নুমলীগড় বিবেকানন্দ চিকিৎসালয় আৰু ইয়াৰ অধীনস্থ পংকা পাঁচ ছহিদ বহিঃবিভাগত বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কাৰ্যকৰী নকৰে, তেন্তে নুমলীগড় শোধনাগাৰৰ বিৰুদ্ধে অৱস্থান গ্ৰহণ কৰি ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰাৰ বাবে নুমলীগড় শোধনাগাৰৰ বিৰুদ্ধে মৰঙি অঞ্চলৰ ৰাইজৰ সহযোগত ৰাইজৰ প্ৰাপ্য অধিকাৰৰ বাবে গণ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে জানিবলৈ দিয়ে।

নতুন সশস্ত্ৰ সংগঠন এনএলএফবিৰ যুদ্ধ

তিনি পৃষ্ঠাৰ পৰা জিলাসমূহৰ ভিতৰত দেশৰ ভিতৰত ওদালগুৰি জিলাৰ স্থান আছিল প্ৰথম। স্বাস্থ্য আৰু পুষ্টিকাৰক, শিক্ষা, কৃষি আৰু জলসম্পদ, ফাইনেন্সিয়েল ইনক্লিউজন-দক্ষতা বিকাশ আৰু প্ৰাথমিক আন্তঃগাঁথনি ক্ষেত্ৰক সামৰি লোৱা সমীক্ষাটোৰ পৰা লাভ কৰা তথ্য অনুসৰি দেশৰ ১১২খন আকাংক্ষিত জিলাৰ ভিতৰত অসমৰ ওদালগুৰি জিলাই চলিত বৰ্ষৰ বিগত ফেব্ৰুৱাৰীৰ সমীক্ষাত দেশৰ ভিতৰত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। এই সমীক্ষাত অসমৰ দৰং জিলাই দশম স্থান, গোৱালপাৰা জিলাই ৮৮ সংখ্যক স্থান, বাগ্‌সা জিলাই ৪২ সংখ্যক স্থান, বৰপেটা জিলাই দশম স্থান, ধুবুৰী জিলাই ১০৩ সংখ্যক স্থান আৰু হাইলাকান্দি জিলাই ১১০ সংখ্যক স্থান দখল কৰিছিল। ইয়াৰ পাছতে চলিত বৰ্ষৰ ২২ জুলাইটো আছিল ওদালগুৰি তথা বিটিআৰ আৰু অসমৰ বাবে অতি উল্লেখনীয় দিন। উক্ত দিনটোতেই নতুন সশস্ত্ৰ সংগঠন এনএলএফবিয়ে যুদ্ধবিৰতি ঘোষণা কৰি হাবিৰ পৰা ওলাই আহিছিল। সংগঠনটোৰ মুৰব্বী বাথা, বকোসহ ২৩গৰাকী কেডাৰে ওদালগুৰি জিলাৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ লালপানী আৰক্ষী চকীৰ অন্তৰ্গত চিকাৰীদাংগাত যুদ্ধবিৰতি ঘোষণা কৰি অস্ত্ৰ-শস্ত্ৰসহ হাবিৰ পৰা ওলাই আহিছিল। অনুষ্ঠানত সংগঠনটোৰ এই সিদ্ধান্তক অসম চৰকাৰৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকা, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো আৰু অসম আৰক্ষীৰ শীৰ্ষ বিষয়া জি পি সিঙে আদৰণি জনাইছিল। ইয়াৰ মাজতে চাৰি ডিচেম্বৰত অসম চৰকাৰে ৰাজ্যৰ আন ১৩গৰাকী লোকৰ লগতে ওদালগুৰি জিলাৰ ৰৌতাৰ অংগনৱাড়ী কৰ্মী কল্পনা বড়োলৈ অসম গৌৰৱ বঁটা ঘোষণা কৰিছিল। ২০০৯ৰ ২৩ ডিচেম্বৰত অংগনৱাড়ী কৰ্মী হিচাপে ৰৌতা সংহত শিশু বিকাশ সেৱা আঁচনিত যোগদান কৰা বড়োৱে সম্প্ৰদায়ৰ স'তে দক্ষতাৰে সম্পৰ্ক গঢ়ি তোলা, পৰিপুষ্টি খাদ্য প্ৰদানত উৎকৃষ্ট প্ৰদৰ্শন, নিয়মীয়া বিকাশ নিৰীক্ষণ আৰু চিনাক্ত কৰা এছএএম শিশু নিয়মীয়া টিকাকৰণত দেখুওৱা পাৰদৰ্শিতাৰ বাবে চৰকাৰে এই সন্মান ঘোষণা কৰে। সমান্তৰালভাৱে ইয়াৰ পৰৱৰ্তী দিনটোত পুনৰ ওদালগুৰিলৈ আহে আন এক ভাল খবৰ। ৰাজ্যৰ আন কে'বাগৰাকী প্ৰথিতযশা সাহিত্যিকৰ সমান্তৰালভাৱে ওদালগুৰি জিলাৰ সাহিত্যিক নবীনমল্ল বড়োলৈ অসম চৰকাৰে সাহিত্যিক পেঞ্চন আগবঢ়ায়। ইয়াৰ উপৰি চলিত বৰ্ষত ওদালগুৰি আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে জিলাখনৰ বিভিন্ন স্থানত নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে অভিযান চলাই বহু ড্ৰাগছ, গাঞ্জাৰ লগতে অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। গতিকে পুৰণিক বিদায় দি নতুনক আদৰাৰ লক্ষ্যৰে আগন্তুক বৰ্ষটো সকলোৰে মংগলময় কামনা কৰিছে।

সচিব বদলিৰ চাৰি মাহ পাছতো নহ'ল

তিনি পৃষ্ঠাৰ পৰা নিৰ্মাণ কৰি ব্যাপক দুৰ্নীতি সংঘটিত কৰা বুলি অভিযোগ উঠিছে। আনহাতে, ২০১৭-১৮ৰ ৰূপহী উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ পৰা ৰূপহী থানাৰোড মছজিদলৈ ১৪ লাখ ৭৯ হেজাৰ ২৩৯ টকা আৰু থানাৰোড মছজিদৰ পৰা ছ'চাইটি ৰাইছ মিললৈ ছয় লাখ ৬১ হেজাৰ ৩৭৭ টকাৰ দুটাৰ নলা নিৰ্মাণৰ আঁচনিৰ বিপৰীতে একেটা পথত পুঁজি আৱণ্টন হৈছিল। দুয়োখন আঁচনিৰ বিপৰীতে আৱণ্টিত ধনেৰে মাত্ৰ ১৫০ মিটাৰ নলাহে নিৰ্মাণ কৰা বুলি অভিযোগ উঠিছে। উল্লেখিত পাঁচখন আঁচনিৰ সমস্ত ধন উলিয়াই নিয়াৰ তথ্য পোহৰলৈ আহিছে। আনহাতে, হাতীপাৰা গাঁও পঞ্চায়তৰ সচিব চাহাব উদ্দিন হোজাই জিলাৰ ইছলাম নগৰ গাঁও পঞ্চায়তলৈ বদলি হোৱাৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলা পৰিষদে কাহানিবাই ৰিলিজ কৰা সত্ত্বেও হাতীপাৰা পঞ্চায়তৰ পঞ্চদশ বিত্তীয় আয়োগৰ বহু কেইটা নিৰ্মাণ সমিতিৰ যুটীয়া বেংক একাউন্টৰ পৰা প্ৰথম কিস্তিৰ ১৬ লাখ টকা মোকলাই নিয়াৰ তথ্য পোহৰলৈ আহিছে। চাহাব উদ্দিনে নীতি-নিৰ্দেশনা উলংঘা কৰি নৱ নিযুক্ত সচিবৰ হাতত দায়িত্বভাৰ হস্তান্তৰ নকৰি হোজাই জিলাত কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাত ধন উলিয়াই নিয়া ঘটনাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষ্যণীয় হ'ব। ইফালে, দক্ষিণ খাটোৱাল গাঁও পঞ্চায়তৰ পূৰ্বৰ সচিব নজৰুল ইছলাম আৰু অনন্ত বৰাই হোজাই জিলালৈ বদলি হৈ যোৱাৰ চাৰিমাহ পাছতো চতুৰ্দশ বিত্তীয় আয়োগৰ ধন ব্যয়ৰ নথি-পত্ৰ হস্তান্তৰ নকৰা বুলি অভিযোগ উঠিছে। আনকি পঞ্চায়তখনৰ কে'বাটাও আঁচনিৰ কাম সম্পূৰ্ণ নোহোৱা সত্ত্বেও ধন উলিয়াই নিয়াৰ অভিযোগ উঠিছে। পূৰ্বৰ সচিব ইছলামৰ বিৰুদ্ধে ৰুহুল আমিন নামৰ নিৰ্মাণ সমিতিৰ সভাপতিজনে ৰূপহীহাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰাৰ তথ্য পোহৰলৈ আহিছে। একেদৰে বৰঘাট, হাতীপুখুৰী আৰু গড়াজানত সচিবৰূপে কাৰ্যনিৰ্বাহ কৰা স্বপন কুমাৰ ধৰ বদলি হোৱাৰ চাৰি মাহ পাছতো চতুৰ্দশ বিত্তীয় আয়োগৰ দায়িত্বভাৰ সম্পূৰ্ণৰূপে হস্তান্তৰ নকৰাৰ অভিযোগ উঠিছে। ইয়াৰোপৰি ফাকলী পঞ্চায়তৰ পূৰ্বৰ সচিব ৰুহুল আমিনক গ্ৰামোন্নয়ন বিভাগে যোৱা ২০২০ৰ পাঁচ নৱেম্বৰত নিলম্বিত কৰিছিল আৰু চলিত বৰ্ষত সেই নিলম্বন প্ৰত্যাহাৰ কৰি বিশ্বনাথ জিলালৈ বদলি কৰিছে যদিও চতুৰ্দশ বিত্তীয় আয়োগৰ ২০খন আঁচনিৰ এক কোটিৰো অধিক টকা ব্যয়ৰ বিল ভাউচাৰ, এম বি আৰু পুঁজি ব্যয়ৰ প্ৰমাণপত্ৰ দাখিল নকৰাৰ তথ্য পোহৰলৈ আহিছে। তদুপৰি ৰুহুল আমিনে ২০ লাখ টকা ফাকলী ঈদগাহৰ মুকলি মঞ্চ নিৰ্মাণ আঁচনিৰ একাউন্টৰ পৰা উলিয়াই নিলেও আঁচনিখনৰ প্ৰাককলনৰ কাৰিকৰী মঞ্জুৰি নথকাৰ তথ্য পোহৰলৈ আহিছে। সচিব আমিনক দায়িত্বভাৰ হস্তান্তৰ কৰিবলৈ বি ডি অ'ই লিখিতভাৱে ২১ অক্টোবৰত জাননী দিছিল আৰু সেই জাননীক গুৰুত্ব নিদিয়া বুলি উল্লেখ কৰি বিষয়াজনে যোৱা ২৮ অক্টোবৰত নগাঁও জিলা পৰিষদক অৱগত কৰে। মুখ্য কাৰ্যবাহী বিষয়াই বিশ্বনাথৰ মুখ্য কাৰ্যবাহী বিষয়াৰ জৰিয়তে জাননী প্ৰেৰণ কৰি আমিনক যোৱা ১৪ ডিচেম্বৰত শুনানিত হাজিৰ কৰাই বিডিঅ'ৰ ওচৰত দায়িত্বভাৰ হস্তান্তৰ কৰাৰ বাবে নিৰ্দেশ দিয়ে। কিন্তু আমিনে শুনানিত চালে-বেৰে কোবাই মুখ্য কাৰ্যবাহী বিষয়াক ছলাহী কথাৰে পতিয়ন নিয়াই দায়িত্বভাৰ হস্তান্তৰ কৰিব বুলি কৈ শুনানিৰ পৰা ওলাই আহিবলৈ সক্ষম হ'লেও অদ্যাপিও কোনো ধৰণৰ দায়িত্বভাৰ হস্তান্তৰ নকৰিলে।'

■ কমাৰগাঁৱত জ্যেষ্ঠ সংগীত শিল্পীক সম্বৰ্ধনা

নৱবৰ্ষৰ প্ৰাকক্ষণত ন-পুৰণি শিল্পীৰ গীতেৰে জীপাল বৰদিহিঙীয়া নাট্য মন্দিৰ বাকৰি

খুমটাই, ২৬ ডিচেম্বৰ ঃ গোলাঘাট জিলাৰ কমাৰগাঁৱত আজি অসম সন্মিলিত শিশু কিশোৰ সাংস্কৃতিক মঞ্চ কমাৰগাঁও আঞ্চলিকৰ উদ্যোগত বৰদিহিঙীয়া নাট্য মন্দিৰত দিনজোৰা সংগীতৰ কাৰ্যসূচীৰে বৃহত্তৰ কমাৰগাঁও অঞ্চলৰ জ্যেষ্ঠ সংগীত শিল্পীসকলৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অসম সন্মিলিত শিশু-কিশোৰ সাংস্কৃতিক মঞ্চ কমাৰগাঁও আঞ্চলিকৰ সভানেত্ৰী লিজা লক্ষ্মী বৰুৱাই পতাকা উত্তোলন কৰা কাৰ্যসূচীৰ পাছতেই বন্তি প্ৰজ্বলন কৰে শিল্পী দীপা ফুকন আৰু বৃক্ষৰোপণ কৰে কিশোৰ শিল্পী প্ৰণৱজ্যোতি বৰাই। উল্লেখ্য যে উদীয়মান সংগীত শিল্পী দীপা ফুকনে আঁতধৰা সংগীত অনুষ্ঠানত ন-পুৰণি দুকুৰিৰো অধিক শিল্পীয়ে গীত পৰিৱেশনেৰে জীপাল কৰি তোলে বৰদিহিঙীয়া নাট্য মন্দিৰৰ বাকৰি। অসম সন্মিলিত শিশু-কিশোৰ সাংস্কৃতিক মঞ্চ কমাৰগাঁও আঞ্চলিকৰ সংগীতশিল্পীয়ে পৰিৱেশন কৰা সমবেত সংগীতেৰে সম্বৰ্ধনা অনুষ্ঠানৰ মুকলি কৰে। অনুষ্ঠানত বৃহত্তৰ কমাৰগাঁও অঞ্চলৰ জ্যেষ্ঠ শিল্পী ললিত গোস্বামী, চেনীৰাম গগৈ, নৰেন হাজৰিকা, সুন্দৰ ফুকন, দীপক বৰুৱা, তনুজ শইকীয়া, দুলেন বৰা, সন্ধানী বৰুৱা, মালবিকা গগৈ, উত্তৰা শইকীয়া, জ্যোৎস্না ঢেকিয়াল ফুকন আদিক ফুলাম গামোচা আৰু সম্বৰ্ধনাপত্ৰৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত অসম সন্মিলিত সাংস্কৃতিক মঞ্চ মাতৃ গোট গোলাঘাট জিলা সমিতিৰ তৰফৰ পৰা ৯০ দশকৰ জনপ্ৰিয় সংগীত শিল্পী, সংগীত পৰিচালক সুন্দৰ ফুকনক অংগবস্ত্ৰ, ধৰ্মগ্ৰন্থ আৰু সম্বৰ্ধনাপত্ৰৰে সম্বৰ্ধনা জনায়। সংগীত জগতলৈ বিশেষভাৱে অৰিহণা আগবঢ়োৱা কে'বাগৰাকী যুৱ প্ৰজন্মৰ সংগীত শিল্পীকো আয়োজক সমিতিয়ে সম্বৰ্ধনা জনায়।

মাৰ্ঘেৰিটাত বন্ধৰ প্ৰভাৱ সৰ্বাত্মক

অগ্ৰদূত বাৰ্তা

মাৰ্ঘেৰিটা, ২৬ ডিচেম্বৰ ঃ সদৌ অসম ছাত্ৰ সন্থাই আহ্বান জনোৱা ২৪ ঘণ্টীয়া তিনিচুকীয়া জিলা বন্ধৰ প্ৰভাৱ মাৰ্ঘেৰিটাত প্ৰভাৱ পৰা পৰিলক্ষিত হয়। আজি পুৱা পাঁচ বজাৰ পৰা আহ্বান জনোৱা বন্ধৰ প্ৰভাৱত ৩১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এক ব্যাপক যান-জঁটৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে ডিব্ৰুগড় জিলাৰ আৰক্ষী প্ৰশাসনে ছাত্ৰ সন্থাৰ কৰ্মীক বৰ্বৰভাৱে কৰা অত্যাচাৰৰ প্ৰতিবাদত ২৪ ঘণ্টীয়া বন্ধৰ আহ্বান জনাইছিল আছুৱে। আজি পুৱাই মাৰ্ঘেৰিটা আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্যসকলে ৰাজপথলৈ ওলাই আহি টায়াৰ জ্বলাই বন্ধ সফল কৰিবলৈ চেষ্টা কৰে। প্ৰতিবাদস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ টায়াৰ জ্বলোৱা কাৰ্যক বাধা দিয়ে। ডিব্ৰু মহাবিদ্যালয়ত অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচন কেন্দ্ৰিক সংঘাতৰ ফলত ছাত্ৰ সন্থাৰ আটক কৰা প্ৰায় ১৫ জনকৈ ছাত্ৰ সদস্যক বিনাচৰ্তে মুকলি কৰি দিয়াৰ দাবী জনায় অন্যথা অনাগত দিনত ক্ষান্ত নাথাকে বুলিও সকীয়াই দিয়ে আছুৰ মাৰ্ঘেৰিটা আঞ্চলিকৰ সভাপতি চিণ্টু গগৈয়ে।

নগাঁৱৰ পশ্চিমাঞ্চলত মটৰ চাইকেল চোৰৰ তাণ্ডৱ

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ২৬ ডিচেম্বৰ ঃ নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত যোৱা নিশা মটৰ চাইকেল চোৰে তাণ্ডৱ চলায়। তথ্য মতে, জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত হাতীচোং মেধিচুকৰ পৰা নিশা এখন মটৰ চাইকেল দুৰ্বৃত্তই চুৰি কৰি নিয়ে। হাতীচোং মেধিচুকৰ অজিত কুমাৰ দাস নাম যুৱকজনৰ এ এছ-০২-ডি-৬৬৩০ নম্বৰৰ হিৰ' গ্লেমাৰ মটৰ চাইকেলখন ঘৰৰ বাৰাণ্ডাৰ পৰাই চোৰে চুৰি কৰি লৈ যায়। এই সন্দৰ্ভত স্থানীয় জাজৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। একে নিশাই চকলাঘাটৰ খাটোৱাল গাঁৱৰ জ্যোতি প্ৰসাদ বৰা নামৰ শিক্ষকজনৰ হিৰ' হোণ্ডা স্প্লেণ্ডাৰ মটৰ চাইকেলখনো ঘৰৰ পৰা কিছু নিলগত দুৰ্বৃত্তই এৰি আৰক্ষীৰ টহলদাৰী দল অহা দেখি পলায়ন কৰে। তদুপৰি চকলাঘাটৰ বৰডুবীয়া-খৌৱামোচৰ প্ৰাথমিক বিদ্যালয়ৰ সমীপত আৰক্ষীৰ টহলদাৰীৰ দলক দেখি চুৰি কৰি অনা এ এছ-০২-চি-০৮৮৩ নম্বৰৰ আন এখন ষ্টাৰ চিটি মটৰ চাইকেল পথৰ কাষতে চোৰে এৰি থৈ যায়।

■ আৰক্ষীৰ তৎপৰতাত পৰিস্থিতি নিয়ন্ত্ৰণ

কলগাছিয়াত প্ৰাপ্য মজুৰি বিচৰাত তালিবানী শাস্তি

কলগাছিয়া, ২৬ ডিচেম্বৰ ঃ দিল্লীত কাম কৰিবলৈ লৈ গৈ ধন নিদিয়াৰ অভিযোগত কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বলাইপাথাৰ চৰত সংঘটিত হৈছে অমানৱীয় মাৰপিটৰ ঘটনা। আজিত আলী আৰু তেওঁৰ পৰিয়ালৰ কে'বাজনকো মাৰপিট কৰি আৱদ্ধ কৰি ৰাখে হাৰুনৰ ৰছিদ নামৰ এজন যুৱকে। তালিবানী কায়দাৰে হাত ভৰি বান্ধি আজিতক মাৰপিট কৰি থকা অৱস্থাত বাধা দিবলৈ যোৱাত পৰিয়ালৰ লোককো মাৰপিট কৰে উদণ্ড যুৱকজনে। কিন্তু আজিতৰ পৰা ৰছিদে কোনো ধৰণৰ পইচা পাবলৈ নাই বুলি জনায় আজিতে। উল্লেখ্য যে আজিতে ৰছিদ নামৰ যুৱকজনক দিল্লীত কাম কৰিবলৈ লৈ গৈছিল যদিও দিয়া নাছিল কোনো মজুৰি। আনকি ৰছিদক দিল্লীত পণবন্দী কৰি থৈ আহিছিল বুলি ৰছিদ আৰু তেওঁৰ পৰিয়ালে অভিযোগ উত্থাপন কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত আজিৰ এই ঘটনা সংঘটিত হয়। অৱশ্যে কলগাছিয়া আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ঘটনা নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়।

বৰপথাৰত সমনীয়াৰ লগত

তিনি পৃষ্ঠাৰ পৰা কিশোৰ দ্বীপ পালক এছ ডি আৰ এফ এ অভিযান চলাই উদ্ধাৰ কৰে। বিষ্ণু মালাকাৰৰ ঘৰ বৰপথাৰৰ শিঙিমাৰীত আৰু দ্বীপ পালৰ ঘৰ বৰপথাৰ পৌৰসভাৰ তিনি নম্বৰ ৱাৰ্ডত। উল্লেখ্য যে দিনৰ প্ৰায় এক বজাত সমনীয়াৰ স'তে নদীত গা ধুবলৈ গৈ দুয়ো নিখোজ হৈছিল। এই শোকাৰহ ঘটনাই সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে।

মাইক্ৰ'ফাইনেঞ্চ শোষণ বিৰোধী

তিনি পৃষ্ঠাৰ পৰা তথা সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নেত্ৰী আয়েফা বেগম আৰু মাইক্ৰ'ফাইনেঞ্চ শোষণ বিৰোধী যৌথ সংগ্ৰামী মঞ্চৰ অসম ৰাজ্যিক সমিতিৰ মুখ্য আহ্বায়ক তথা সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই অংশগ্ৰহণ কৰে। সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মহন্তই মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি কয় যে মাইক্ৰ'ফাইনেঞ্চৰ ঋণ মুক্ত কোনো মহিলাৰ এনপিএ যাতে নহয় সেয়া চৰকাৰে নিশ্চিত কৰিব লাগিব। মাইক্ৰ'ফাইনেঞ্চৰ ঋণৰ কিস্তি আদায় দিব নোৱাৰা মহিলাক ৰাজ্যিক গ্ৰাম্য জীৱন জীৱিকা অভিযানৰ ঋণ প্ৰাপ্তিৰ পৰাা বঞ্চিত কৰা যি প্ৰক্ৰিয়া আৰম্ভ হৈছে ইয়াক মহন্তই তীব্ৰ ভাষাত গৰিহণা দি কয় যে দুখীয়া মানুহৰ জীৱন জীৱিকাক লৈ চৰকাৰে হেতালি খেলা বন্ধ কৰক আৰু এই মহিলাসকল যাতে ৰাজ্যিক জীৱন জীৱিকা অভিযানৰ ঋণৰ পৰা বঞ্চিত নহয় তাৰ নিশ্চয়তা প্ৰদান কৰিবলৈ দাবী উত্থাপন কৰে। সভাত অঞ্চলৰ শতাধিক মহিলাই অংশগ্ৰহণ কৰে।

তিনিচুকীয়া প্ৰশাসনে জাৰি কৰা উচ্ছেদৰ তালিকাত ডিগবৈ বগাপানী ঐতিহাসিক ডাঙৰীয়া থানৰ নাম

ডিগবৈ, ২৬ ডিচেম্বৰ ঃ তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৩৮ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰূপে নিৰ্মাণ কৰিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিছে। ব্যৱস্থা গ্ৰহণৰ প্ৰাকমুহূৰ্তত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৪১ টা ধৰ্মীয় অনুষ্ঠান উচ্ছেদৰ এখন তালিকা কিছু দিনৰ পূৰ্বে প্ৰকাশ কৰে। জিলা প্ৰশাসনৰ তৰফৰ পৰা তালিকাখন প্ৰকাশ পোৱাৰ পাছতেই তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তত অৱস্থিত জাগ্ৰত ধৰ্মীয় অনুষ্ঠান হিচাপে ভক্তপ্ৰাণ ৰাইজৰ বিশ্বাসযোগ্য কে'বাখনো ধৰ্মীয় অনুষ্ঠানৰ নাম তালিকাখনত প্ৰকাশ পোৱা লৈ ভক্তপ্ৰাণ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তাৰ মাজতে তৈলনগৰী ডিগবৈ চহৰৰ পাৰ্শ্বৱৰ্তী বগাপানীৰ ৩৮ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত ১৯৬৪ত স্থাপিত হোৱা ডাঙৰীয়া থানখনৰো নাম তালিকাত প্ৰকাশ পোৱা লৈ পৰিচালনা সমিতিৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টি সৃষ্টি হৈছে। উজনি অসমৰ ভিন্ন প্ৰান্তৰ ভক্তগণৰ মাজত পৰিচিত জাগ্ৰত থান হিচাপে খ্যাত বহু বছৰ পুৰণি ডাঙৰীয়া থানখন প্ৰশাসনে উচ্ছেদ নকৰিবলৈ দাবী জনাইছে। লগতে পূৰ্বৰ স্থানতে জাগ্ৰত থানখন থাকিবলৈ দি নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰ নিৰ্মাণৰ স্থান কিছু সলনি কৰিবলৈ দাবী জনাই বিভাগীয় কৰ্তৃপক্ষ, জিলা প্ৰশাসন, মহকুমা প্ৰশাসনক স্মাৰকপত্ৰ প্ৰদান কৰাৰ ব্যৱস্থাৰে আজি এখনি ৰাজহুৱা সভা থানৰ প্ৰাংগণত অনুষ্ঠিত কৰে। যদিহে চৰকাৰ তথা প্ৰশাসনে ভক্তগণৰ অনুৰোধ ৰক্ষা নকৰি জাগ্ৰত থানখন উচ্ছেদ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰে তেন্তে উচ্ছেদৰ সময়ত তীব্ৰ আন্দোলনৰ মুখামুখি হোৱাৰ হুংকাৰ প্ৰদান কৰে। লগতে তাৰ পৰা সৃষ্টি হ'ব লগা যিকোনো পৰিস্থিতিৰ বাবে চৰকাৰ আৰু প্ৰশাসনে জগৰীয়া হ'ব বুলি স্পষ্ট মত পোষণ কৰিছে থান পৰিচালনা সমিতিৰ বিষয়ববীয়াই।

ডিগবৈত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি

শুৱালকুছি সেউজী চ'ৰাৰ ৩২ সংখ্যক অধিবেশনৰ সফল সামৰণি

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ২৬ ডিচেম্বৰ ঃ শুৱালকুছিৰ অন্যতম সাহিত্যানুষ্ঠান শুৱালকুছি সেউজী চ'ৰাৰ দ্বাত্ৰিংশতিতম অধিবেশনৰ পতাকা উত্তোলন কৰে চ'ৰাৰ সভাপতি ত্ৰৈলোক্য বৈশ্যই পুৱা ন বজাত। বন্তি প্ৰজ্বলন কৰে চ'ৰাৰ উপদেষ্টা কনকলতা দাসে। স্মৃতি তৰ্পণ কৰে মহাত্মা গান্ধী ৩০খন বিছনাযুক্ত চিকিৎসালয়ৰ চিকিৎসক ডাঃ শ্যামন্ত কলিতাই। ত্ৰৈলোক্য বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাৰ পুৱা ১১ বজাত সভাৰ দ্বাৰ উন্মোচন কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক ড° চিত্তৰঞ্জন দাসে। চ'ৰাৰ প্ৰতিষ্ঠাপক সম্পাদক ৰঞ্জিত কুমাৰ মহন্তই আঁতধৰা মুকলি সভাৰ অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দুলু কলিতাই। মুখ্য অতিথিৰূপে উপস্থিত থকা সাহিত্য একাডেমী বঁটাৰে বিভূষিত বিশিষ্ট লেখিকা ড° ৰীতা চৌধুৰীয়ে বক্তব্য প্ৰদান কৰি কয় যে মহাত্মা গান্ধীৰ লেখীয়া মহান পুৰুষৰ পদধূলিৰে পৱিত্ৰ কৰা শুৱালকুছিৰ শিল্পৰ তুলনা কাৰো স'তে তুলনা কৰিব নোৱাৰি। ৩২ বছৰ অতিক্ৰম কৰা সাহিত্যানুষ্ঠান খুব তাকৰ। সৃষ্টিশীল মনৰ অধিকাৰী শুৱালকুছি সেউজী চ'ৰাৰ কৰ্মীবৃন্দ। তিনিকুৰি কবিৰ কবিতা পাঠ অনুষ্ঠানটো সঞ্চালনা কৰে বিশিষ্ট কবি বিপুল কুমাৰ দত্তই। অসমীয়া, বাংলা, হিন্দী কবিতাৰে অনুষ্ঠানটো সজীৱ কৰি তোলে বিপুল কুমাৰ দত্তই। যুৱ-প্ৰজন্মৰ জনপ্ৰিয় বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি কাব্যিক ৰসেৰে অধিৱেশনস্থলী ৰসাল কৰি তোলে। এমট্ৰ'নৰ উপ-মহাপ্ৰবন্ধক দীনমণি ভাণ্ডাৰ কায়স্থই চ'ৰাৰ ঊণত্ৰিংশতিতম মুখপত্ৰ 'সেউজ কণ্ঠ' উন্মোচন কৰে। সভাত চ'ৰাৰ প্ৰাক্তন উপদেষ্টা, বিশিষ্ট প্ৰৱন্ধকাৰ, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনপ্ৰাপ্ত বিপুল চন্দ্ৰ কলিতা আৰু শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ কুমাৰ দাসক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কবি হৰগোবিন্দ বৈশ্য সোঁৱৰণী সেউজ বঁটা প্ৰদান কৰা হয় বিশিষ্ট কবি শংকৰ শইকীয়াক।

'দৈনিক অগ্ৰদূত'ৰ সাংবাদিক অৰূপ কলিতাক সাংবাদিকতা বঁটা প্ৰদান আপকুৰ

প্ৰত্যাহ্বানৰ মাজেৰে সাংবাদিকে কৰ্তব্য পালন কৰিলে কল্যাণ হ'ব ঃ মন্ত্ৰী সিংঘাল

অগ্ৰদূত বাৰ্তা

ঠেলামৰা/শিঙৰি, ২৬ ডিচেম্বৰ ঃ কিছু বছৰ আগলৈকে ৰাজ্যখনত সাংবাদিকৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা অৱস্থাত আছিল। লাহে লাহে বাতৰি কাকতৰ সংখ্যা আৰু বৈদ্যুতিন মাধ্যমৰ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে নিশ্চিতভাৱে সাংবাদিকৰ সংখ্যা যথেষ্টখিনি বাঢ়িবলৈ ধৰিলে। বৰ্তমান বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগত ৱেব পৰ্টেলৰ সংখ্যা স্বাভাৱিকভাৱে বৃদ্ধি পোৱাত বহু সাংবাদিকৰ জন্ম হৈছে। এয়া ভাল লক্ষণ নে বেয়া লক্ষণ সেয়া ৰাইজে প্ৰত্যক্ষ কৰি আহিছে। এইদৰে মন্তব্য কৰে অসম চৰকাৰৰ জলসিঞ্চন, নগৰ আৰু গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘালে। ৰাজ্যৰ মফচলীয় সাংবাদিকসকলৰ অন্যতম সংগ্ৰামী মঞ্চ আসাম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনিয়ন শোণিতপুৰ জিলা সমিতিয়ে আজি ২০২০ৰ বাবে নিৰ্বাচিত জিলাখনৰ দুগৰাকী সাংবাদিকক বঁটা প্ৰদান কৰে। দিনৰ ১২ বজাত ঢেকিয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱাৰ সভাকক্ষত অনুষ্ঠিত হোৱা সাংবাদিকতা বঁটা প্ৰদান কাৰ্যসূচী সঞ্চালনা কৰে ঢেকিয়াজুলি উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, লেখক, প্ৰৱীণ সাংবাদিক ৰমেশ বৰাই। অনুষ্ঠানটিত মুখ্য অতিথিৰূপে উপস্থিত থকা অসম চৰকাৰৰ জলসিঞ্চন আৰু নগৰ উন্নয়নৰ মন্ত্ৰী অশোক সিংঘালে কয়, 'বৰ্তমান সময়ত এটা ম'বাইল ফোনৰ জৰিয়তে একোজন ব্যক্তিয়ে নিজে সাংবাদিক, সম্পাদক আৰু নিউজ পঢ়ুৱৈ হৈছে। আগতে এখন বাতৰি কাকতত ওলোৱা গুৰুত্বপূৰ্ণ বাতৰি গীতাৰ শ্লক'ৰ দৰে পৱিত্ৰ আছিল। সাংবাদিকতা সততাৰে কৰি যোৱা সকলে মাজে-সময়ে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয় সেয়া সৰ্বজনবিদিত। তাৰ মাজতে সাংবাদিকসকলে নিজৰ গৰিমা বজাই ৰাখিব লাগিব।' লগতে তেওঁ কয়, 'মই কৰি যোৱা উন্নয়নৰ কামবোৰ সামাজিক মাধ্যমত আপলোড কৰো। বেয়া হ'লে ৰাইজে মোকো সমালোচনা কৰে। সমাজত হোৱা ভাল কৰ্মবোৰ সাংবাদিকসকলে প্ৰকাশ কৰিব লাগিব। আন্দোলন কৰিব লৈ সহজ কিন্তু এটা ভাল কাম কৰাটো অতি কঠিন। ইতিবাচক চিন্তাৰে জনপ্ৰতিনিধিক সমালোচনা কৰক মোৰ আপত্তি নাই; কিন্তু এজন দৰিদ্ৰ পৰিয়ালৰ মেধাবী ছাত্ৰৰ ফলাফলৰ বাতৰি পৰিৱেশন কৰিলে ছাত্ৰজনে প্ৰেৰণা পাব। সমাজৰ সৰু সৰু বাতৰিবোৰো সুন্দৰৰূপত প্ৰকাশ কৰিব লাগিব। সপ্তাহত দুদিন হ'লে অনুসন্ধানমূলক বাতৰি কাকতত প্ৰকাশ হ'লেও সমাজখনৰ কল্যাণ হ'ব।' উল্লেখ্য যে ২০১৫ৰ পৰাই আপকুৰ শোণিতপুৰ জিলা সমিতিয়ে বিশ্বনাথ জিলাৰ প্ৰয়াত সাংবাদিক তথা আপকুৰ প্ৰতিষ্ঠাপক সদস্য কিশোৰ কিৰাতৰ স্মৃতিত সাংবাদিকতা বঁটা আৰু শোণিতপুৰ জিলাৰ আন এগৰাকী প্ৰয়াত সাংবাদিক সৰ্বানন্দ শইকীয়াৰ স্মৃতিত যুৱ সাংবাদিকতা বঁটা প্ৰতি বছৰে প্ৰদান কৰি আহিছে। ক'ভিডসৃষ্ট পৰিস্থিতিৰ বাবে পলমকৈ অনুষ্ঠিত ২০২০ত এই বঁটাৰ বাবে নিৰ্বাচিত হোৱা জিলাখনৰ দুই সাংবাদিক ক্ৰমে তেজপুৰৰ 'দৈনিক অগ্ৰদূত' কাকতৰ সাংবাদিক অৰূপ কলিতাক প্ৰয়াত কিশোৰ কিৰাত স্মৃতি সাংবাদিকতা বঁটা আৰু 'নিয়মীয়া বাৰ্তা' কাকতৰ মিছামাৰীৰ সাংবাদিক বগা তপ্নক সৰ্বানন্দ শইকীয়া স্মৃতি যুৱ সাংবাদিক বঁটাৰ লগতে এখন মানপত্ৰ, জাপি, গামোচা, কিতাপৰ লগতে নগদ মাননি উদ্যোক্তাসকলে প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ বঁটা অনুষ্ঠানটিত আপকুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আব্দুল খালেক, লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰী, শোণিতপুৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি বিপুল নাথ, জিলা সম্পাদক, দুলাল নাথ, অৱসৰী বেংক বিষয়া টিকাৰাম ভট্টৰায়, সাংস্কৃতিক কৰ্মী, অৱসৰী শিক্ষক নৰেন হালৈ, ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি পংকজ নাথ, আটছাৰ কেন্দ্ৰীয় সদস্য মোহন তাঁতী, ঢেকিয়াজুলি প্ৰেছ ক্লাবৰ সভাপতি গোলোক বৰাৰ লগতে অৰ্ধশতাধিক লোক উপস্থিত থাকে। জিলা আপকুৰ সভাপতি নাৰায়ণ ফয়েল আৰু সম্পাদক হৰেণ ভূমিজে আঁতধৰা সভাত উপস্থিত থাকি আপুৰ সভাপতি আব্দুল খালেকে কয় যে অসমৰ মফচলীয় সাংবাদিকৰ উমৈহতীয়া মঞ্চ হ'ল আপকু। জিলাৰ সমিতিখনে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া উল্লেখনীয়। মফচলীয় সাংবাদিকসকলে বিভিন্ন সমস্যাৰ মাজেৰে এখন সুন্দৰ সমাজ গঢ়াত অহৰহ চেষ্টা চলাই আহিছে। আজিও বহু পাঠক ৰাইজে পুৱা বাতৰি কাকতখনলৈ অপেক্ষা কৰি বহি থাকে। এতিয়া সংবাদ সেৱাৰ যথেষ্টখিনি পৰিবৰ্তন ঘটিল। সাংবাদিকসকলৰ অৱস্থা আজি কোনে অনুধাৱন কৰিব। মফচলীয় সাংবাদিকসকলৰ আৰ্থিকভাৱে টনকিয়াল নহয়। সাংবাদিকসকল লিখা-মেলা কৰাত নিচাত পৰিণত হোৱাত এই ক্ষেত্ৰখনৰ পৰা এৰি যাব পৰা নাই। শুদ্ধ বাতৰি পৰিৱেশন কৰাত দায়িত্ব আহি পৰিছে। চৰকাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকসকলক পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰিলে সাংবাদিকসকলে দুগুণ উৎসাহৰে সমাজৰ হকে কাম কৰি যোৱাত প্ৰেৰণা পাব। ৰজাঘৰীয়াই বেয়া পাব বাতৰি যদি সাংবাদিকসকলে বাতৰি পৰিৱেশন নকৰে তেতিয়া হ'লে সমাজৰ বৃহৎ হ'ব। ড° শুকদেৱ অধিকাৰীয়ে কয়, 'সাংবাদিকসকলে মিঠাৰ মাজতে কেতিয়াবা তিতাও খাব লাগিব। তাৰ মাজতে সাংবাদিকসকলে ৰাইজৰ অতন্দ্ৰ প্ৰহৰী হৈ কাম কৰি যাব।' প্ৰবীণ সাংবাদিক ৰমেশ চন্দ্ৰ বৰাই কয় যে মফচলীয় সাংবাদিকসকল এখন বাতৰি কতৰ মূল চালিকা শক্তি। মফচলীয় সাংবাদিকসকলেহে এখন বাতৰি কাকত জীয়াই ৰাখে। সাংবাদিকসকলে আজি আৰ্থিক সংকটৰ মাজেৰে নিজৰ অঞ্চলটোৰ বাতৰি পৰিৱেশন কৰি আহিছে। সাংবাদিকসকলক উৎসাহ আৰু প্ৰেৰণা ৰাইজে দিব লাগিব। আমাৰ দিনত কমলা শইকীয়া হেৰুৱালো। সাংবাদিকৰ জীৱনটো কণ্টকময় কাৰণে ৰাইজে সাংবাদিকসকলক সুৰক্ষা দিব লাগিব। লগতে তেওঁ কয় যে মফচলীয় সাংবাদিকসকলক চৰকাৰে সুৰক্ষা দিয়াৰ চিন্তা কৰিব লাগিব। কাকো সন্তুষ্ট কৰিবলৈ বাতৰি পৰিৱেশন কৰিব নালাগে। ইফালে, অনুষ্ঠানটিত বঁটাপ্ৰাপ্ত দুগৰাকী সাংবাদিকেও তেওঁলোকৰ দীঘলীয়া সাংবাদিক জীৱনৰ অনুভৱ প্ৰকাশ কৰে। সভাখন আৰম্ভ হোৱাৰ প্ৰাকক্ষণত বন্তি প্ৰজ্বলন আৰু এটি উদ্বোধনী গীত পৰিৱেশন কৰে শিল্পী নৰেন্দ্ৰ নাথ হালৈয়ে। উল্লেখ্য যে বঁটা লাভ কৰা 'দৈনিক অগ্ৰদূত' কাকতৰ সাংবাদিক অৰূপ কলিতাই উক্ত অনুষ্ঠানত নিজৰ অনুভৱ ব্যক্ত কৰে।

দৈনিক অগ্ৰদূত

ৰাজনাথে ক'লে 'আক্ৰমণৰ বাবে নহয়, কুদৃষ্টিকাৰীক শিক্ষা দিবলৈহে ব্ৰাহ্মছৰ নিৰ্মাণ'

নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৬ ডিচেম্বৰ ঃ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰ ইউনিট আৰু প্ৰতিৰক্ষা প্ৰযুক্তি আৰু পৰীক্ষণ কেন্দ্ৰৰ লেবৰেটৰীৰ আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে ব্যৱসায়ৰ বাবে ৰাজ্য হিচাপে উত্তৰ প্ৰদেশ যে সৰ্বোত্তম সেই কথা এতিয়া বিশ্বই স্বীকাৰ কৰিছে। ভাষণ প্ৰসংগত সিঙে কয় যে নতুন ভাৰতৰ বুনিয়াদ অটল বিহাৰী বাজপেয়ীয়ে আৰম্ভ কৰিছিল আৰু ইয়াৰ নিৰ্মাণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অব্যাহত ৰাখিছে। ভাৰত এতিয়া যুদ্ধাস্ত্ৰৰ আমদানিকাৰী দেশ নহয়, বৰঞ্চ ৰপ্তানিকাৰী দেশ হিচাপে পৰিচিত হ'ব বুলিও সিঙে দাবী কৰে। 'ভাৰতে কোনো দেশক আক্ৰমণৰ উদ্দেশ্যৰে ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰৰ নিৰ্মাণ কৰা নাই। বৰঞ্চ কুদৃষ্টি দিয়া দেশক শিক্ষা দিবলৈহে এই ক্ষেপণাস্ত্ৰ ভাৰতে প্ৰস্তুত কৰিছে। আমি আমাৰ দেশৰ নিৰাপত্তাৰ প্ৰতি কোনো ভাবুকি সৃষ্টি হ'বলৈ দিব নোৱাৰো।' ভাষণ প্ৰসংগত প্ৰতিৰক্ষামন্ত্ৰীয়ে এইদৰে কয়।

ম্যানমাৰত পুনৰ নিৰ্বিচাৰ হত্যাকাণ্ড জুণ্টাৰ, নিহত কমেও ৩০

নিউজ ব্যুৰ', য়াংগুন, ২৬ ডিচেম্বৰ ঃ পুনৰ ৰক্তাক্ত হ'ল ম্যানমাৰ। জুণ্টাৰ বন্দুকৰ নলীয়ে ৰেহাই নিদিলে শিশু আৰু মহিলাক। শিশু, মহিলা, বৃদ্ধ-বৃদ্ধাসহ কমেও ৩০ জন লোকক গুলীয়াই হত্যা কৰিলে ম্যানমাৰৰ সেনাই। নিৰ্বিচাৰে হত্যাৰ পাছত জ্বলাই দিয়া হ'ল এইসকল লোকৰ মৃতদেহ। সামাজিক মাধ্যমত জুণ্টাৰ এই বৰ্বৰ কাণ্ডৰ তথ্য পোহৰলৈ আনিলে ম্যানমাৰৰ স্থানীয় মানৱাধিকাৰ সংগঠন কাৰেননিয়ে। অৱশ্যে ম্যানমাৰৰ সেনাই মৃত লোকসকল সন্ত্ৰাসবাদী আছিল বুলি দাবী কৰিছে। চলিত বৰ্ষৰ আৰম্ভণিতে সামৰিক অভ্যুত্থানৰ পাছৰে পৰা অশান্ত হৈ আছে ম্যানমাৰ। সৰ্বশক্তি প্ৰয়োগ কৰি সামৰিক জুণ্টাই গণতন্ত্ৰকামীৰ কণ্ঠৰোধ কৰাৰ অপচেষ্টা অব্যাহত ৰাখিছে। কাৰেননিয়ে দাবী কৰা অনুসৰি, কায়াহ প্ৰদেশত সামৰিক শাসনৰ বিৰুদ্ধে অসংখ্য লোকে প্ৰতিবাদত অংশ লোৱাৰ সময়তে যোৱা শুকুৰবাৰৰ নিশা ম্যানমাৰ সেনাই জধে-মধে গুলিবৰ্ষণ কৰিছিল আৰু এই ঘটনাত ৩০ জন লোকৰ মৃত্যু হৈছিল। সেনাই এই ঘটনাৰ প্ৰমাণ নোহোৱা কৰিবলৈ মৃত ৩০ জন লোকৰ দেহ জ্বলাই দিছিল বুলি কাৰেননিয়ে অভিযোগ কৰে।

আন্তৰ্জাতিক মহাকাশ ষ্টেছনত উদ্‌যাপন বৰদিন

নিউজ ব্যুৰ' কলকাতা, ২৬ ডিচেম্বৰ ঃ আধুনিক বিজ্ঞানৰ চমকপ্ৰদ উদ্ভাৱনে একাকাৰ কৰিছে বিশ্ব আৰু বহিৰ্বিশ্বক। মহাকাশ বিজ্ঞানৰ এনে অগ্ৰগতিৰ প্ৰতিফলন ঘটাই আন্তৰ্জাতিক মহাকাশ ষ্টেছনতো উদ্‌যাপিত হ'ল বৰদিনৰ উৎসৱ। ভূপৃষ্ঠৰ পৰা চাৰিশ কিলোমিটাৰ ওপৰত অৱস্থান কৰি পৃথিৱীক দিনে ১৫ৰ পৰা ১৬ বাৰ প্ৰদক্ষিণ কৰা আন্তৰ্জাতিক মহাকাশ ষ্টেছনত অতি আড়ম্বৰে উদ্‌যাপন কৰা হ'ল বৰদিনৰ উৎসৱ। নাছাৰ নীলৰঙী স্পেচ ছ্যুট খুলি মহাকাশ ষ্টেছনত থকা ১০জন মহাকাশচাৰীৰ মাজত প্ৰথম শাৰীত থকা তিনিজনকে দেখা গ'ল ছাণ্টা ক্লজৰ ৰঙা পোছাকত। ছাণ্টাৰ টুপীও পৰিধান কৰি আছিল মহাকাশচাৰীসকলে। ভৰশূন্য অৱস্থাতে থিয় হৈ তেওঁলোকে গালে বৰদিনৰ কেৰল। পৃথিৱীলৈ ভাহি আহিল এই মহাকাশচাৰীসকলৰ ভিডিঅ' বাৰ্তা। পৃথিৱীৰ বিভিন্ন দেশৰ পৰা গৈ মহাকাশে যে তেওঁলোকক এটি আন্তৰ্জাতিক পৰিয়াললৈ পৰিণত কৰিছে সেই কথাই তেওঁলোকে ভিডিঅ' বাৰ্তাযোগে জনালে। বৰদিনত মহাকাশৰ এই আন্তৰ্জাতিক ঐক্য প্ৰতিফলিত হ'ল মহাকাশচাৰীৰ পোছাক আৰু টুপীত। উল্লেখ্য যে এই মুহূৰ্তত মহাকাশ ষ্টেছনত যিসকল আছে তাৰ ভিতৰত অন্যতম হ'ল নাছাৰ ভাৰতীয় বংশোদ্ভৱ ৰাজা চাৰি, তেওঁলোকৰ স'তে আছে আন তিনিজন মহাকাশচাৰী টমাছ মাৰ্ছবাৰ্ণ, কাইলা বেৰণ আৰু মাৰ্ক ভেণ্ডে হেই। ইউৰোপীয়ান স্পেচ এজেন্সীৰ মেথিয়াছ মৌৰা আৰু ৰাছিয়াৰ মহাকাশ গৱেষণা সংস্থা ৰছকছমছৰ দুই মহাকাশচাৰী এণ্টন স্কাপলেৰ' আৰু পিউটৰ দুব্ৰোভ। তেওঁলোকে সকলোৰে মহাকাশ ষ্টেছনৰ পৰা বিশ্বৰ ভ্ৰাতৃৰ বাৰ্তা প্ৰেৰণ কৰিলে।

বৰ্ণ-বৈষম্য বিৰোধী ন'বেলজয়ী নেতা ডেছমণ্ড টুটুৰ মৃত্যু



নিউজ ব্যুৰ', কেপ টাউন, ২৬ ডিচেম্বৰ ঃ শান্তিৰ ন'বেল বঁটা জয়ী দক্ষিণ আফ্ৰিকাৰ ধৰ্মীয় নেতা তথা সমাজকৰ্মী ডেছমণ্ড টুটুৰ আজি মৃত্যু হ'ল। দক্ষিণ আফ্ৰিকাত বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে আজীৱন সংগ্ৰাম অব্যাহত ৰখা টুটুৱে ৯০ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। টুটুৰ মৃত্যুত দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি ছিৰিল ৰামফ'চাই আজি শোক প্ৰকাশ কৰি বিশ্বই এজন প্ৰকৃতাৰ্থত মানৱপ্ৰেমীক হেৰুৱালে বুলি মন্তব্য কৰে। উল্লেখ্য যে টুটুক ভাৰতে গান্ধী শান্তি পুৰস্কাৰ প্ৰদান কৰিছিল। ১৯৮৪ত তেওঁ শান্তিৰ ন'বেল বঁটা লাভ কৰিছিল।

বিশ্বৰ ১০৮ দেশত অ'মিক্ৰনৰ দপ্‌দপনি ঃ বিশ্বজুৰি বিভিন্ন দেশত অ'মিক্ৰন আক্ৰান্ত ২৬ জন লোকৰ হ'ল মৃত্যু

ব্ৰিটেইনৰ পাছত ফ্ৰান্সতো কৰ'নাৰ দৈনিক সংক্ৰমণ এক লাখৰ অধিক

নিউজ ব্যুৰ' পেৰিছ, ২৬ ডিচেম্বৰ ঃ বিশ্বজুৰি এক নতুন আতংকত পৰিণত হৈছে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ। কৰ'নাৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰেও এই নতুন প্ৰজাতিৰ সংক্ৰমণ প্ৰতিৰোধ সম্ভৱ হোৱা নাই। আমেৰিকা, ব্ৰিটেইনৰ পাছত এইবাৰ ক'ভিড পৰিস্থিতিয়ে পুনৰ মাৰাত্মক ৰূপ ধাৰণ কৰিলে ফ্ৰান্সত। শনিবাৰে ফ্ৰান্সত এদিনতে এই ঘাতক ভাইৰাছত সংক্ৰমিত হ'ল এক লাখ চাৰি হেজাৰ ৬১১ জন লোক। এয়ে প্ৰথমবাৰৰ বাবে ফ্ৰান্সত ক'ভিডত দৈনিক আক্ৰান্তৰ সংখ্যাই এক লাখৰ সীমা অতিক্ৰম কৰিলে। ফ্ৰান্সৰ স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, কৰ'নাৰ প্ৰথমটো ঢৌৰ সময়ত পৰিস্থিতি ইমান বিপজ্জনক হোৱা নাছিল। মন কৰিবলগীয়া কথাটো হৈছে ফ্ৰান্সৰ ৭৬.৫ শতাংশ নাগৰিকৰ টিকাকৰণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। কিন্তু ইয়াৰ পাছতো দেশখনত শেহতীয়াভাৱে কৰ'নাৰ সংক্ৰমণ ব্যাপক হৈছে। বাধ্য হৈ ফ্ৰান্স চৰকাৰে নাগৰিকসকলক ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ফ্ৰান্স চৰকাৰে প্ৰকাশ কৰা অনুসৰি বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰা লোকক বিশেষ হেল্‌থ পাছ দিয়া হ'ব। এই হেল্‌থ পাছ অবিহনে তেওঁলোকে ঘৰৰ বাহিৰলৈ ওলাব নোৱাৰিব। ফ্ৰান্সৰ বিভিন্ন প্ৰদেশত ইতিমধ্যে তলাবন্ধৰ দৰে ক'ভিড বিধি পুনৰ প্ৰৱৰ্তন কৰা হৈছে। বিশেষজ্ঞসকলে ফ্ৰান্সত ক'ভিডৰ নতুন সংক্ৰমণৰ ঢৌৰ বাবে অ'মিক্ৰন প্ৰজাতিক জগৰীয়া কৰিছে। কেৱল ফ্ৰান্সে নহয়, বিশ্বৰ ১০৮খনৰো অধিক দেশত সম্প্ৰতি ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনে তাণ্ডৱ অব্যাহত ৰাখিছে। এমাহ পূৰ্বে দক্ষিণ আফ্ৰিকাত প্ৰথম সন্ধান লাভ কৰা হৈছিল ক'ভিডৰ এই নতুন প্ৰজাতিৰ। তাৰ পাছতে অ'মিক্ৰনৰ সংক্ৰমণ বিশ্বৰ আন দেশলৈ বিয়পি পৰিছিল। বিশ্ব স্বাস্থ্য সংস্থাৰ পৰিসংখ্যা অনুসৰি, অ'মিক্ৰনৰ সংক্ৰমণে এমাহতে ১০৮খন দেশক প্ৰভাৱিত কৰিলে আৰু বৰ্তমানলৈকে বিশ্বজুৰি ডেৰ লাখৰো অধিক লোক এই নতুন প্ৰজাতিৰ কৰ'নাত আক্ৰান্ত হৈছে। তদুপৰি অ'মিক্ৰনৰ সংক্ৰমণত বিশ্বৰ বিভিন্ন দেশত এতিয়ালৈকে ২৬ জন লোকৰ মৃত্যু হ'ল। জাৰ্মানী, ছুইজাৰলেণ্ড, অষ্ট্ৰিয়া আৰু বেলজিয়ামত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা দিনকদিনে বৃদ্ধি পাইছে। আমেৰিকা আৰু ইংলণ্ডতো ক'ভিড পৰিস্থিতি সম্প্ৰতি জটিল হৈ আছে। যোৱা শুকুৰবাৰে ইংলণ্ডত এক লাখ ২২ হেজাৰ ১৮৬ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হৈছিল।

LABORATOIRE DROUOT

বিহাৰত কাৰখানাত বয়লাৰ বিস্ফোৰণত কমেও ১১ জন লোক নিহত

নিউজ ব্যুৰ' মুজাফফৰপুৰ, ২৬ ডিচেম্বৰ ঃ বিহাৰৰ মুজাফফৰপুৰত কুৰকুৰে আৰু নুডলছ প্ৰস্তুত কৰা এটা কাৰখানাত বয়লাৰৰ বিস্ফোৰণ ঘটিল। এই ঘটনাত কমেও ১১ জন লোকৰ মৃত্যু হৈছে। তদুপৰি আন কে'বাজনো লোক দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয়। বিস্ফোৰণত নিহতৰ সংখ্যা বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা অনুসৰি, বয়লাৰ বিস্ফোৰণৰ ঘটনা ইমানে প্ৰৱল আছিল যে পাঁচ কিলোমিটাৰ দূৰলৈকে শব্দ শুনা গৈছিল। বিস্ফোৰণৰ ফলত কাৰখানাটোৰ যথেষ্ট ক্ষতি হৈছে।

৩৬খন দেশত দিয়া হৈছে বুষ্টাৰ প্ৰতিষেধক, অ'মিক্ৰন প্ৰতিৰোধত ৭০-৯৪ শতাংশ কাৰ্যকৰী

নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৬ ডিচেম্বৰ ঃ কৰ'না নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বৰ বিভিন্ন দেশে ক'ভিডৰ বুষ্টাৰ অৰ্থাৎ তৃতীয় পালি প্ৰতিষেধক প্ৰদানৰ অনুমতি দিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি, বৰ্তমানলৈকে বিশ্বৰ ৩৬খন দেশত তৃতীয়পালি ক'ভিড প্ৰতিষেধক নাগৰিকক প্ৰদান কৰা হৈছে। প্ৰথমে ইজৰাইলত যোৱা আগষ্টত বুষ্টাৰ প্ৰতিষেধক প্ৰদান আৰম্ভ কৰা হৈছিল। ইয়াৰ পাছত ব্ৰিটেইন, ফ্ৰান্স, স্পেইন, নৰৱে, জাৰ্মানী, আমেৰিকা, কানাডা, জাপান, চীন, তুৰস্কৰ দৰে দেশে বুষ্টাৰ প্ৰতিষেধক প্ৰদানত অনুমতি দিছিল। ব্ৰিটেইনৰ হেলথ ছিকিউৰিটি এজেন্সীৰ তথ্য অনুসৰি, ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰন প্ৰতিৰোধৰ ক্ষেত্ৰত বুষ্টাৰ প্ৰতিষেধক ৭০ৰ পৰা ৯৪ শতাংশলৈকে কাৰ্যকৰী প্ৰমাণিত হৈছে।

অপৰাধৰ ইতিহাস নথকা প্ৰাৰ্থীকহে নিৰ্বাচনত দলৰ টিকট দিব মায়াৱতীয়ে

নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৬ ডিচেম্বৰ ঃ উত্তৰ প্ৰদেশৰ আগন্তুক বিধানসভাৰ নিৰ্বাচনত নিকা ভাবমূৰ্তিৰ প্ৰাৰ্থীক দলৰ টিকট প্ৰদানত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি ঘোষণা কৰিলে বহুজন সমাজ পাৰ্টিৰ নেত্ৰী মায়াৱতীয়ে। আজি এই কথা প্ৰকাশ কৰি মায়াৱতীয়ে কয় যে ৰাজ্যৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত বহুজন সমাজ পাৰ্টিৰ টিকট প্ৰত্যাশীসকলে আবেদনৰ লগতে নিজৰ বিৰুদ্ধে অপৰাধৰ কোনো ইতিহাস নথকাৰ শপতনামা দাখিল কৰিব লাগিব। অপৰাধৰ ইতিহাস থকা প্ৰাৰ্থীক বহুজন সমাজ পাৰ্টিয়ে দলৰ টিকট প্ৰদান নকৰিব বুলিও মায়াৱতীয়ে ঘোষণা কৰিছে। দলৰ সাংসদ-বিধায়ক নিৰ্বাচিত হোৱাৰ পাছত একাংশ ৰাজনীতিকৰ বিৰুদ্ধে পূৰ্বৰ অপৰাধৰ তথ্য পোহৰলৈ অহাৰ ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি বহুজন সমাজ পাৰ্টিৰ মুৰব্বীয়ে বিধানসভাৰ নিৰ্বাচনৰ সন্দৰ্ভত এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

নৱাজ শ্বৰীফৰ প্ৰত্যাৱৰ্তনক লৈ পাকিস্তানত নতুন বিতৰ্ক, অংশ ল'ব পাৰিবনে নিৰ্বাচনত ?

নিউজ ব্যুৰ' ইছলামাবাদ, ২৬ ডিচেম্বৰ ঃ পাকিস্তানৰ পৰৱৰ্তী সাধাৰণ নিৰ্বাচনৰ পূৰ্বে পি এম এল (এন)ৰ মুৰব্বী তথা দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফে স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিব বুলি প্ৰকাশিত এক বাতৰিয়ে পাকিস্তানত চাঞ্চল্যৰ সৃষ্টি কৰিছে। পি এম এল (এন)ৰ সভাপতি ছাহবাজ শ্বৰীফে প্ৰকাশ কৰা অনুসৰি, নৱাজে সম্পূৰ্ণৰূপে সুস্থ নোহোৱালৈকে পাকিস্তানলৈ উভতি নাহে। শেহতীয়াভাৱে পাকিস্তানৰ একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি, পাকিস্তানৰ সেনাৰ স'তে ইতিমধ্যে এক বুজাবুজিত শ্বৰীফ উপনীত হৈছে আৰু সেয়েহে তেওঁ আগন্তুক সাধাৰণ নিৰ্বাচনৰ পূৰ্বে স্বদেশলৈ প্ৰত্যাৱৰ্তন ঘটোৱাৰ সম্ভাৱনা আছে। পি এম এল (এন)ৰ একাংশ নেতাই দাবী কৰা অনুসৰি, নৱাজে পাকিস্তানলৈ উভতি অহাৰ পাছত ৰাজনীতিত পুনৰ সক্ৰিয় হ'ব। কিন্তু পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে পূৰ্বে নৱাজক একাধিক গোচৰত দোষী সাব্যস্ত কৰিছিল আৰু তেওঁ ভৱিষ্যতে নিৰ্বাচনত অংশ ল'ব নোৱাৰিব বুলিও ৰায় দিছিল। আইনী বিশেষজ্ঞৰ মতে, উচ্চতম ন্যায়ালয়ে অযোগ্য ঘোষণা কৰাৰ পাছত স্বদেশলৈ উভতি আহিলেও নৱাজে পুনৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় দিব নোৱাৰিব।

দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৪২২ জনলৈ বৃদ্ধি

নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ দেশত সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। দেওবাৰে ভাৰতত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৪২২ জনলৈ বৃদ্ধি পালে। অৱশ্যে পূৰ্বৰ দুদিনৰ তুলনাত যোৱা ২৪ ঘণ্টাত ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ হ্ৰাস পাইছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, দেশত অ'মিক্ৰন আক্ৰান্তৰ ১৩০ জনে ইতিমধ্যে সুস্থ হৈ ঘৰলৈ উভতি গৈছে। অ'মিক্ৰন প্ৰতিৰোধৰ বাবে কেন্দ্ৰৰ চৰকাৰে টিকাকৰণৰ হাৰ বৃদ্ধিত বিশেষ গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে কৰ'না যোদ্ধা আৰু ৬০ উৰ্ধ্বৰ বয়সৰ লোকক ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। তদুপৰি অহা তিনি জানুৱাৰীৰ পৰা দেশত ১৫-১৮ বছৰ বয়সীয়া লোকসকলৰ ক'ভিড টিকাকৰণ আৰম্ভ কৰা হ'ব।

ন্যায়াধীশক নিযুক্তি ন্যায়াধীশে নিদিয়ে ঃ ক'লে মুখ্য ন্যায়াধীশ ৰামানাই

নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ বহুতে ধাৰণা কৰে যে আমাৰ দেশত ন্যায়াধীশসকলক ন্যায়াধীশে নিযুক্তি দিয়ে। কিন্তু এয়া এক ভুল ধাৰণা। এজন ন্যায়াধীশক কেৱল ন্যায়াধীশে নিযুক্তি নিদিয়ে। ন্যায়াধীশ নিযুক্তিৰ প্ৰক্ৰিয়াটোৰ স'তে কে'বাটাও বিভাগ তথা সংস্থা জড়িত হৈ আছে। এই প্ৰক্ৰিয়াটোৰ এটি অংশ হৈছে ন্যায়পালিকা। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই আজি বিজয়ৱাড়াত আয়োজিত এক অনুষ্ঠানত অংশ লৈ এইদৰে কয়।ভাৰতীয় ন্যায়পালিকা আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বান বিষয়ত বিজয়ৱাড়াৰ সিদ্ধাৰ্থ ল' কলেজত ভাষণ অনুষ্ঠানত অংশ লৈ দেশৰ মুখ্য ন্যায়াধীশজনে কয় যে ন্যায়াধীশ এজনক প্ৰত্যক্ষভাৱে ন্যায়পালিকাই নিযুক্তি নিদিয়ে। ৰামানাই কয় যে ন্যায়াধীশৰ নিযুক্তি প্ৰক্ৰিয়াৰ স'তে কেন্দ্ৰীয় আইন মন্ত্ৰণালয়, ৰাজ্য চৰকাৰ, ৰাজ্যপাল, উচ্চ ন্যায়ালয়ৰ ক'লেজিয়াম, চোৰাংচোৱা সংস্থা আৰু সৰ্বশ্ৰেষ্ঠ কাৰ্যবাহী জড়িত হৈ আছে। সম্প্ৰতি দেশৰ ন্যায়পালিকাত সংঘটিত হোৱা আক্ৰমণৰ ঘটনাৰ প্ৰসংগতো ৰামানাই উদ্বেগ প্ৰকাশ কৰে। দেশৰ ন্যায়পালিকাক অধিক স্বাধীনতা প্ৰদানৰো দাবী জনালে মুখ্য ন্যায়াধীশে। 'মানুহে মনে বিচৰা সিদ্ধান্ত বা ৰায় লাভ নকৰিলে সামাজিক মাধ্যম আৰু ছপা মাধ্যমৰ জৰিয়তে ন্যায়াধীশৰ বিৰুদ্ধে অভিযান চলায়। ফলত ন্যায়পালিকাৰ ক্ষতি হয়।' ৰামানাই আজি এইদৰে কয়।

পঞ্জাৱৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ২২ কৃষক সংগঠনৰ দলে

নিউজ ব্যুৰ', চণ্ডীগড়, ২৬ ডিচেম্বৰ ঃ ২০২২ত অনুষ্ঠিত হ'ব লগা পঞ্জাৱ বিধানসভা নিৰ্বাচনত অংশ ল'ব পঞ্জাৱৰ ২২ টা কৃষক সংগঠনে গঠন কৰা ৰাজনৈতিক দলে। তিনিখন বিতৰ্কিত কৃষি আইনৰ বিৰুদ্ধে আন্দোলন চলোৱা পঞ্জাৱৰ এই ২২টা কৃষকৰ সংগঠনৰ নেতা হৰমিত সিং কাডিয়ানে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, তেওঁলোকৰ দলটোৰ নেতৃত্ব বহন কৰিব বলবীৰ সিং ৰাজেৱালে। মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপেও কৃষকৰ দলটোৱে ৰাজেৱালক প্ৰক্ষেপ কৰিব। ২২টা কৃষক সংগঠনে গঠন কৰা এই ৰাজনৈতিক দলৰ নাম 'সংযুক্ত সমাজ মৰ্চা' ৰখা হৈছে।

দিল্লীৰ এইমছত ৫০০ টকালৈকে ৰোগ পৰীক্ষণ বিনামূল্যে

নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ দিল্লীস্থ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ত চিকিৎসা গ্ৰহণ কৰা ৰোগীসকলে এতিয়াৰে পৰা ৫০০ টকালৈকে ৰোগ পৰীক্ষণৰ ক্ষেত্ৰত কোনো মাচুল আদায় দিব নালাগে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মণ্ডাবিয়াৰ নিৰ্দেশত এইমছৰ সমিতিয়ে আগবঢ়োৱা পৰামৰ্শৰলীক স্বাস্থ্য মন্ত্ৰণালয়ে স্বীকৃতি দিলে। এইমছৰ এজন জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা অনুসৰি, ৫০০ টকালৈকে ৰোগ পৰীক্ষণৰ ক্ষেত্ৰত মাচুল ৰেহাইৰ ব্যৱস্থা বৰ্তমানেও চিকিৎসালয়খনত আছে যদিও ই সকলো ৰোগীৰ ক্ষেত্ৰত প্ৰযোজ্য নহৈছিল। কিন্তু এতিয়াৰে পৰা সকলো শ্ৰেণীৰ ৰোগীয়ে ৫০০ টকালৈকে ৰোগ পৰীক্ষণৰ মাচুল ৰেহাই লাভ কৰিব। এইমছ দিল্লীত এতিয়াৰে পৰা এক্সৰে, আলট্ৰাছাউণ্ড আৰু বিভিন্ন ৰক্ত পৰীক্ষা ৰোগীয়ে বিনামূল্যে কৰাব পাৰিব। এই সিদ্ধান্তৰ ফলত দৰিদ্ৰ ৰোগীসকল উপকৃত হ'ব।

জানুৱাৰী-ফেব্ৰুৱাৰীত হ'ব দ্ৰুত সংক্ৰমণ ঃ দেশক সকীয়ালে মহামাৰী বিশেষজ্ঞই

নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ যোৱা দুই ডিচেম্বৰত ভাৰতত প্ৰথম দুজন অ'মিক্ৰন আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছিল আৰু মাত্ৰ ২৪ দিনতে দেশত ক'ভিডৰ এই নতুন প্ৰজাতিত আক্ৰান্তৰ সংখ্যা ৪২২ জনলৈ বৃদ্ধি পালে। ভাৰতৰ তিনিজন মহামাৰী বিশেষজ্ঞৰ মতে, বৰ্তমানৰ হাৰত অ'মিক্ৰনৰ সংক্ৰমণ অব্যাহত থাকিলে আগন্তুক জানুৱাৰী-ফেব্ৰুৱাৰী অথবা মাৰ্চত এই নতুন প্ৰজাতিত দেশত দৈনিক আক্ৰান্তৰ সংখ্যা ১.৮ লাখলৈকে বৃদ্ধি পাব পাৰে। এনে পৰিস্থিতিত দেশত ৰোগীৰ বাবে প্ৰায় দুই লাখ শয্যা চিকিৎসালয়ত সাজু কৰি ৰাখিব লাগিব। আই আই টি কানপুৰৰ অধ্যাপক মনিন্দ্ৰ আগৰৱালা, আই চি এম আৰৰ গৱেষক সমীৰণ পাণ্ডা আৰু পাব্লিক হেলথ পলিচীৰ বিশেষজ্ঞ চন্দ্ৰকান্ত লহাৰীয়াই চলোৱা অধ্যয়নৰ তথ্য অনুসৰি, দেশত আগন্তুক এমাহৰ ভিতৰতে অ'মিক্ৰন কেন্দ্ৰিক সংক্ৰমণ অধিক বৃদ্ধিৰ সম্ভাৱনা আছে। অ'মিক্ৰন এতিয়ালৈকে মাৰাত্মক প্ৰমাণিত হোৱা নাই যদিও ইয়াৰ দ্ৰুতগতিত সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি সম্ভাব্য পৰিস্থিতিৰ প্ৰতি দেশ পূৰ্ব প্ৰস্তুত হোৱাটো জৰুৰী বুলি মত পোষণ কৰিলে তিনি অতিমাৰী বিশেষজ্ঞই। সংক্ৰমণৰ পূৰ্বৰ দুটা ঢৌৰ সময়ত দেশৰ স্বাস্থ্য খণ্ডত দেখা দিয়া বেমেজালিৰ যাতে পুনৰ আগমন নহয়, তাক নিশ্চিত কৰিবলৈ অ'মিক্ৰন প্ৰতিৰোধৰ বাবে দেশ সাজু থকা উচিত বুলি তিনি বিশেষজ্ঞই পৰামৰ্শ দিছে।

২৪ ঘণ্টাত দেশত ক'ভিড আক্ৰান্ত ৬,৯৮৭ জন লোক, মৃত্যু ১৬২ৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি দেশত যোৱা ২৪ ঘণ্টাত নতুনকৈ ৬,৯৮৭ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। শনিবাৰৰ তুলনাত দেওবাৰে ভাৰতত কৰ'না আক্ৰান্তৰ সংখ্যা সামান্য হ্ৰাস পালে। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত প্ৰাণ হেৰুৱালে ১৬২ জন লোকে। এই পৰ্যন্ত দেশজুৰি চাৰি লাখ ৭৯ হেজাৰ ৬৮২ জন লোকে ক'ভিডত প্ৰাণ হেৰুৱালে। সম্প্ৰতি দেশত ৭৬,৭৬৬ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

গোৱাত অবিজেপি ভোট ভাগ কৰিছে তৃণমূল-আপে, অভিযোগ চিদাম্বৰমৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ 'তৃণমূল কংগ্ৰেছ আৰু আম আদমী পাৰ্টি (আপ)য়ে গোৱাত অবিজেপিৰ ভোট ভাগ কৰিছে, কংগ্ৰেছেই হৈছে একমাত্ৰ দল যাৰ বিজেপিক পৰাভূত কৰাৰ ক্ষমতা আছে।' এই মন্তব্য কংগ্ৰেছৰ বৰ্ষীয়ান নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পি চিদাম্বৰমৰ। চিদাম্বৰমক কংগ্ৰেছে গোৱা বিধানসভাৰ নিৰ্বাচনৰ বাবে জ্যেষ্ঠ নিৰ্বাচনী পৰ্যবেক্ষক হিচাপে দায়িত্ব অৰ্পণ কৰিছে। নিজৰ দলৰ প্ৰাৰ্থী বাছনিৰ দায়িত্ব এইজন বৰ্ষীয়ান ৰাজনীতিবিদে লাভ কৰিছে। উল্লেখ্য যে গোৱাত তৃণমূল কংগ্ৰেছ আৰু আপে নিজাববীয়াকৈ প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে ব্যাপক তৎপৰতা অব্যাহত ৰাখিছে। উভয় দলে গোৱাত পৰৱৰ্তী চৰকাৰ গঠনৰো স্বপ্ন দেখিছে। তৃণমূল কংগ্ৰেছ আৰু আপৰ এনে ৰাজনৈতিক কৰ্মকাণ্ডত ক্ষোভ প্ৰকাশ কৰি চিদাম্বৰমে কয় যে প্ৰকৃততে বিজেপিক সুযোগ প্ৰদানৰ বাবে এইদৰে তৃণমূল কংগ্ৰেছ আৰু আপে গোৱাত অবিজেপিৰ ভোট বিভাজন কৰিবলৈ উঠি-পৰি লাগিছে।

কাশ্মীৰত আৰক্ষী হত্যাত জড়িত আইছিছ সদস্যক হত্যা সেনাৰ

নিউজ ব্যুৰ', জম্মু, ২৬ ডিচেম্বৰ ঃ ইছলামিক ষ্টেট (আইছিছ)ৰ স'তে জড়িত এজন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰিলে ভাৰতীয় সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে। নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত দেওবাৰে পুৱাতে অনন্তনাগ জিলাত এক সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। দীৰ্ঘ সময় ধৰি হোৱা গুলীয়াগুলিত আইছিছৰ সদস্য সন্ত্ৰাসবাদীজন নিহত হয়। মৃত সন্ত্ৰাসবাদীজনৰ নাম ফাহিম ভাট। ভাটে জম্মু-কাশ্মীৰ আৰক্ষীৰ এজন বিষয়াক যোৱা ২২ ডিচেম্বৰত হত্যা কৰিছিল। আৰক্ষীৰ তথ্য অনুসৰি ভাটে আইছিছ (জম্মু-কাশ্মীৰ)ত অলপতে যোগদান কৰিছিল।

মৰিগাঁৱঁত লেখিকা সংস্থাৰ আইদেউ সন্দিকৈ শাখা সমিতিৰ অধিৱেশন

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৬ ডিচেম্বৰ ঃ অসম লেখিকা সংস্থাৰ মৰিগাঁও জিলা শাখাৰ অন্তৰ্গত আইদেউ সন্দিকৈ শাখা লেখিকা সংস্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন যোৱা ১৯ ডিচেম্বৰত মৰিগাঁও চহৰৰ ফুলবাৰীৰ জুনুকা ভৱনত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হয়। অধিৱেশনৰ লগত সংগতি ৰাখি 'সন্ত্ৰাসবাদ নিৰ্মূলত নাৰীৰ ভূমিকা' শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আইদেউ সন্দিকৈ শাখা লেখিকা সংস্থাৰ সভানেত্ৰী ধৰ্মেশ্বৰী শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰ উদ্বোধন কৰে মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যাপক হাহিৰাম লহকৰে। আলোচনাচক্ৰত আলোচকৰূপে অংশগ্ৰহণ কৰে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চ কুমাৰ শৰ্মা, মৰিগাঁও মহিলা সমতা ছ'চাইটিৰ সমল ব্যক্তি মৌচুমী বৰকাকতিসহ কে'বাজনো বিশিষ্ট ব্যক্তিয়ে। অনুষ্ঠানত সংস্কাৰ নামৰ এখন স্মৰণিকা উন্মোচন কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাই। ইফালে, অধিৱেশনৰ প্ৰতিনিধি তথা বিষয় বাছনি সভাত বিশিষ্ট লেখিকা ৰীণাৰাণী শইকীয়াক সভানেত্ৰী আৰু গীতাঞ্জলী বৰদলৈক সাধাৰণ সম্পাদিকাৰূপে লৈ আইদেউ সন্দিকৈ শাখা লেখিকা সংস্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

বাঙালী যৌথ সমন্বয় সমিতিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সম্পন্ন

শীঘ্ৰে 'কা' কাৰ্যকৰী কৰাৰ দাবী

বিশেষ সংবাদদাতা

বৰপেটা, ২৬ ডিচেম্বৰ ঃ বাঙালী হিন্দুৰ ১৯ টাকৈ জাতীয় সংগঠনৰ উমৈহতীয়া মঞ্চ বাঙালী যৌথ সমন্বয় সমিতি, অসমৰ চতুৰ্থ বাৰ্ষিক ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা গুৱাহাটী ওদালবাক্ৰা মা মংগলময়ী সভাগৃহত অনুষ্ঠিত হৈ যায়। পুৰা সমন্বয় সমিতিৰ সভাপতি সুকুমাৰ বিশ্বাসে পতাকা উত্তোলনেৰে সভাৰ কাৰ্যসূচীৰ আৰম্ভ কৰে। সুকুমাৰ বিশ্বাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে সাধাৰণ সম্পাদক সুৰেশ সৰকাৰে। সভাত প্ৰদীপ সেন শৰ্মা, বিধান দাশগুপ্ত, গৌৰী বৰ্ধন, শৈলেন মালাকাৰ, সুৰেশ সৰকাৰ, কৌশিক ডি বিশ্বাস, অঞ্জলি বৰুৱা, সম্পা ৰয়, নবীন ৰয়, কৌশিকৰঞ্জন দাস, চন্দ্ৰশেখৰ মন্ডল, পৰেশ চৌধুৰী, বিশ্বজিৎ পাল, সুজয় বিশ্বাস, শুভ্ৰাংশু দেব, নৃপেনকৃষ্ণ দাস আদি অংশীদাৰ সংগঠনৰ সভাপতি-সম্পাদকে নিজ নিজ বক্তব্য দাঙি ধৰে। সভাত সৰ্বসন্মতিক্ৰমে কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। অসম বিধানসভাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালী হিন্দুৰ পৰ্যাপ্ত প্ৰতিনিধি নথকাত বাঙালী হিন্দুৰ উন্নয়ন স্থবিৰ হৈ পৰা বুলি নেতাসকলে ক্ষোভ প্ৰকাশ কৰাৰ লগতে অতি শীঘ্ৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালীসকলৰ সাৰ্বিক উন্ননৰ স্বাৰ্থত উপগ্ৰহীয় পৰিষদ গঠনৰ দাবী সজোৰে উত্থাপনৰ সিদ্ধান্ত লোৱা হয়। সভাত অতি শীঘ্ৰে 'কা' কাৰ্যকৰী কৰি ডিটেনছন কেম্পত থকা সকলো হিন্দুক মুকলি কৰি দিবলৈ দাবী উত্থাপন কৰা হয়। সভাত বাঙালী হিন্দুৰ ক্ষেত্ৰত আধাৰ কাৰ্ডত থকা আঁসোৱাহসমূহ দূৰ কৰা, জন গাঁথনিৰ ভিত্তিত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰি সংৰক্ষণ কৰা আদি দাবী উত্থাপন কৰা হয়। সভাত সভাপতি সুকুমাৰ বিশ্বাসে সংগঠনৰ মুৰব্বীসকলৰ বক্তব্যৰ অন্তত সজোৰে কয় যে বাঙালী হিন্দুৰ জ্বলন্ত সমস্যাসমূহ একমাত্ৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইহে শীঘ্ৰে সমাধান কৰিব পাৰিব। কাৰণ, তেওঁ কামৰ মানুহ। সেয়ে নেতৃবৃন্দই জানুৱাৰীত মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি নদফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত লয়।

তেজপুৰত উলহ-মালহেৰে গদ্য সাহিত্য দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৬ ডিচেম্বৰ ঃ মহাপুৰুষ শ্ৰী মৎ দেৱ দামোদৰ সংঘৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত তেজপুৰ নগৰ সমিতিৰ সহযোগত আজি গদ্য সাহিত্যৰ জনক মহাপুৰুষ শ্ৰীশ্ৰী ভট্টদেৱৰ তিৰুভাৱ তিথি দিনজোৰা কাৰ্যসূচীৰে গদ্য সাহিত্য দিৱসৰূপে পালন কৰা হয়। ভট্টদেৱৰ দ্বাৰা সৃষ্ট 'জয় যদু নন্দন' গীতৰে আৰম্ভ হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শোণিতপুৰ জিলা সমিতিৰ মাৰ্গ দৰ্শক তথা বিশিষ্ট সাহিত্যিক ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্যই বন্তি প্ৰজ্বলন কৰি দিয়া চমু ভাষণত ভট্টদেৱৰ জীৱন পৰিক্ৰমা অৱলোকন কৰি কয় যে ভট্ট-দেৱেই ভাৰতত প্ৰথম গদ্য সাহিত্য ৰচনা কৰিছিল। অৱসৰপ্ৰাপ্ত অধ্যাপকজনে আৰু কয় যে ভট্টদেৱেই যে দেশত প্ৰথম গদ্য সাহিত্যৰ জনক আছিল সেই বিষয়ে বহু কেইগৰাকী বাঙালী সাহিত্যিকে প্ৰকাশ কৰাৰ লগতে ভট্টদেৱৰ সাহিত্যৰ প্ৰশংসা কৰি গৈছে। তেওঁ আৰু কয় যে 'ভাগৱত'কে আদি কৰি কে'বাখনো গ্ৰন্থ গদ্যত ৰচনা কৰি ভট্টদেৱে তেওঁৰ বিশাল পাণ্ডিত্যৰ পৰিচয় প্ৰকাশ কৰিছিল। অৱসৰপ্ৰাপ্ত অধ্যাপকজনে লগতে কয় যে তৎসত্ত্বেও কিন্তু আজি পৰ্যন্ত এনে এজন মহাপুৰুষৰ জীৱনী আৰু গুণ-গৰিমা প্ৰচাৰ নোহোৱাটো আশ্চৰ্যকৰ। ডাঃ যুগল কৃষ্ণ ডেকাই আঁতধৰা অনুষ্ঠানত উপস্থিত সকলোৱে ভট্টদেৱৰ তৈল চিত্ৰৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। সন্ধিয়া পদূলিত বন্তি প্ৰজ্বলনৰে দিনজোৰা কাৰ্যসূচীৰ অন্ত পৰে। কাৰ্যসূচীত ভালে সংখ্যক লোকে ভট্টদেৱৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে এইগৰাকী বৰেণ্য গদ্য সাহিত্যিকৰ কৰ্মৰাজিৰ বহল পৰিসৰত চৰ্চাৰ পোষকতা কৰে।

কুমাৰীকাটা আঞ্চলিক এবছুৰ সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২৬ ডিচেম্বৰ ঃ তামুলপুৰ মহকুমাৰ অন্তৰ্গত কুমাৰীকাটা আঞ্চলিক এবছুৰ সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। তামুলপুৰ মহকুমাৰ চেঁচাপানী হাইস্কুল খেলপথাৰত চেঁচাপানী প্ৰাথমিক এবছুৰ সহযোগত অহা ২১, ২২ আৰু ২৩ জানুৱাৰীত অনুষ্ঠিত হ'ব লগা কুমাৰীকাটা আঞ্চলিক এবছুৰ সোণালী জয়ন্তী অধিৱেশনৰ লাইখুঁটা পুৱা ১০ বজাত এক মাংগলিক পৰিৱেশত স্থাপন কৰে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। লাইখুঁটা স্থাপন কৰি বিধায়ক দৈমাৰীয়ে কয় যে ৰাজ্যৰ এক বৃহৎ জাতীয় ছাত্ৰ সংগঠন নিখিল বড়ো ছাত্ৰ সন্থা। ৰাজ্যত বসবাস কৰা বড়ো জনগোষ্ঠীৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক উন্নয়নৰ বাবে দীৰ্ঘদিনে সংগ্ৰাম কৰি আহিছে নিখিল বড়ো ছাত্ৰ সন্থাই। এবছুৰ নেতৃত্বত বড়ো জাতিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কৰা দীৰ্ঘদিনীয়া সংগ্ৰামৰ অন্তত সম্প্ৰতি বড়ো জনগোষ্ঠীৰ ৰাইজে উন্নয়নৰ মুখ দেখিছে। নিখিল বড়ো ছাত্ৰ সন্থাৰ অধীনস্থ কুমাৰীকাটাা আঞ্চলিক সমিতিয়ে আজি সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ লাইখুঁটা স্থাপন কৰিবলৈ পাই অতিশয় আনন্দিত। বিধায়ক জলেন দৈমাৰীয়ে পুনৰ কয়, 'বিগত সময়ছোৱাত বড়ো সমাজৰ সৰ্বদিশৰ উন্নয়নৰ হকে সংগ্ৰাম কৰি সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া কুমাৰীকাটা আঞ্চলিক এবছুৰ সোণালী জয়ন্তী অধিৱেশনৰ মই সফলতা কামনা কৰাৰ লগতে এই অধিৱেশনে বৃহত্তৰ অঞ্চলটোলৈ সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিব বুলিল আশাবাদী। উল্লেখ্য যে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা কুমাৰীকাটা আঞ্চলিক এবছুৰ সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ মুকলি সভাৰ কাৰ্যসূচীত বিটিছি প্ৰধান প্ৰমোদ বড়োৰ লগতে ৰাজ্যৰ কে'বাটাও জাতীয় সংগঠনৰ শীৰ্ষ নেতৃত্বই অংশগ্ৰহণ কৰিব। আজি লাইখুঁটা স্থাপন অনুষ্ঠানত দৰঙাজুলি পৰিষদীয় সমষ্টিৰ এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰী, টি চি এল চি চি অধ্যক্ষ ফণীন্দ্ৰ নাৰ্জাৰী, কুমাৰীকাটা এবছুৰ সভাপতি এলপি সিং নাৰ্জাৰী, সাধাৰণ সম্পাদক জৌংখং দৈমাৰী, সোণালী জয়ন্তী অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি চৰণ কিশোৰ বসুমতাৰী, সম্পাদক আৰখং গৌৰা বসুমতাৰী প্ৰমুখ্যে কে'বাগৰাকীও বিশিষ্ট ব্যক্তি, স্থানীয় ৰাইজপ উপস্থিত থাকে।

ছিপাঝাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় গণিত দিৱস পালন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ২৬ ডিচেম্বৰ ঃ ছিপাঝাৰ মহাবিদ্যালয়ত কালি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় গনিত দিৱস পালন কৰা হয়। প্ৰথমে বন্তি প্ৰজ্বলন আৰু প্ৰথম পৰ্যায়ৰ অনুষ্ঠান উদ্বোধন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰাম চন্দ্ৰ ডেকাই। ভাষণত তেখেতে মানৱ জীৱনত গনিতৰ প্ৰভাৱ সম্পৰ্কে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কাব্যশ্ৰী হাজৰিকাই গীত পৰিৱেশন কৰাৰ উপৰিও অধ্যাপক ড° ৰূপম হালৈ গনিতৰ সৌন্দৰ্য্য সম্পৰ্কত ভাষণ প্ৰদান কৰে। দিনৰ ১২ বজাৰ পৰা দ্বিতীয় চূড়ান্ত পৰ্যায়ৰ অনুষ্ঠান অনুষ্ঠিত হয় মহাবিদ্যালয়ৰ সভাকক্ষত। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ ডেকাই উদ্বোধন কৰা অনুষ্ঠানত নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° হেমন্ত কুমাৰ শৰ্মাই।

কল্যাণ কুমাৰ গোস্বামীৰ গ্ৰন্থ উন্মোচনেৰে পদ্মনাথ গোহাঞি বৰুৱাৰ স্মৃতি দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ২৬ ডিচেম্বৰ ঃ 'এটা ভাষা এটা জাতিৰ পৰিচয়। ভাষাটো হেৰাই গ'লে তাৰ লগত থকা বহু বস্তুৱেই হেৰাই যাব। স্মৃতি দিৱস উদ্‌যাপন কৰাৰ সাৰ্থকতা তেতিয়াহে হ'ব যেতিয়া অসমীয়া ভাষাৰ মাধ্যমেৰে গ্ৰন্থ ৰচনা হ'ব।' এই মন্তব্য অনুষ্ঠানৰ নিৰ্দিষ্ট বক্তা মঙলদৈ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° গীতিকা চহৰীয়াৰ। আজি হাজৰিকাপাৰা সাহিত্য সভাৰ উদ্যোগত দৰং জিলা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যসূচী অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ স্মৃতি দিৱস উদ্‌যাপন অনুষ্ঠানত পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে হাজৰিকাপাৰা সাহিত্য সভাৰ উপসভাপতি শান্তি ৰাম ডেকাই। হাজৰিকাপাৰা সাহিত্য সভাৰ সম্পাদক কল্যাণ কুমাৰ গোস্বামী আৰু দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামীয়ে আঁতধৰা অনুষ্ঠানটোত হাজৰিকাপাৰা সাহিত্য সভাৰ শিল্পীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী...' শীৰ্ষক গীত পৰিৱেশন কৰে। অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ ভূৱন দেৱশৰ্মাই। মাল্যাৰ্পণ কৰে হাজৰিকাপাৰা সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি সতীশ চন্দ্ৰ বৰুৱাই। হাজৰিকাপাৰা সাহিত্য সভাৰ সভাপতি শিৱ প্ৰসাদ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা আৰু দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন কুমাৰ ৰাজবংশীয়ে সভাপতিত্ব কৰা অনুষ্ঠানটো উদ্বোধন কৰে ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত নাথে। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ৰামচন্দ্ৰ ডেকাই। কল্যাণ কুমাৰ গোস্বামীৰ সপ্তমখন গ্ৰন্থ 'একে মন এটি প্ৰেৰণা' উন্মোচন কৰি সমাজত গ্ৰন্থৰ আৱশ্যকতাৰ ৰেখাপাত কৰে। দুই শতাধিক ব্যক্তিৰ উপস্থিতিত গাম্ভীৰ্যপূৰ্ণ সভাখনত শাখা সাহিত্য সভাৰ অন্তৰ্গত ২০২১ৰ সৰ্বভাৰতীয় মেডিকেল প্ৰৱেশ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কূলদীপ গোস্বামীক অভিনন্দন জনোৱা হয়। সভাত জিলা সভাৰ হৈ প্ৰাক্তন সম্পাদক সৎৰাম ডেকা আৰু শাখা সাহিত্য সভাৰ হৈ প্ৰাক্তন সভাপতি ঘনকান্ত মেধিয়ে অংশগ্ৰহণ কৰে।

অধ্যাপক কমলেশ্বৰ কলিতাৰ নাট্য গ্ৰন্থ 'দেওধনী' উন্মোচন

অগ্ৰদূত বাৰ্তা

হোজাই, ২৬ ডিচেম্বৰ ঃ হোজাইৰ লংকা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক, লেখক, নাট্যকাৰ কমলেশ্বৰ কলিতাৰ 'দেওধনী' নামৰ নাটকখন আজি উন্মোচন কৰা হয়। লংকা চহৰৰ এন এৰিয়াৰ কনকলতা পথত থকা লেখকৰ বাসগৃহ এনাজৰীত আয়োজিত অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰা হয়। নাটকখন উন্মোচন কৰে শিক্ষাবিদ, সাহিত্যিক, ড° সাৰদানন্দ দেৱগোস্বামীয়ে। অনুষ্ঠানত উপস্থিত থাকে লংকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ সিং ভূই, আকাশবাণী নগাঁৱৰ ঘোষক চিদানন্দ দেৱগোস্বামী, চিত্ৰশিল্পী মনজিৎ ৰাজখোৱাসহ লংকা অঞ্চলৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। গ্ৰন্থখন উন্মোচন কৰি ড° দেৱগোস্বামীয়ে কয় যে নাটক হৈছে কবিতাৰ ৰমণীয় ৰূপ। নাটক এখনে সাধাৰণ পাঠকৰ পৰা এজন দৰ্শকলৈকে অতি সহজে আকৃষ্ট কৰিব পাৰে। কমলেশ্বৰ কলিতাৰ নাটকখন পাঠক সমাজে আদৰি ল'ব বুলি উন্মোচক ড° দেৱগোস্বামীয়ে আশা প্ৰকাশ কৰে। সমজুৱাৰ ফালৰ পৰা বক্তব্য আগবঢ়ায় আব্দুল হালিম আহমেদ, সাৰংগধৰ ৰাজা, প্ৰতাপ বৰুৱাসহ বহুকেইজন ব্যক্তিয়ে। উল্লেখ্য যে নাট্যকাৰ কমলেশ্বৰ কলিতাই ইতিপূৰ্বে পাঁচখন কবিতা পুথি ক্ৰমে 'পৃথিৱী মোৰ অসুখৰ শেষ সীমা, সাগৰ, নীলকণ্ঠ, আন এটা দিনৰ বাবে আৰু সোণোৱালী ধান' শিক্ষা বিষয়ক গ্ৰন্থকেইখন হৈছে ক্ৰমে 'শিশুৰ সমস্যাজনিত আচৰণ ঃ এটি মনস্তাত্ত্বিক আলোচনা, শিক্ষা মনোবিজ্ঞান, শিশুৰ দক্ষতা বিকাশ আৰু আচৰণৰ ৰূপান্তৰ, লেখকৰ আত্মকথা (কথাৰে কবিতা) দুহাতত ক'ৰ গধূলিগোপালৰ ছাঁ লিখি উলিয়াইছে।

তিনিচুকীয়াত উদ্যোগ আৰু বাণিজ্য বিভাগৰ পৰ্যালোচনা বৈঠক

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া, ২৬ ডিচেম্বৰ ঃ অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ সচিব মানবেন্দ্ৰ প্ৰতাপ সিঙে আজি তিনিচুকীয়া জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰত উপস্থিত হৈ এখন পৰ্যালোচনা সভাত মিলিত হয়। সচিবজনে উক্ত উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰটোৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন বিভাগীয় আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। তিনিচুকীয়া জিলাৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰৱন্ধক ৰঞ্জন বৰাই বিভাগীয় আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে। সচিবজনে সকলো বিভাগীয় আঁচনিক নিৰ্ধাৰিত সময়ৰ ভিতৰত সফলতাৰে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। পৰ্যালোচনা সভাত তিনিচুকীয়া জিলা উপায়ুক্ত নৰসিং পৱাৰ, অতিৰিক্ত উপায়ুক্ত চৰফৰাচ হক প্ৰমুখ্যে উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

আগছুৰ কুঁহিয়াৰবাৰী কাৰ্যালয় নিৰ্মাণৰ সন্দৰ্ভত দিলীপ গজৰেলৰ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২৬ ডিচেম্বৰ ঃ সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কুঁহিয়াৰবাৰীস্থিত বিশ্বনাথ জিলা সমিতিৰ কাৰ্যালয় নিৰ্মাণৰ নামত অহা সাংসদ পুঁজিৰ ধন আত্মসাৎ কৰা সন্দৰ্ভত একাংশই অপপ্ৰচাৰ কৰা বুলি অভিযোগ কৰিছে সংগঠনটোৰ নেতা দিলীপ গজুৰেলে। গজুৰেলে সংগঠনটোৰ কাৰ্যালয় নিৰ্মাণৰ নামত আবণ্টিত সাংসদ পুঁজিৰ ফুটাকড়ি এটাও আত্মসাৎ হোৱা নাই বুলি দাবী কৰি কয় যে শক্তিশালী বিদ্যুৎ পৰিবাহী তাঁৰ ওপৰেদি যোৱাৰ ফলত নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব পৰা নাছিল নিৰ্মাণ সমিতিয়ে। তদুপৰি বাৰিষাৰ সময়ছোৱাত কাৰ্যালয় নিৰ্মাণ হ'বলগীয়া ঠাইডোখৰত পানী জমা হৈ থকাৰ বাবেই নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব পৰা নাছিল সংগঠনটোৱে। তেওঁ আগন্তুক দুমাহৰ ভিতৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ কথা সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। ইফালে শেহতীয়াকৈ সামাজিক মাধ্যমত বিহালীৰ কুহিয়াৰবাৰীত নিৰ্মাণ হ'বলগীয়া কাৰ্যালয়ৰ নামত আবণ্টিত সমুদায় ধন আত্মসাৎ কৰা বুলি অপপ্ৰচাৰ চলোৱাটো দুৰ্ভাগ্যজনক বুলি কয় বিশ্বনাথ জিলা সমিতিৰ নেতৃত্বই।

কৃষ্ণাই আঞ্চলিক ই-ৰিক্সা সন্থাৰ অধিৱেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ২৬ ডিচেম্বৰ ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই আঞ্চলিক ই-ৰিক্সা সন্থাৰ প্ৰথম বাৰ্ষিক অধিৱেশন আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কৃষ্ণাই কৃষি পামৰ বাকৰিত অনুষ্ঠিত অধিৱেশনত পুৱা পতাকা উত্তোলন কৰে সন্থাৰ সভাপতি পৰিমল সাহাই। ইয়াৰ পৰৱৰ্তী সময়ত দুপৰীয়া অনুষ্ঠিত হয় মুকলি সভা। পৰিমল সাহাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ আঁত ধৰে ছলমান ৰুছদি আহমেদে। প্ৰায় আঠশ ই-ৰিক্সা চালকৰ লগতে শতাধিক ৰাইজ উপস্থিত থকা মুকলি সভাত ভাষণ প্ৰদান কৰে কৃষ্ণাই আৰক্ষী থানাৰ এ এছ আই কছেৰ আলী আহমেদ, সাংবাদিক কন্দৰ্প কুমাৰ দেৱ নাথ, ই-ৰিক্সা সন্থাৰ প্ৰাক্তন সভাপতি পৱন নাথ, সমাজ সেৱক মহম্মদ হুছেইন (চাজু), সাংবাদিক আনোৱাৰ হুছেইন, অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণ ৰায়, সাংবাদিক নীলমণি শৰ্মাকে ধৰি বহু কেইজনে আজিৰ অধিৱেশনতে সন্থাৰ বাৰ্ষিক হিচাপ-নিকাচ দাখিল কৰে সন্থাৰ সম্পাদক ইবনুল হকে।

তৃতীয় শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ২৬ ডিচেম্বৰ ঃ লাহৰীঘাটৰ এটি তৃতীয় শ্ৰেণীৰ অধ্যয়নৰত ছাত্ৰ নিৰুদ্দেশ হৈ থকাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। লাহৰীঘাটৰ তিনিচুকীয়া ঔতলাবড়ীৰ মাৰজাফুল ইছলাম (৯) নামৰ ছাত্ৰজন কালি দুপৰীয়াৰে পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে বহুত বিচাৰ খোচাৰ কৰিও শিশুটিৰ কোনো সন্ধান নাপাই পৰিয়ালৰ লোক চিন্তিত হৈ পৰিছে। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে লাহৰীঘাট আৰক্ষী থানাত এজাহাৰ দিয়ে। উল্লেখ্য যে লাহৰীঘাটৰ শ'লমাৰী গাঁৱৰ ছাজাহান আলীৰ পুত্ৰ মাৰজাফুলে তিনিচুকীয়া ঔতলাবড়ীৰ মোমায়েকৰ ঘৰত থাকি তিনিচুকীয়া ব্ৰহ্মপুত্ৰ ভেলী একাডেমীত তৃতীয় শ্ৰেণীত অধ্যয়ন কৰি আছিল। কোনো সদাশয় ব্যক্তিয়ে শিশুটিৰ সন্ধান পালে ৬০০৩৩১৮২২৮ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বিবাৰ্ষিক অধিৱেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

যমুনামুখ, ২৬ ডিচেম্বৰ ঃ সদৌ অসম কৰ্মচাৰী পৰিষদৰ অধীনস্থ ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ ২৩ সংখ্যক দ্বি বাৰ্ষিক অধিৱেশনখন আজি দিনজোৰা কাৰ্যসূচীৰে ডবকা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। অধিৱেশনৰ লগত সংগতি ৰাখি আজি পুৱা সদৌ অসম কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলন কৰে ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি মাখনচন্দ্ৰ বিশ্বাস আৰু স্মৃতি তৰ্পণ কৰে সঞ্জয় ৰায়ে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আনোৱাৰ হুছেইনে প্ৰতিনিধি শিবিৰ মুকলি কৰাৰ পাছত বিগত কাৰ্যকালৰ কৰ্মৰাজিৰ ওপৰত বিতং আলোচনা, সম্পাদকীয় প্ৰতিবেদন পাঠ আৰু অনুমোদনৰ অন্তত বিষয়-বাছনি সভা অনুষ্ঠিত হয়। সভাৰ সৰ্বসন্মত সিদ্ধান্তমৰ্মে আগন্তুক কাৰ্যকালৰ বাবে ছামচুল আলম পাটোৱাৰীক সভাপতি আৰু আব্দুল খালিক লস্কৰক সম্পাদকৰূপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। সমিতিখনৰ উপ-সভাপতিৰূপে নিৰ্বাচিত কৰা ক্ৰমে সঞ্জয় দত্ত, মুচব্বিৰ আলী, বুৰহান উদ্দিন তালুকদাৰ, ৰফিকুল ইছলাম আৰু চিত্তৰঞ্জন চন্দ আৰু সহকাৰী সম্পাদকৰূপে মনোনীত কৰা হয় তাজ উদ্দিন বৰভূঞা, মহি উদ্দিন আৰু মৃত্যুঞ্জয় দত্তক। সংগঠনিক সম্পাদকৰূপে ৰখা হয় ক্ৰমে নাজিম উদ্দিন লস্কৰ, মেহবুব শ্বফিকুল ইছলাম চৌধুৰী, আতিকুৰ ৰহমান তালুকদাৰ আৰু তৈয়বুৰ ৰহমান তালুকদাৰক। সমিতিখনৰ কোষাধ্যক্ষৰূপে মনোনীত কৰা হয় আব্দুল চুবুৰ বৰভূঞা (হীৰা)ক আৰু কাৰ্যালয় সম্পাদকৰূপে আব্দুল গফুৰ লস্কৰক। সমিতিখনত ১৫জন ব্যক্তিক সদস্যৰূপে মনোনীত কৰাৰ লগতে সমিতিখনৰ মুখ্য উপদেষ্টাৰূপে থাকিব বিদায়ী সভাপতি মাখনচন্দ্ৰ বিশ্বাস। ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ মুকলি সভাত বিগত সময়ত চাকৰিৰ পৰা অৱসৰ লোৱা ১৯গৰাকী শিক্ষক-কৰ্মচাৰীক সম্বৰ্ধনা জনোৱা হয়। সদৌ অসম কৰ্মচাৰী পৰিষদত হোজাই জিলাৰ পৰা গৈ কেন্দ্ৰীয় উপ-সভাপতি হোৱা জামাল আহমেদকো আজিৰ সভাত বিপুল সম্বৰ্ধনা জনোৱা হয়। মুকলি সভাত উপস্থিত থাকে হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক প্ৰণৱ চৌধুৰী। সভাত ৰাজ্যত কৰ্মৰত চৰকাৰী কৰ্মচাৰীৰ বহুকেইটা জটিল সমস্যাৰ ওপৰত আলোকপাত কৰি সেইসমূহ নিৰাময়ৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

নাওকাটাত কেন্দ্ৰীয় বুদ্দাই মেদায় মহোৎসৱৰ সামৰণি

বৰ্মন-কছাৰীসকলক আগুৱাই নিয়াৰ বাবে ব্যৱস্থা

অগ্ৰদূত বাৰ্তা

গোবৰ্ধন, ২৬ ডিচেম্বৰ ঃ বাগসা জিলাৰ নাওকাটাৰ ডাবাখিলা খেলপথাৰত বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ কাৰ্যসূচীৰে আয়োজিত কৰা হৈছে প্ৰথম কেন্দ্ৰীয় বুদ্দাই মেদায় মহোৎসৱ। প্ৰথমবাৰৰ বাবে ডাবাখিলাত অনুষ্ঠিত কেন্দ্ৰীয় বুদ্দাই মেদাই মহোৎসৱৰ উদ্যাপন জনগোষ্ঠীটোৰ লোকসকলৰ মাজত বিশেষ উৎসাহ দেখা গৈছে। নিখিল বৰ্মন কছাৰী বুদ্দাই মেদায় পূজা সমিতি, নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থা, বৰ্মন কছাৰী মহিলা পৰিষদৰ যৌথ উদ্যোগত ডাবাখিলা খেলপথাৰত প্ৰথম কেন্দ্ৰীয় বুদ্দাই মেদায় মহোৎসৱৰ আয়োজন কৰা হৈছে। ২৫ আৰু ২৬ ডিচেম্বৰ দুদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত 'বুদ্দায় মেদাই' পূজাত অসমৰ ১৪খন জিলাৰ বৰ্মন কছাৰী জনগোষ্ঠীয় প্ৰতিনিধি উপস্থিত থাকে। ইফালে, অনুষ্ঠানৰ লগত সংগতি ৰাখি ২৫ ডিচেম্বৰত বুদ্দাই মেদায় মন্দিৰৰ দ্বাৰ উন্মোচন, মূল ৰভা উন্মোচন, মঞ্চ উন্মোচন আৰু বুদ্দাই মেদায় পূজা অনুষ্ঠিত কৰে। ইফালে, ২৬ ডিচেম্বৰত আয়োজিত কাৰ্যসূচী মৰ্মে পুৱা বজাত স্বচ্ছ ভাৰত অভিযান আয়োজিত হয়। পুৱা আঠ বজাত নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ বৰ্মন আৰু নিখিল বৰ্মন কছাৰী বুদ্দাই মেদায় পূজা সমিতিৰ সভাপতি মন্টু বৰ্মনে। ন বজাত স্মৃতি তৰ্পণ কৰে ছাত্ৰ সন্থাৰ উপদেষ্টা ট্ৰাইবেল সংঘ, কামৰূপ মেট্ৰ'ৰ উপ-সভাপতি অনিল বৰ্মনে। মুখ্যৰূপেণ কৰে ইন্দিৰা গান্ধী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিপেন বৰ্মনে। দিনৰ ১২ বজাত স্মৃতিস্তম্ভ 'মেদায়' উন্মোচন কৰে শৰণীয়া কছাৰী সাহিত্য সভা অসমৰ সভাপতি সোনবৰ কছাৰীয়ে। নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ বৰ্মনৰ সভাপতিত্বত কৰা মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োৱে। ভাৰতত পৰিবৰ্তনে গঢ় লোৱা জাতিটোৰ বাবে কাম নিৰ্বলৈ হ'লে জাতিটোৰ বাবে কাম কৰা কিছু লোকৰ সৃষ্টি হ'ব লাগিব। তেখেতে বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ লগতে সহযোগী সংগঠনসমূহে জাতিটোৰ হৈ কাম কৰিব পৰা ভাল মানুহ তৈয়াৰ কৰিব লাগিব। দুদিনীয়া কাৰ্যসূচীৰ মুকলি সভাত নিৰ্বাহক কাৰ্যবাহী সদস্য ৰঞ্জৰ নাৰ্জাৰীকে ধৰি কে'বাগৰাকীও নেতা উপস্থিত থাকে। সভাত অসম জনজাতি অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান গৱেষণা বিষয়া ড° অসীম বৰা, শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়া, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নিপেন খাখা, সাংবাদিক-সাহিত্যিক ড° বাবু ৰাভা হাকাচাম, সদৌ অসম গৰিয়া-মৰিয়া দেশী জনগোষ্ঠীয় পৰিষদৰ সম্পাদক ফজলুল কৰিম হাজৰিকা, নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি মতিলাল বৰ্মন, বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ মেঘালয়ৰ উপদেষ্টা প্ৰসাদ কৰিম, বিষয় শিক্ষক নাওকাটা মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গংগা প্ৰসাদ আচাৰ্যকৈ ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰে বিটিচি প্ৰাক্তন ইএম গণেশ কছাৰীয়ে।

■ উপায়ুক্ত কাৰ্যালয়ত ধোঁৱাচাঙত ডিজিটেল সেৱা, পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান

দৰঙত, মাটি কিনা-বেচাৰ নামত ধনৰ বেহা

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ২৬ ডিচেম্বৰ ঃ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ আৰু চৰকাৰী কাৰ্যালয়ত এটা সুন্দৰ কৰ্মসংস্কৃতি গঢ়ি তোলাৰ কাৰণে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে দৰঙ জিলাৰ উপায়ুক্ত কাৰ্যালয়ত ভূমি ক্ৰয়-বিক্ৰয়ৰ অনুমতি, সদৰ ম্যাদী জমাবন্দী, ভোটাৰ তালিকাৰ প্ৰত্যায়িত প্ৰতিলিপি আদি সেৱাৰ ক্ষেত্ৰত দুৰ্নীতি আৰু অপ-কৰ্মসংস্কৃতিৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, মাটি কিনা-বেচাৰ অনুমতিৰ কাৰণে যি নিৰ্ধাৰিত সময়ত সেৱা দিব বুলি লিখা থাকে সেই সময় উকলি যোৱাৰ বহুদিন পাছতো সেৱা লাভৰ পৰা ৰাইজ বঞ্চিত হৈ আহিছে। তদুপৰি এই সেৱা পাবলৈ ৰাইজে প্ৰত্যেক টেবুলত পাঁচশৰ পৰা হেজাৰ টকা ঘোচ দিবলৈ বাধ্য হয়। ইপিনে, সদৰ ম্যাদী জমাবন্দী উলিয়াবলৈ আবেদন কৰাৰ পাছত উপায়ুক্ত কাৰ্যালয়ৰ সংশ্লিষ্ট শাখাৰ কৰ্মচাৰীয়ে পাঁচশ টকা নহ'লে কাম নকৰে আৰু টকা দিলেই তৎক্ষণাত জমাবন্দী উলিয়াই লিখি দিয়ে। আনহাতে, ভোটাৰ তালিকাৰ প্ৰত্যায়িত প্ৰতিলিপি অনলাইনযোগে আবেদন কৰাৰ পাছত ২৪ ঘণ্টাৰ ভিতৰতে সেই সেৱা দিয়া হ'ব বুলি লিখা থাকে যদিও নিৰ্বাচন শাখাই এই সেৱা মাহৰ পাছত মাহ উকলি যোৱাৰ পাছতো কৰ্তৃপক্ষই নিদিয়ে। ডিজিটেল সেৱাৰ চৰকাৰী এই অভিলাষী আঁচনি ধোঁৱাচাঙত বুলি সচেতন মহলে দাবী কৰিছে লগতে নৱনিযুক্ত জিলা উপায়ুক্ত প্ৰণব কুমাৰ শৰ্মাক এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ ল'বলৈ আহ্বান জনাইছে।

ঠেঙাল কছাৰী সাহিত্য-সংস্কৃতি সভাৰ শপত গ্ৰহণ সম্পন্ন

তিতাবৰ, ২৬ ডিচেম্বৰ ঃ সদৌ অসম ঠেঙাল কছাৰী জনগোষ্ঠীৰ ঐতিহ্য-পৰম্পৰা সুৰক্ষিত কৰিবলৈ জনগোষ্ঠীটোৰ চিন্তাশীল ব্যক্তিসকলে জন্ম দিলে ঠেঙাল কছাৰী সাহিত্য- সংস্কৃতি সভা। যোৱা ২৫ ডিচেম্বৰত নন্দনাথ শইকীয়া কলেজৰ প্ৰেক্ষাগৃহত সভাৰ বিষয়ববীয়াসকলে শপত গ্ৰহণ কৰে। নন্দনাথ শইকীয়া কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা ঠেঙাল কছাৰী সংগঠনৰ বৰেণ্য ব্যক্তি আৰু ঠেঙাল কছাৰী সাহিত্য-সংস্কৃতি সভাৰ মুখ্য উপদেষ্টা ড° যোগেশ্বৰ বড়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত ঠেঙাল কছাৰী সাহিত্য-সংস্কৃতি সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াক সভাপতিয়ে শপত গ্ৰহণ কৰোৱাৰ পাছতে সভাপতি মহেন্দ্ৰ শইকীয়াই অন্যান্য বিষয়ববীয়াসকলক শপত গ্ৰহণ কৰায়। ঠেঙাল কছাৰী সাহিত্য-সংস্কৃতি সভাৰ সাধাৰণ সম্পাদক ৰক্তিম শইকীয়াই আঁত ধৰা সভাত ঠেঙাল কছাৰী সংগঠনৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ বৰা, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উপমুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী, তিতাবৰ প্ৰেছ ক্লাবৰ উপদেষ্টা বিমান শইকীয়া, সদৌ অসম ঠেঙাল কছাৰী সংগঠনৰ সাধাৰণ সম্পাদক ঈক্ষু কুমাৰ হাজৰিকা, কাৰ্যকৰী সভাপতি দ্বীপেন বৰা প্ৰাক্তন অধ্যাপক প্ৰফুল্ল শইকীয়া, সদৌ অসম ঠেঙাল কছাৰী মহিলা সংগঠনৰ সভানেত্ৰী প্ৰগতি নেওগ, ঠেঙাল কছাৰী সংগঠনৰ যোৰহাট জিলাৰ সভাপতি প্ৰদীপ শইকীয়া, নন্দেশ্বৰ শইকীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে সভাত অংশগ্ৰহণ কৰে। সভাত ঠেঙাল কছাৰী সাহিত্য-সংস্কৃতি সভাৰ সংবিধানৰ খচৰাখন সভাত দাখিল কৰে। ঠেঙাল কছাৰী সাহিত্য-সংস্কৃতি সভাৰ তৰফৰ পৰা জং বাহাদুৰ ঠেঙাল ৰত্ন বঁটা, চক্ৰধ্বজ সাহিত্য-সংস্কৃতি সমন্বয় বঁটা আৰু গিৰিধৰ ঠেঙাল উদীয়মান যুৱ বঁটা প্ৰদান কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

হাটশিঙিমাৰীত সুশাসন দিৱসত মটৰ চাইকেল সমদল

মানকাচৰ, ২৬ ডিচেম্বৰ ঃ ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ কালি জন্মদিন উপলক্ষে সমগ্ৰ দেশতে 'সুশাসন দিৱস'ৰূপে উদ্‌যাপন কৰে বিজেপিয়ে। কাৰ্যসূচীৰ স'তে সংগতি ৰাখি আজি হাটশিঙিমাৰিতো প্ৰয়াত প্ৰধানমন্ত্ৰীজনক শ্ৰদ্ধাৰে স্মৰণ কৰিবলৈ বিজেপিৰ উদ্যোগত আয়োজন কৰা হয় বিশেষ কাৰ্যসূচী। কাৰ্যসূচীৰ অংশৰূপে হাটশিঙিমাৰীৰ বিজেপিৰ জিলা কাৰ্যালয়ত প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত বিজেপিৰ জিলা কাৰ্যকৰ্তা আৰু কৰ্মীসকলে এক মটৰ চাইকেল সমদল উলিয়ায়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিজেপিৰ যুৱ মৰ্চাৰ ডেৰ শতাধিক সদস্যই মটৰ চাইকেলেৰে হাটশিঙিমাৰী মহাবিদ্যালয় খেলপথাৰৰ পৰা মটৰ চাইকেল সমদল উলিয়ায়। উদ্বোধন কৰে জিলা যুৱ মৰ্চাৰ প্ৰভাৰীৰ দায়িত্বত থকা গণেশ দাসে। উপস্থিত থাকে বিজেপিৰ জিলা সভাপতি অধীৰ চন্দ্ৰ দাসৰ লগতে প্ৰাক্তন সভাপতি আবু নাছিৰ মোল্লাই। উদ্বোধনী অনুষ্ঠানত বিজেপিৰ প্ৰাক্তন সভাপতি আবু নাছিৰ মোল্লাই মটৰ চাইকেল চালকসকলক সতৰ্কতাৰ বাহন চলাবলৈ পৰামৰ্শ দিয়ে।

শিৱসাগৰত আৰক্ষী বিভাগৰ দ্বাৰা সজাগতা বৃদ্ধিৰ লক্ষ্যৰে বিশেষ অভিযান

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৬ ডিচেম্বৰ ঃ শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক ৰাকেশ ৰৌশনৰ নেতৃত্বত তথা অতিৰিক্ত আৰক্ষী অধীক্ষকদ্বয় আৰিফ আহমেদ আৰু ডাঃ দেৱজিত নাথৰ তত্ত্বাৱধানত আৰু আৰক্ষী বাহিনীৰ সক্ৰিয় সহযোগিতাত যোৱা ২৪ ডিচেম্বৰত জিলাবাসীৰ মাজত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে এক বিশেষ অভিযান আৰম্ভ কৰা হয়। শিৱসাগৰ জিলাৰ আৰক্ষী বিভাগৰ উদ্যোগত জিলাখনৰ বিভিন্ন স্থানত, ৰাজহুৱা বাহনত (ই-ৰিক্সাত), ৰাজহুৱা স্থান ইত্যাদিত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় যেনে দুচকীয়া বাহনৰ দুয়োগৰাকী আৰোহীয়ে হেলমেট পিন্ধা বাধ্যতামূলক, বিত্তীয় চাইবাৰ প্ৰৱঞ্চনা সম্পৰ্কীয় হেল্পলাইন নম্বৰ ১৫৫২৬০ সন্দৰ্ভত সজাগতা বৃদ্ধি, ড্ৰাগছ সেৱন বিৰোধী সজাগতা আদি বিষয়ৰ ওপৰত আধাৰিত বিভিন্ন পোষ্টাৰ লগোৱা হয়।

দিচাং নদীত শিশুৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

ডিমৌ, ২৬ ডিচেম্বৰ ঃ শিৱসাদৰ জিলাৰ ডিমৌ আৰক্ষী থানাৰ অধীন কৈৱৰ্তদলনী গাঁৱত দিচাং নদীত এটি ১৪ বছৰীয়া কিশোৰৰ সলিল সমাধি ঘটে। কালি বিয়লি তিনি বজাত ডিমৌ নদীত তিনি জন লগৰীয়াৰ স'তে সাঁতুৰিবলৈ গৈ সন্ধানহীন হৈছিল ১৪ বছৰীয়া কিশোৰজন। স্থানীয় লোকৰ চেষ্টাত নদীৰ বুকুৰ পৰা কিশোৰজনৰ মৃতদেহ উদ্ধাৰ হয়। কিশোৰজন কৈৱৰ্তদলনী গাঁৱৰ কৃষ্ণ পুৰীৰ পুত্ৰ চন্দন পুৰী। কৈৱৰ্তদলনী এম ভি স্কুলত অষ্টম শ্ৰেণীত অধ্যয়নৰত। লগৰীয়াসকলৰ পৰা খবৰ পাই নাও লৈ স্থানীয় লোকে আধা ঘণ্টা ধৰি সন্ধান চলাই চন্দনৰ মৃতদেহ উদ্ধাৰ কৰে। চন্দনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

শালবাৰীৰ বাঁহবাৰীত খ্ৰীষ্টান ধৰ্মাৱলম্বী আদিবাসী শ্ৰমিকৰ মাজত কম্বল বিতৰণ

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৬ ডিচেম্বৰ ঃ পৱিত্ৰ বৰদিন উপলক্ষে বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীৰ ব্যক্তিগত উদ্যেগত শালবাৰীৰ বাঁহবাৰী ভিচিডিচিৰ অন্তৰ্গত ফাতেমাবাদ চাহ বাগিচাৰ খ্ৰীষ্টান ধৰ্মাৱলম্বী আদিবাসী চাহ শ্ৰমিকৰ মাজত কালি কম্বল বিতৰণ কৰা হয়। উল্লেখ্য যে শালবাৰীৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে বাঁহবাৰী ভিচিডিচিৰ অধ্যক্ষ যোগেশ দৈমাৰী, ইউপিপিএলৰ যুৱ কোষৰ শালবাৰী জিলা সমিতিৰ সভাপতি সত্যজিৎ বড়োৰ লগতে কে'বাগৰাকীও ভিচিডিচিৰ বিষয়ববীয়াক লগত লৈ ফাতেমাবাদ চাহ বাগিচাৰ দুখীয়া আদিবাসী চাহ শ্ৰমিকৰ ঘৰে ঘৰে গৈ দুই শতাধিক পৰিয়ালৰ মাজত কম্বল বিতৰণ কৰে। লগতে পৱিত্ৰ বৰদিনৰ শুভেচ্ছা জ্ঞাপন কৰে।

কোকৰাঝাৰত নতুন বড়ো বোলছবি মুক্তি

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৬ ডিচেম্বৰ ঃ কালি কোকৰাঝাৰ চহৰৰ নিৰ্ভয়া গাৰ্ডেন ভৱনত নতুন বড়ো বোলছবি 'বিচম্বি'ৰ মুক্তি দিয়া হয়। এনইডব্লিউবিঅ' নামৰ এপে আয়োজন কৰা এক অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা জী'দাও বড়োছায়ে এনইডব্লিউবিঅ' এপৰ জৰিয়তে মুক্তি দিয়ে। উল্লেখ্য যে কৰ'না মহামাৰীত দেশৰ চিনেমা হলসমূহ বৃহৎ লোকচানৰ প্ৰভাৱ পৰাৰ বাবে মনোৰঞ্জনৰ বাবে এনইডব্লিউবিঅ' এপ মুকলি কৰি এই 'বিচম্বি' বড়ো বোলছবিক মুক্তি দিয়ে। এখন সামাজিক কাহিনীৰে বড়ো ভাষাত নিৰ্মাণ কৰা বোলছবিখনৰ পৰিচালক পংকজ মহিলাৰী। সকলো ৰাইজে চিনেমাখনক আঁকোৱালি ল'ব বুলি আশাবাদী মহিলাৰীয়ে।

হাজোত সুশাসন দিৱস

অগ্ৰদূত বাৰ্তা

হাজো, ২৬ ডিচেম্বৰ ঃ কালি হাজো মণ্ডল বিজেপিৰ উদ্যোগত অনুষ্ঠিত সুশাসন দিৱসত অংশগ্ৰহণ কৰি ভাৰতৰত্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক জন্মদিনটোত শ্ৰদ্ধাৰে সোঁৱৰণ কৰে কামৰূপ জিলা উন্নয়ন ব'ৰ্ডৰ নৱনিযুক্ত অধ্যক্ষ নীলকান্ত দাসে। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ নাতি-আদৰ্শৰে বিজেপি অনুপ্ৰাণিত হৈ এক সুচল অভিনৱ ৰূপায়ণৰ বাৰ্তা প্ৰদান কৰিবলৈ সক্ষম হৈছে বুলিও কয় অধ্যক্ষ দাসে। অনাগত দিনটো বিজেপিৰ পৌৰোহিত্যত সমাজত শান্তি, প্ৰগতি উন্নয়নৰ এক ন দিগন্তৰ ধাৰা অটুট থাকিব বুলিও উল্লেখ কৰে অনুসূচিত জাতি কামৰূপ জিলা উন্নয়ন ব'ৰ্ডৰ নৱনিযুক্ত অধ্যক্ষজনে।

দুলীয়াজানত অৰ্জুন ভোগেশ্বৰ বৰুৱাক 'ছহিদ কৰম সিং জনমভূমি' বঁটা প্ৰদান, দেওবাৰে।

হোজাই জিলা সাহিত্য সভাৰ ২০২১ৰ দুটা বঁটা ঘোষণা

অগ্ৰদূত বাৰ্তা

হোজাই, ২৬ ডিচেম্বৰ ঃ হোজাই জিলা সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান দুলাল চন্দ্ৰ শৰ্মা স্মাৰক 'প্ৰজ্ঞা ৰত্ন বঁটা' ২০২১ৰ বাবে সাহিত্যিক, সমালোচক, সাংবাদিক উপেন্দ্ৰ বৰকটকীক প্ৰদান কৰা হ'ব। হোজাই জিলাৰ প্ৰথমখন অসমীয়া মাধ্যমৰ হাইস্কুল আব্দুল হাচিব হাইস্কুলৰ এগৰাকী স্বনামধন্য প্ৰধান শিক্ষক দুলাল চন্দ্ৰ শৰ্মাৰ সোঁৱৰণত তেওঁৰ গুণমুগ্ধ ৩০ গৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰে গঠিত দুলাল শৰ্মা স্মৃতিৰক্ষা সমিতিয়ে প্ৰতি দুবছৰৰ মূৰে মূৰে আগবঢ়াই অহা এই বঁটাটো ২০১৯ত পদ্মশ্ৰী ৰংবং তেৰাঙক প্ৰদান কৰা হৈছিল। এইবাৰ সু-সাহিত্যিক তথা জিলাখনৰ এসময়ৰ বৌদ্ধিক আৰু সাহিত্যিক দিশৰ উত্তৰণৰ হেতু মূল্যৱান সেৱা আগবঢ়োৱা সাহিত্যিক উপেন্দ্ৰ বৰকটকীলৈ আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰা হৈছে। উল্লেখ্য যে জিলা সাহিত্য সভাৰ আন এটি সন্মানীয় বঁটা 'পণ্ডিত জীৱন ৰাম বৰ্মন সোঁৱৰণি সাধনা বঁটা' নৱ প্ৰজন্মৰ এগৰাকী প্ৰসিদ্ধ কবি, লেখক তথা লংকা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰবক্তা কমলেশ্বৰ কলিতালৈ আগবঢ়োৱা হ'ব। এই দুয়োটা বঁটা আগন্তুক জানুৱাৰীৰ ৩০ আৰু ৩১ত লংকাত অনুষ্ঠিত হ'বলগীয়া হোজাই জিলা সাহিত্য সভাৰ দ্বিতীয় পূৰ্ণাংগ অধিবেশনৰ মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব লগা অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই প্ৰদান কৰিব। দুদিনীয়া জিলা অধিবেশনত অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী প্ৰমুখ্যে বিশিষ্ট লোক-সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়া, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমলেণ্ডু চক্ৰৱৰ্তীকে ধৰি কে'বাগৰাকী বিশিষ্ট সাহিত্যিক উপস্থিত থাকিব বুলি হোজাই জিলা সাহিত্য সভাৰ সভাপতি ড° গুণেশ্বৰ শইকীয়া আৰু সম্পাদক অনুপ কুমাৰ বৰঠাকুৰে এক বিবৃতিযোগে জনাইছে।

তেজপুৰ লেখিকা সমাৰোহৰ শাখা কাৰ্যালয়ত নলিনীবালা দেৱীৰ মৃত্যু দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৬ ডিচেম্বৰ ঃ অসম সাহিত্য সভাৰ প্ৰথমগৰাকী মহিলা সভাপতি, কবি নলিনীবালা দেৱীৰ ৪৪ সংখ্যক মৃত্যু দিৱস যোৱা ২৫ ডিচেম্বৰত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ, তেজপুৰ শাখাৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। লেখিকা সমাৰোহ সমিতিৰ তেজপুৰ শাখাৰ কাৰ্যালয়ত অৱস্থিত আৱক্ষ মূৰ্তিৰ সন্মুখত উপ-সভানেত্ৰী মিনাক্ষী শৰ্মাই বন্তি প্ৰজ্বলন তথা উপদেষ্টা ৰাণু হাজৰিকাই আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ আৰু সভাপতি মনোমতী কুৰ্মীৰ স্মৃতি তৰ্পণেৰে আৰম্ভ হয়। নলিনীবালা দেৱীয়ে ৰচনা কৰা 'নাৰী' শীৰ্ষক কবিতা পাঠেৰে মুখ্য উপদেষ্টা মৃণালী চেতিয়াই অনুষ্ঠানৰ আৰম্ভ কৰে। লেখিকা সমাৰোহ সমিতিৰ তেজপুৰ শাখাৰ সভাপতি কুৰ্মীয়ে সভাপতিত্ব কৰা অনুষ্ঠানত সম্পাদিকা ৰুণা বৰাই উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ দিয়ে। কবিগৰাকীৰ এই মৃত্যু দিৱসত লেখিকা নিৰু নেওগ বৰাই মহাপুৰুষ মাধৱদেৱৰ বিৰচিত এটা বৰগীত পৰিৱেশন কৰাৰ লগতে আইদেউ সন্দিকৈ বঁটাপ্ৰাপক কল্পনা কলিতাই নলিনীবালা দেৱীৰ এটা গীত পৰিৱেশন কৰে। উপদেষ্টা ৰাণু হাজৰিকাৰ নলিনীবালা দেৱীৰ জীৱন সাহিত্যিক আলোকিত কৰা বক্তব্যৰ পাছতেই তাপসী বৰ্মনে নলিনীবালা দেৱীৰ গীত পৰিৱেশন কৰে আৰু সমিতিখনৰ তেজপুৰ শাখাৰ সদস্যা মিনাক্ষী শৰ্মা, মণিমালা শইকীয়া, অনুদেৱী মহন্ত, ৰাণু হাজৰিকা (কনিষ্ঠ) আৰু সুবৰ্ণ শইকীয়াই নলিনীবালা দেৱীৰ কবিতা পাঠ কৰে। এই অনুষ্ঠানতে অঞ্জু দত্ত বৰা, চিনু পাঠক আৰু ৰুণা বৰাই নলিনীবালা দেৱীৰ একাংশ কবিতাৰ পংক্তি আলেখ্যৰ ৰূপত পৰিৱেশন কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পৰ্যবেক্ষক নিয়োগ

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ২৬ ডিচেম্বৰ ঃ শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ যোৰহাট জিলা শাখাৰ অন্তৰ্গত ১৬ খন আঞ্চলিক শাখালৈ ২০২১-২২ৰ বাবে পৰ্যবেক্ষক নিয়োগ কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ যোৰহাট জিলা শাখাৰ সম্পাদক মুকুল বৰুৱা স্বাক্ষৰিত নিয়োগ পত্ৰত ১৬ জনক দায়িত্ব অৰ্পণ কৰে। শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ মেলেং আঞ্চলিক শাখালৈ কল্যাণ বৰুৱা, হোলোঙাপাৰ আঞ্চলিক শাখালৈ ফটিক দাস, উত্তৰ-পশ্চিম যোৰহাটলৈ ডিম্বেশ্বৰ গগৈ, মধ্য যোৰহাটলৈ ৰাজীৱ বৰুৱা, পশ্চিম যোৰহাট লৈ হৰেণ নেওগ, দক্ষিণ যোৰহাট লৈ চন্দন তাঁতী, পূব যোৰহাটলৈ প্ৰবীণ বুঢ়াগোহাঁই, ন-আলিলৈ সৌন্দৰ্য প্ৰকাশ হাজৰিকা, চাৰিগাঁওলৈ জিতেন শইকীয়া, হাতীগড়লৈ সৌৰভ হাজৰিকা, টীয়কলৈ মনোজ গগৈ, বলমালৈ অমল গোৱালা, লাহিঙলৈ নীলমণি দত্ত, নকছাৰীলৈ হিৰণ্য গগৈ, চেলেঙলৈ বিশ্বজ্যোতি গগৈ, শিমলুগুৰি ৰমাকান্ত মুক্তিয়াৰ আতা আঞ্চলিকলৈ ৰোহিনী ৰঞ্জন শইকীয়াক পৰ্যবেক্ষকৰূপে প্ৰেৰণ কৰিছে।

নগাঁও ছোৱালী মহাবিদ্যালয়ত আধুনিক ভাৰতীয় গীতি সাহিত্যৰ সংস্কৃত ৰূপান্তৰৰ বক্তৃতানুষ্ঠান

ভাষিক ৰূপান্তৰে সংগীতৰ দিগন্ত প্ৰসাৰিত কৰে

বিশেষ সংবাদদাতা

নগাঁও, ২৬ ডিচেম্বৰ ঃ কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়, নতুন দিল্লীৰ অধীনত নগাওঁ ছোৱালী মহাবিদ্যালয়ত 'অনৌপচাৰিক সংস্কৃত শিক্ষণ পাঠ্যক্ৰম-২০২১-২২ উদ্‌ঘাটন সমাৰোহ অনুষ্ঠিত হয়। এই পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি কালি অনুষ্ঠিত কৰা দহদিনীয়া সংস্কৃত সম্ভাষণ শিবিৰৰো সামৰণি পৰে। সংকল্প মন্ত্ৰ আৰু স্বাগত গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত সভাপতিৰ আসন গ্ৰহণ কৰে মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মীৰা বৰুৱাই। পাঠ্যক্ৰমৰ সংযোজিকা অধ্যাপিকা ৰশ্মি ডেকাই সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু উপাধ্যক্ষা কল্পনা ভট্টাচাৰ্যই সংস্কৃত শিক্ষণ পাঠ্যক্ৰম কেন্দ্ৰটি উদ্‌ঘাটন কৰে। সভাত 'আধুনিক ভাৰতীয় গীতি-সাহিত্যৰ সংস্কৃত অনুবাদ ঃ সংস্কৃতিৰ নতুন দিগন্তৰ সন্ধানত' সন্দৰ্ভত মনোজ্ঞ বক্তৃতা প্ৰদান কৰে 'ৰাষ্ট্ৰীয় সংস্কৃত গীতিকবি' সন্মানপ্ৰাপক শিল্পী, সংগীত-আলোচক ৰঞ্জন বেজবৰুৱাই। সংস্কৃত বিভাগৰ অধ্যাপিকা ড° সঞ্জিতা সিংহই শিল্পীজনৰ বৰ্ণিল সাংস্কৃতিক পৰিক্ৰমাৰ এক খতিয়ান দাঙি ধৰে। আধুনিক ভাৰতীয় গীতি সাহিত্যৰ অনুবাদ তথা ৰচনাৰ ক্ষেত্ৰখনত নিজৰ বিচিত্ৰ অনুভৱ-অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে বহুখিনি মৌলিক আৰু সংস্কৃতলৈ অনুদিত গীত পৰিবেশন কৰি শিল্পী বেজবৰুৱাই সকলোকে মুগ্ধ কৰে। সভাত সংস্কৃত সম্ভাষণ শিবিৰৰ প্ৰশিক্ষক তপন ৰাজবংশীয়ে বক্তব্য আগবঢ়োৱাৰ অন্তত অধ্যাপিকা ড° মিতালী গোস্বামীৰ তত্বাৱধানত ছাত্ৰীসকলক শিবিৰত অংশগ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয় আৰু ছাত্ৰীসকলৰ নীতিবচন, গীত আৰু শান্তিমন্ত্ৰেৰে সভাৰ সামৰণি পেলোৱা হয়।

সুশাসন দিৱসত বৰপেটা উপায়ুক্তৰ কাৰ্যালয়ত চাফাই অভিযান

বিশেষ সংবাদদাতা

বৰপেটা, ২৬ ডিচেম্বৰ ঃ দেশৰ প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক জন্মদিন উপলক্ষে ৰাজ্যজুৰি কালি সুশাসন দিৱস পালন কৰা হয়। বৰপেটা জিলাতো চৰকাৰী আৰু বেচৰকাৰীভাৱে এই দিৱস পালন কৰা হয়। পুৰা বৰপেটা জিলা উপায়ুক্তৰ কাৰ্যালয়ত সুশাসন দিৱসৰ স'তে সংগতি ৰাখি চাফাই অভিযান চলোৱা হয়। জিলাখনৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষাল আৰু অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠকৰ নেতৃত্বত উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে কাৰ্যালয় চৌহদত চাফাই অভিযান চলায়। খ্ৰীষ্টমাছ উপলক্ষে চৰকাৰী বন্ধ সত্বেও উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে কাৰ্যালয়ত উপস্থিত হৈ নিজৰ নিজৰ শাখাটোৰ কোঠালিসমূহত চাফাই অভিযান চলায়। জিলা উপায়ুক্ত ভূষালে প্ৰত্যক্ষভাৱে এই চাফাই অভিযানৰ তদাৰকী কৰে। ইয়াত নিৰ্বাচনী বিষয়া মুৰব্বী দত্ত আৰু সহকাৰী আয়ুক্ত নিমাশ্ৰী ডাউকায়ো অংশগ্ৰহণ কৰে।

হাজোত অত্যাধুনিক জিৰণি গৃহৰ উদ্বোধন বিধায়িকাৰ

অগ্ৰদূত বাৰ্তা

হাজো, ২৬ ডিচেম্বৰ ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সমীপত যোৱা ২৫ ডিচেম্বৰত এটি অত্যাধুনিক জিৰণি গৃহ মুকলি কৰা হয়। ২০১৯-২০ৰ বিধায়ক পুঁজিৰ অধীনত ১০ লাখ টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত জিৰণি গৃহটো উদ্বোধন কৰে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। বিধায়িকা হৰিপ্ৰিয়াই কয় যে হাজো সমষ্টিৰ উন্নয়নৰ দিশে ধাৱিত। সমষ্টিৰ পথ, বিদ্যালয়কে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ আন্তঃগাঁথনিৰ সুচল ৰূপায়ণ কৰি সমষ্টিটো এক নতুন গতি লাভ কৰিছে। অনুষ্ঠানত ৰাজ্যিক বিজেপি নেতা জীতেন্দ্ৰ পাটোৱাৰী, কামৰূপ জিলা পৰিষদৰ নেত্ৰী ৰীতা তালুকদাৰ, তিনি নম্বৰ পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাস, তিলক শৰ্মা, নৱজ্যোতি দাস, খগেন ভঁৰালী, গাঁও পঞ্চায়তৰ সভানেত্ৰী দীপাঞ্জলি ভঁৰালী, নীলকান্ত দাস, হাজো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জোনালী পাঠক, বিজেপি নেতা বিষ্ণু পাঠক, সত্যৰাম মালাকাৰ, মণ্টু দাসকে ধৰি হাজোৰ প্ৰায় সংখ্যক বিজেপিৰ দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত কেৰিয়াৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

চিনামৰা, ২৬ ডিচেম্বৰ ঃ ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত যোৱা ২০ ডিচেম্বৰত মহাবিদ্যালয় প্ৰাংগণত কেৰিয়াৰ সজাগতা শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ উৎপল বৰদলৈৰ সভাপতিত্বত অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত অভিযন্তা ৰঞ্জিত কুমাৰ মহন্তই সাম্প্ৰতিক সময়ত নিবনুৱা সমস্যাই গ্ৰাস কৰা ৰাজ্যখনত শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাৰিকৰী শিক্ষাৰ জৰিয়তে নিজকে কেৰিয়াৰ গঢ় দিবলৈ পৰামৰ্শ আগবঢ়াই আৰু বিভিন্ন চৰকাৰী বে-চৰকাৰী প্ৰতিষ্ঠানত নিযুক্তি পাবলৈ হ'লে নিজকে শিক্ষাৰ যোগেদি প্ৰস্তুত হ'বলৈ আহ্বান জনায়। ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক সঞ্জীৱ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে মুৰব্বী অধ্যাপিকা মৌচুমী বৰগোহাঁয়ে আৰু শলাগৰ শৰাই আগবঢ়ায় বিভাগৰ সহকাৰী অধ্যাপক বিশ্বজিৎ নেওগে।

নামৰূপত সুশাসন দিৱসত গীত-কবিতা পাঠ

অগ্ৰদূত বাৰ্তা

নাহৰকটীয়া, ২৬ ডিচেম্বৰ ঃ দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰত ৰত্ন প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জন্মদিৱস সমগ্ৰ দেশে সুশাসন দিৱসৰূপে কালি উদ্‌যাপন কৰিছে। নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত জয়পুৰ মণ্ডলৰ উদ্যোগত নামৰূপ নাৰী কল্যাণ কেন্দ্ৰ প্ৰাংগণত আয়োজন কৰা কাৰ্যসূচীত প্ৰথমেই ভাৰত মাতাক পূজন কৰা হয়। প্ৰাক্তন প্ৰধানমন্ত্ৰীজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে জয়পুৰ মণ্ডলৰ সভাপতি মৃদুল কলিতাই। ইয়াৰ পাছতে মণ্ডলৰ সভাপতিজনৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণৰ পাছতে অজয় বাইলুঙে 'ৰাজনৈতিক প্ৰমূল্যবোধ প্ৰশাসনিক সংস্কাৰ আৰু জীৱন পৰিক্ৰমা' শীৰ্ষক বিষয়ৰ ওপৰত বক্তব্য ৰাখে। সভাত কৃষক মৰ্চাৰ হেমন্ত গগৈ, জয়পুৰ মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী নিতু সোণোৱাল বুঢ়াগোহাঁই, জয়পুৰ মণ্ডল উপ-সভাপতি ক্ৰমে ভৱ কান্ত গগৈ, মণ্টু চলিহা, শৰৎ হাজৰিকা উপস্থিত থাকে। সুশাসন দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড় যুৱ মৰ্চাৰ নতুনকৈ দায়িত্ব লোৱা সভাপতি বিদ্যুৎ গগৈ আৰু সাধাৰণ সম্পাদক সাগৰ সোণোৱালক আদৰণি জনাই নাহৰকটীয়া যুৱ মৰ্চাৰ উদ্যোগত উলিওৱা মটৰ চাইকেল শোভাযাত্ৰাই সমষ্টি পৰিভ্ৰমণ কৰে। দুপৰীয়া আৰম্ভ হয় ভাৰত ৰত্ন বাজপেয়ীয়ে ৰচিত কবিতা পাঠ অনুষ্ঠান। অনুষ্ঠানত কবি গৌৰী চুবেদাৰ বৰা, হেমন্ত গগৈ, গোপা গোস্বামী বৰুৱা, বৰ্ণালী বুঢ়াগোহাঁই আদি কবিয়ে বাজপেয়ী ৰচিত কবিতা পাঠ কৰে।

বৰপথাৰত পথ উদ্বোধন

বৰপথাৰ, ২৬ ডিচেম্বৰ ঃ ভাৰত ৰত্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জন্মদিনটো সুশাসন দিৱস উপলক্ষে যোৱা ২৫ ডিচেম্বৰত সৰুপথাৰ সমষ্টিত নিৰ্মাণ হোৱা তিনিটা পথ জনসাধাৰণৰ বাবে উছৰ্গা কৰে বিধায়ক বিশ্বজিৎ ফুকনে। বিধায়কজনে উদ্বোধন কৰা পথকেইটা হ'ল ক্ৰমে নাওজান এমভি সংযোগী পথ, উৰিয়ামঘাট নাওজান সংযোগী পথ আৰু বৰপথাৰ উৰিয়ামঘাট সংযোগী ৰেংমা গড়কাপ্তানী নামৰ পথটো। বিধায়কজনে নিৰ্মাণ সম্পূৰ্ণ হোৱা পথকেইটা উদ্বোধন কৰি ৰাইজৰ বাবে মুকলি কৰি দিয়া ক্ষেত্ৰত মুখ্যমন্ত্ৰী আৰু গড়কাপ্তানী বিভাগক ধন্যবাদ জ্ঞাপন কৰে। ইপিনে, বৰপথাৰ মণ্ডল বিজেপিৰ যুৱ মৰ্চাৰ উদ্যোগত সুশাসন দিৱস উপলক্ষে বৰপথাৰ পৌৰসভা অঞ্চলত এক বাইক ৰেলীৰে নগৰখন পৰিভ্ৰমণ কৰে। ইয়াৰ পাছতে বৰপথাৰ হাইস্কুল তিনিআলিত এখন সভা অনুষ্ঠিত কৰে।

কোকৰাঝাৰত সজাগ ভোটাৰ সম্পৰ্কীয় সভা

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৬ ডিচেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ নিৰ্বাচন শাখাৰ সভাকক্ষত কালি দিনৰ ১১ বজাত অতিৰিক্ত উপায়ুক্ত ৰাজীৱ কুমাৰ দাসৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হৈ যায়। আগন্তুক ২৫ জানুৱাৰীত উদ্‌যাপন কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ লগত সংগতি ৰাখি স্কুল-কলেজ পৰ্যায়ত আয়োজন কৰিবলৈ লোৱা এলানি প্ৰতিযোগিতা সন্দৰ্ভত সভাখনত বিশেষভাৱে আলোচনা কৰা হয়। প্ৰতিযোগিতাসমূহ হৈছে- ফুটবল, নৃত্য আৰু সংগীত। জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ ২৭ ডিচেম্বৰৰ পৰা চাৰি জানুৱাৰীৰ ভিতৰত অনুষ্ঠিত হ'ব। জ'নেল লেভেল ফুটবল প্ৰতিযোগিতা চাৰি জানুৱাৰীৰ পৰা ১২ জানুৱাৰীৰ ভিতৰত অনুষ্ঠিত হোৱাৰ উপৰি ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ ১৭ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীৰ ভিতৰত অনুষ্ঠিত হ'ব। বিদ্যালয় আৰু মহাবিদ্যালয়ৰ নৃত্য আৰু সংগীত প্ৰতিযোগিতা ২৫ জানুৱাৰীৰ পৰা ৩০ ডিচেম্বৰৰ ভিতৰত; ব্লক লেভেল (অনলাইন) প্ৰতিযোগিতা ৩১ ডিচেম্বৰৰ পৰা দুই জানুৱাৰী আৰু জিলা পৰ্যায়ৰ প্ৰতিযোগিতা তিনি জানুৱাৰীৰ পৰা ১১ জানুৱাৰীৰ ভিতৰত আৰু জ'নেল লেভেল প্ৰতিযোগিতা ১২, ১৬, ১৭ আৰু ১৮ জানুৱাৰীৰ ভিতৰত অনুষ্ঠিত হ'ব। উল্লেখ্য যে স্কুল-কলেজ পৰ্যায়ৰ বাবে প্ৰতিষ্ঠানসমূহে প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰি বিজয়ীসকলৰ ভিডিঅ' ব্লক লেভেল ন'ডেল বিষয়ালৈ প্ৰেৰণ কৰিব লাগিব। ঠিক তেনেকৈ জিলা, জ'নেল আৰু ৰাজ্যিক পৰ্যায়তো বিজয়ীসকলক নিৰ্বাচন কৰা হ'ব। সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীসকলে জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ স'তে যোগাযোগ কৰিব পাৰে।

পলাশবাৰীত ভাৰতৰত্ন প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জন্মদিন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ২৬ ডিচেম্বৰ ঃ ভাৰতৰত্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক জন্মদিনটো 'সুশাসন দিৱস' হিচাপে সমগ্ৰ দেশৰ লগতে দক্ষিণ কামৰূপৰ জিলা বিজেপিৰ উদ্যোগত আৰু সাতটা মৰ্চাৰ সহযোগত যোৱা ২৫ ডিচেম্বৰত পলাশবাৰীৰ বাটৰহাটস্থিত জিলা বিজেপিৰ কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বাজপেয়ীৰ জন্মদিনৰ লগত সংগতি ৰাখি পলাশবাৰীত দক্ষিণ কামৰূপ জিলা বিজেপি যুৱ মৰ্চাৰ উদ্যোগত বাজপেয়ীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাই ৯৭খন মটৰ চাইকেলেৰে এক শোভাযাত্ৰা উলিওৱা হয়। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাই শোভাযাত্ৰা উদ্বোধন কৰে। স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়া উপস্থিত থকা সমদলত পলাশবাৰী নগৰ অঞ্চল পৰিভ্ৰমণ কৰে। ইয়াৰ পাছতে বাটৰহাটস্থিত জিলা কাৰ্যালয়ত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰৰ সভাপতিত্বত 'সুশাসন দিৱস' উপলক্ষে বাজপেয়ীৰ 'ৰাজনৈতিক প্ৰমূল্যবোধ, প্ৰশাসনিক সংস্কাৰ আৰু জীৱন পৰিক্ৰমা' বিষয়বস্তুৰ ওপৰত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰত সাংসদ ওজা, স্থানীয় বিধায়ক ঠাকুৰীয়াই বিষয়বস্তুৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত ৰাজ্যিক বিষয়ববীয়াসকলৰ লগতে কামৰূপ জিলা বিজেপিৰ এছ টি, এছ চি, মহিলা, যুৱ, কিষাণ আৰু সংখ্যালঘু মৰ্চাৰ সভাপতি, সম্পাদকসহ সদস্য/সদস্যাসকল উপস্থিত থাকে।

ৰঙিয়াত প্ৰেমিক যুগলৰ আত্মহত্যাক লৈ

এক পৃষ্ঠাৰ পৰা প্ৰেমিক-প্ৰেমিকা দুগৰাকী হৈছে ৰঙিয়াত ভাড়াতীয়াৰূপে থকা মঙলদৈৰ মইনুল হক (২০) আৰু ৰঙিয়াৰ উদিয়ানাৰ চবনম চুলতানা (১৫)। আৰক্ষীৰ সূত্ৰ অনুসৰি, আজি ৰঙিয়াৰ উদিয়ানা উত্তৰ পথাৰৰ ৰেল পথত স্থানীয় ৰাইজে দুটা মৃতদেহ প্ৰত্যক্ষ কৰে। ফলত অঞ্চলটোত হুৰাদুৰাৰ সৃষ্টি হয়। ৰাইজে ৰেল আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰে। আৰক্ষীয়ে সদৰী কৰা মতে, মৃত কিশোৰীগৰাকী নৱম শ্ৰেণীত পঢ়ি থকা উদিয়ানাৰ চবনম চুলতানা আৰু মৃত যুৱকজন ৰঙিয়াত ভাড়াতীয়াৰূপে থকা মঙলদৈৰ নিবাসী মইনুল হক। তেওঁলোকে কি পৰিস্থিতিত একেলগে মৃত্যুক সাবটি ল'লে সেয়া ৰহস্যৰ আৱৰ্তত। অপঘাত মৃত্যুত পৰিয়ালটোৰ লগতে গাঁওখনত শোকৰ ছাঁ পৰে। দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্ক আছিল বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। মালবাহী গাড়ীৰ আগত পৰি মৃত্যুক সাবটি লোৱা যুৱকজনৰ মূৰটো ৰেলৰ চকাৰ তলত দ্বিখণ্ডিত হৈ পৰে। আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে মৃত মইনুল ৰঙিয়াৰ এখন ম'বাইল মেৰামতিৰ দোকানত কৰ্মৰত আছিল। উদিয়ানাত ভাড়াতীয়াৰূপে থকাৰ সময়ত কিশোৰীগৰাকীৰ স'তে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে।

শিলচৰত বৰদিনৰ উৎসৱ বন্ধ কৰিলে

এক পৃষ্ঠাৰ পৰা সদস্যই। এই ঘটনাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হ'লেও আৰক্ষীৰ উপস্থিতিত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। এই ঘটনাই শিলচৰত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

উল্লেখ্য যে কালি বৰদিন উপলক্ষে শিলচৰৰ অম্বিকাপট্টি চাৰ্চ ৰোডত অৱস্থিত ঐতিহ্যবাহী প্ৰেছবাইটেৰিয়ান গিৰ্জাত পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। এই বৰদিনৰ আনন্দ উপভোগৰ বাবে বিয়লিৰ ভাগত অন্যান্য ধৰ্মৰ বহু লোকো সমবেত হৈছিল। এইসকল লোকৰ অধিকাংশই মাস্ক পৰিধানৰ পৰা বিৰত থকাৰ লগতে সামাজিক দূৰত্ব বিধিও পালন নকৰাটো বিভিন্ন ভিডিঅ'ত ফুটেজত পৰিলক্ষিত হৈছে। তেনে অৱস্থাতে বজৰংগ দলৰ একাংশ সদস্যই বলপূৰ্বক গিৰ্জাত প্ৰৱেশ কৰি বৰদিনৰ অনুষ্ঠান বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। ইয়াকে কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। একাংশ হিন্দুৱে বৰদিন পালন কৰাৰ বাবেই বজৰংগ দলৰ সদস্যসকলে অনুষ্ঠান বন্ধৰ নিৰ্দেশ দিয়ে। আক্ৰমণকাৰীসকলে দাবী কৰে যে খ্ৰীষ্টান লোকসকলে বৰদিন পালন কৰাত তেওঁলোকৰ কোনো আপত্তি নাই, কিন্তু তেওঁলোকে ইয়াত হিন্দুৱে অংশগ্ৰহণ কৰাত অনুমতি নিদিয়ে। কিয়নো ২৫ ডিচেম্বৰত হিন্দু ধৰ্মাৱলম্বীসকলে 'তুলসী দিৱস' পালন কৰে।

আক্ৰমণকাৰীসকলৰ মাজৰ মূৰত গেৰুৱা টুপী পৰিধান কৰা এজন সদস্যৰ এটা ভিডিঅ' ফুটেজ সম্প্ৰতি ভাইৰেল হৈছে। উক্ত ভিডিঅ'ত বজৰংগ দলৰ সদস্যজনে কৈছে, 'আমি বৰদিনৰ বিৰোধী নহয়...কেৱল খ্ৰীষ্টানসকলেহে বৰদিন পালন কৰক। আমি হিন্দু ল'ৰা আৰু ছোৱালীয়ে বৰদিনৰ কাৰ্যসূচীত অংশ লোৱাটোকহে বিৰুদ্ধাচৰণ কৰিছো। আজি হিন্দুসকলৰ তুলসী দিৱস, কিন্তু কোনেও পালন কৰা নাই। এই বিষয়টোৱেই আমাৰ আবেগত আঘাত হানিছে...সকলোৱেই কৈছে 'মেৰী ক্ৰিছমাছ'। এইদৰে আমাৰ ধৰ্মটো কেনেকৈ জীয়াই থাকিব?'

ইপিনে, গিৰ্জাৰ বাহিৰত নিয়োজিত আৰক্ষীয়ে ভিতৰত প্ৰৱেশ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। যাৰ বাবে সম্প্ৰতি এই পৰ্যন্ত নিয়ন্ত্ৰণত আছে যদিও বিভিন্ন মহলে বিষয়টোত অসন্তুষ্টি ব্যক্ত কৰিছে। আনহাতে, সমগ্ৰ ঘটনাক 'সৰু উত্তেজনা' বুলি অভিহিত কৰে অসম আৰক্ষীৰ এজন শীৰ্ষ বিষয়াই। আৰক্ষী বিষয়াজনে লগতে কয় যে এই পৰ্যন্ত ঘটনাক কেন্দ্ৰ কৰি কোনেও অভিযোগ দাখিল কৰা নাই আৰু কোনো গোচৰো পঞ্জীয়ন হোৱা নাই।

আৰক্ষীয়েই জড়িত গৰু সৰবৰাহত

এক পৃষ্ঠাৰ পৰা দায়বদ্ধ হ'ব। নিজৰ অঞ্চলত কি চলি আছে, সেয়া তেওঁলোকে জানিবই লাগিব।' জিলাখনৰ মাজেৰে অব্যাহত থকা গৰুৰ চোৰাং সৰবৰাহত বৰঘাট আৰক্ষী চকীৰ এজন কনিষ্টবল আৰু এজন গৃহৰক্ষী জোৱান জড়িত থকাৰ সন্দৰ্ভত আৰক্ষী নিশ্চিত হোৱাৰ কথা সদৰী কৰি আৰক্ষী অধীক্ষক মিশ্ৰই লগতে কয়, 'তেওঁলোকক ইতিমধ্যে চিনাক্ত কৰা হৈছে। অচিৰেই তেওঁলোকক গ্ৰেপ্তাৰ কৰা হ'ব। তেওঁলোকৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰা হ'ব।' কাকোৱেই ৰেহাই দিয়া নহ'ব বুলি সতৰ্ক কৰি দি আৰক্ষী অধীক্ষকজনে কয়, 'গৰুৰ চোৰাং সৰবৰাহৰ দৰে কাযত বিভিন্ন প্ৰকাৰে যিয়েই জড়িত নাথাকক, যি পদবীৰ লোকেই জড়িত নাথাকক সকলোৱে শাস্তি পাব। কিয়নো জিলাখনত যি হৈছে তাৰ বাবে ময়েই দায়বদ্ধ। মই যেতিয়া তেনে অপকৰ্মত নাই, আন কিয় জড়িত হ'ব? মই আইন বিৰুদ্ধ কামৰ অনুমতি নিদিওঁ। এনে কামত লিপ্ত সকলোকে গ্ৰেপ্তাৰ কৰা হ'ব। সকলোৱে জেলত যাব লাগিব।'

জিলাখনৰ আন একাংশ থানাৰ আৰক্ষীয়েও গৰুৰ চোৰাং সৰবৰাহকাৰীক সহায় কৰি থকা আৰু এই কাৰ্যত আন ক্ষেত্ৰৰ লোকো জড়িত থকাৰ তথ্যও নগাঁও আৰক্ষীয়ে লাভ কৰিছে বুলি সদৰী কৰি তেওঁ কয়, 'যিয়েই জড়িত আছে সকলোকে গ্ৰেপ্তাৰ কৰিম। সিহঁত কুকুৰৰ নেজ নেকি যে চিধা নহ'ব? সিঁহত চবকে চিধা কৰি দিম।'

ইপিনে, যোৱা নিশা নগাঁৰৰ বৰঘাটত অভিযান চলাই সৰবৰাহকাৰীৰ লগতে দুখনকৈ ট্ৰাকসহ চোৰাংকৈ সৰবৰাহ কৰা গৰু জব্দ কৰাৰ সন্দৰ্ভত আৰক্ষী অধীক্ষক মিশ্ৰই সাংবাদিকক কয়, 'যোৱা নিশা আমি খবৰ পাইছিলো দুখন ট্ৰাকত গৰু চোৰাংকৈ সৰবৰাহৰ কৰি অনাৰ বিষয়ে। লগে লগে আমাৰ এএনএছ টীম আৰু বৰঘাট আৰক্ষী চকীৰ আৰক্ষীয়ে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী বাইপাছত অভিযান চলাই ট্ৰাককেইখন জব্দ কৰাৰ চেষ্টা কৰে। তেনে সময়তে চোৰাং সৰবৰাহকাৰীৰ স'তে আমাৰ আৰক্ষীৰ হতাহতিও লাগে, কিন্তু আমাৰ দলে পাঁচজন চোৰাং সৰবৰাহকাৰীৰ লগতে চোৰাংকৈ সৰবৰাহ কৰা ৪২টাকৈ গৰু জব্দ কৰিবলৈ সক্ষম হয়। এই গৰুসমূহ এএছ-০১ এনচি-১৮৪৩ আৰু এএছ-০১ এলচি ৫১৫৭ নম্বৰৰ দুখন ট্ৰাকত চোৰাংকৈ সৰবৰাহ কৰি আনিছিল।' আৰক্ষী অধীক্ষকজনে কয় যে শিৱসাগৰ জিলাৰ ৰাজমাই বজাৰৰ পৰা হোজাই জিলাৰ লংকাৰ নখুঁটিৰ দিশে লৈ যোৱাৰ পথত আৰক্ষীয়ে ট্ৰাকসহ গৰুসমূহ জব্দ কৰে। আৰক্ষীয়ে গৰুৰ চোৰাং সৰবৰাহত থকাৰ অভিযোগত জান বৰা, মুস্তাফা আহমেদ, ৰুছমত আলী, ভৃগু বাইলুং আৰু আজিবুৰ ৰহমানক আটক কৰে। ধৃত চোৰাং সৰবৰাহকাৰীসকলৰ ভিতৰৰ মুস্তাফাৰ ঘৰ চামগুৰিৰ আমনিত। আৰক্ষী অধীক্ষক মিশ্ৰই জনোৱা মতে, ধৃত মুস্তাফা বিভিন্ন ডকাইতি, হত্যা, অস্ত্ৰ সৰবৰাহৰ গোচৰতো অভিযুক্ত। তেওঁৰ স'তে এটা বৃহৎ দল গৰুৰ চোৰাং সৰবৰাহত জড়িত হৈ আছে। উল্লেখ্য এই চোৰাং সৰবৰাহকাৰীৰ দলটোৱে ট্ৰাক দুখনৰ পাছে পাছে এএছ-০২ জেদ-৬১১১ নম্বৰৰ ছুইফ্ট ডিজায়াৰ গাড়ী এখনৰে গৈ আছিল। আৰক্ষীয়ে সেই ছুইফ্ট ডিজায়াৰ গাড়ীখনো জব্দ কৰে। সংবাদ মাধ্যমৰ আগত আৰক্ষী অধীক্ষক মিশ্ৰই পুনৰ কয়, 'গৰু সৰবৰাহকাৰীসকলে কোৱাৰ দৰে নগাঁৱত কোনো আন্তঃৰাজ্যিক গৰু সৰবৰাহ চলি থকা নাই। এইবোৰ আন্তঃৰাষ্ট্ৰীয় গৰু সৰবৰাহৰ লগত জড়িত। এই গৰুবোৰ বাংলাদেশলৈ সৰবৰাহ কৰা হয়।'

ইপিনে, শেহতীয়াকৈ আৰক্ষী সূত্ৰই জনাইছে গৰুৰ চোৰাং সৰবৰাহত জড়িত থকাৰ অভিযোগত অভিযুক্ত হোৱা আৰক্ষী কনিষ্টবল আৰু গৃহৰক্ষী জোৱান দুজনক আৰক্ষীয়ে আটক কৰি সোধপোছ অব্যাহত ৰাখিছে আৰু দুয়োকে শীঘ্ৰে গ্ৰেপ্তাৰ কৰাটো একপ্ৰকাৰ নিশ্চিত। অৱশ্যে তদন্তৰ খাতিৰত আৰক্ষীয়ে এই পৰ্যন্ত অভিযুক্তদ্বয়ৰ নাম সদৰী কৰা নাই।

ব্ৰিটিছে যেনেকৈ পলাইছিল, দেশৰ

এক পৃষ্ঠাৰ পৰা আন্দোলনক গণ আন্দোলনলৈ ৰূপান্তৰ কৰিব লাগিব। আমাৰ শক্তি আমি নিজেই অনুধাৱন কৰিব পাৰিব লাগিব। ব্ৰিটিছে যেনেকৈ ভাৰত ত্যাগ কৰি পলাইছিল, এটা সময়ত বিজেপিয়েও ক্ষমতা ত্যাগ কৰি দেশৰ জনতাৰ পৰা পলাব লাগিব।' এই মন্তব্য চিপিআই (এম)ৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ।

আজি মহানগৰীৰ মাছখোৱা আইটিএ কেন্দ্ৰত আয়োজন কৰা নন্দেশ্বৰ তালুকদাৰৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট বাওঁপন্থী নেতা য়েচুৰীয়ে কয় যে কোনো দল-সংগঠন অথবা ব্যক্তি বিশেষৰ দ্বাৰা নহয়, দেশৰ জনতাই নিজেই বিজেপিৰ ফেচীবাদী শাসনৰ বিৰুদ্ধে গণজাগৰণ সৃষ্টি কৰিব লাগিব। দেশৰ জনতাই নিজৰ লগতে দেশ আৰু সংবিধান ৰক্ষাৰ নিমিত্তে গণ আন্দোলন কৰিবলৈ আগবাঢ়ি অহাৰ সময় সমাগত বুলি উল্লেখ কৰি য়েচুৰীয়ে কয়, 'গণ আন্দোলনে যে শাসক পক্ষক শিক্ষা দিব পাৰে, নিয়ন্ত্ৰণ কৰিব পাৰে কৃষকৰ ঐক্যবদ্ধ আৰু আপোচবিহীন আন্দোলনে তাক ইতিমধ্যে প্ৰমাণ কৰিছে। উঠি অহা প্ৰজন্মৰ বাবেই ভাৰতীয় গণতন্ত্ৰ আৰু সংবিধান ৰক্ষা কৰি থৈ যোৱাটো আমাৰ মৌলিক কৰ্তব্য আৰু দায়িত্ব।'

বিজেপিয়ে সম্প্ৰতি দেশৰ পৱিত্ৰ সংসদক কেৱল দুৰ্বল কৰাতে ক্ষান্ত নাথাকি একেবাৰে ধ্বংসৰ গৰাহলৈ ঠেলি দিছে বুলি অভিযোগ উত্থাপন কৰি চিপিআই (এম)ৰ সাধাৰণ সম্পাদকজনে কয় যে আজিকালি সংসদত বিতৰ্ক অথবা আলোচনা-বিলোচনা নহয়, কেৱল বিৰোধী জনপ্ৰতিনিধিক দমন কৰা হয়। যিখন পৱিত্ৰ সংসদত জনপ্ৰতিনিধিক নিৰ্লজ্জভাৱে দমন কৰা হয়, তেন্তে দেশত সাধাৰণ জনতাৰ বাক স্বাধীনতা কেনেকৈ জীয়াই থাকিব বুলি য়েচুৰীয়ে প্ৰশ্ন উত্থাপন কৰে।

সংসদৰ সমান্তৰালকৈ এতিয়া দেশৰ আইনী ব্যৱস্থা আৰু আন আন স্বতন্ত্ৰ চৰকাৰী প্ৰতিষ্ঠান এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰেট, চিবিআই, ভাৰতীয় নিৰ্বাচন আয়োগ আদিয়েও এতিয়া কেন্দ্ৰীয় চৰকাৰৰ আঙুলিৰ 'ইচাৰাত' চলে বুলি ক্ষোভ প্ৰকাশ কৰি তেওঁ কয় যে বিজেপিয়ে দেশৰ চৰিত্ৰই সলাই পেলাবলৈ আগবাঢ়িছে।

ৰাজ্যসমূহৰ ক্ষমতা হ্ৰাস কৰি এতিয়া কেন্দ্ৰীয় চৰকাৰে সকলো নিজৰ নিয়ন্ত্ৰণত ৰাখিব বিচাৰিছে বুলি উল্লেখ কৰি বাওঁপন্থী নেতাজনে কয় যে পুঁজিপতিক সন্তুষ্ট কৰিবলৈ হ'লে অতিকেন্দ্ৰিক ব্যৱস্থাৰে দেশক শাসন কৰিবই লাগিব, অন্যথা দেশৰ সম্পত্তি বিক্ৰী কৰিব কেনেকৈ?

এতিয়া দেশৰ নিবনুৱা সমস্যা, মূল্যবৃদ্ধি, ৰাজহুৱা সম্পত্তিৰ নিলামকৰণ আদি জনতাক পাহৰাবলৈ দেশব্যাপী সাম্প্ৰদায়িক হিংসা আৰু ঘৃণা বিয়পাইছে বুলি দাবী কৰি তেওঁ লগতে কয়, 'দৰিদ্ৰতাৰ সংখ্যা ইমানেই বৃদ্ধি পাইছে যে এতিয়া এইবোৰ কথা পাহৰাবলৈ হিন্দু ৰাষ্ট্ৰৰ প্ৰচাৰ কৰিছে, হত্যা, হিংসা, ঘৃণা বিয়পাই তাক আইনী ৰূপ দিবলৈও চেষ্টা অব্যাহত ৰাখিছে।'

নন্দেশ্বৰ তালুকদাৰৰ জন্ম শতবৰ্ষ সামৰণি অনুষ্ঠানৰ অন্যতম বক্তাৰূপে উপস্থিত থাকি ড° হীৰেন গোহাঁয়ে কয় যে সমাজত এতিয়া অদ্ভুত বিশৃংখলতা, মাৰা-কাটা, হত্যা, ধৰ্ষণ এতিয়া নিত্য নৈমিত্তিক ঘটনা। সাম্প্ৰতিক ৰাজনৈতিক বাতাবৰণত মানুহৰ জীৱনৰ নিৰাপত্তা নাই বুলি উদ্বেগ প্ৰকাশ কৰি গোহাঁয়ে কয় যে যি সময়ত স্বয়ং মানুহে জীৱন জীৱিকাৰ নিৰাপত্তাৰ কাৰণে হাবাথুৰি খাবলগীয়া হৈছে, এই সময়ত চৰকাৰে গৰুৰ নিৰাপত্তাৰ কাৰণে আইন প্ৰণয়ন কৰিছে। এনেকুৱা এখন চৰকাৰে কেনেকৈ ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক দেশক শাসন কৰিব পাৰিছে, এয়া বিচাৰ্যৰ বিষয় বুলিও তেওঁ কয়।

এতিয়া পুঁজিপতিৰ নিৰ্দেশনাত এচাম নেতাই সাধাৰণ জনতাৰ ওপৰত ভয়ংকৰ ষড়যন্ত্ৰত লিপ্ত হৈছে আৰু তাতে ক্ষান্ত নাথাকি সৰ্বসাধাৰণৰ ওপৰত অকথ্য নিৰ্যাতন চলাবলৈ আৰম্ভ কৰিছে বুলি ক্ষোভ প্ৰকাশ কৰি ড° গোহাঁয়ে কয়, 'বৰ্তমান চৰকাৰৰ নেতাসকলক বিজ্ঞাপনৰ দ্বাৰা জনতাৰ মাজত এনেকৈ উজলাই দিয়া হয় যেন তেওঁলোক নেতা নহয় দেৱতাহে। অৱশ্যে দেৱতাৰ ভাও জোৱাতো পাকৈত সেই নেতাসকল। কেতিয়াবা ৰাইজৰ মংগলৰ স্বাৰ্থত কেমেৰাৰ আগতে তপস্যাও কৰা দেখা যায়।' বিজেপিৰ মন্ত্ৰী-বিধায়কসকলৰ কথা আৰু কামৰ মাজত বহু প্ৰভেদ থকা বুলি মন্তব্য কৰি ড° গোহাঁয়ে কয় যে যেতিয়াৰ পৰাই আত্মনিৰ্ভৰ ভাৰতৰ প্ৰচাৰ তীব্ৰ গতিত চলিল, তেতিয়াৰ পৰাই নিৰন্তৰভাৱে ৰাজহুৱা সম্পদ বিক্ৰী কৰি ক্ষন্তেকিয়া ধন ঘটাৰ লগতে বিদেশী ঋণৰ ধাৰত ডুব গৈ চিৰ জীৱনৰ কাৰণে পৰনিৰ্ভৰশীল হোৱাৰ প্ৰকোপ বাঢ়িল। কেন্দ্ৰীয় চৰকাৰে নিষ্ঠুৰতাৰ চৰম সীমা অতিক্ৰম কৰি এতিয়া জনতাৰ খাদ্য, স্বাস্থ্য, জীয়াই থকাৰ অধিকাৰ, বাক স্বাধীনতা, চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সমবেত হোৱা স্বাধীনতা আদি সকলোবোৰ অপহৰণ কৰিছে বুলিও তেওঁ কয়। চৰকাৰৰ এনে নিষ্ঠুৰতাৰ বিৰুদ্ধে যুদ্ধ নকৰিলে মানুহ হিচাপে জীয়াই থকাৰ ন্যূনতম অধিকাৰো নাথাকিব বুলি অভিমত ব্যক্ত কৰি গোহাঁয়ে কয়, 'আমি ভাৰতীয়ৰূপে নহয়, প্ৰথম মানুহৰূপে চৰকাৰৰ এনে অপশাসনৰ বিৰুদ্ধে যুঁজিব লাগিব।'

দেশৰ চাৰিওফালে এতিয়া পুঁজিপতি গৌতম আদানি আৰু মুকেশ আম্বানীৰ প্ৰভুত্ব চলিছে বুলি দাবী কৰি তেওঁ কয় যে আদানিয়ে অসমীয়াৰ চোতালতে থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠ নিলে, কোন মুহূৰ্তত অসমীয়াৰ বৰঘৰত প্ৰৱেশ কৰে ঠিকনা নাই।

শেহতীয়াকৈ অসম চৰকাৰে জাতি-মাটি-ভেটি ৰক্ষাৰ নামত ১২৬টা সমষ্টিতে ইংৰাজী মাধ্যমৰ স্কুল স্থাপন কৰিবলৈ গৈ অসমীয়া ভাষা-সংস্কৃতি নিঃশেষ কৰিবলৈ ষড়যন্ত্ৰ ৰচনা কৰিছে বুলি অভিযোগ কৰি ড° গোহাঁয়ে কয় যে চৰকাৰে পাৰে মানে সকলো ভাঙোন আনিবলৈ ষড়যন্ত্ৰত লিপ্ত হৈছে কিন্তু প্ৰতিগৰাকী অসমীয়াক বুজাবলৈ চেষ্টা কৰিছে যে এই সকলোবোৰ বাঙালীয়ে কৰি আছে। এনে ধৰণৰ নিকৃষ্ট ষড়যন্ত্ৰ বিজেপিৰ এক দেশ, এক ভাষা, এক ধৰ্ম নীতিৰ প্ৰতিফলন বুলিও তেওঁ কয়।

পৈশাচিক আচৰণেৰে দেশ চলোৱা, হত্যা, হিংসাত উচটনি দিয়া, নিজৰ ব্যৰ্থতা ঢাকিবলৈ মুছলমানক ঘৃণা কৰিবলৈ দেশক উদগনি জনোৱা চৰকাৰৰ পৰা কিবা সমস্যাৰ সমাধান হ'ব বুলি আশা কৰাটো মূৰ্খামিৰ বাহিৰে একো নহয় বুলি কটাক্ষ কৰি তেওঁ লগতে কয়, 'আজি সমগ্ৰ দেশ হেজাৰ সমস্যাৰে ভাৰাক্ৰান্ত। সমাধান বিচাৰিবলৈ হ'লে হিন্দু, মুছলমান, খ্ৰীষ্টান, অসমীয়া, বাঙালী, হিন্দীভাষী, জনজাতি সকলো মিলি ঐক্যবদ্ধভাৱে বিজেপিৰ অপশাসনৰ বিৰুদ্ধে গণ আন্দোলন কৰিব লাগিব।'

উল্লেখ্য যে আজিৰ অনুষ্ঠানত প্ৰাক্তন বিধায়ক তথা নন্দেশ্বৰ তালুকদাৰৰ জন্ম শতবৰ্ষ সামৰণি অনুষ্ঠান উদ্‌যাপন সমিতিৰ সভাপতি হেমেন দাস, চিপিআই (এম)ৰ অসম ৰাজ্যিক সমিতিৰ সম্পাদক দেৱেন ভট্টাচাৰ্য, চিপিআই (এম)ৰ কেন্দ্ৰীয় সমিতিৰ সদস্য সুপ্ৰকাশ তালুকদাৰ, বৰ্ষীয়ান বাওঁপন্থী নেতা উদ্ধৱ বৰ্মন, উদ্‌যাপন সমিতিৰ সম্পাদক ইছফাকুৰ ৰহমান আৰু বিশিষ্ট নিৱন্ধকাৰ অনন্ত কলিতা আৰু বিশিষ্ট সাংবাদিক হাইদৰ হুছেইনো উপস্থিত থাকে।

অগপক এৰিবলগীয়া ৱাৰ্ড

এক পৃষ্ঠাৰ পৰা বিজেপিয়ে নিৰ্বাচনী ক্ষেত্ৰত জঁপিয়াই পৰে। নিৰ্বাচনটোত এশ শতাংশ সফলতা অৰ্জনৰ লক্ষ্য দলটোৱে লৈছে; কিন্তু বাস্তৱত সেয়া সম্ভৱ নোহোৱাটো জিলাবোৰত নিয়োগ কৰা ভাৰপ্ৰাপ্তসকলৰ পৰা লাভ কৰিছে। তাৰ ফলতে অগপৰ লগত স্থানীয় পৰ্যায়ত মিত্ৰতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। চৰকাৰৰ সিদ্ধান্ত অনুসৰি নিৰ্বাচন অনুষ্ঠিত হ'লে মাজত মাত্ৰ এমাহহে বাকী আছে। সেয়েহে বিজেপিয়ে নিজে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া ৱাৰ্ডবোৰ বাছনি কৰি সেইবোৰত সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰিব বিচাৰিছে। তাৰ বাবেই অনিশ্চয়তাত থকাতকৈ বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱৰা ৱাৰ্ডবোৰৰ বাছনি চূড়ান্ত কৰাত ৰাজ্যিক নেতৃত্বই গুৰুত্ব দিছে। এৰি দিবলগীয়া ৱাৰ্ডৰ লগতে ক'ৰবাত বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা কৰা হ'ব নেকি সেয়াও নিশ্চিত কৰিবলৈ জিলাৰ নেতৃবৰ্গক ৰাজ্যিক বিজেপিৰ নেতৃবৃন্দই নিৰ্দেশ দিছে।

তিনিমাহ সম্পূৰ্ণ চাৰি স্বায়ত্তশাসিত

এক পৃষ্ঠাৰ পৰা হামিয়াই-হিকটিয়াই থাকিবলগীয়া হোৱা বুলি সদৰী কৰে পৰিষদৰ সূত্ৰই। লগতে সূত্ৰটোৱে কয় যে পৰিষদ গঠনৰ সময়ত স্বয়ং মুখ্যমন্ত্ৰীয়ে কাৰ্যবাহী সদস্যসকলক শীঘ্ৰে উন্নয়নমূলক আঁচনিৰ প্ৰস্তাৱ দাখিল কৰিবলৈ কৈছিল। সেই মতে প্ৰস্তাৱো দাখিল হয়। উদাহৰণ স্বৰূপে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ পৰা ২৮ কোটি টকাৰ প্ৰস্তাৱ দাখিল কৰা হয়। কিন্তু এক কোটিৰ লগতে প্ৰস্তাৱৰ ধনো চৰকাৰৰ বিবেচনাৰ আওতাত নোসোমাল। সেয়েহে প্ৰয়োজনীয় পুঁজি চৰকাৰক মোকলাই দিবলৈ জনগোষ্ঠীকেইটাৰ বিভিন্ন সংগঠনে চৰকাৰক দাবী জনাইছে।

প্ৰসংগক্ৰমে উল্লেখ্য যে সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ আজি অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাতো কমতাপুৰ স্বায়ত্তশাসিত পৰিষদক প্ৰয়োজনীয় পুঁজি চৰকাৰক মোকলাই দিবলৈ অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। জনগোষ্ঠীটোৰ বিকাশৰ বাবে উন্নয়নমূলক কাম-কাজ কৰিব পৰাকৈ পুঁজি মোকলোৱা প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ সভাই চৰকাৰক আহ্বান জনায়। অথচ সংশ্লিষ্ট জনগোষ্ঠীকেইটাৰ উন্নয়নৰ লক্ষ্যৰে শেহতীয়া পৰিষদকেইখন গঠন কৰা হৈছিল।

ডিব্ৰুগড়ৰ পাঁচ আছু নেতাক

এক পৃষ্ঠাৰ পৰা নিক্ষেপ কৰে। আনহাতে, ডিব্ৰুগড়ত আছুকৰ্মীৰ ওপৰত আৰক্ষীৰ অত্যাচাৰৰ প্ৰতিবাদত ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই আহ্বান জনোৱা ২৪ ঘণ্টীয়া ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা বন্ধ কাৰ্যসূচী আজি সৰ্বাত্মক হয়।

পুৱা পাঁচ বজাৰ পৰা আহ্বান জনোৱা ২৪ ঘণ্টীয়া ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা বন্ধৰ সময়ছোৱাত ডিব্ৰুগড় জিলাৰ দূৰণিবটীয়া যাত্ৰীবাহী যান-বাহন চলাচল সম্পূৰ্ণৰূপে বন্ধ থকাৰ লগতে চহৰখনৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ থাকে। বন্ধৰ সময়ছোৱাত ক'তো অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱা নাই যদিও বিভিন্ন স্থানত আৰক্ষীয়ে আটক কৰে বন্ধ সমৰ্থনকাৰী আছুৰ কৰ্মীসকলক। আনহাতে, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ ছহিদ ন্যাস ভৱনত পুৱাৰে পৰা বিশাল আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱান নিশালৈকে নিয়োজিত কৰি ৰাখি কোনো লোককেই ছহিদ ন্যাসত প্ৰৱেশ কৰিবলৈ দিয়া নাছিল আৰক্ষীয়ে। ছহিদ ন্যাসৰ চৌপাশে পুৱাৰে পৰা নিশালৈ বিশাল আৰক্ষী বাহিনী নিয়োজিত কৰা কাৰ্যক লৈও আৰক্ষী প্ৰশাসনৰ স'তে আছু নেতা-কৰ্মীৰ বহু বাক-বিতণ্ডাৰ সৃষ্টি হয়, যদিও বাতৰি লিখাৰ পৰলৈকে অৰ্ধসামৰিক বাহিনী আঁতৰ কৰা পৰিলক্ষিত হোৱা নাই। উল্লেখ্য যে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তেজনা আজিও অব্যাহত আছে ডিব্ৰুগড়ত। ডিব্ৰু মহাবিদ্যালয়ত যোৱা শুকুৰবাৰে অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফলৰ পিছতে সন্ধিয়া কলেজ চৌহদত দুটা ছাত্ৰগোটৰ মাজত তুমুল সংঘৰ্ষ হয়। এই সংঘৰ্ষত পাঁচজন ছাত্ৰ আহত হয় আৰু তাৰে চাৰিজনক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত তাৎক্ষণিকভাৱে ভৰ্তি কৰোৱা হৈছিল। প্ৰাপ্ত তথ্য অনুসৰি, সদৌ অসম ছাত্ৰ সন্থা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ আৰু অসম ছাত্ৰ পৰিষদৰ মাজত সংঘটিত এই সংঘৰ্ষত ভালেকেইজন ছাত্ৰ আহত হৈছিল। ইয়াৰ ভিতৰত ৰাজা গগৈ, কৌশিক সোণোৱাল, দেৱৰাজ দেউৰী, তনুজ শালৈ, বিতোপন দিহিংগীয়া গুৰুতৰভাৱে আহত হয়। ছাত্ৰ একতা সভাৰ নিৰ্বাচনক লৈ সৃষ্টি হোৱা এই সংঘৰ্ষৰ পৰৱৰ্তী সময়ত আছুৰ বিষয়ববীয়াক প্ৰহাৰ কৰাৰ প্ৰতি অভিযোগত জ্যোতিস্মান গগৈ নামৰ এজন যুৱকক প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত কৰে একাংশ আছুনেতাই। আনহাতে, এই ঘটনাৰ পাছতেই ডিব্ৰুগড় আৰক্ষীয়ে ডিব্ৰুগড় আছুৰ ছহিদ ন্যাসত উপস্থিত হৈ সেই সময়ত ন্যাস ভৱনত উপস্থিত থকা আছুকৰ্মী আৰু বিষয়ববীয়াসকলক উপৰ্যুপৰি প্ৰহাৰ কৰি ১৫জন ছাত্ৰক আটক কৰি নিয়ে। এখন মহাবিদ্যালয়ৰ নিৰ্বাচনকেন্দ্ৰিক সংঘাতৰ পাছতেই সম্পূৰ্ণ পক্ষপাতমূলক আচৰণ দেখুৱাই ডিব্ৰুগড় আৰক্ষীয়ে আছুকৰ্মীৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলোৱা ঘটনাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে সদৌ অসম ছাত্ৰ সন্থা। ৰাজনৈতিক উদ্দেশ্যত ব্যৱহৃত হৈয়েই ডিব্ৰুগড় আৰক্ষীয়ে নিজৰ পোছাকত কালিমা সনাৰ অভিযোগ উত্থাপিত কৰিছে ছাত্ৰ সন্থাই। আছুৱে অভিযোগ কৰে যে মহাবিদ্যালয়ৰ নিৰ্বাচনকেন্দ্ৰিক সংঘাতত চৰকাৰৰ অংশীদাৰ দল এটাৰ ছাত্ৰ সংগঠনে আছুকৰ্মীক চোকা অস্ত্ৰৰে প্ৰহাৰ কৰিছিল ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ঠিক পাছতেই। ফলত আছুকৰ্মীয়ে মূৰত ঘাপ পৰি চিকিৎসাধীন হ'বলগীয়া হৈছিল। উপায়ন্তৰ হৈ আছুৱে প্ৰথমে আইনৰ কাষ চপাত আৰক্ষীয়ে প্ৰথমে ৰাজনৈতিক দলৰ ছাত্ৰ সংগঠনটোৰ অভিযুক্ত নেতাক আটক কৰিছিল যদিও ২৪ ঘন্টা নৌহওঁতেই আৰক্ষীয়ে মুকলি কৰি দিয়া বুলি অভিযোগ কৰে আছুৱে। আছুৱে লগতে অভিযোগ কৰে যে সন্ত্ৰাসবাদী ধৰিবলৈ যোৱাৰ দৰে আৰক্ষীয়ে ডিব্ৰুগড়ৰ ছহিদ ভৱনত অতৰ্কিতে প্ৰৱেশ কৰি সেই সময়ত উপস্থিত থকা নিৰীহ আছুকৰ্মীসকলক বেয়াকৈ মাৰধৰ কৰাৰ লগতে তেওঁলোকৰ বাহন জব্দ কৰিছিল। আৰক্ষীৰ এই কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হৈ আজি আহ্বান দিয়া বন্ধ কাৰ্যসূচী স্বতঃস্ফূৰ্ত হোৱা বুলি আছুৱে দাবী কৰে।

ইপিনে, আছুৰ এই বন্ধ কাৰ্যসূচী সমৰ্থন কৰি অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে আৰক্ষীৰ ভূমিকাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। অসম জাতীয় পৰিষদে আজি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা বন্ধৰ সমৰ্থন কৰে। ডিব্ৰুগড়ৰ অভিভাৱক মন্ত্ৰী অতুল বৰাৰ নিৰ্দেশত ডিব্ৰুগড় আৰক্ষী প্ৰশাসনে প্ৰতিবাদী কণ্ঠক ডিঙি চেপি হত্যা কৰিব বিচাৰিছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গগৈয়ে এই কাৰ্যত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৌনভাৱে সমৰ্থন কৰা বুলিও অভিযোগ কৰে। আনহাতে, ডিব্ৰুগড় জিলাৰ আৰক্ষীয়েও পক্ষপাতমূলকভাৱে বিচাৰ কৰি শাসকীয় পক্ষৰ আঙুলি মূৰত নাচিছে বুলি আৰক্ষী ভূমিকাক কঠোৰ ভাষাৰে সমালোচনা কৰে অজাপৰ সভাপতিজনে।

উল্লেখ্য যে আৰক্ষীৰ কঠোৰ নিৰাপত্তাৰ মাজতে আজি বিয়লি চৌকিডিঙী চাৰিআলিত ডিব্ৰুগড়ৰ অভিভাৱক মন্ত্ৰী তথা অগপৰ সভাপতি বৰাৰ প্ৰতিমূৰ্তি দাহ কৰাৰ লগতে ব্যাপক ধৰ্ণা আৰু প্ৰতিবাদী শ্ল'গান দিয়ে আছু নেতা-কৰ্মীসকলে।

আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰক সুবোধ বিশ্বাস আখ্যা আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ

আজি ডিব্ৰুগড় ছহিদ ন্যাসত এক সংবাদমেলত আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই কয়, 'ছাত্ৰ সন্থা আৰু এক ৰাজনৈতিক দলৰ ভ্ৰাতৃ সংগঠনৰ মাজত ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত দুই পক্ষৰ মাজত সংঘাত হৈছিল। কালি ছহিদ ন্যাসত এক আলোচনাত মিলিত হৈ থকা সময়তে আৰক্ষীয়ে অত্যাচাৰ কৰে। শ্বেতাংগ মিশ্ৰৰ নেতৃত্বত অহা দলটোৱে ছাত্ৰ সন্থাৰ কৰ্মীসকলক গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰে। ছহিদ বেদীত জোতা পিন্ধি উঠি গচকি ছহিদক অপমান কৰে। জাতীয় ছহিদক অপমান কৰি দ্বিতীয় সুবোধ বিশ্বাসত পৰিণত হ'ল ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰ।' সাধাৰণ সম্পাদজনে লগতে অভিযোগ কৰে যে অসমীয়া জাতিৰ স্বাভিমান জাতীয় ছহিদক অপমান কৰি আৰক্ষী অধীক্ষকজনে অসমীয়া জাতীয় স্বাভিমানত আঘাত কৰিছে। আৰক্ষী অধীক্ষকজনে অশ্লীল শব্দ প্ৰয়োগ কৰি জাতিগত কথাৰেও গালি-গালাজ কৰিছিল বুলি অভিযোগ কৰি বৰুৱাই লগতে কয় যে ডিব্ৰুগড় আৰক্ষীয়ে অভিভাৱক মন্ত্ৰী বৰাৰ কথামতেই এনেদৰে কৰা বুলি মন্তব্য কৰে। আছুৱে ন্যায় নাপালে ক্ষান্ত নাথাকে বুলি সকীয়াই দি আছুৰ সাধাৰণ সম্পাদকজনে লগতে কয়, 'মহাবিদ্যালয়ৰ দুটা গোটৰ মাজত সংঘটিত হোৱা দ্বন্দ্বক আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিব নোৱাৰি ছাত্ৰ সন্থাৰ কৰ্মীসকলক অকথ্য নিৰ্যাতন কৰে। অসমলৈ আহি আইপিএছ বিষয়াজনে প্ৰথমে জাতীয় ছহিদক জানি লোৱা উচিত।' বৰুৱাই লগতে অভিযোগ কৰে যে আটক কৰা আছুনেতা কেইজনক আৰক্ষীয়ে নিশা ১২ বজা পৰ্যন্ত পানী এটুপিও খাবলৈ দিয়া নাছিল। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰাক্তন কৰ্মকৰ্তাৰূপে আৰক্ষী অধীক্ষক মিশ্ৰই একপক্ষীয়ভাৱে আছুৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰাৰ লগতে ছহিদক অপমান কৰা বুলি অভিযোগ কৰি বৰুৱাই লগতে আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে উচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়। এই ঘটনাৰ প্ৰতিবাদত আছুৱে এলানি আন্দোলনৰ কাৰ্যসূচীও ঘোষণা কৰে। অহা ২৮ ডিচেম্বৰত মূৰত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ, ২৯ ডিচেম্বৰত ৰাজ্যজুৰি বিক্ষোভ, ৩১ ডিচেম্বৰত ডিব্ৰুগড় সদৰত ৩০ ঘন্টীয়া অনশন, তিনি জানুৱাৰীত অভিভাৱক মন্ত্ৰী বৰা আৰু আৰক্ষী অধীক্ষক মিশ্ৰৰ পুত্তলিকা ওলমোৱা, চাৰি জানুৱাৰীত দুলীয়াজানত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ, পাঁচ জানুৱাৰীত আঞ্চলিক ছাত্ৰ সন্থাই ৰাজহুৱা স্থানত এশ ক'লা পতাকা উৰুৱাই পতাকা প্ৰতিবাদ সাব্যস্ত কৰা, সাত জানুৱাৰীত মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ কৰা, ন জানুৱাৰীত চাইকেল ৰেলীৰে প্ৰতিবাদ, ১১ জানুৱাৰীত সত্যাগ্ৰহ কাৰ্যসূচী আৰু ১৩ জানুৱাৰীত জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি বৰুৱাই সংবাদমেলত কয়।

আফস্পা প্ৰত্যাহাৰৰ বাবে পেনেল গঠন

এক পৃষ্ঠাৰ পৰা আজি মুখ্যমন্ত্ৰী ৰিঅ'ৱে টুইটাৰত কয় যে যোৱা ২৩ ডিচেম্বৰত নতুন দিল্লীত গৃহমন্ত্ৰী শ্বাহৰ অধ্যক্ষতাত সম্পন্ন হোৱা বৈঠকৰ বিষয়ে সংবাদ মাধ্যমক সদৰী কৰিছে। ২৩ ডিচেম্বৰৰ উক্ত বৈঠকত দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত উপস্থিত আছিল ৰিঅ'ৰ উপৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৰাই পট্টন আৰু এনপিএফএলপিৰ নেতা টি আৰ জেৰিয়ান। টুইটাৰত এই সম্পৰ্কীয় বিবৃতিত নগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে কয় যে নগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে কমিটী গঠনৰ বিষয়ে উল্লেখ কৰাৰ বিষয়ে কয় যে এই কমিটীখনৰ অধ্যক্ষ হ'ব কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দায়িত্বৰত অতিৰিক্ত সচিব। তদুপৰি এই কমিটীত থাকিব নগালেণ্ডৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধান। আন সদস্যসকলৰ ভিতৰত থাকিব আৰজিএআৰ (এন)ৰ সদস্য তথা চিআৰপিৰ প্ৰতিনিধি। অহা ৪৫ দিনৰ ভিতৰত কমিটীয়ে প্ৰতিবেদন দাখিল কৰিব। কমিটীৰ অনুমোদনৰ ওপৰত নিৰ্ভৰ কৰিব নগালেণ্ডৰ পৰা অশান্তিপূৰ্ণ অঞ্চল আৰু আফস্পা প্ৰত্যাহাৰৰ বিষয়টো। বিবৃতিটোত তেওঁ লগতে কয় যে এক অনুসন্ধান আদালতে সেনা ইউনিট আৰু সেনা জোৱানৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব। অটিঙৰ ঘটনাৰ স'তে যিসকল প্ৰত্যক্ষভাৱে জড়িত তেওঁলোকৰ বিৰুদ্ধে এই পদক্ষেপ লোৱা হ'ব। এক স্বচ্ছ তদন্তৰ ভিত্তিত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও বিবৃতিত কোৱা হৈছে। তদন্তৰ আওতালৈ অহাসকলক তাৎক্ষণিকভাৱে নিলম্বন কৰা হ'ব।

নগালেণ্ডৰ মুখ্যমন্ত্ৰীজনে তদুপৰি কয় যে ঘটনাত নিহতৰ আত্মীয়ক চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব। এই প্ৰক্ৰিয়া আৰম্ভ কৰিব জিলা উপায়ুক্ত আৰু মন জিলাৰ আৰক্ষী অধীক্ষকে। সংশ্লিষ্ট গাঁও পৰিষদৰ স'তে আলোচনাৰ অন্তত তেওঁলোকে প্ৰয়োজনীয় প্ৰক্ৰিয়া আৰম্ভ কৰিব। অৰ্হতাৰ ভিত্তিত অনুকম্পামূলকভাৱে চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব। এই বিষয়টো অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰা বাবে তেওঁ গৃহমন্ত্ৰী শ্বাহক ধন্যবাদ জনায়। উল্লেখ্য যে বিগত সপ্তাহত নগালেণ্ডৰ বিধানসভাই উত্তৰ-পূৰ্বাঞ্চল বিশেষকৈ ৰাজ্যখনৰ পৰা আফস্পা প্ৰত্যাহাৰৰ বাবে দাবী উত্থাপন কৰি ঐক্যমতত প্ৰস্তাৱ গ্ৰহণ কৰে।

জন্মদিনৰ প্ৰাক্‌ক্ষণত নিজৰ ফাৰ্ম হাউছতে

এক পৃষ্ঠাৰ পৰা নামেৰে অনুৰাগীৰ মাজত জনপ্ৰিয় নায়কজন। সম্প্ৰতি তেওঁ পানভেলৰ পামঘৰত সুস্থভাৱে বিশ্ৰামত থকা বুলি পৰিয়ালৰ সূত্ৰই জনাইছে।

উল্লেখ্য যে কাইলৈ ৫৬ বছৰত ভৰি দিব ছলমানে। যোৱা নিশা ছলমানে পৰিয়াল তথা একাংশ বন্ধুৰ স'তে নিজৰ পানভেলস্থিত পামঘৰত বৰদিন উদ্‌যাপন কৰে। সেই উপলক্ষে তেওঁ পামঘৰৰ চৌহদতে বন্ধু-বৰ্গৰ স'তে নিশা আড্ডাত ব্যস্ত হৈ আছিল। পুৱতি নিশা প্ৰায় তিনি বজাত হঠাৎ ছলমানে হাতত বিষ অনুভৱ কৰে। তেতিয়াই এজন বন্ধুৱে ছলমানৰ কাষৰ পৰা এডাল সাপে বগাই যোৱা প্ৰত্যক্ষ কৰে। লগে লগে হুৰাদুৰা লাগে আৰু ততাতৈয়াকৈ নায়কজনক নৱি মুম্বাইৰ এখন হাস্পতাললৈ নিয়া হয়। প্ৰাথমিক চিকিৎসাৰ অন্তত তেওঁৰ অৱস্থা স্থিতিশীল হোৱা বুলি চিকিৎসালয় সূত্ৰই সদৰী কৰে। দংশন কৰা সাপডাল বিষধৰ নাছিল বুলি চিকিৎসকে অৱগত কৰে। তথাপি প্ৰায় ছয়-সাত ঘণ্টা নিৰীক্ষণত ৰখাৰ পাছত ছলমানক হাস্পতালৰ পৰা মুকলি কৰি দিয়া হয়।

ঘটনাৰ বিষয়ে সদৰী কৰি ছলমানৰ এজন বন্ধুৱে সংবাদ মাধ্যমৰ আগত কয়, 'সাপডালৰ বিষ নাছিল, সেয়ে ছলমান সম্প্ৰতি বিপদমুক্ত। সম্প্ৰতি তেওঁ পানভেলৰ পামঘৰলৈ উভতি গৈছে আৰু বিশ্ৰাম লৈছে।' আনহাতে, ছলমানৰ পিতৃ তথা প্ৰথিতযশা চিত্ৰনাট্যকাৰ ছেলিম খানেও কয় যে এতিয়া দুশ্চিন্তাৰ মেঘ পৰিয়ালৰ পৰা আঁতৰিছে। খানে কয়, 'যেতিয়া ঘটনাটো ঘটিল, আমি সকলোৱেই চিন্তাত পৰিছিলো। ছলমানক ততাতৈয়াকৈ বেজি দিয়াৰ বাবে হাস্পতাললৈ নিয়া হয়। এই ক্ষেত্ৰত সেইটোৱেই জৰুৰী আছিল। ভাগ্যে সাপডালৰ বিষ নাছিল।' ছলমানক দংশন কৰা সাপডাল উদ্ধাৰ কৰি পামঘৰৰ পৰা নিৰাপদ দূৰত্বৰ এক জংঘলত এৰি দিয়া বুলিও খানে সদৰী কৰে। উল্লেখ্য যে পৰিয়াল আৰু ঘনিষ্ঠ বন্ধু-বান্ধৱৰ স'তে ছলমানে পামঘৰতে নিজৰ ৫৬ বছৰীয়া জন্মদিন পালন কৰাৰ কথা আছিল। সম্প্ৰতি তেওঁ পামঘৰতে আছে যদিও কাইলৈৰ জন্মদিন উদ্‌যাপনৰ বিষয়টো সম্প্ৰতি অনিশ্চিত হৈ পৰিছে।

নিয়তিৰ ওচৰত হাৰ মানিলে মডাৰ্ণ স্কুলৰ

এক পৃষ্ঠাৰ পৰা জঁপিয়াই আত্মহত্যাৰ অপচেষ্টা চলাইছিল ছাত্ৰীগৰাকীয়ে। ইয়াৰ পাছতেই ততালিকে জিনজিৰীক স্কুল কৰ্তৃপক্ষই অত্যন্ত সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰায়। এনিশা আই চি ইউৰ বিছনাত মৃত্যুৰ স'তে যুঁজি চিৰদিনৰ বাবে চকু মুদে ছাত্ৰীগৰাকীয়ে। ছাত্ৰীগৰাকীৰ মৃত্যুৰ পাছতেই আজি পুৱাৰে পৰা স্কুল চৌহদত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিভাৱক তথা স্থানীয় ৰাইজে বিদ্যালয়খনৰ অধ্যক্ষা জোনালী দাসৰ ঘৰ ঘেৰাও কৰাৰ লগতে শীঘ্ৰে তেওঁক গ্ৰেপ্তাৰৰ দাবী জনাই বিদ্যালয়ৰ গেটত তলা লগাই দিয়ে। উত্তেজিত ৰাইজে অধ্যক্ষা তথা ছাত্ৰীগৰাকীৰ প্ৰেমিকৰ পিতৃৰ বিৰুদ্ধে জিনজিৰীৰ ওপৰত মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰে। বিগত প্ৰায় ডেৰ মাহ মানৰ পৰা ছাত্ৰীগৰাকী মানসিক চাপত ভুগি থকা বুলিও কোনো কোনোৱে উল্লেখ কৰে। যাৰ বাবে তেওঁ আত্মহত্যাৰ দৰে চৰম পন্থা ল'বলৈ বাধ্য হ'ল। ৰাইজে ইয়াৰ আঁৰৰ ৰহস্য উদ্‌ঘাটন কৰি শীঘ্ৰে দোষীক কৰায়ত্ত কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনায়। উল্লেখ্য, উত্তেজিত ৰাইজে ২০১৪তো এই বিদ্যালয়খনৰ অধ্যক্ষাৰ নিৰ্যাতনৰ বলি হৈ এগৰাকী ছাত্ৰীয়ে আত্মহত্যাৰ পথ বাছি লোৱা বুলি অভিযোগ উত্থাপন কৰে। ঘটনা সন্দৰ্ভত ইতিমধ্যে ছাত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে দিছপুৰ আৰক্ষী থানাত অধ্যক্ষাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। এজাহাৰত ছাত্ৰীগৰাকীৰ পিতৃ অনন্ত দেউৰীয়ে কন্যা জিনজিৰীৰ ওপৰত বিদ্যালয়ৰ অধ্যক্ষাই মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ কৰে। তেওঁ স্কুল কৰ্তৃপক্ষৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি ঘটনাৰ উচিত তদন্তৰ দাবী জনায়। পিতৃৰ এজাহাৰৰ ভিত্তিত দিছপুৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১১৬ নম্বৰ ধাৰাৰ অধীনত ৩০৬ নম্বৰত এক গোচৰ ৰুজু কৰে। আৰক্ষীয়ে জনোৱা অনুসৰি অধ্যক্ষা জোনালী দাস বৰ্তমান পলাতক। উল্লেখ্য, মৃত ছাত্ৰীগৰাকীৰ পৰা উদ্ধাৰ হোৱা চুইচাইড নোটত ছাত্ৰীগৰাকীয়ে এজন আৰক্ষী বিষয়াৰ পুত্ৰৰ নাম উল্লেখ কৰিছে; কিন্তু এই সন্দৰ্ভত এতিয়াও মুখ খোলা নাই দিছপুৰ আৰক্ষীয়ে। এনে পৰিস্থিতিত তদন্ত প্ৰক্ৰিয়া কেনেধৰণে আগবাঢ়িব তাক লৈ এতিয়া প্ৰশ্ন উত্থাপিত হৈছে।

ইফালে, ছাত্ৰীগৰাকীৰ মৃত্যুক লৈ সৰৱ হৈছে সদৌ অসম দেউৰী ছাত্ৰ সন্থা। সন্থাৰ সভাপতি-সাধাৰণ সম্পাদক ক্ৰমে ৰাজীৱ প্ৰসাদ দেউৰী আৰু জ্যোতি প্ৰসাদ দেউৰীয়ে এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ দাবী কৰাৰ লগতে দোষীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ দাবী জনায়। লগতে ছাত্ৰীগৰাকীৰ পৰিয়ালক অধ্যক্ষাই উচিত ক্ষতিপূৰণ দিয়াৰো দাবী তোলে ।

অসমত আঞ্চলিক দলৰ ভৱিষ্যৎ

এক পৃষ্ঠাৰ পৰা নিৰ্বাচন অথবা কোনো গুৰুত্বপূৰ্ণ ৰাজ্যত নিৰ্বাচনৰ সময়তহে এনে ধৰণৰ তৎপৰতা পৰিলক্ষিত হৈছিল। বিজেপিৰ ব্যাপক সাংগঠনিক কাৰ্যসূচীয়ে প্ৰতিদিনেই যেন দলীয় কৰ্মীসকলক নিৰ্বাচনৰ বাবে সাজু কৰিছে, সম্প্ৰতি তেনে পৰিৱেশ পৰিলক্ষিত হয়। এনে ধৰণৰ সক্ৰিয়তা আন অধিকাংশ দলেই প্ৰদৰ্শন কৰিব পৰা নাই আৰু তাৰ ফলস্বৰূপে বিজেপিৰ প্ৰত্যাহ্বানৰ মোকাবিলাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। বিজেপিৰ প্ৰতিটো সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ হৈ অহা কংগ্ৰেছৰ দৰে শতিকা পুৰণি তথা সৰ্বাধিক কাল দেশ শাসন কৰা দলো দিনে দিনে অধিক নিষ্ক্ৰিয় হৈ পৰাহে পৰিলক্ষিত হৈছে। আন আন দলবোৰৰ ক্ষেত্ৰতো একেই ছবি। এই বিষয়ে বহুতেই জ্ঞাত যে ২০১৪ৰ লোকসভাৰ নিৰ্বাচনত জয়লাভৰ পাছতে মোদী-শ্বাহ যুটিয়ে পৰৱৰ্তী ২০১৯ৰ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছিল আৰু সুনিয়োজিত কৌশল প্ৰয়োগ কৰি একেৰাহে দ্বিতীয়বাৰলৈ বিপুল জয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। ৰাজ্যসমূহৰ ক্ষেত্ৰতো বিজেপিয়ে একে ৰণনীতিয়ে গ্ৰহণ কৰি আহিছে আৰু তাৰ সুফলো লাভ কৰিছে। এটাৰ পাছত আনটো নিৰ্বাচনলৈ এনে তৎপৰতাৰ পৰিপ্ৰেক্ষিততে সম্প্ৰতি দেশখন প্ৰতিদিনেই 'নিৰ্বাচনী মোড'ত থকা যেন অনুভৱ হয়। বিজেপিৰ প্ৰতিজন মন্ত্ৰী-সাংসদ-বিধায়ক তথা দলীয় বিষয়ববীয়াক সক্ৰিয় কৰি ৰখাৰ উদ্দেশ্যে দলে অভূতপূৰ্বভাৱে বিভিন্ন কাৰ্যসূচী ধাৰাবাহিকভাৱে ৰূপায়ণ কৰি আহিছে। দলীয় পৰ্যায়ত এনে নিৰ্বাচনমুখী তৎপৰতাই অৱশ্যে চৰকাৰী কাম-কাজতো বিৰূপ প্ৰভাৱ নেপেলোৱাকৈ থকা নাই।

অবৈধ বিদেশী বহিষ্কাৰৰ লক্ষ্যৰে আৰম্ভ হোৱা ছবছৰীয়া আন্দোলনে অসমত আঞ্চলিকতাবাদী ধ্যান-ধাৰণা শক্তিশালী কৰি তুলিছিল। স্বাধীনতা আন্দোলনে প্ৰতিষ্ঠা কৰা কংগ্ৰেছৰ প্ৰতি সেই সময়ৰে পৰা অসমবাসীৰ মাজত আস্থাহীনতাৰ সৃষ্টি হৈছিল। আন্দোলনৰ ফচলৰূপে অসম গণ পৰিষদৰ গঠন হ'ল যদিও আন্দোলনটোৰ দৰেই ইও এক ব্যৰ্থতালৈ পৰ্যবসিত হ'ল। ১৯৮৫ত গঠিত অগপৰ এই ৩৬ বছৰীয়া কাৰ্যকাল অসমবাসীৰ চকুৰ সন্মুখত স্পষ্ট হৈ আছে। যি বিপুল আশা-আকাংক্ষাৰে অসমবাসীয়ে অগপক হিয়া উজাৰি সহায়-সমৰ্থন দিছিল সেয়া দলৰ তেতিয়াৰ নেতৃত্বৰ হঠকাৰী কাৰ্যকলাপৰ বাবে ধূলিসাৎ হ'বলৈ অধিক সময়ৰ প্ৰয়োজন নহ'ল। ধন আৰু ক্ষমতাৰ লালসাত দলটো একাধিকবাৰ বিভাজিত হোৱাতেই ক্ষান্ত নাথাকি আঞ্চলিকতাবাদী ধ্যান-ধাৰণালৈকে প্ৰশ্নচিহ্ন নমাই আনিলে। দুবাৰকৈ ক্ষমতা লাভৰ পাছতো দলীয় নেতৃত্বৰ কৃতকৰ্মৰ বাবেই অগপ অসমৰ ৰাজনীতিৰ মানচিত্ৰৰ পৰাই বিলোপ হোৱাৰ উপক্ৰম হ'ল। শেষত যেনিবা ২০১৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছক ক্ষমতাৰ পৰা বিতাড়িত কৰাৰ স্বাৰ্থত বিজেপিয়ে অগপৰ স'তে মিত্ৰতাত উপনীত হৈ আঞ্চলিক দলটোক সঞ্জীৱনী দান কৰিলে। পূৰ্বৰ একাংশ নেতাৰ হেঁচা ওফৰাই অতুল বৰা-কেশৱ মহন্তৰ নেতৃত্বত বিজেপিৰ সহযোগীৰূপে অগপই পুনৰ দিছপুৰৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ সুযোগ লাভ কৰিলে। মৃত্যুমুখী অগপক ই নতুন জীৱন দানৰ কাম কৰিলে যদিও ভৱিষ্যতে বিজেপিৰ মিত্ৰতাই অগপক দীৰ্ঘস্থায়ী কৰিব বুলি আশা কৰিব নোৱাৰি। এই ক্ষেত্ৰত বিজেপিৰ নীতি স্পষ্ট— কংগ্ৰেছমুক্ত ভাৰতৰ বাবে বিভিন্ন ৰাজ্যত স্থানীয় তথা আঞ্চলিক দলৰ স'তে নিৰ্বাচনী বুজাবুজি কৰি যাব। ইয়াৰ দ্বাৰা বিজেপিয়ে নিজস্ব লক্ষ্য পূৰণৰহে কাম কৰিছে, স্বাভাৱিকতে স্থানীয় তথা আঞ্চলিক দলক শক্তিশালী কৰা ইয়াৰ উদ্দেশ্য নহয়। সেয়েহে একাধিক ৰাজ্যত নিজাববীয়াকৈ শক্তি আহৰণত সক্ষম হোৱাৰ পাছত বিজেপিয়ে এনে আঞ্চলিক সহযোগী দলক একাষৰীয়া কৰিছে অথবা সেই দলক গ্ৰাস কৰি নিজ দলত চামিল কৰিছে। সাম্প্ৰতিক পৰিস্থিতিত বিজেপিৰ বিশাল ক্ষমতা-শক্তি-সামৰ্থ্যলৈ চাই অগপৰ দৰে সীমিত শক্তি-সামৰ্থ্যৰ দলে ফেৰ মৰাটো সম্ভৱ নহয়। বৰঞ্চ বিজেপিৰ সহযোগী হৈ বৈতৰণী পাৰ হোৱাটোৱে সুবিধাজনক; কিন্তু প্ৰশ্ন হৈছে দলৰ ভৱিষ্যতকলৈহে। কিয়নো এই কথা ইতিমধ্যে স্পষ্ট হৈছে যে মিত্ৰতাপাশত আৱদ্ধ হ'লেও বিগত কালছোৱাত সকলো সিদ্ধান্ত গ্ৰহণ কৰি আহিছে বিজেপিয়ে। সহযোগী দল হিচাপে তাত হয়ভৰ দি আগবাঢ়ি যোৱাৰ বাহিৰে অগপৰ সন্মুখত আন বিকল্প নাই। অসমৰ ৰাইজে গঠন কৰি দিয়া অগপক শক্তিশালী কৰাৰ ক্ষেত্ৰত দলীয় নেতৃত্বই বিগত কালছোৱাত কোনো প্ৰচেষ্টাই হাতত নল'লে; বৰঞ্চ নিজৰ মাজতে ক্ষমতাৰ যুঁজত ব্যস্ত হৈ তিলতিলকৈ দলক ধ্বংসৰ মুখলৈ ঠেলি দিলে। অসম আঞ্চলিকতাবাদী ৰাজনীতিৰ বাবে সাৰুৱা ক্ষেত্ৰৰূপে বিবেচিত হৈ আহিছে। কেৱল ৰাইজৰ স'তে মিলি দলক আগবঢ়াই নিয়াৰ প্ৰয়োজন আছিল; কিন্তু আৰম্ভণি আৰু মধ্যভাগত নেতৃত্বই এই ক্ষেত্ৰত তৎপৰ নোহোৱা হেতুকে পৰৱৰ্তী পৰ্যায়ত ইয়াৰ ফল ভোগ কৰিবলগীয়া হয়। অৱশ্যে অতুল বৰা আৰু কেশৱ মহন্তৰ নেতৃত্বত অগপই হেৰুওৱা ভেটি পুনৰ উদ্ধাৰৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। চুবুৰীয়া পশ্চিমবংগৰ উপৰি দাক্ষিণাত্যৰ তামিলনাডু, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা আদি ৰাজ্যত আঞ্চলিক দলেই বিজেপি আৰু কংগ্ৰেছক পৰাভূত কৰি ক্ষমতা দখল কৰি আহিছে। এইসমূহ ৰাজ্যৰ দৃষ্টান্ত দাঙি ধৰি বহুতেই আঞ্চলিক দলৰ গুৰুত্ব আৰু প্ৰভাৱৰ বিষয়ে আঙুলিয়াই দিয়ে। মহাৰাষ্ট্ৰত আঞ্চলিক দল শিৱ সেনাৰ নেতৃত্বত চৰকাৰ চলিছে যদিও এই দলে হয় কংগ্ৰেছ নতুবা বিজেপিৰ সহায় নোলোৱাকৈ ক্ষমতা দখল কৰিব পৰা নাই।

কেৱল অগপই নহয়, বিপিএফ তথা ইউপিপিএলৰ ক্ষেত্ৰতো একেই ঘটনা পৰিলক্ষিত হৈছে। সুদীৰ্ঘ ১৭ বছৰ বিটিচিত একছত্ৰী ক্ষমতা ভোগ কৰা তথা দিছপুৰতো প্ৰথমে কংগ্ৰেছ আৰু পাছত বিজেপিৰ মিত্ৰদলৰূপে এদশকৰ অধিক কাল ক্ষমতা ভোগ কৰা বিপিএফ সম্প্ৰতি এক জটিল অৱস্থাৰ গৰাহত পতিত হৈছে। কংগ্ৰেছৰ স'তে মিত্ৰতাৰ সূত্ৰে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফে বড়ো অধ্যুষিত অঞ্চলত একছত্ৰী ৰাজত্ব চলাই অহাৰ সুযোগ লাভ কৰিছিল। ইয়াৰ ফলত এই সমগ্ৰ অঞ্চলটোত আনকি কংগ্ৰেছৰ সাংগঠনিক স্থিতিয়েই ধ্বংস হৈ পৰিছিল; কিন্তু বিজেপিয়ে একেই নীতি অনুসৰণ কৰিবলৈ যে প্ৰস্তুত নহয়, সেয়া যোৱা বছৰৰ অন্তিম কালত অনুষ্ঠিত বিটিচিৰ নিৰ্বাচনতে স্পষ্ট হৈ পৰিল। বিপিএফ বিটিচিৰ পৰাই কেৱল নহয়, দিছপুৰৰ পৰাও বিতাড়িত হ'ল। সম্প্ৰতি প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএলে বিপিএফৰ স্থলাভিষিক্ত হোৱাৰ চেষ্টা চলাইছে যদিও সেয়া নিষ্কণ্টক হৈ থকা নাই; বৰঞ্চ ইউপিপিএল সম্পূৰ্ণৰূপে বিজেপিৰ মুখাপেক্ষী হ'বলগীয়া হৈছে। সেয়েহে ইউপিপিএলৰ ভৱিষ্যৎ যাত্ৰা সন্দেহৰ আৱৰ্তত বুলি ক'লেও ভুল কোৱা নহ'ব।

এনে পৰিপ্ৰেক্ষিতত এই কথা স্পষ্ট হৈছে যে অগপ, ইউপিপিএল অথবা কিছুদিনৰ আগলৈকে বিপিএফ ক্ষমতাৰ অংশীদাৰ হৈছে যদিও সেয়া সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিছে বিজেপিৰ ভূমিকাৰ ওপৰত। সমগ্ৰ দেশজুৰি বিজেপিৰ যি ধৰণৰ আগ্ৰাসী তৎপৰতা তালৈ লক্ষ্য কৰি ক'ব পাৰি যে সহযোগী আঞ্চলিক তথা স্থানীয় দলসমূহক মষিমূৰ কৰিবলৈ অধিক সময়ৰ প্ৰয়োজন নহয়। বিজেপিয়ে ইচ্ছা কৰিলেই পৰিৱেশ সৃষ্টি কৰি তেনেবোৰ দলক নিজ দলত চামিল কৰিব অথবা বিজেপিৰ ভ্ৰাতৃ সংগঠনৰূপে পৰিচিতি দিব। সেই দলৰ নেতৃত্বৰ আভ্যন্তৰীণ সিদ্ধান্ত লোৱাৰ ক্ষমতাও নাথাকিব। এই কথা ঠিক যে বিজেপিয়ে হওক অথবা আন যিকোনো দলেই হওক নিজৰ সাংগঠনিক ভেটি বিস্তৃত আৰু শক্তিশালী কৰিবলৈ চেষ্টা কৰিবই আৰু তাত কোনেও বাধা প্ৰদান কৰা অথবা আপত্তি কৰাৰো থল নাই। প্ৰতিটো দলৰে তেনে অভিযান চলোৱাত বাধা নাই; কিন্তু আৰম্ভণিতে উল্লেখ কৰাৰ দৰে বিজেপিৰ বাদে আনবোৰ দলৰ তেনে তৎপৰতা দৃষ্টিগোচৰ হোৱা নাই। তদুপৰি আঞ্চলিক দলসমূহে ৰাইজৰ সন্মুখত কোনো নতুন দিশ-নিৰ্দেশনাও দাঙি ধৰিব পৰা নাই, যাৰ বাবে সাধাৰণ লোক সেই দলৰ প্ৰতি আগ্ৰহী হ'ব। আনহাতে, ৰাইজৰ দল অথবা অসম জাতীয় পৰিষদৰ দৰে দলসমূহ এতিয়াও ধৰ্তব্যৰ শাৰীত পৰাই নাই। গতিকে এই কথা স্পষ্ট হৈছে যে সাম্প্ৰতিক পৰিস্থিতিত অগপকে ধৰি আঞ্চলিক দলসমূহে গঠনমূলক কাৰ্যসূচী লৈ সজোৰে আগবাঢ়ি যোৱাৰ ওপৰতে আঞ্চলিকতাবাদৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। *ফোন : ৯৪৩৫০১০৬৭৩*

■ বদিয়াসিঁচাক বেদখলমুক্ত কৰি পৰ্যটনথলী হিচাপে গঢ় দিয়াত গুৰুত্ব আৰোপ কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান

ভূমি বেদখলৰ যো-জা কামাখ্যা বাইঅ' ফুৱেলৰ

ডাঃ ডেইজি লেখাৰুৰ গ্ৰন্থ উন্মোচন কানৈ মহাবিদ্যালয়ত, দেওবাৰে

অগ্ৰদূত বাৰ্তা

দুমুনিচকী ২৬ ডিচেম্বৰ ঃ দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ গাতে লাগি থকা বদিয়াসিঁচা আৰ্দ্ৰভূমি চৰকাৰী অৱহেলাত এতিয়া ক্ৰমশঃ বিলুপ্তিৰ পথত। এই বদিয়াসিঁচা আৰ্দ্ৰভূমিতে অৱস্থিত বদিয়াসিঁচা বিলত বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন পৰভ্ৰমী চৰায়ে বিচৰণ কৰে। পৰিভ্ৰমী চৰাইবোৰৰ ভিতৰত সময়ে সময়ে বিলখনত দেখিবলৈ পোৱা ছাইবেৰিয়ান চৰায়ে বিলখনৰ প্ৰতি মানুহৰ আকৰ্ষণ বৃদ্ধি কৰিছিল যদিও অসম চৰকাৰৰ পৰ্যটন বিভাগে বিলখনৰ প্ৰতি কোনো গুৰুত্ব প্ৰদান নকৰাত লাহে লাহে বিলুপ্তিৰ পথলৈ গতি কৰিছে বিলখন। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰ উত্তৰে অৱস্থিত বদিয়াসিঁচা আৰ্দ্ৰভূমিখনত থকা বদিয়াসিঁচা বিলখনৰ পানী মৎস্য উৎপাদনৰ বাবে অতি উপযোগী বুলি গৱেষকসকলে ঠাৱৰ কৰিছে যদিও চৰকাৰী অৱহেলাৰ ফলতে ইয়াত তেনে কোনো আঁচনি গ্ৰহণ কৰা হোৱা নাই। এই আৰ্দ্ৰভূমিখনৰ বিশেষ বৈশিষ্ট্যসমূহ লক্ষ্য কৰি ইয়াক শীঘ্ৰে পৰ্যটনথলীলৈ ৰূপান্তৰৰ বাবে সচেতন সমাজে দাবী জনাই অহাৰ সময়তে এই বিলখনৰ ২৪ বিঘা ভূমি অধিগ্ৰহণৰ যোজা চলাইছে কামাখ্যা বাইঅ' ফুৱেল নামৰ এটা কোম্পানীয়ে। কোম্পানীটোৱে এই আৰ্দ্ৰভূমিত ইথানল উৎপাদনৰ পৰিকল্পনাৰে নিজৰ দখল আৰম্ভ কৰিছে। স্থানীয় ৰাইজৰ তীব্ৰ বিৰোধৰ পাছতো দুমুনিচকী গাঁও পঞ্চায়তে ইতিমধ্যে নীতিবহিৰ্ভূতভাৱে কোম্পানীটোক এনঅ'চি প্ৰদান কৰাক লৈয়ো একাংশ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় একাংশ সচেতন ৰাইজৰ লগতে বিভিন্ন সমাজসেৱী সংস্থাই প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ স্বাৰ্থত ইয়াত ইথানল উৎপাদনৰ বাবে কোম্পানী স্থাপনৰ যো-জা চলোৱা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে। তাৰ পৰিৱৰ্তে বদিয়াসিঁচাক বেদখলমুক্ত কৰি পৰ্যটনথলী হিচাবে গঢ় দিয়াত গুৰুত্ব আৰোপ কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক পৰমানন্দ ৰাজবংশীক আগভাগ ল'বলৈ আহ্বান জনাইছে প্ৰকৃতিপ্ৰেমী ৰাইজে।

ঘগ্ৰাপাৰৰ-নাহেৰবাৰীত বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৬ ডিচেম্বৰ ঃ বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্ভুক্ত দুই নম্বৰ বালিতাৰা মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত নাহেৰবাৰীৰ বনভাগ-বতাহগিলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ২৪ ডিচেম্বৰত শিক্ষা বিভাগৰ এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ সম্পন্ন হয়। ক'ভিডৰ প্ৰভাৱত হোৱা ছাত্ৰ-ছাত্ৰীৰ শিকন-ঘাটি আৰু ইয়াক দূৰীকৰণত শিক্ষকৰ কৰণীয় সন্দৰ্ভত হোৱা আলোচনা চক্ৰখন উদ্বোধন কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই। নতুন শিক্ষানীতি কাৰ্যকৰী হ'লে শিক্ষা ব্যৱস্থাৰ অনেক ইতিবাচক পৰিৱৰ্তন হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। বনভাগ-বতাহগিলা হাইস্কুলৰ প্ৰধান শিক্ষক হিতেশ বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত আলোচনাচক্ৰত আলোচক হিচাপে উপস্থিত থাকে বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মন। আলোচনা কালত বৰ্মনে ছাত্ৰ-ছাত্ৰীৰ সৃজন প্ৰতিভাৰ বিকাশত বিশেষ গুৰুত্ব দি কয় যে ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা পৰিৱেশ সম্পূৰ্ণৰূপে জানি-বুজি লৈ পৰিকল্পিত আৰু প্ৰণালীবদ্ধভাৱে পাঠদান কৰিলেহে শিক্ষণ কাৰ্য ফলপ্ৰসু হয়। অভিৰোচন, মনোযোগ আৰু আগ্ৰহৰ ওপৰত শিকনৰ ফলাফল বহুলাংশে নিৰ্ভৰ কৰে বুলি সুভাষ বৰ্মনে তেওঁৰ বক্তব্যত উল্লেখ কৰে। এক নম্বৰ বালিতাৰা কেন্দ্ৰৰ সমন্বয়ক শচীন ৰাজবংশীয়ে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ ওপৰত চমুকৈ আলোকপাত কৰে। সৰ্বধৰ্ম প্ৰাৰ্থনা এটিৰে আৰম্ভ হোৱা আলোচনা চক্ৰখনৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে কেন্দ্ৰ সমন্বয়ক বিপুল দাসে। অনুষ্ঠানৰ মাজতে এক নম্বৰ নাহেৰবাৰী প্ৰাথমিক বিদ্যালয়ৰ সহঃ শিক্ষক কুশল বৈশ্যই 'ৰেডিঅ' নষ্টালজিয়া' শীৰ্ষক কবিতা পাঠ কৰে। মহিনা হাইস্কুলৰ প্ৰধান শিক্ষক নগেন্দ্ৰ নাথ কলিতায়ো সভাত অতিথি হিচাপে অংশগ্ৰহণ কৰে। সমল কেন্দ্ৰটোৰ অন্তৰ্গত ৪২৪ নম্বৰ মহিনা প্ৰাথমিক বিদ্যালয়ত ৪৪৮ নম্বৰ হাঁহদলি প্ৰাথমিক বিদ্যালয় বনভাগ-বতাহগিলা হাইস্কুল, মহিনা হাইস্কুল, আঞ্চলিক বালিকা মাধ্যমিক বিদ্যালয়, মহিনা বালিকা মধ্য ইংৰাজী বিদ্যালয়, নগাঁও জনতা প্ৰাথমিক বিদ্যালয়, নগাঁও প্ৰাথমিক বিদ্যালয়, দুই নম্বৰ ৰঙাফালি প্ৰাথমিক বিদ্যালয়, মধ্য ভেলেমাৰি প্ৰাথমিক বিদ্যালয় আৰু এক নম্বৰ নাহেৰবাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে এই শৈক্ষিক আলোচনাচক্ৰত অংশগ্ৰহণ কৰে।

বৰভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৮৪ৰ প্ৰৱেশিকা অৱতীৰ্ণৰ সতীৰ্থ সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৬ ডিচেম্বৰ ঃ নলবাৰী জিলাৰ বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৮৪ৰ প্ৰৱেশিকা অৱতীৰ্ণসকলৰ আজি সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়। ছহিদ তৰ্পণ, গছপুলি ৰোপণ আৰু সমবেত সংগীতেৰে আৰম্ভ হোৱা সতীৰ্থ সন্মিলনত ১৯৮৪ৰ প্ৰৱেশিকা অৱতীৰ্ণসকলৰ অন্তৰংগ আলাপেৰে সন্মিলনখন মুখৰ হৈ পৰে। উল্লেখ্য যে অন্তৰংগ আলাপত সতীৰ্থৰ লগতে পৰিয়ালৰ সকলো সদস্যই গীত, কবিতা আদি পৰিৱেশন কৰি নষ্টালজিক হৈ পৰে। ইয়াৰ পাছত সতীৰ্থ ভৱেশ শৰ্মাই আঁত ধৰা এক মনোজ্ঞ অনুষ্ঠানত সেই সময়ৰ শিক্ষক তথা অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাত শৰ্মা, প্ৰভাত তালুকদাৰ, অজিত তালুকদাৰ, শম্ভুৰাম তালুকদাৰ, অতুল গোস্বামী, সাবিত্ৰী দেৱী, চানবাবু তালুকদাৰ, হলধৰ কলিতা, সুৰেশ শৰ্মা, গোলোক ডেকা, সুভাস তালুকদাৰ আৰু বৰ্তমানৰ অধ্যক্ষ মকিবৰ ৰহমানক গামোচা, ফুলাম জাপি, কিতাপৰ টোপোলা, সম্বৰ্ধনা পুত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত সদৌ অসম সাংবাদিক সন্থাৰ সাংগঠনিক সম্পাদক কিশোৰ কুমাৰ কলিতা, বৰভাগ প্ৰেছ ক্লাবৰ সম্পাদক হিমজ্যোতি ভূঞা আৰু প'ৰ্টেল সাংবাদিক গণেশ নমঃশূদ্ৰক সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰতিগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকে সতীৰ্থ তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু পৰিয়ালৰ এনে উদ্যোগত আহ্লাদিত হৈ আশিস প্ৰদান কৰাৰ উপৰি সেই সময়ৰ স্মৃতি ৰোমন্থন কৰে। সন্মিলনত সতীৰ্থসকলৰ 'সোণালী বৰভাগ-৮৪' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মকিবৰ ৰহমানে। স্মৃতিগ্ৰন্থ প্ৰকাশৰ চিন্তা অতি মহৎ। স্মৃতিগ্ৰন্থ হ'ল মনৰ দাপোণ। ইয়াতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ অনুভৱ ব্যক্ত কৰি চিন্তা-চেতনাৰ প্ৰকাশ ঘটাইছে। অনুষ্ঠানত সতীৰ্থসকলে বিদ্যালয়লৈ বুকচেল্ফ উপহাৰ হিচাপে আগবঢ়ায়। দুপৰীয়া থলুৱা ব্যঞ্জনেৰে প্ৰীতি-ভোজৰ পাছত সতীৰ্থসকলৰ গীত-মাতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

ইতিহাস প্ৰসিদ্ধ মায়ঙৰ চনকাত ৰিজ'ৰ্ট 'বিচফায়াৰ' মুকলি

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৬ ডিচেম্বৰ ঃ 'ইতিহাস প্ৰসিদ্ধ মায়ঙৰ চনকাৰ মনোমোহা সৌন্দৰ্য একক আৰু তুলনাহীন। চনকা'ৰ অপৰূপ সৌন্দৰ্যৰ লগতে ব্ৰহ্মপুত্ৰ নৈৰ নৈসংগিক দৃশ্য অতি বিৰল। যাদুৰ দেশ মায়ং আৰু চনকা পৰ্যটন ক্ষেত্ৰত সদায় অদ্বিতীয় হৈ ৰ'ব।' এই মন্তব্য বিশিষ্ট সমাজ সেৱিকা তথা নিউজ লাইভ, চেনেলৰ পৰিচালনা সঞ্চালিকা ৰিণিকি ভূএগঁ শৰ্মাৰ। যোৱা ২৩ ডিচেম্বৰৰ সন্ধিয়া মৰিগাঁও জিলাৰ মায়ঙৰ চনকাত দুই উদ্যোগী ব্যৱসায়ী দিপক ডেকা আৰু মনিষা শৰ্মাৰ ৰিজৰ্ট 'বিচ ফায়াৰ' উদ্বোধন কৰি এই মত প্ৰকাশ কৰে। পৰিচালন সঞ্চালিকা ৰিণিকি শৰ্মা ভূএগঁাই বিশ্ব পৰ্যটনৰ মানচিত্ৰ চনকাৰ এই অপৰূপ সৌন্দৰ্য্য সদায়েই অনন্য সুন্দৰ হৈ থাকিব বুলিও লগতে উল্লেখ কৰে। দিপক ডেকা আৰু মনিষা শৰ্মাৰ যৌথ উদ্যোগত অতি সুন্দৰকৈ স্থাপন কৰা এই ৰিজৰ্টখনে একাধিক লোকক স্বাৱলম্বিতাক নিদৰ্শন ডাঙি ধৰাৰ লগতে অঞ্চলটোত একাধিক নতুন প্ৰতিষ্ঠান গঢ়ি উঠিছে। এই ৰিজৰ্ট মুকলি অনুষ্ঠানত মৰিগাঁও আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজনৰ লগতে কে'বাগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ক্ষেত্ৰ অধ্যয়ন

অগ্ৰদূত বাৰ্তা

চিনামৰা, ২৬ ডিচেম্বৰ ঃ ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত যোৱা ২২ ডিচেম্বৰত শিৱসাগৰ জিলাৰ দিচাংমুখ বলমা গাঁৱত এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কাৰ্যসূচী সম্পৰ্ণ হয়। তিনিওটা যাণ্মাষিকৰ সৰ্বমুঠ ৪৪ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু চাৰিগৰাকী প্ৰৱক্তাৰ অংশগ্ৰহণৰে অধ্যয়ন কৰা বিষয়বস্তু আছিল 'মিচিং সমাজ ঃ অতীত আৰু বৰ্তমান।' চাৰিটা গোটত চাৰিগৰাকী প্ৰৱক্তাৰ তত্ত্বাৱধানত কৰা অধ্যয়নে ছাত্ৰ-ছাত্ৰীক মিচিং সমাজৰ বাস্তৱ ছবিখনৰ এটা স্পষ্টৰূপ দেখাত সহায় কৰে।

ধৰ্ম পৰায়ণ ব্যক্তি কেশৱ দাসৰ মৃত্যু

তিতাবৰ, ২৬ ডিচেম্বৰ ঃ তিতাবৰ বিবিজান নিবাসী অঞ্চলটো সৰবৰহী ধৰ্ম পৰায়ণ ব্যক্তি কেশৱ দাস (৬৬)ৰ আজি পুৱতি নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কেশৱ দাস ওৰফে ঘন দাস অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থকাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সমাজৰ বিবিজান প্ৰাথমিকৰ এগৰাকী নামাচাৰ্য, বায়ন হিচাপে সু-পৰিচিত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু এগৰাকী বিবাহিতা কন্যাৰ লগতে বহু আত্মীয়ক এৰি যায়। আজি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

তিতাবৰৰ মহকুমাধিপতি কাৰ্যালয়ৰ বাকীজাঁই শাখাত চূড়ান্ত দুৰ্নীতি

■ বাকীজাঁই গোচৰ নিষ্পত্তি হোৱাৰ পাছতো ভুক্তভোগীক হাৰাশাস্তি বিষয়াৰ

তিতাবৰ, ২৬ ডিচেম্বৰ ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী কাৰ্যালয়ত অব্যাহত থকা দুৰ্নীতি কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি সকিয়াই দিয়াৰ পাছতো সেই নিৰ্দেশ ফুটুকাৰ ফেন সেই কথা প্ৰমাণ দিছে তিতাবৰ মহকুমাধিপতিৰ কাৰ্যালয়ে। তাঁতবাটি কৰি বাটৰ বন মাৰিছে তথাপিতো তেওঁলোক কোনো ধৰণৰ যথোপযুক্ত সঁহাৰি লাভ কৰিবলৈ আজিকোপতি সক্ষম নহ'ল। মহকুমাধিপতি কাৰ্যালয়ৰ বাকীজাঁই শাখাত গঢ় লৈ উঠা পৰ্বতপ্ৰমাণ দুৰ্নীতিৰ ক্ষেত্ৰতো কাৰ্যালয়টোৰ শীৰ্ষ পদবীধাৰীসকলৰ নীৰৱ ভূমিকাই সাধাৰণ জনতাক জ্বলা-কলা খুৱাইছে। প্ৰাপ্ত তথ্য অনুসৰি, মহকুমাধিপতি কাৰ্যালয়ৰ বাকীজাঁই শাখাত পূৰ্বতে কাৰ্যনিৰ্বাহ কৰি যোৱা অপূৰ্ব গোস্বামী নামৰ বিষয়াজনৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা দুৰ্নীতিৰ ৰঘুমালাডাল চিনাক্ত কৰিবলৈ বিভাগীয় বিষয়াসকলে আজিও তৎপৰতা প্ৰদৰ্শন নকৰিলে। তথ্য অনুসৰি, তিতাবৰ মহকুমাৰ অধীনস্থ গাভৰু পৰ্বত চাহ বাগিচাৰ তিনিজন শ্ৰমিক ক্ৰমে ৰঞ্জিত গোৱালা, চক্ৰ ৰজক আৰু ৰমেন পাত্ৰই স্থায়ী শ্ৰমিকৰূপে বাগিচাখনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো বাগিচা কৰ্তৃপক্ষই তেওঁলোকৰ অৱসৰকালীন গ্ৰেচুৱেইটীৰ ধন শ্ৰমিক কেইজনক মুকলি কৰি দিয়া নাছিল। ফলত শ্ৰমিক কেইজনে ২০১৪ত তিতাবৰ মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ বাকীজাঁই শাখাত অভিযোগ দাখিল কৰে। বিভাগীয় দণ্ডাধীশৰ উপস্থিতিত গাভৰুপৰ্বত চাহ বাগিচাৰ কৰ্তৃপক্ষই শ্ৰমিককেইজনে গ্ৰেচুৱেইটীৰ নামত পাবলগীয়া ধনখিনি ইনষ্টলমেণ্টৰূপত আদায় দিয়াৰ সন্মতি প্ৰকাশ কৰে। সেই অনুসৰি কৰ্তৃপক্ষই প্ৰথম কিস্তিৰূপে ৰঞ্জিত গোৱালাৰ নামত ৫০ হেজাৰ, চক্ৰ ৰজকৰ নামত এক লাখ আৰু ৰমেন পাত্ৰৰ নামত এক লাখ টকা জমা দিয়ে। এইসকলৰ ভিতৰৰে ৰঞ্জিত ৰজকক মাত্ৰ প্ৰথম কিস্তিৰ বাবদ বাকীজাঁই শাখাৰ তদানীন্তন বিষয়া অপূৰ্ব গোস্বামীয়ে ৫০ হেজাৰ টকা আদায় দিয়েই দায়িত্ব সামৰে। ২০১৭তে বাগিচা কৰ্তৃপক্ষৰ লগত শ্ৰমিককেইজনৰ বিবাদটোৰ নিষ্পত্তি ঘটাৰ পাছতো আজিকোপতি শ্ৰমিককেইজনে পাবলগীয়া কষ্টোপাৰ্জিত ধনকেইটা বাকীজাঁই শাখাৰ বিষয়াজনে মোকলাই নিদিলে। ২০১৭ৰ পৰা ২০২১ লৈকে বিষয়াজনে তেওঁলোকক আজি দিম, কাইলৈ দিম বুলি মহকুমাধিপতি কাৰ্যালয়লৈ পাঁচ বছৰ দিন দৌৰালে যদিও শ্ৰমিককেইজনক প্ৰাপ্য ধনকেইটা দুৰ্নীতিপৰায়ণ বিষয়াজনে মোকলাই নিদিলে। প্ৰাপ্ত তথ্য অনুসৰি, বাকীজাঁই গোচৰ নিষ্পত্তিৰ লগে লগে বিবাদী পক্ষই ক্ষতিপূৰণ আদায় দিয়াৰ লগে লগে ভুক্তভোগীসকলক বেংক একাউণ্টৰ জৰিয়তে পৰিশোধ কৰাটো নিয়ম যদিও কি কাৰণত শ্ৰমিককেইজনৰ প্ৰাপ্য ধনখিনি মোকলাই দিবলৈ সক্ষম নহ'ল তাক লৈ গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। বিগত ২০২১ৰ সাধাৰণ নিৰ্বাচন শেষ হোৱাৰ পাছতেই বিষয়াজনে তিতাবৰৰ মহকুমাধিপতি কাৰ্যালয়ৰ পৰা যোৰহাট জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ বদলি হৈ যোৱাৰ পাছত ভুক্তভোগী শ্ৰমিককেইজনে তেওঁক যোগাযোগ কৰিব পৰা নাই। ফোনৰ জৰিয়তে যোগাযোগ কৰিব বিচাৰিলেও বিষয়াজনে সংযোগ বিচ্ছিন্ন কৰি দিয়াৰ লগতে ফোনটোও তেওঁ ৰিচিভ নকৰাত শ্ৰমিককেইজনে গভীৰ আশংকাত দিন অতিবাহিত কৰিছে। দীৰ্ঘদিন ধৰি ৰাজহুৱা প্ৰতিষ্ঠানত সেৱা আগবঢ়োৱাৰ পাছতো অৱসৰকালীন ধনকেইটা লাভ কৰাৰ ক্ষেত্ৰত দুৰ্ভাগ্যই লগ নেৰা শ্ৰমিককেহজনক তিতাবৰ মহকুমাধিপতি কাৰ্যালয়ৰ বাকীজাঁই শাখাৰ তদানীন্তন বিষয়া অপূৰ্ব গোস্বামীয়ে কৰা চৰম প্ৰতাৰণাৰ বাবে বিভাগীয় বিষয়াক জবাবদিহি কৰি তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে আৰু বিষয়াজনৰ বিৰুদ্ধে বিভাগীয় তদন্তৰ জৰিয়তে শাস্তিমূলক ব্যৱস্থাৰ দাবী উত্থাপন কৰিছে।

হাজোৰ পশ্চিম বংশৰ মৌজাৰ বিভিন্ন অঞ্চলত মদ, ভাং, জুৱাৰ অবৈধ বেহা

নিৰ্বিকাৰ প্ৰশাসন ঃ আছুৰ স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

হাজো, ২৬ ডিচেম্বৰ ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত শিলগুৰি, বামুন্দী, কৈৱৰ্তটোলা, হালোগাঁও, লাহ আদিকে ধৰি বহু কেইখন গাঁৱত অবৈধভাৱে মদ, ভাং, জুৱাৰ ৰমৰমীয়া বেহা দীৰ্ঘদিন ধৰি চলি আহিছে। অবৈধভাৱে মদ, ভাং, জুৱা আদিৰ লগতে এচাম দুষ্ট চক্ৰই ড্ৰাগছৰ ব্যৱসায় কৰি অঞ্চলটোৰ সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ লগতে বহুতো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। সেয়েহে যোৱা ২৫ ডিচেম্বৰত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই এই নিচাযুক্ত দ্ৰব্যৰ অসাধু ব্যৱসায়ীসকলক অতি শীঘ্ৰেই উচ্ছেদ কৰি শাস্তি প্ৰদান কৰাৰ কাৰণে শুৱালকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে কামৰূপ জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক সুৰজিত কলিতা, আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ধনজিত কুমাৰ নাথ, অনুপ দাস, দেবাশীষ শৰ্মা, আছু নেতা প্ৰাঞ্জল কলিতা, পাপু শালৈ, বিজয় কৃষ্ণ দাসকে ধৰ বহুকেইজন ছাত্ৰ সন্থাৰ কৰ্মী উপস্থিত থাকে।

দৰং ৰত্ন অতুল চন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ২৬ ডিচেম্বৰ ঃ মাৰৈ-বিজুলীবাৰী শাখা সাহিত্য সভাৰ উদ্যোগত দৰং জিলা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যসূচী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা দৰং ৰত্ন অতুল চন্দ্ৰ বৰুৱা স্মৃতি দিৱস যোৱা ২৫ ডিচেম্বৰত মাৰৈ-বিজুলীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ পতাকা উত্তোলন কাৰ্যসূচীৰে মুকলি কৰে মাৰৈ-বিজুলীবাৰী শাখা সভাৰ সভাপতি চাহজামাল হ'কে। বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক আলতাফ বৰুৱাই আৰু স্মৃতি তৰ্পণ কৰে শাখা সভাৰ উপ-সভাপতি ভদ্ৰকান্ত ডেকাই। দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন কুমাৰ ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে দুনী শাখা সাহিত্য সভাৰ সভাপতি কৰুণাকান্ত ভট্টই। দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌত্যমানন্দ গোস্বামী আৰু মাৰৈ-বিজুলীবাৰী শাখা সাহিত্য সভাৰ সম্পাদক বিজুফুকন বৰুৱাই আঁত ধৰা সভাত নিৰ্দিষ্ট বক্তাৰূপে দৰং ৰত্ন অতুল চন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ত বক্তব্য আগবঢ়ায় কলাইগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা শাশ্বতী শৰ্মা দেৱীয়ে। সভাত মাৰৈ-বিজুলীবাৰী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক এম, হাফিজ আলী, শাখা সভাৰ সভাপতি চাহজামাল হ'ক, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক আলতাফ বৰুৱা, অৱসৰী শিক্ষক হৰি বড়া আদিয়ে বক্তব্য আগবঢ়ায়। সভাত ২৫ গৰাকী অসম সাহিত্য সভাৰ আজীৱন সদস্যপদ গ্ৰহণ কৰা ব্যক্তিক প্ৰমাণ পত্ৰ প্ৰদান কৰে।

■ ভৱানীপুৰ সমষ্টিত প্ৰশাসনৰ উদ্যোগত 'গাঁও ফুৰো আহক' কাৰ্যক্ৰমণিকা সম্পন্ন

পৰিত্যক্ত ছহিদ খৰ্গেশ্বৰ তালুকদাৰ নগৰ উজ্জীৱিত হৈ উঠিব

বিশেষ সংবাদদাতা

পাঠশালা, ২৬ ডিচেম্বৰ ঃ বজালী জিলা প্ৰশাসনৰ উদ্যোগত ভৱানীপুৰ বিধানসভা সমষ্টিত যোৱা ২৫ ডিচেম্বৰত সম্পন্ন হয় 'গাঁও ফুৰো আহক' কাৰ্যক্ৰমণিকা। উল্লেখ্য যে বজালী জিলা উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীৰ পৃষ্ঠপোষকতাত 'গাঁও ফুৰো আহক' কাৰ্যক্ৰমণিকাত ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰৰ লগতে প্ৰশাসনিক বিষয়া, বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে উপস্থিত হয় ভৱানীপুৰ বিধানসভা সমষ্টিৰ ঐতিহাসিক প্ৰস্তাৱিত ছহিদ খৰ্গেশ্বৰ তালুকদাৰ নগৰখন অৱস্থিত নাওসৰকা গাঁৱত। নাওসৰকা গাঁৱৰ ৰাইজৰ লগতে প্ৰশাসন আৰু চৰকাৰী বিভাগটোৰ বিষয়া-কৰ্মচাৰীৰ স'তে গাঁৱৰ উন্নয়নৰ বাবে মত বিনিময় কৰি দিয়া ভাষণত বিধায়ক ফণীধৰ তালুকাদাৰে নাওসৰকা গাঁৱৰ লগতে পৰিত্যক্ত ছহিদ খৰ্গেশ্বৰ তালুকদাৰ নগৰ আৰু বৃহত্তৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ একাধিক উন্নয়নেৰে সমষ্টিটোক নতুন ৰূপদান কৰাৰ বিশেষ আঁচনি ৰূপায়ণ হ'ব বুলি ঘোষণা কৰে। উল্লেখ্য যে নাওসৰকা পথাৰত ১৯৮৯তেই প্ৰায় ৭০০ বিঘা ভূমিত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ প্ৰথমগৰাকী ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ স্মৃতিত প্ৰস্তাৱিত সুদীৰ্ঘ দিন পৰিত্যক্ত হৈ থকা ছহিদ খৰ্গেশ্বৰ তালুকদাৰ নগৰখন একাধিক উন্নয়নমূলক আঁচনি ৰূপায়ণেৰে উজ্জীৱিত কৰাৰ আঁচনি গ্ৰহণ কৰিছে বুলিও কয় বিধায়ক তালুকদাৰে। নাওসৰকা পথাৰত অৰ্থাৎ ছহিদ খৰ্গেশ্বৰ তালুকদাৰ নগৰৰ ভূমিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা মতে, এশ বিঘা ভূমিত ৮৫৫ গৰাকী ছহিদৰ স্মৃতিত উদ্যান, এটা সৌৰ প্ৰকল্প (ছ'লাৰ প্ৰজেক্ট), অগ্নিনিৰ্বাপক বাহিনীৰ কেন্দ্ৰ, বিদ্যুৎ বিভাগৰ তথা অসম শক্তি উন্নয়ন পৰিষদ (কৰ্প'ৰেছন) লিমিটেডৰ উপ-সংমণ্ডল চৰকাৰীভাৱে স্থাপনৰ উদ্যোগ গ্ৰহণ কৰা হৈছে বুলিও ঘোষণা কৰে বিধায়কজনে। সভাত বজালী জিলা উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে কয় যে গাঁৱৰ ৰাইজে গাঁৱৰ সমস্যাৰ লগতে হিতাধিকাৰীক পাবলগীয়া চৰকাৰী আঁচনিৰ বিষয়ে জ্ঞাত কৰা, ৰাইজে চৰকাৰী বিভাগবোৰৰ বিষয়া-কৰ্মচাৰীৰ সন্মুখত আৰু প্ৰশাসনিক বিষয়াৰ সন্মুখত উত্থাপন কৰিব পৰাৰ উদ্দেশ্য আগত ৰাখিয়েই 'গাঁও ফুৰো আহক' কাৰ্যক্ৰমণিকা ৰূপায়ণ কৰা হৈছে। বিধায়ক তালুকদাৰ আৰু বজালী জিলা উপায়ুক্ত দেৱচৌধুৰীৰ লগতে সৰুপেটা ৰাজহ চক্ৰ বিষয়া মদিৰা বেগম, ভৱানীপুৰৰ খণ্ড উন্নয়ন বিষয়া ভৱানী পেগু, বিভিন্ন চৰকাৰী বিভাগৰ বিষয়াই চৰকাৰী আঁচনিৰ ব্যাখ্যাৰে গওঁা ৰাইজৰ স'তে মত বিনিময় কৰাৰ উপৰি বজালী জিলাৰ অতিৰিক্ত উপায়ুক্ত মনজ্যোতি কুটুম, বজালী সদৰ মহকুমাধিপতি সংঘমিত্ৰা ভাগৱতী আদিকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সমাজকৰ্মী নৱ আৰন্ধৰাৰ স্মৃতিচাৰণ সভা সম্পন্ন

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৬ ডিচেম্বৰ ঃ শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ খেজুৰিতলৰ নিবাসী তথা অগপৰ বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি তথা সমাজকৰ্মী সদ্যপ্ৰয়াত নৱ আৰন্ধৰাৰ আজি স্মৃতিচাৰণ সভা খেজুৰিতলৰ নিজা বাসগৃহত অনুষ্ঠিত হয়। নীলাক্ষী মেম'ৰিয়েল একাডেমীৰ অধ্যক্ষ ধৰ্মৰঞ্জন গগৈয়ে প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠৰ সঞ্চালিকা দেৱযানী দীক্ষিতাৰ সম্পাদনাৰে প্ৰকাশিত স্মৰণিকা 'নৱ উদ্দীপনা' উন্মোচন কৰি নামতি চাৰিআলি জাতীয় বিদ্যা নিকেতনৰ অধ্যক্ষ নৃপেন নেওগে কয় যে নৱ আৰন্ধৰাৰ দৰে এজন অমায়িক, সকলোকে উৎসাহ-উদ্দীপনা যোগোৱা, মানৱদৰদী, সমাজ সংগঠকক হেৰুৱাব লগাটো অঞ্চলটোৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁৰ আধৰুৱা কামবোৰ, সপোনবোৰ পৰিয়ালবৰ্গ তথা নপ্ৰজন্মই আগুৱাই নিয়া উচিত। অনুষ্ঠানত মৰাবজাৰ জিলা পৰিষদৰ সদস্য সুমিত্ৰ তামুলী, শলগুৰি সমবায় সমিতিৰ সম্পাদক জয়ন্ত বৰা, অগপ বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ সভাপতি মুক্তি চুতীয়া, প্ৰাক্তন সভাপতি লক্ষী বৰুৱা, আটাছু বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ সভাপতি নূপুৰ নেওগ, সাধাৰণ সম্পাদক নীলোৎপল কোঁৱৰ, সাংবাদিক নীলোৎপল বৰুৱা, সমাজকৰ্মী গিৰিণ কুমাৰ গগৈ, সদানন্দ গগৈকে ধৰি বহুব্যক্তি আৰু পৰিয়ালৰ লোক উপস্থিত থাকে।

বঙাইগাঁও জিলা বিজেপিৰ তিনিদিনীয়া প্ৰশিক্ষণৰ সামৰণি

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ২৬ ডিচেম্বৰ ঃ বঙাইগাঁও জিলা বিজেপিৰ প্ৰশিক্ষণ শিবিৰৰ যোৱা ২৫ ডিচেম্বৰত সামৰণি পৰে। তিনিদিনীয়া কাৰ্যক্ৰমণিকাৰে জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত অন্তিম দিনৰ কাৰ্যসূচী দ্বাদশ সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ৰাষ্ট্ৰীয় পৰিষদীয় সদস্য (ধুবুৰী) বিমল ওছৱালে দলৰ নীতি-আদৰ্শৰ কথা বহলাই আলোচনা কৰে। প্ৰশিক্ষণৰ সমাপন সত্ৰত বৰ্তমান বিশ্বৰ পৰিদৃশ্য আৰু ভাৰতবৰ্ষ বিষয় সন্দৰ্ভত প্ৰশিক্ষক তথা ৰাজ্যিক প্ৰশিক্ষণ বিভাগৰ সদস্য গুৱাহাটীৰ অনিৰ্বান গোস্বামীয়ে আলোকপাত কৰে। উল্লেখ্য যে ভাৰতৰত্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক পবিত্ৰ জন্ম তিথিত সুশাসন দিৱস পালন কৰা হয়। সেই উপলক্ষে জিলা কাৰ্যালয়ত, জিলা সভানেত্ৰী হিমানী অধিকাৰীৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে প্ৰভাৰী ব্ৰজ কুমাৰ দাস, প্ৰাক্তন জিলা সভাপতি গোপেশ্বৰ তালুকদাৰ, জ্যেষ্ঠ বিজেপি নেতা বিপুলানন্দ শৰ্মা, ৰাজ্যিক প্ৰশিক্ষণ কোষৰ সদস্য অনিৰ্বান গোস্বামী, ডাঃ ইতেশ বৰদলৈ, প্ৰাক্তন উপ-সভাপতি খৰ্গবাহাদুৰ ছেত্ৰী প্ৰমুখ্যে জিলা বিজেপিৰ সাধাৰণ সম্পাদকদ্বয় জ্যোতিৰ্ময় সৰকাৰ শংকৰ বিশ্বাস আৰু বিষয়ববীয়া কাৰ্যকৰ্তাসকল।

বৰপেটাৰোডৰ উৰণীয়া সেতুৰ নাম হ'ব অটল সেতু

অগ্ৰদূত বাৰ্তা

বৰপেটাৰোড, ২৬ ডিচেম্বৰ ঃ বৰপেটাৰোডৰ নিৰ্মাণৰত উৰণীয়া ৰেল সেতুখনৰ নাম অটল সেতু হিচাপে যোৱা ২৫ ডিচেম্বৰত ঘোষণা কৰে কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। ৰাজ্য চৰকাৰে অচিৰেই এই সন্দৰ্ভত কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰিব বুলিও মন্ত্ৰী দাসে সদৰী কৰে। উল্লেখ্য যে ৰাজ্যজুৰি প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জন্মদিনটো সু-শাসনৰ দিন হিচাপে পালন কৰা হয়। এই উদ্দেশ্যে মন্ত্ৰী দাসে বৰপেটাৰোডৰ এটা পথ নিৰ্মাণৰ কাম মুকলি কৰি পথটোৰ নাম অটল বিহাৰী বাজপেয়ীৰ নামত উৎসৰ্গা কৰে। মন্ত্ৰীজনে উত্তৰ-পূবৰ বাবে প্ৰয়াত প্ৰধানমন্ত্ৰীজনে অৰিহণা আগবঢ়াই অহাৰ লগত তেওঁৰ দিনতে ড'নাৰ মন্ত্ৰণালয় গঠন হোৱাৰ কথা সদৰী কৰে। এই মন্ত্ৰণালয়ৰ পৰাই বৰপেটাৰোডৰ উৰণীয়া সেতুখনৰ বাবে ধনৰাশি মুকলি কৰা হৈছিল। সেয়ে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি এই পবিত্ৰ দিনটোতে বৰপেটাৰোডৰ উৰণীয়া ৰেল সেতুখনৰ নাম অটল সেতু ৰখা হয় বুলি মন্ত্ৰী দাসে কয়। অনুষ্ঠানত বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষাল, চক্ৰ বিষয়া পাৰ্থপ্ৰতীম খনিকৰো উপস্থিত থাকে।

ব্ৰাহ্মণ সমাজৰ বঙাইগাঁও আঞ্চলিক সমিতিৰ অধিবেশন সম্পন্ন

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ২৬ ডিচেম্বৰ ঃ অসম ব্ৰাহ্মণ সমাজ, বঙাইগাঁও আঞ্চলিক শাখাৰ দশম দ্বিবাৰ্ষিক অধিবেশন যোৱা ২৫ ডিচেম্বৰত বঙাইগাঁও চহৰৰ ঠাকুৰবাড়ী মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। অনুষ্ঠান মুকলি হয় শাখাৰ সভাপতি প্ৰদীপ কুমাৰ ভাগৱতীৰ দ্বাৰা পতাকা উত্তোলনেৰে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে ব্ৰাহ্মণ সমাজৰ জিলা সভাপতি বিজয় চক্ৰৱৰ্তীয়ে। ভাগৱতীয়ে সভাপতিত্ব কৰা মুকলি সভাত বিজয় চক্ৰৱৰ্তী, কাব্যেন্দ্ৰ চক্ৰৱৰ্তী, জিতেন্দ্ৰ চন্দ্ৰ মিশ্ৰ ভাগৱতী, বিচিত্ৰ শৰ্মা, বৰদা কান্ত ভাগৱতী, অজিত শৰ্মা, বিনয় গোস্বামী, নলিনী শৰ্মাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সভাতেই অনিল চন্দ্ৰ শৰ্মাক সভাপতি, গণেশ্বৰ দেৱশৰ্মাক উপ-সভাপতি, ৰত্নেশ্বৰ দেৱশৰ্মাক সম্পাদক, পংকজ চক্ৰৱৰ্তী আৰু অজিত শৰ্মাক সহঃ সম্পাদক আৰু মুকুট শৰ্মাক কোষাধ্যক্ষ হিচাপে লৈ আগন্তুক দ্বিবৰ্ষৰ বাবে অসম ব্ৰাহ্মণ সমাজ, বঙাইগাঁও আঞ্চলিক শাখা সমিতিখন গঠন কৰা হয়।

শ্ৰদ্ধাঞ্জলি নবীন চন্দ্ৰ কেওট

এজোপা বটবৃক্ষৰ ছাঁ আমাৰ মূৰৰ পৰা নোহোৱা হ'ল। সোণালী (মাইনা), ৰূপালী (মুন), জোনালী (বনু)ৰ মৰমৰ দেউতা নবীন চন্দ্ৰ কেওট চিৰদিনৰ বাবে গুচি গ'ল। মৃত্যু চিৰন্তন সত্য। এই কথাষাৰ আমি হৃদয়েৰে মানি ল'বলৈ টান পাইছো। বাৰ্ধক্যজনিত কাৰণত ৮৯ বছৰ বয়সত আঁতৰি গ'ল। দেউতা যেন আমাৰ মাজত শয্যাশায়ী হৈ থাকিলেও চিৰদিন থকাৰ কামনা কৰিছিলো। তিনি কন্যাক সকলো দিশতে প্ৰেৰণা দিয়া, অসমীয়া সমাজ-সংস্কৃতিক গভীৰভাৱে ভালপোৱা, মালিগাঁৱৰ সমাজখনক আঁকোৱালি লোৱা দেউতা আমাৰ কাৰণে আৰু সমাজৰ কাৰণেও এজন আদৰ্শনীয় ব্যক্তি। আমাক উচ্চ শিক্ষাৰে শিক্ষিত কৰাৰ উপৰি সংগীতৰ দিশত আগবাঢ়ি যোৱাত দেউতাৰ অৱদান আমি কেতিয়াও পাহৰিব নোৱাৰিম। ড° ভূপেন হাজৰিকা, খগেন মহন্ত, লতা মংগেশকাৰ—এইসকল শিল্পীৰ উদাহৰণ দি দেউতাই আমাক সদায় অনুপ্ৰেৰণা যোগাইছিল। সাহিত্যানুৰাগী দেউতাই বহু সাহিত্য সৃষ্টি কৰি থৈ গ'ল। আমাকো সাহিত্য সৃষ্টি কৰিবলৈ সদায় অনুপ্ৰেৰণা যোগাইছিল। বিদ্যালয়ৰ আলোচনী, বাতৰি কাকত-বিহু, পূজা আদিত ওলোৱা আলোচনীসমূহত দেউতাই লিখিবলৈ কৈছিল—'তহঁতৰ সময় নাই যদি, মই কপি কৰি দিম—তহঁতে মোক ৰাফকৈ লিখি দে।' আমিও বহু আলোচনীৰ বাবে প্ৰবন্ধ, কবিতা আদি লিখি দেউতাক কপি কৰিবলৈ দিছিলো। বৰ সুন্দৰ আখৰেৰে দেউতাই সেইবোৰ যুগুতাই সম্পাদকলৈ পঠিয়াইছিল। আমি লিখিবলৈ সাহস পাইছিলো। অফুৰন্ত জ্ঞানৰ ভঁৰাল দেউতাই বহু ঐতিহাসিক তথ্য জানিছিল, সেয়ে মানুহে তেওঁৰ কথা শুনিবলৈ আগ্ৰহেৰে বাট চাইছিল। তিতাবৰত জন্মগ্ৰহণ কৰা দেউতাই উচ্চ শিক্ষা লাভ কৰিবলৈ গুৱাহাটীলৈ আহি অসমীয়াৰ এম এ আৰু বি টি ডিগ্ৰী গ্ৰহণ কৰি উঃ পূঃ সীমান্ত ৰেলৱেৰ চাকৰিত যোগদান কৰি ১৯৯৪ত অৱসৰ গ্ৰহণ কৰে। যথেষ্ট অধ্যয়নশীল দেউতাই অৱসৰৰ পাছৰ জীৱনছোৱা কিতাপৰ মাজতে কটাইছিল। বিভিন্ন কাকত, আলোচনীত প্ৰবন্ধ, গীত, কবিতা আদি লিখাৰ উপৰি দেউতাৰ তিনিখন গ্ৰন্থ প্ৰকাশ হৈছে। শেহতীয়াকৈ তেওঁ লিখা 'উত্তৰ-পূৰ্বাঞ্চলত ভাৰতীয় ৰেল' গ্ৰন্থখন ড° অৰূপ কুমাৰ দত্তৰ Indian Railway the Final Frontier, Genesis of the North East Frontier Railway নামৰ গ্ৰন্থখনৰ অসমীয়া অনুবাদ কৰিছিল। অসমীয়া ভাষাত ৰেলৰ বিষয়ে গ্ৰন্থ নগণ্য। অসম সাহিত্য সভাৰ আজীৱন সদস্য দেউতা মালিগাঁৱৰ বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত হৈ থকাৰ উপৰি ব্ৰজ বিষ্ণু কলাকেন্দ্ৰ নামৰ এখন সংগীত বিদ্যালয়ৰ প্ৰতিষ্ঠাপক আছিল। সকলোকে মৰমেৰে আঁকোৱালি লোৱা দেউতাক সকলোৱে মৰম আৰু শ্ৰদ্ধা কৰিছিল। আজি আদ্যশ্ৰাদ্ধৰ পবিত্ৰ দিনটোত আমাৰ মৰমৰ দেউতাক অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধাঞ্জলি জনালো।

সোণালী, ৰূপালী, জোনালী (জীয়ৰী)

■ অফ লাইন ব্যৱস্থাৰেও আধাৰ নম্বৰ সংযোগ কৰিবলৈ আহ্বান

ৰেছন কাৰ্ডৰে আধাৰ নম্বৰ সংযোগত সমস্যাৰ সৃষ্টি

অগ্ৰদূত বাৰ্তা

তালাপ, ২৬ ডিচেম্বৰ ঃ ৰাজ্যত সাম্প্ৰতিক সময়ত সৰ্বত্ৰে চৰ্চিত বিষয়টো হৈছে ৰেছন কাৰ্ডৰ স'তে আধাৰ নম্বৰ সংযোগ কৰা। ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে ৰাজ্যৰ ৰেছন কাৰ্ড হিতাধিকাৰীসকলক ৩১ ডিচেম্বৰৰ ভিতৰত আঙুলিৰ ছাপৰ জৰিয়তে হিতাধিকাৰীৰ ৰেছন কাৰ্ডৰ স'তে আধাৰ নম্বৰ সংযোগ কৰিবলৈ সুলভ মূল্যৰ এজেন্টসকলক একোটাকৈ ই পি এছ মেচিন যোগান ধৰা হৈছে। কিন্তু অতি কম সময়ৰ ভিতৰত ৰেছন কাৰ্ডত নাম সন্নিবিষ্ট হৈ থকা হিতাধিকাৰীসকলক অনলাইন পদ্ধতিৰে আঙুলিৰ চাপৰ জৰিয়তে তেওঁলোকৰ আধাৰ নম্বৰ ৰেছন কাৰ্ডত সংযোগ কৰিবলৈ দিয়া নিৰ্দেশনাই এজেন্ট আৰু হিতাধিকাৰীসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। গ্ৰামাঞ্চলত ম'বাইল ইন্টাৰনেটৰ সেৱা দুৰ্বল হোৱাৰ ফলত সমস্যাই দেখা দি আহিছে। ই পি এছ মেচিনত হিতাধিকাৰীয়ে আঙুলিৰ ছাপ দিয়াৰ সময়ত অনলাইনত বহু হিতাধিকাৰীৰ ফলাফল নিগেটিভ অহা বুলি জানিব পৰা গৈছে। অনলাইনত আধাৰ নম্বৰটো সংযোগ কৰিব নোৱাৰাৰ ফলত নিজৰ নামটো ৰেছন কাৰ্ডৰ পৰা বাদ পৰি যাব বুলি হতাশাত ভুগিছে বঞ্চিত হিতাধিকাৰীসকলে। আনহাতে, ৰাজ্যত বৰ্তমানেও আধাৰ কেন্দ্ৰ পৰ্যাপ্ত নোহোৱা আৰু থাকিলেও দুশ-তিনিশ টকাকৈ মাচুল সংগ্ৰহ কৰা বহু হিতাধিকাৰীয়ে আজিও আধাৰ নম্বৰ পাবলৈয়ে সক্ষম হোৱা নাই। তেনে ক্ষেত্ৰত চৰকাৰে ৰেছন কাৰ্ডৰ স'তে আধাৰ নম্বৰ সংযোগ ৩১ ডিচেম্বৰ সময় সীমা বান্ধি দিয়া নিৰ্দেশনাই বহু দৰিদ্ৰ পৰিয়ালৰ ব্যক্তিয়ে ৰেছন কাৰ্ডৰ পৰা বঞ্চিত হোৱাটো প্ৰায় নিশ্চিত। সেয়েহে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক অফ লাইন পদ্ধতিৰেও ৰেছন কাৰ্ডৰ স'তে আধাৰ নম্বৰ সংযোগ কৰাৰ ব্যৱস্থা কৰাৰ লগতে আধাৰ নম্বৰ উলিয়াবলৈ সক্ষম নোহোৱা ব্যক্তিসকলকো সহজতে আধাৰ নম্বৰ পোৱাৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনাইছে।

ডিব্ৰুগড়ত আছু নেতাক আক্ৰমণৰ প্ৰতিবাদত তামুলপুৰত আছুৰ জোৰ লৈ প্ৰতিবাদ, দেওবাৰে।

বিপিন চন্দ্ৰ কাকতি, হেমন্ত মংগল বৰদলৈক 'মাতৃভাষা সমাজ সাৰথি' সন্মান ২০২১

■ ৰাজেন্দ্ৰ নাথ শইকীয়াৰ আত্মজীৱনী 'বাখৰুৱা দিনবোৰ' উন্মোচন

অগ্ৰদূত বাৰ্তা

চিনামৰা, ২৬ ডিচেম্বৰ ঃ ঢেকিয়াজুলি মাতৃভাষা বিদ্যালয়, প্ৰিয়াংকু ভৱনৰ প্ৰতিষ্ঠা দিৱস, সম্প্ৰীতি ২০২১ আজি স্থানীয় শ্ৰীশ্ৰী তুৰাকান্ত নাট্য মঞ্চত অনুষ্ঠিত হয়। তদুপলক্ষে পুৱা পতাকা উত্তোলন কৰে বিদ্যালয়ৰ প্ৰধান সিদ্ধাৰ্থ শংকৰ শইকীয়াই। গছপুলি ৰোপণ কৰে সঞ্চালক দেৱজিৎ বৰদলৈয়ে। ইয়াৰ পাছতেই প্ৰয়াত প্ৰিয়াংকু পোদ্দাৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিক্ষাবিদ ৰাজেন্দ্ৰ নাথ শইকীয়া আৰু সংগীত শিল্পী প্ৰাণবেন্দ দেৱনাথে। ইয়াৰ পাছতেই ক্ৰমে প্ৰধান শিক্ষক সিদ্ধাৰ্থ শংকৰ শইকীয়া আৰু সঞ্চালক জ্যোতি প্ৰসাদ বৰদলৈয়ে আঁতধৰা অনুষ্ঠানত উত্তৰপূৱ বিজ্ঞান প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ বিজ্ঞানী ড° মন্টু ভূএগ্ৰাই নতুন শিক্ষা নীতিত আনুষ্ঠানিক শিক্ষাৰ লগতে

অনুষ্ঠানিক শিক্ষাৰ গুৰুত্ব ভৱিষ্যতে অধিক বাঢ়িব বুলি মন্তব্য কৰে। লগতে পৰ্যবেক্ষণৰ জৰিয়তে যে প্ৰত্যেকেই নতুন নতুন আৱিষ্কাৰ কৰিব পাৰে বুলি উদাহৰণ দাঙি ধৰে। অনুষ্ঠানতেই বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, মাতৃভাষা জীৱনজোৰা সাধনা সন্মান প্ৰাপক তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শইকীয়াৰ আত্মজীৱনী 'বাখৰুৱা দিনবোৰ' গ্ৰন্থ উন্মোচন কৰে সাংবাদিক-সমালোচক, দেবান্ত পূজাৰীয়ে। বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় সংগীত, হলিগীত, নৃত্য পৰিৱেশনেৰে উপস্থিতিত ৰাইজক আপ্লুত কৰা অনুষ্ঠানতেই ২০২১ মাতৃভাষা জীৱনজোৰা সাধনা সন্মানেৰে গামোচা, সম্বৰ্ধনাপত্ৰৰে বিশিষ্ট শিল্পী বিপিন চন্দ্ৰ কাকতিক আৰু বিশিষ্ট সমাজ সেৱক হেমন্ত মংগল বৰদলৈক মাতৃভাষা সমাজ সাৰথি সন্মান ২০২১ বিদ্যালয়ৰ তৰফৰ পৰা সন্মানিত কৰে।

ভোটাৰ সজাগতা বৃদ্ধিৰ লক্ষ্যৰে দৰঙত বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত প্ৰতিযোগিতা

বিশেষ সংবাদদাতা

মঙলদৈ, ২৬ ডিচেম্বৰ ঃ যোৱা ২৪ ডিচেম্বৰত দৰং জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত অহা বৰ্ষৰ ২৫ জানুৱাৰীত উদ্‌যাপন হ'বলগীয়া 'ৰাষ্ট্ৰীয় ভোটাৰ দিৱস'ৰ লগত সংগতি ৰাখি স্কুল-কলেজ পৰ্যায়ত আয়োজন কৰিবলৈ লোৱা এলানি প্ৰতিযোগিতা সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হৈ যায়। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা মৰ্মে 'সজাগ ভোটাৰ' অভিযানৰ অধীনত অসমৰ আন জিলাসমূহৰ লগতে দৰং জিলাতো বিদ্যালয় তথা মহাবিদ্যালয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া ফুটবল, নৃত্য আৰু সংগীত প্ৰতিযোগিতাসমূহ পৰ্যায়ক্ৰমে জিলা, জ'নেল তথা ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত কৰা হ'ব। জিলা পৰ্যায়ত ফুটবল প্ৰতিযোগিতা ২৭ ডিচেম্বৰৰ পৰা চাৰি জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব আৰু চাৰি জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈকে জ'নেল লেভেলত অনুষ্ঠিত হ'ব । জ'নেল পৰ্যায়ৰ স্থান দখল কৰা দল কেইটাই ১৭ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীৰ ভিতৰত ৰাজ্যিক পৰ্যায়ত হ'বলগীয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ঠিক তেনেদৰে বিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ত হ'বলগীয়া নৃত্য প্ৰতিযোগিতাসমূহ বিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ত ২৫ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈকে, ব্লক পৰ্যায়ত ৩১ ডিচেম্বৰৰ পৰা দুই জানুৱাৰীলৈকে, জ'নেল পৰ্যায়ত ১২ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰীলৈকে তথা ৰাজ্যিক পৰ্যায়ত ১৮ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব। ইপিনে, দেশভক্তিমূলক সংগীত প্ৰতিযোগিতাসমূহ বিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ত ২৫ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈকে, ব্লক পৰ্যায়ত ৩১ ডিচেম্বৰৰ পৰা দুই জানুৱাৰীলৈকে, জ'নেল পৰ্যায়ত ১২ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰীলৈকে আৰু ৰাজ্যিক পৰ্যায়ত ১৮ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীৰ ভিতৰত অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰতিটো প্ৰতিযোগিতাত শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হোৱা দল! প্ৰতিযোগীসকলৰ বাবে নগদ ধনৰ পুৰস্কাৰৰ ব্যৱস্থাও কৰা হৈছে ।

যুগললোচন দাসলৈ 'গজালি শিশু' সাহিত্য বঁটা

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ২৬ ডিচেম্বৰ ঃ নলবাৰী জিলাৰ বগলছ ৰোড চ'কৰ পৰা প্ৰায় এটা দশক ধৰি প্ৰকাশ পায় থকা জেপ কাব্যালোচনী গজালিয়ে ২০২১ৰ পৰা প্ৰদান কৰিবলৈ লোৱা ৰুহুনী দত্ত সোঁৱৰণী গজালি শিশু সাহিত্য বঁটা প্ৰথমবাৰৰ বাবে আগবঢ়োৱা হ'ব বিশিষ্ট শিশু সাহিত্যিক যুগললোচন দাসক। আজি এক বিবৃতিত এই কথা ঘোষণা কৰে গজালিৰ সম্পাদক শংকৰ শৰ্মাই। বঁটাটোত থাকিব নগদ ধন চাৰি হেজাৰ, মানপত্ৰ, স্মাৰক, জাপি, গামোচা আৰু কিতাপৰ টোপোলা। ১৯৬৮ৰ প্ৰথম জানুৱাৰীত জন্মগ্ৰহণ কৰা নগাঁৱৰ ৰহাৰ যুগললোচন দাসে ১৯৮৫ৰ পৰাই নিৰৱচ্ছিন্নভাৱে শিশু সাহিত্য ৰচনা কৰি আহিছে। এই পৰ্যন্ত প্ৰায় ৩৫খনৰো অধিক শিশু গ্ৰন্থ ৰচনা কৰা দাসে ২০১৮ত সাহিত্য অকাডেমীৰ শিশু সাহিত্য বঁটা লাভ কৰাৰ উপৰি আন আন কে'বাটাও বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। অহা ফেব্ৰুৱাৰীৰ প্ৰথম ভাগত পাগলাদিয়া নদীৰ বালিচাপৰিত অনুষ্ঠিতব্য গজালিৰ বৰ্ষপূৰ্তি অনুষ্ঠান আৰু কবি সন্মিলনত উক্ত বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে ৰুহুনী দত্তৰ সোঁৱৰণত গজালিয়ে প্ৰদান কৰিবলৈ লোৱা এই বঁটাটো শিশু সাহিত্য আৰু ব্যংগ সাহিত্যৰ ওপৰত প্ৰতিবছৰে সলনা-সলনিকৈ আগবঢ়োৱা হ'ব।

মৰিগাঁও জিলা জনসংখ্যা সমাধান ফাউণ্ডেছনৰ সংবাদমেল

উত্তৰ প্ৰদেশৰ গাজীপুৰৰ কাণ্ডক গৰিহণা

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৬ ডিচেম্বৰ ঃ উত্তৰ প্ৰদেশৰ গাজীপুৰত জনসংখ্যা সমাধান ফাউণ্ডেছন উলিওৱা ৰথযাত্ৰাৰ গাড়ীলৈ সমাজবাদী পাৰ্টিৰ সমৰ্থকসকলে কৰা প্ৰচণ্ড শিলাবৰ্ষণত জেএছএফৰ ৰাষ্ট্ৰীয় অধ্যক্ষসহ বহু কাৰ্যকৰ্তা আঘাতপ্ৰাপ্ত হোৱা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে মৰিগাঁও জিলা জনসংখ্যা ফাউণ্ডেছনে। যোৱা ২৪ ডিচেম্বৰত মৰিগাঁও জনসংখ্যা ফাউণ্ডেছনৰ কাৰ্যালয়ত জিলা অধ্যক্ষ পুলিন কাকতিয়ে সংবাদমেল সম্বোধন কৰি কয় যে দেশত কঠোৰ জনসংখ্যা আইন প্ৰণয়ন আৰু সজাগতা উদ্দেশ্যৰে জনসংখ্যা সমাধান ফাউণ্ডেছনে উত্তৰ প্ৰদেশৰ গাজীপুৰত এক ৰথ যাত্ৰা উলিয়ায়। জনসংখ্যা সমাধান ফাউণ্ডেছনে উলিওৱা এই ৰথযাত্ৰাত উত্তৰ প্ৰদেশৰ সমাজবাদী পাৰ্টি সমৰ্থকসকলে প্ৰচণ্ড শিলাবৰ্ষণ কৰে। সমাজবাদী পাৰ্টিয়ে কৰা শিলাবৰ্ষণৰ ফলত জেএছএফৰ ৰাষ্ট্ৰীয় অধ্যক্ষ অনিল চৌধুৰী, সংযোজক কৃষ্ণ মোৰাৰি, মমতা চেহগালসহ বহু কাৰ্যকৰ্তা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। গণতন্ত্ৰৰ পৰিপন্থী এই নিকৃষ্ট কাণ্ডক মৰিগাঁও

১৩ পৃষ্ঠাত চাওক

মূলসুঁতিৰ মানুহৰ জীৱন ধাৰণৰ মানৰ লগত চৰাঞ্চলৰ মানুহৰ জীৱন ধাৰণৰ পাৰ্থক্য নাই

■ আলোপতি ছাত্ৰ সন্থাৰ সোণালী জয়ন্তী উৎসৱত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

আলোপতি, ২৬ ডিচেম্বৰ ঃ বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত ড° জাকিৰ হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত ছয় দিনীয়াকৈ আয়োজিত আলোপতি ছাত্ৰ সন্থাৰ সোণালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি উৎসৱৰ চতুৰ্থ দিনা কালি এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰত গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ঘনশ্যাম নাথে মূলসুঁতিৰ মানুহৰ জীৱন ধাৰণৰ মানৰ লগত চৰাঞ্চলৰ মানুহৰ জীৱন ধাৰণৰ মানৰ পাৰ্থক্য নাই বুলি কৈ কয় যে

চৰাঞ্চলৰ লোকসকল যুগ যুগ ধৰি বাস কৰি অহাৰ পাছতো তেওঁলোক আজিও অৱহেলিত হৈ আছে। চৰাঞ্চলত মাটিৰ সমস্যাৰ লগতে এই অঞ্চলসমূহত দুৰ্বল আন্তঃগাঁথনিৰে বিদ্যালয়সমূহ চলি আছে। তদুপৰি চৰকাৰে দৌৰা দৌৰিকৈ আনিব বিচৰা নতুন শিক্ষা নীতিৰ ফলত সমাজৰ ক্ষতি হ'ব বুলি কয়।

১৩ পৃষ্ঠাত চাওক

দলগাঁৱৰ ধীৰেন নাথ শইকীয়ালৈ 'কাব্যজ্যোতি' সন্মান

অগ্ৰদূত বাৰ্তা

দলগাঁও, ২৬ ডিচেম্বৰ ঃ দৰঙৰ দলগাঁও শাখা সাহিত্য সভাৰ সম্পাদক ধীৰেন নাথ শইকীয়া 'কাব্যজ্যোতি সন্মান ২০২২'ৰ বাবে বাছনিভুক্ত হৈছে। এই খবৰে অঞ্চলটোৰ সাহিত্য চৰ্চা মহলত গৌৰৱ কঢ়িয়াই আনিছে। এই সন্মান প্ৰদান কৰিব নিৰ্মল সাই প্ৰকাশনে। প্ৰাপ্ত তথ্য মতে নিৰ্মল সাই প্ৰকাশনে অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে লুকাই থকা সাতগৰাকী সুপ্ত প্ৰতিভাৰগৰাকী প্ৰতি বছৰৰ দৰে এই বছৰো বিশেষ সন্মান প্ৰদান কৰিব। উক্ত সাতগৰাকীৰ ভিতৰত দলগাঁৱৰ উদীয়মান সাহিত্যিক ধীৰেন নাথো বাছনিভুক্ত হৈছে। অহা তিনি জানুৱাৰীত অসম প্ৰকাশন পৰিষদে আয়োজন কৰা অসম গ্ৰন্থমেলাৰ হোমেন বৰগোহাঞি প্ৰেক্ষাগৃহত হ'ব লগা অনুষ্ঠানত প্ৰদান কৰা হ'ব এই সন্মান।

একতা-ঐক্যবদ্ধতাৰে থাকিব লাগিব সীমান্তৰ ৰাইজ

■ কোকৰাঝাৰত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ ৰাজ্যিক অধিবেশন

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৬ ডিচেম্বৰ ঃ কোকৰাঝাৰৰ চিআইটিত দুদিনীয়া কাৰ্যসূচীৰে যোৱা ২৫ ডিচেম্বৰৰ পৰা আৰম্ভ হৈছে সীমান্ত চেতনা মঞ্চৰ পূৰ্বোত্তৰ ৰাজ্যিক অধিবেশন। কোকৰাঝাৰ বালাগাঁওস্থিত চিআইটিৰ প্ৰেক্ষাগৃহত সীমান্ত চেতনা মঞ্চৰ ৰাজ্যিক অধিবেশন মুকলি কৰে ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা কোকৰাঝাৰ জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘালে। বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী মুকলি কৰি মন্ত্ৰী সিংঘালে সীমান্তৱৰ্তী অঞ্চলৰ সকলো ৰাইজকে একতা আৰু ঐক্যবদ্ধতাৰে সজাগ-সচেতন হৈ থাকিবলৈ আহ্বান জনায়। সীমান্তত অচিনাকি ব্যক্তিৰ চালচলন দেখা পালে সীমান্তবাসীয়ে তৎক্ষণাত প্ৰশাসনক অৱগত কৰিলেহে আমি সুৰক্ষিত হৈ থাকিম বুলি মন্তব্যৰে মন্ত্ৰীজনে সীমান্তত বৰ্তমান কোনো সমস্যা নাই বুলি উল্লেখ কৰে। নিয়োগ মেলা সন্দৰ্ভত মন্ত্ৰী সিংঘালে কয় যে ক'ৰবাত কিবা এটা হৈছে, কিন্তু কিছুমান মানুহে ভাল কাম কৰিলেও অকল সমালোচনাহে কৰে। অনুষ্ঠানত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ নেতৃবৰ্গ, বিটিচিৰ কাৰ্যবাহী সদস্যক্ৰমে অৰূপ কুমাৰ দে, উইলচন হাসদা, জিলা উপায়ুক্ত বৰ্ণালী ডেকা আদিকে ধৰি বহু বিশিষ্টই অংশগ্ৰহণ কৰে।

কাইলৈ অমৰাৱতীৰ অধিৱেশন

অগ্ৰদূত বাৰ্তা

পশ্চিম যোৰহাট, ২৬ ডিচেম্বৰ ঃ যোৰহাট জিলাৰ নিমাতী বৰআলিৰ কাষৰ পটিয়া-ফকলা পথাৰস্থিত অমৰাৱতী বৃদ্ধাশ্ৰম অহা ডিচেম্বৰত অধিৱেশন অনুষ্ঠিত হ'ব। সেইদিনা পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছতে হ'বলগীয়া মুকলি সভাত যোৰহাটৰ উপায়ুক্ত, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অ'নজিচিৰ বেচিন মেনেজাৰ প্ৰমুখ্যে ভালেকেইজন বিষয়া উপস্থিত থাকিব। ৰাজ্যৰ সাংসদ, মন্ত্ৰী বিধায়ক, বিভিন্ন বিভাগৰ বিষয়াসকলক আমন্ত্ৰণ জনাইছে। অধিৱেশনৰ মুকলি সভাতে মুখপত্ৰ 'অমৰাৱতী' উন্মোচন কৰিব ড° দেৱব্ৰত শৰ্মাই। অমৰাৱতীৰ কাৰ্যকৰী সভাপতি ড° নিৰ্মল বৰা, প্ৰধান সম্পাদক উপেন্দ্ৰজিৎ মহন্তই ৰাইজৰ উপস্থিতি কামনা কৰিছে। কাইলৈ বয়োজ্যেষ্ঠসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ঔষধপাতি প্ৰদান কৰিব।

অভয়াপুৰীত ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সাতদিনীয়া শিবিৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ২৬ ডিচেম্বৰ ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ এক বিশেষ সাতদিনীয়া শিবিৰ যোৱা ২৫ ডিচেম্বৰৰ পৰা ভোমাপাৰা প্ৰাথমিক বিদ্যালয়ত আৰম্ভ হৈছে। শিবিৰ পতাকা উত্তোলনেৰে মুকলি কৰে অভয়াপুৰী মহাবিদ্যালয়ৰ উপাধ্যক্ষ চিন্তামণি শৰ্মাই। সমাজৰ প্ৰতি দায়বদ্ধতাৰে আগবাঢ়ি যাবলৈ যুৱ সমাজক আহ্বান জনায় উপাধ্যক্ষজনে। তাৰ পাছতে ৰাষ্ট্ৰীয় সেৱা যোজনাৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলে গাঁওখনত শ্ৰমদান কৰে। দুপৰীয়া 'ৰাষ্ট্ৰীয় সংহতিত যুৱ প্ৰজন্মৰ অৱদান' শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। দেশ নিৰ্মাণত যুৱ প্ৰজন্মই মূল চালিকা শক্তি বুলি মন্তব্য কৰি আলোচনাচক্ৰৰ বক্তা তথা সাংবাদিক ধৰম ৰঞ্জন ৰয়ে যুৱ প্ৰজন্মকলৈ কে'বাটাও আহ্বান জনায়। সক্ৰিয় ৰাজনীতিত যোগদানৰ আহ্বান জনায় যুৱ সমাজক। লগতে গ্ৰন্থ অধ্যয়নৰ এক পৰিৱেশ গঢ়ি তোলাৰ বাবে আহ্বান জনায়। সন্ধিয়া 'জুহালত গীত কবিতা গীতৰ আড্ডা' শীৰ্ষক এক আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ্য যে এই বিশেষ শিবিৰ অহা ৩১ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব। প্ৰতিদিনাই বিভিন্ন বিষয়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে শ্ৰমদান কৰিব।

দীৰ্ঘ বছৰ ওজাপালিৰে জীৱন সংগ্ৰাম

■ সুকনান্নী ওজা মহাদেৱ দাসক শিল্পী পেঞ্চনৰ দাবী

অগ্ৰদূত বাৰ্তা



নলবাৰী, ২৬ ডিচেম্বৰ ঃ নলবাৰী জিলাৰ উলাবড়ী গাঁৱৰ এজন আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত দুখীয়া ওজাপালি শিল্পী মহাদেৱ দাসে বৰ্তমান বাৰ্ধক্যৰ বাবে কঠোৰ সংগ্ৰামৰ মাজেৰে নিজৰ জীৱন অতিবাহিত কৰিব লগা হৈছে। সুকনান্নী ওজাৰ বিশিষ্ট শিল্পী দাসে সৰুৰে পৰা এই শিল্প চৰ্চা অব্যাহত ৰাখি জীৱন অতিবাহিত কৰিছে যদিও এতিয়া শেষ বয়সত আৰ্থিক অনাটনৰ বাবে এসাঁজ খাই এসাঁজ নাখাই জীৱন অতিবাহিত কৰিছে। দাসে অসম চৰকাৰৰ শিল্পী পেঞ্চনৰ বাবে কে'বাবাৰো আবেদন কৰিছে যদিও ৰাজনৈতিক মেৰপেচৰ বাবে তেওঁলোকৰ দৰে শিল্পীসকল বঞ্চিত হৈ আহিব লগা হৈছে। ১৯৫৪ত জন্মগ্ৰহণ কৰা শিল্পী মহাদেৱ দাসে উলাবৰী মজলীয়া বিদ্যালয়ত পঢ়ি থকা সময়তে ওজাপালি নৃত্যৰ প্ৰতি আকৃষ্ট হৈছিল। বিদ্যালয়ৰ এক অনুষ্ঠানত ওজাপালি নৃত্য পৰিৱেশনৰ বাবে তেওঁ প্ৰথম প্ৰয়াত লৌক্ষ দাইনাপালীৰ ওচৰত ওজাপালি শিকি বিদ্যালয়ত নাম কৰিছিল। তাৰ পাছৰে পৰা তেওঁ ওজাপালি নৃত্য পৰিৱেশনত লাগি পৰে। বিদ্যালয়ৰ শিক্ষা সীমানতে সামৰি তেওঁ এজন জনপ্ৰিয় ওজাপালি শিল্পীৰূপে পৰিচিত হৈ পৰে। তেওঁ অসমৰ বিভিন্ন স্থানত ওজাপালি পৰিৱেশন কৰাৰ উপৰি সুদূৰ বিহাৰত ওজাপালি প্ৰদৰ্শন কৰি গৌৰৱ কঢ়িয়াই আনিছিল। তেওঁ ২০১১ত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত শিল্পীৰূপে ওজাপালি পৰিৱেশনৰ বাবে আমন্ত্ৰণ লাভ কৰে। প্ৰথম বাৰতে তেওঁ আকাশবাণীৰ কণ্ঠ পৰীক্ষাত উত্তীৰ্ণ হৈ এই পৰ্যন্ত নিয়মিতভাৱে ওজাপালি পৰিৱেশন কৰি আহিছে। শিল্পীজনৰ এনে কৃতিত্বৰ বাবে অসম সাংস্কৃতিক মহাসভা, নতুন সাহিত্য পৰিষদৰ নলবাৰী জিলা সমিতি, বৰভাগ শাখা সাহিত্য সভা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাজহুৱা সম্বৰ্ধনা জনাই তেওঁৰ শিল্প সাধনাৰ স্বীকৃতি প্ৰদান কৰিছে। দাসে জানিবলৈ দিয়া মতে, তেওঁ এই পৰ্যন্ত অঞ্চলটোৰ নতুন প্ৰজন্মৰ ছটা দলক ওজাপালি শিকাই আগশাৰীৰ ওজাপালি দল হিচাপে স্বীকৃত কৰি তুলিছিল। এইজন শিল্পীয়ে বাৰ্ধক্য আৰু অসুস্থতাৰ বাবে যোৱা ন বছৰ ধৰি ওজাপালি পৰিৱেশন কৰিব পৰা নাই। ঘৰতে সৰু দোকান এখন দিছে যদিও এইখন দোকানৰ উপাৰ্জনেৰে পৰিয়াল চলোৱাটো তেনেই অসম্ভৱ হোৱাত শিল্পীজন তীব্ৰ আৰ্থিক অনাটনৰ মুখামুখি হ'ব লগা হৈছে। শিল্পীজনৰ জীৱনজোৰা শিল্প সাধনাৰ স্বীকৃতিৰূপে তেওঁক এটা শিল্পী পেঞ্চন অথবা আৰ্থিক সাহায্য প্ৰদান কৰাৰ বাবে বিভিন্ন দল-সংগঠনে চৰকাৰক অনুৰোধ জনাইছে।

শংকৰদেৱ সংঘৰ শিৱসাগৰ জিলা শাখাৰ ৬৯ সংখ্যক বাৰ্ষিক অধিবেশনৰ লাইখুঁটা স্থাপন

■ বাপ-আইৰ উপস্থিতিত উখল-মাখল মগলৌ পুখুৰীপাৰ

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ২৬ ডিচেম্বৰ ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শিৱসাগৰ জিলা শাখাৰ ৬৯ সংখ্যক বাৰ্ষিক অধিবেশনখন তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অহা ২১, ২২ আৰু ২৩ জানুৱাৰীত দিখৌমুখস্থিত মগলৌ পুখুৰীৰ পাৰৰ শংকৰ আজান সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। দিখৌমুখ আঞ্চলিক শাখাৰ সেৱা আৰু আতিথ্যত অনুষ্ঠিত হ'ব লগা এই অধিবেশনৰ লাইখুঁটা আজি আনুষ্ঠানিকভাৱে শংকৰ আজান সমন্বয় ক্ষেত্ৰত স্থাপন কৰে শংকৰদেৱ সংঘৰ জিলা সমিতিৰ সভাপতি জয়ৰাম চাংমায়ে। পুৱা নাম-প্ৰসংগ কাৰ্যসূচী সম্পন্ন হোৱাৰ পাছতে অনুষ্ঠিত হোৱা লাইখুঁটা স্থাপন অনুষ্ঠানৰ আঁত ধৰে আদৰণি সমিতিৰ সভাপতি প্ৰণৱ দত্ত আৰু সম্পাদক সুভাষ নেওগে। দিখৌমুখ আঞ্চলিক শাখাৰ অধীনস্থ ১৪ খন শাখাৰ তিনি শতাধিক বাপ-বৈষ্ণৱ আৰু আই মাতৃৰ উপস্থিতিত লাইখুঁটা স্থাপন কৰি জয়ৰাম চাংমায়ে ৰাইজৰ সহায় সহযোগ কেউটা দিশতে কামনা কৰে। অনুষ্ঠানটোত শংকৰদেৱ সংঘৰ জিলা শাখাৰ সম্পাদক যুগল প্ৰসাদ গগৈ, দিখৌমুখ আঞ্চলিক শাখাৰ সভাপতি-সম্পাদক ক্ৰমে কমলা বড়া আৰু মাধূৰ্য দত্তকে ধৰি বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে ।

প্ৰেমহৰাত দৈয়াংপৰীয়া শাখা সাহিত্য সভাৰ 'আকাশ' অনুষ্ঠান

সৰুপথাৰ, ২৬ ডিচেম্বৰ ঃ দৈয়াংপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত আৰু প্ৰেমহৰা পঞ্চায়তৰ অন্তৰ্গত গ্ৰাম্য সংগঠনৰ সহযোগত গাঁও পঞ্চায়তৰ গ্ৰাম্য সংগঠনৰ সভাগৃহত আজি দিনজোৰা কাৰ্যসূচীৰে 'আকাশ' অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানৰ আৰম্ভণিতে সকলো মহিলা লগ লাগি পঞ্চায়ত কাৰ্যালয়ৰ চৌহদ চাফাই কৰে। পৰৱৰ্তী সময়ত বিশিষ্ট অতিথিসকলক গুৱাপাণ সম্বলিত শৰাই আৰু ধূপ দিপ জ্বলাই সন্মান সহকাৰে মঞ্চলৈ আদৰি আনে। আকাশ অনুষ্ঠানৰ উদ্বোধন কৰে দৈয়াংপৰীয়া শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দণ্ডেশ্বৰ বৰাই। আকাশ অনুষ্ঠানৰ জৰিয়তে গ্ৰামাঞ্চলৰ মহিলাসকল পাকঘৰতে সীমাবদ্ধ নাৰাখি তেওঁলোকৰ প্ৰতিভাসমূহ বিকশিত কৰাৰ মহান উদ্দেশ্যেৰে এখন মঞ্চ প্ৰদান কৰিছে। অনুষ্ঠানত প্ৰেমহৰা অঞ্চলৰ বহু সংখ্যক মহিলাই দিহানাম, বৰগীত, বিয়ানাম পৰিদৰ্শন কৰে। অনুষ্ঠানৰ শেষত প্ৰতিভা প্ৰদৰ্শন কৰা সকলো মহিলাকে একোখনকৈ প্ৰশংসা পত্ৰ প্ৰদান কৰে। এনে ধৰণৰ অনুষ্ঠানে গ্ৰামাঞ্চলৰ মহিলাসকলক প্ৰতিভা বিকশিত কৰাৰ ক্ষেত্ৰত সুন্দৰ ভূমিকা গ্ৰহণ কৰে। অনুষ্ঠানত মহিলাসকলে অতি হেঁপাহেৰে আৰু দৃঢ়তাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে নিজৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে।

দীৰ্ঘদিন সাংস্কৃতিক জগতত কাম কৰি অহাৰ পাছতো বঞ্চিত

■ বিটিআৰৰ অৱহেলিত একাংশ শিল্পীৰ নতুন প্ৰচেষ্টা

অগ্ৰদূত বাৰ্তা

চিথিলা, ২৬ ডিচেম্বৰ ঃ বিটিআৰৰ কোকৰাঝাৰ জিলাৰ একাংশ শিল্পীয়ে নতুনকৈ সংঘবদ্ধ হোৱা পৰিলক্ষিত হৈছে। আশীৰ দশকৰ এই শিল্পীসকল বিভিন্ন মঞ্চত গীত গাই ৰাইজৰ মনত আনন্দ দি অহাৰ উপৰি বিভিন্ন ভাষাৰ অডিঅ' কেছেট উলিয়াই ৰাইজৰ মাজত এক সুকীয়া স্থান দখল কৰিছে যদিও তেওঁলোক চৰকাৰী আঁচনিৰ পৰা আজিও বঞ্চিত। চৰকাৰ আহে, চৰকাৰ যায় কিন্তু শিল্পীসকলৰ কোনো চৰকাৰৰ খবৰ ল'বলৈ সময় নাই। এই শিল্পীসকলৰ মাজত বহুতো অনাতাঁৰ শিল্পীৰ উপৰি বিশেষভাৱে সক্ষম লোকো আছে। সেইবাবে এই অৱহেলিত আৰু বঞ্চিত শিল্পীসকলে কোকৰাঝাৰৰ জাৰাগুৰীৰ খয়াৰ বাগানত এক বনভোজৰ আয়োজন কৰি একত্ৰিত হৈ নতুন উদ্যমেৰে ৰাইজৰ মাজলৈ অহাৰ প্ৰয়াস চলাইছে। ইতিমধ্যে বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰ যোগান ধৰি এক সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে বনভোজ অনুষ্ঠান যোৱা ২৫ ডিচেম্বৰত অনুষ্ঠিত কৰে। বিটিআৰত নতুনকৈ গঠন হোৱা প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰখনে এই শিল্পীসকলক কেনে ধৰণে সহায়-সহযোগ কৰে সেয়া লক্ষ্যণীয় হ'ব।

ক'ভিড-১৯ত মৃত্যু হোৱা ২০০ লোকৰ আত্মীয়ক অনলাইন আবেদনৰ বাবে প্ৰশাসনৰ আহ্বান

অগ্ৰদূত বাৰ্তা

হোজাই, ২৬ ডিচেম্বৰ ঃ হোজাই জিলা প্ৰশাসনে জিলাখনৰ ক'ভিড-১৯ত মৃত্যু হোৱা লোকসকলৰ নিকটাত্মীয়ক চৰকাৰে আগবঢ়োৱা ৫০,০০০ টকাৰ এককালীন সাহায্য লাভ কৰাৰ বাবে অনলাইন ব্যৱস্থাৰে আবেদন জনাবলৈ আহ্বান জনাইছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিৰ্দেশনাৰ ভিত্তিত হোজাই জিলাতো ক'ভিড-১৯ত আক্ৰান্ত হৈ ২০০জন লোকৰ মৃত্যু হোৱাত এই মৃতকৰ নিকটাত্মীয়ক ৫০,০০০ টকাৰ এককালীন সাহায্য প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আবেদনকাৰীসকলে ইয়াৰ বাবে চৰকাৰে মুকলি কৰা https://cmcovidsupport.assam.gov.in লিংকত অনলাইন ব্যৱস্থাৰ জৰিয়তে অথবা তেওঁলোকৰ সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত আবেদন কৰিব পাৰিব। উল্লেখ্য যে ক'ভিড-১৯ত মৃত্যু হোৱা যিকোনো লোকৰ নিকটাত্মীয়ই অনলাইন ব্যৱস্থা বা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত অতি সোনকালে এই আঁচনিৰ অধীনত আবেদন জনাবলৈ প্ৰশাসনে আহ্বান জনাইছে। অনলাইন আবেদন কোনোধৰণৰ অসুবিধাৰ সন্মুখীন হ'লে জিলা উপায়ুক্তৰ কাৰ্যালয়তো যোগাযোগ কৰিব পাৰিব। এই উপলক্ষে যোৱা ২৪ ডিচেম্বৰত আবেদন সম্পৰ্কীয় লাগতিয়াল নথি পত্ৰৰ লগতে আবেদন প্ৰক্ৰিয়া সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে হোজাই জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ উদ্যোগত বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

লাওখোৱা অভয়াৰণ্যৰ পৰ্যটনস্থলীত বনকৰ্মীক দলবদ্ধ আক্ৰমণ

■ দুজন বনকৰ্মী আহত ■ গুৰুতৰভাৱে আহত বনকৰ্মীক নগাঁৱলৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

জুৰীয়া, ২৬ ডিচেম্বৰ ঃ লাওখোৱা অভয়াৰণ্যৰ পৰ্যটকস্থলী কাটাখালত আজি সন্ধিয়া মদ্যপান কৰি উদণ্ড যুৱকৰ এটা দলে জহিৰুল ইছলাম আৰু পাপু পাটৰ নামৰ দুই বনকৰ্মীক দলবদ্ধ আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, লাওখোৱা অভয়াৰণ্যৰ কাটাখাল পৰ্যটনস্থলীত মদ্যপান কৰা আৰু ডি জে বজোৱা সম্পূৰ্ণৰূপে বন্ধ কৰি ৰাখিছে বন বিভাগে; কিন্তু বন বিভাগৰ নিৰ্দেশনা উলংঘা কৰি একাংশ পৰ্যটকৰ লগতে একাংশ যুৱকে মদ্যপান কৰিবলৈ এখন স্থানীয় দোকানত সুৰা ক্ৰয় কৰিবলৈ গৈছিল। মূলতঃ সুৰা ক্ৰয়ক লৈ দুটা পক্ষৰ মাজত প্ৰথমে কাজিয়াৰ সূত্ৰপাত হয়। ইয়াৰ মাজতে জহিৰুল ইছলাম আৰু পাপু পাটৰ নামৰ দুই বনকৰ্মীয়ে এই কাৰ্যত বাধা প্ৰদান কৰাত তেওঁলোকক গুৰুতৰভাৱে আক্ৰমণ কৰে মদ্যপান কৰা এটা উদণ্ড যুৱকৰ দলে। এইদৰে উদণ্ড যুৱকৰ দলবদ্ধ আক্ৰমণত আহত বনকৰ্মীদ্বয়ক ততাতৈয়াকৈ দগাঁও প্ৰাথমিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছিল যদিও জহিৰুল ইছলামৰ আঘাত গুৰুতৰ হোৱাত তেওঁক উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰিছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত বন বিভাগে জুৰীয়া আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰিছে। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে মিন্টু বৰদলৈ নামৰ এজন লোকক ইতিমধ্যে আটক কৰি জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে ৰহস্যজনক কাৰণত স্থানীয় বন বিভাগৰ লোকে সমগ্ৰ ঘটনা সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মুখ খুলিব বিচৰা নাই। প্ৰকৃত পক্ষে কি লৈ বন বিভাগ আৰু স্থানীয় উদণ্ড যুৱকৰ দলটোৰ লগত আক্ৰমণৰ ঘটনা সংঘটিত হ'ল সেই কথাও বন বিভাগে সদৰী কৰিব বিচৰা নাই। ইয়াৰ বিপৰীতে দুয়ো পক্ষৰ মাজত বিবাদ মীমাংসাত উঠি পৰি লগাৰ অভিযোগ উঠিছে বন বিভাগৰ একাংশ বিষয়াৰ বিৰুদ্ধে। অৱশ্যে আৰক্ষীৰ সঠিক তদন্ততহে সমগ্ৰ ঘটনা পোহৰলৈ আহিব।

দুৰ্গা মন্দিৰ গ্ৰাম্য সংগঠনৰ প্ৰথম বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৬ ডিচেম্বৰ ঃ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, নলবাৰী আৰু কঁহুৱা মণ্ডল সংগঠনৰ অন্তৰ্গত দুৰ্গা মন্দিৰ গ্ৰাম্য সংগঠনৰ প্ৰথম বাৰ্ষিক সভা আজি ক্ষুদ্ৰ কটলা বৰকুছিত অনুষ্ঠিত হয়। দুৰ্গা মন্দিৰ গ্ৰাম্য সংগঠনৰ সভানেত্ৰী পূজা দেৱীয়ে আঁত ধৰা আৰু বিশিষ্ট সমাজসেৱিকা মৰমী ৰাজবংশীয়ে সভাপতিত্ব কৰা সভাখনত পূব নলবাৰী উন্নয়ন খণ্ডৰ খণ্ড সমন্বয়ক হৰি দাস আৰু পাঁচ নম্বৰ পূব বতাহগিলা গাঁও পঞ্চায়তৰ সভাপতি অঞ্জনজ্যোতি তালুকদাৰে ভাৰত চৰকাৰৰ কনকলতা মহিলা সৱলীকৰণ আঁচনি, দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল বিকাশ যোজনাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। তাৰ লগতে আত্ম সহায়ক গোটৰ দ্বাৰা কেনেকৈ স্বাৱলম্বী হৈ পৰিয়ালটোক বা সমাজখনত আগবঢ়াই নিব পাৰি, তাৰ ওপৰতো পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়।

কবি, লেখিকা স্বপ্নালী মহন্তৰ কবিতা পুথি উন্মোচন

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ কবি, লেখিকা স্বপ্নালী মহন্তৰ চাৰিখনকৈ কাব্যগ্ৰন্থ আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। গুৱাহাটীৰ নেডফি হাউচত অনুষ্ঠিত উক্ত অনুষ্ঠানত কবিগৰাকীৰ 'শাওণেহে জানে' হিন্দী অনুবাদ পুথি 'এক ফুল কি খাতিৰ' ইংৰাজী অনুবাদ পুথি 'উইল ইউ ৰেইট ফৰ মি অল ড্ৰেচ্ছদ' আৰু বাংলা অনুবাদ পুথি 'নদীটিৰ নাম দিল দৰিয়া' উন্মোচন কৰা হয়। গ্ৰন্থকেইখন উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়া, কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মুক্তি দেৱচৌধুৰী, বিশিষ্ট অনুবাদক, লেখিকা মিত্ৰা ফুকন আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰিতামণি বৈশ্যই। গ্ৰন্থকেইখনৰ সন্দৰ্ভত কবি স্বপ্নালী মহন্তই কয় 'এটা সপোন আছিল মোৰ। মোৰ কবিতাসমূহ বিভিন্ন ভাষাত প্ৰকাশ কৰাৰ। আজি সেই সপোন বাস্তৱ হ'ল। আজি মোৰ বাবে আনন্দৰ দিন, স্মৰণীয় দিন। আজিৰ অনুষ্ঠানত অসমীয়া কবিতাপুথি 'শাওণেহে জানে'ৰ উপৰি মোৰ প্ৰায় ৭০টা নতুন-পুৰণি কবিতা বঙালী, হিন্দী আৰু ইংৰাজীত অনুবাদ কৰি প্ৰকাশ কৰি মুঠ চাৰিখন গ্ৰন্থ আজি উন্মোচন কৰা হয়। কবিতাসমূহত প্ৰকৃতিৰ লগতে সমাজৰ বিভিন্ন বিষয়, বৰ্তমান পৰিস্থিতি, সমস্যা আদিয়ে স্থান পাইছে। মুঠি মুঠি ৰং, ঋতুৰ অংগৰাগ, ছাঁ পোহৰৰ কলাজ আৰু প্ৰেৰণা মুঠ চাৰিটা ভাগত ভাগ কৰা হৈছে। আশা কৰোঁ পাঠকে আদৰি ল'ব।' 'অনুষ্ঠানত আটাইকেইগৰাকী উন্মোচকে স্বপ্নালী মহন্তৰ কবিতা সম্পৰ্কত শুভেচ্ছামূলক ভাষণ দিয়ে। উল্লেখ্য যে অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাৰ গ্ৰন্থকেইখন প্ৰকাশ কৰিছে ভৱানী প্ৰকাশনে। আনহাতে, বাংলা ভাষাৰ পুথিখন প্ৰকাশ কৰিছে ভিকি পাব্লিছাৰ্চে।

ডিব্ৰুগড়ত আছু নেতাক আক্ৰমণৰ প্ৰতিবাদ

তামুলপুৰ আছুৰ জোঁৰ লৈ তীব্ৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২৬ ডিচেম্বৰ ঃ ডিব্ৰুগড়ত আছু নেতাক কৰা আক্ৰমণৰ প্ৰতিবাদত আজি উত্তাল হৈ পৰে তামুলপুৰ। ডিব্ৰুগড়ত আছু কৰ্মীৰ ওপৰত চলোৱা আক্ৰমণৰ প্ৰতিবাদত আজি সন্ধিয়া তামুলপুৰ আঞ্চলিক আৰু দক্ষিণ ডেফেলি আঞ্চলিক ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত জোঁৰ লৈ এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ৰ পৰা আৰম্ভ কৰা এই প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকাই। প্ৰতিবাদকাৰীসকলে ৰঙিয়া-ভূটান আন্তঃৰাষ্ট্ৰীয় পথেৰে হাতে হাতে জোঁৰ লৈ 'ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষ গ' বেক, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা গ' বেক, মন্ত্ৰী অতুল বৰা গ' বেক, আছুৰ কৰ্মীৰ ওপৰত কৰা অত্যাচাৰ বন্ধ কৰক, সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ' আদি শ্লʼগানেৰে তামুলপুৰৰ আকাশ-বতাহ উত্তাল কৰি তোলে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, সদৌ বাগ্সা জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক কুমুদ ডেকা, উপ-সভাপতি সৰঞ্জন ৰাভা, শিক্ষা সম্পাদক অজয় বড়ো, সদৌ তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অনুপ কলিতা, তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি উৎপল হালৈ, সাধাৰণ সম্পাদক বিপুল দাস, দক্ষিণ ডেফেলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়দেৱ দাস, সাধাৰণ সম্পাদক হিৰক দাসকে ধৰি শতাধিক আছু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

পথ সুৰক্ষাৰ সজাগতা সভা চামগুৰি মহাবিদ্যালয়ত

অগ্ৰদূত বাৰ্তা

চামগুৰি, ২৬ ডিচেম্বৰ ঃ নগাঁও জিলাৰ চামগুৰি মহাবিদ্যালয়ৰ পৰিবহণ ব্যৱস্থাপনা কমিটী আৰু বুৰঞ্জী বিভাগৰ যুটীয়া উদ্যোগত পথ সুৰক্ষা বিষয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা মৰ্মে আৰু উচ্চ শিক্ষা সঞ্চালকালয় (অসম)ৰ পৰামৰ্শ অনুযায়ী যোৱা ১৮ ডিচেম্বৰত চামগুৰি মহাবিদ্যালয়ত পৰিবহণ ব্যৱস্থাপনা কমিটী এখন গঠন কৰা হয়। এই কমিটীখনৰ দায়িত্ব পথ সুৰক্ষা বিষয়ত সজাগতা সৃষ্টি কৰাৰ লগতে হেলমেট পৰিধান কৰা, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ, যান-বাহনৰ নথিপত্ৰসমূহ নবীকৰণৰ ক্ষেত্ৰত কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা। সেই মৰ্মে যোৱা ২৪ ডিচেম্বৰত চামগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয়ৰ পৰিবহণ ব্যৱস্থাপনা কমিটী আৰু বুৰঞ্জী বিভাগৰ যুটীয়া সহযোগত পথ সুৰক্ষা বিষয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। চামগুৰি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা বিথিকা বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত পথ সুৰক্ষাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে মহাবিদ্যালয়ৰ পৰিবহণ ব্যৱস্থাপনা কমিটীৰ সমন্বয়ক বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক কামেশ্বৰ ডেকাই। সজাগতা সভাত উচ্চ শিক্ষা সঞ্চালকালয় (অসম)-এ দিয়া বিভিন্ন নীতি-নিৰ্দেশনাসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে বুজিব পৰাকৈ ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ দীলিপ কুমাৰ দাস আৰু ভূগোল বিভাগৰ অধ্যাপক দেৱজিৎ বৰাই। সভাৰ শেষত পৰিবহণ ব্যৱস্থাপনা কমিটীৰ প্ৰধান সদস্যা আৰবী বিভাগৰ অধ্যাপিকা আঞ্জুমা বেগমে কৃতজ্ঞতা জনায়।

ডাঃ সানৌ সিংহৰ শেষ কৃত্য সম্পন্ন

অগ্ৰদূত বাৰ্তা

হোজাই, ২৬ ডিচেম্বৰ ঃ শুকুৰবাৰে হাম হাস্পতালত মৃত্যু হোৱা হোজাইৰ এগৰাকী সৰ্ববৰহী ব্যক্তি, সংস্কৃতিৱান পুৰুষ, হোজাই সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ চিকিৎসক ডাঃ সানৌ সিংহক কালি ৰাজহুৱা মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। কালি হোজাই অঞ্চলৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰথমগৰাকী স্নাতক চিকিৎসক তথা স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত জিলা স্বাস্থ্য উপ-অধীক্ষকজনৰ নশ্বৰদেহ হোজাইৰ চৰকাৰী চিকিৎসালয়, হোজাই শাখা সাহিত্য সভাকে ধৰি হোজাইৰ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানলৈ পুষ্পসজ্জিত বাহনত সমদল কৰি নি শেষ শ্ৰদ্ধা জনোৱাৰ পাছত মণিপুৰী শ্মশানত শেষ কৃত্য সম্পন্ন কৰা হয়।

অনুষ্ঠানত ছহিদ কৰম সিং বঁটা প্ৰদান ক্ৰীড়াবিদ অৰ্জন বৰুৱালৈ

অগ্ৰদূত বাৰ্তা

দুলীয়াজান, ২৬ ডিচেম্বৰ ঃ দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত এক অনুষ্ঠানত অসম তথা ভাৰতৰ ক্ৰীড়া জগতৰ প্ৰবাদ প্ৰতীম ক্ৰীড়াবিদ অৰ্জন ভোগেশ্বৰ বৰুৱাক 'ছহিদ কৰম সিং জনমভূমি বঁটা' প্ৰদান কৰা হয়। ক্ৰীড়াবিদজনক ৫০ হেজাৰ টকা, এখন চেলেং চাদৰ আৰু এখন প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনায়। এই বঁটা প্ৰদান অনুষ্ঠান ছহিদ কৰম সিং ন্যাস, দুলীয়াজানৰ উদ্যোগত সম্পন্ন হয়। উল্লেখ্য যে নগাঁৱৰ অসমীয়া শিখ গাঁও বৰকলাৰ সুযোগ্য সন্তান কৰম সিং ১৯৮৩ৰ এক মাৰ্চত কামপুৰৰ ওচৰত ছহিদ হৈছিল। ২০১৯ত ছহিদৰ পৰিয়ালে 'ছহিদ কৰম সিং ন্যাস, দুলীয়াজান, অসম' নামেৰে এটি ন্যাস গঠন কৰি প্ৰতিবছৰে সমাজ জীৱনক চহকী কৰি তোলা একোজন ধীমান, কৃতধী ব্যক্তিক উক্ত বঁটা প্ৰদান কৰি আহিছে। এই বছৰ ন্যাসে এই বঁটা ক্ৰীড়াবিদ অৰ্জন বৰুৱাক প্ৰদান কৰি সন্মানিত কৰে। অনুষ্ঠান পৰিচালনা কৰে নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰে। অনুষ্ঠানত কবি, সাহিত্যিক, সমালোচক ড° কৱৰী ডেকা হাজৰিকাই ভাষণ প্ৰদান কৰাৰ লগতে অৰ্জুন ভোগেশ্বৰ বৰুৱাও বক্তব্য ৰাখে। অনুষ্ঠানত স্থানীয় বিধায়ক তেৰছ গোৱালা, অইলৰ কাৰ্যবাহী সঞ্চালক অতীন্দ্ৰ ৰায় চৌধুৰী, ১৯৭৯ৰ অসম আন্দোলনত দুলীয়াজানত ছহিদ হোৱা অজিত নেওগ, কুমুদ গগৈৰ পৰিয়ালৰ লগতে ছহিদ কৰম সিঙৰ পৰিয়ালৰ উপৰিও বহু লোক উপস্থিত থাকে।

'চন্দ্ৰ সূৰ্য আদি'ৰ বিশেষ দৰ্শনী সম্পন্ন

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৬ ডিচেম্বৰ ঃ অসমীয়া চলচ্চিত্ৰ জগতত নতুনকৈ সংযোজিত হোৱা 'চন্দ্ৰ সূৰ্য আদি'ৰ এটি বিশেষ দৰ্শনী আজি শিৱসাগৰৰ ভটীয়াপাৰস্থিত ভাস্কৰজ্যোতি চলচ্চিত্ৰ গৃহত প্ৰদৰ্শিত কৰা হয়। এশিঙীয়া গঁড়ৰ হত্যা আৰু বনকৰ্মীসকলৰ পৰিশ্ৰম তথা তেওঁলোকৰ জীৱনক লৈ নিৰ্মাণ কৰা পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰখনৰ বিশেষ দৰ্শনী চাই অভিভূত হোৱা বুলি দৰ্শকসকলে মন্তব্য কৰে। অহা ১৮ ফেব্ৰুৱাৰীত মুক্তি পাবলগীয়া চলচ্চিত্ৰখনৰ বিশেষ দৰ্শনীত আজি উপস্থিত থাকে চিনেমাখনৰ সমূহ কলা-কুশলী, শিৱসাগৰ বন বিভাগৰ বিষয়াসকলৰ লগতে বহু লোক। বন বিভাগৰ ভিতৰুৱা কাহিনীৰে নিৰ্মিত প্ৰথমখন অসমীয়া চলচ্চিত্ৰলৈ অসমৰ চলচ্চিত্ৰপ্ৰেমী দৰ্শকসকলে মৰম দিব বুলি আশাবাদী বুলি পৰিচালক ৰমেন গগৈয়ে মন্তব্য কৰে।

পদ্মনাথ গোহাঞি বৰুৱা স্মৃতি দিৱস ঃ 'সৌন্দৰ্য আৰু সৃষ্টি' শীৰ্ষক দ্বিতীয় স্মাৰক বক্তৃতানুষ্ঠান

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ২৬ ডিচেম্বৰ ঃ 'শুকান ডাল এটাৰ পৰাও সৌন্দৰ্য বিচাৰি পাব পাৰি, সৃষ্টি কৰিব পাৰে। যদিহে সৃষ্টিধৰ্মী গুণ থাকে আৰু অনুসন্ধানমূলক অনুভূতি থাকে। '—এই বক্তব্য বিশিষ্ট শিক্ষাবিদ, বিজ্ঞান লেখক জিনিয়াছ একাডেমীৰ পৰিচালক সঞ্চালক ড° মুকুন্দ ৰাজবংশীৰ। আজি উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত অনুষ্ঠিত পদ্মনাথ গোহাঞি বৰুৱা দিৱস উপলক্ষে আয়োজিত 'সৌন্দৰ্য আৰু সৃষ্টি' শীৰ্ষক দ্বিতীয় সংখ্যক স্মাৰক বক্তৃতানুষ্ঠানত এই কথা উল্লেখ কৰে। বিশিষ্ট শিক্ষাবিদজনে বিষয়টোৰ সন্দৰ্ভত গীতা, কালি দাস মনালিছাৰ হাঁহি, প্লেটো, আইনষ্টাইন, ইংৰাজ কবি ৱৰ্ডছৱৰ্থ, দেৱকান্ত বৰুৱা আৰু নীলমণি ফুকন আদি সাহিত্য আৰু বিজ্ঞান দুয়োটা দিশৰ সৌন্দৰ্য আৰু সৃষ্টি সম্পৰ্কত এক সূক্ষ্মধৰ্মী বিশ্লেষণ আগবঢ়ায়। অনুষ্ঠানটোৰ উদ্বোধনী ভাষণ প্ৰসংগত উল্লেখ কৰি গীতাচাৰ্য, দামোদৰ দেৱ বঁটা প্ৰাপক পুৰন্দৰ বৰুৱাই কয় যে সাহিত্য কাণ্ডাৰী, অসমৰ প্ৰতিষ্ঠাপক সাহিত্য সভাৰ সভাপতি পদ্মনাথ গোহাঞি বৰুৱাই অসমীয়া সাহিত্যত সমৃদ্ধিশালী বীজ ৰোপণেৰে জাতিটোকো শক্তিশালী কৰি গৈছে আৰু ইয়েই জাতিটোৰ ভৱিষ্যতৰ বাবে প্ৰেৰণা। লখিমপুৰ সাহিত্য সভাৰ সভাপতি ড° প্ৰেমানন্দ হাওবৰাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটোত 'সৌন্দৰ্য আৰু সৃষ্টি' সন্দৰ্ভত এক অন্তৰংগ অনুষ্ঠানো অনুষ্ঠিত হয়। অনুষ্ঠানত লখিমপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° বন্তি হাওবৰা, শিক্ষাবিদ ড° অমিয়া ৰাজবংশী, উত্তৰ লখিমপুৰ কলেজ (স্বাঃ শাঃ) অধ্যক্ষ ড° বিমান চেতিয়া প্ৰমুখ্যে বহুকেইজন ব্যক্তি উপস্থিত থকা অনুষ্ঠানত উপসভাপতি দীপক হাজৰিকাই অনুষ্ঠানৰ আদৰণি পাঠ আগবঢ়ায়।

যোৰহাট জিলা তুৰি মিৰড়্ধা সমাজৰ অধিবেশন সম্পন্ন

বৰ্ণাঢ্য শোভাযাত্ৰা, কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

অগ্ৰদূত বাৰ্তা,

মৰিয়নি, ২৬ ডিচেম্বৰ ঃ সদৌ অসম তুৰি মিৰড়্ধা সমাজৰ যোৰহাট জিলা সমিতিৰ ত্ৰিবাৰ্ষিক অধিবেশনখন আজি মৰিয়নিৰ হোলোংগুৰি চাহ বাগিচাৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা তুৰি মিৰড়্ধা সমাজৰ যোৰহাট জিলা সমিতিৰ সভাপতি শ্যামল মিড়্ধাই পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচী মুকলি কৰে। সম্পাদক সুৰেশ মিৰড়্ধাই ছহিদ তৰ্পণ কৰাৰ অন্তত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰ আৰম্ভ কৰে কেন্দ্ৰীয় সমিতিৰ সাংগাঠনিক সম্পাদক আনন্দ মিৰড়্ধাই। আনহাতে, শ্যামল মিৰড়্ধাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। সুৰেশ মিৰড়্ধাই আঁতধৰা সভাখনত কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা দেৱেন তুৰিয়ে আদৰণি ভাষণ প্ৰদান কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লীলাধৰ মিৰড়্ধাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি গোলাপ তুৰি, সহকাৰী সাধাৰণ সম্পাদক সঞ্জয় তুৰি, সাংগাঠনিক সম্পাদকদ্বয় ধীৰেশ মিৰড়্ধা আৰু আনন্দ মিৰড়্ধা, প্ৰাক্তন ক্ৰীড়া সম্পাদক প্ৰদীপ মিৰড়্ধা আদিয়ে অংশগ্ৰহণ কৰি শৈক্ষিক, সামাজিক আৰু সমাজ ব্যৱস্থাৰ বিভিন্ন দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। আনহাতে, কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লীলাধৰ মিৰড়্ধাৰ পৰ্যবেক্ষণত অনুষ্ঠিত বিষয়বাছনী সভাত নতুন সমিতি গঠন কৰা হয়। এই সভাতেই লক্ষীৰাম মিৰড়্ধাক সভাপতি, উমানন্দ মিৰড়্ধাক কাৰ্যকৰী সভাপতি, সুৰেশ মিৰড়্ধাক সম্পাদক আৰু জিতেন তুৰিক কোষাধ্যক্ষ হিচাপে লৈ তুৰি মিৰড়্ধা সমাজৰ যোৰহাট জিলা সমিতিৰ ২১জনীয়া নতুন সমিতিখন গঠন কৰা হয়।

প্ৰকৃতি কৃষক উন্নয়ন সংস্থাৰ পদক্ষেপ

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ২৬ ডিচেম্বৰ ঃ গোলাঘাট জিলাৰ প্ৰকৃতি কৃষক উন্নয়ন সংস্থা উদ্যোগত আৰু জিলা প্ৰশাসন-বন বিভাগৰ সহযোগত যোৱা ২৪ ডিচেম্বৰ নামবৰ সংৰক্ষিত বনাঞ্চলত হাতী-মানুহৰ সংঘাত প্ৰতিৰোধৰ বাবে নেপিয়ৰ ঘাঁহ ৰোপণ কৰি আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। সংস্থাৰ সভাপতি ৰূপম শইকীয়া আৰু দেৱাশীষ বৰাই জানিবলৈ দিয়া মতে প্ৰায় ২১ বিঘা সংৰক্ষিত মুক্ত ভূমিত ৫০০ কুইন্টল ঘাঁহৰ বীজ ৰোপণ কৰে। কাৰ্যসূচীত বন বিভাগৰ বিষয়া-সংস্থাটোৰ কৰ্মকৰ্তাসকল আৰু প্ৰকৃতিপ্ৰেমী ৰাইজ উপস্থিত থাকে।

পলাশবাৰীত অধ্যাপিকা যমুনা মালীৰ চাৰিখন গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ২৬ ডিচেম্বৰ ঃ পলাশবাৰী সংস্কৃতি বিকাশ ভৱনত কালি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা যমুনা মালীৰ চাৰিখন গ্ৰন্থ 'সাত ভাই কুঁজ দিষ্টান কওঁ বুজ', 'আইনাম', 'প্ৰবন্ধ পাপৰি' আৰু 'জয় ৰাম্বা বুলা জয়ে হৰি বুলা' নামৰ গ্ৰন্থকেইখন উন্মোচন কৰা হয়। এই উপলক্ষে পলাশবাৰী সংস্কৃতি বিকাশ ভৱনৰ সভাপতি অনিল কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ আঁত ধৰে সংস্কৃতি বিকাশ ভৱনৰ সম্পাদক যতীন্দ্ৰ নাথ কলিতাই। সভাত গ্ৰন্থ উন্মোচক দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গজেন্দ্ৰ ড° অধিকাৰীয়ে 'সাত ভাই কুঁজ দিষ্টান কওঁ বুজ' গ্ৰন্থখনে আখৰৰ আন এটা নাম যে অক্ষৰ, যাৰ ক্ষয় নাই, সেই কথা সোঁৱৰাই দিছে। শব্দ হ'ল ভাষা এটাৰ চকু। যমুনা মালীয়ে এই গ্ৰন্থকেইখনৰ জৰিয়তে চিন্তা আৰু কৰ্মক অক্ষয় প্ৰদান কৰিবলৈ চেষ্টা কৰিছে। ভৱিষ্যতে অসমীয়া ভাষাৰ সংকট, সাহিত্য, সংস্কৃতি আদিৰ ওপৰত পৰা প্ৰভাৱ সম্পৰ্কে বিশদভাৱে আলোকপাত কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অধিকাৰীয়ে। অনুষ্ঠানত পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কৈলাশ নাথ শৰ্মাই দ্বিতীয়খন গ্ৰন্থ 'আইনাম' উন্মোচন কৰি থলুৱা ভাষা-সাহিত্যৰ সংৰক্ষকৰ ওপৰত গুৰুত্ব দিব লাগে বুলি মন্তব্য কৰে। সভাত তৃতীয়খন গ্ৰন্থ 'প্ৰবন্ধ পাপৰি'ৰ উন্মোচক ড° দীনমণি কলিতাই উন্মোচন কৰি আন্তৰ্জাতিক সাহিত্যৰ উপমা দি কে'বাটাও মূল্যৱান দিশৰ ওপৰত আলোকপাত কৰে। পলাশবাৰী সংস্কৃতি বিকাশ ভৱনৰ সভাপতি অনিল কলিতাই চতুৰ্থখন গ্ৰন্থ 'জয়ে ৰাম্বা বুলা জয়ে হৰি বুলা' উন্মোচন কৰাৰ লগতে সভাখন সঞ্চালনা কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা তথা লেখিকা যমুনা মালীয়ে কালি পৱিত্ৰ বৰদিনত চাৰিখনকৈ গ্ৰন্থ উন্মোচন হোৱাত সুখী অনুভৱ কৰি গ্ৰন্থকেইখন ৰাইজে আঁকোৱালি ল'ব বুলি আশা প্ৰকাশ কৰে। দুই কন্যা, স্বামী তথা বামুন্দী (কনিষ্ঠ) মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৰেশ্বৰ কলিতাই গ্ৰন্থকেইখন প্ৰকাশৰ ক্ষেত্ৰত উৎসাহ-উদ্দীপনা যোগোৱাৰ লগতে বিভিন্ন দিশত সহায়-সহযোগিতা কৰা বুলিও মন্তব্য কৰে লেখিকা মালীয়ে।

আঞ্চলিকতাবাদৰ স্বাৰ্থত অগপৰ জ্যেষ্ঠ-কনিষ্ঠ সকলোৱে আগবাঢ়ি আহক

পাগলাদিয়া নৈৰ পাৰত অগপৰ মত-বিনিময় অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৬ ডিচেম্বৰ ঃ 'আঞ্চলিকতাবাদৰ স্বাৰ্থত অগপৰ জ্যেষ্ঠ-কনিষ্ঠ সকলোৱে আগবাঢ়ি আহক। কোনো ৰাজনৈতিক দলে একেৰাহে শাসন চলাব নোৱাৰে। গতিকে অগপয়ো পুনৰ অসমত চৰকাৰ গঠন কৰিব পাৰিব।' এই মন্তব্য অগপৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য দিলীপ কুমাৰ দাসৰ। আজি বৰদিনৰ এই পবিত্ৰ দিনটোত নলবাৰীৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ পাগলাদিয়া নদীৰ বালিচৰত অসম যুৱ পৰিষদ, নলবাৰী জিলা সমিতিৰ উদ্যোগত আৰু অগপৰ নলবাৰী জিলা সমিতিৰ সহযোগত অনুষ্ঠিত এক মত-বিনিময় কাৰ্যসূচীত উপস্থিত থাকি নলবাৰী পৌৰসভা নিৰ্বাচনৰ তত্ত্বাৱধায়ক তথা কেন্দ্ৰীয় নেতাজনে পুনৰ কয় যে প্ৰতিজন মানুহৰে কেতিয়াবা ভুল হ'ব পাৰে; কিন্তু তাক সংশোধন কৰি আগবাঢ়ি যোৱাটোহে মূল কথা। দলৰ মাজত যদি কোনো সদস্যই ভুল কৰিছে তাক সংশোধন কৰি পুনৰ সকলোকে ঐক্যবদ্ধভাৱে দলৰ হৈ কাম কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়। নলবাৰী জিলাৰ যুৱ পৰিষদৰ সম্পাদক গকুল মহন্তই আঁতধৰা অনুষ্ঠানত উপস্থিত থাকি অগপৰ জিলা সমিতিৰ সম্পাদক কেশৱ ডেকাই ব্যক্তি স্বাৰ্থ পৰিহাৰ কৰি সকলোকে ঐক্যবদ্ধভাৱে কাম কৰি যাবলৈ আহ্বান জনায়। অগপৰ জ্যেষ্ঠ নেতাজনে পুনৰ কয় যে দলৰ কাম কৰোঁতে কিছু মত-বিৰোধ থাকিব পাৰে কিন্তু বিসম্বাদ থাকিলে কাৰো উপকাৰ নহয়। অনুষ্ঠানত উপস্থিত থাকি অগপৰ জ্যেষ্ঠ নেতা ড° ৰবীন দাসে নিজৰ ভাষণত কয় যে দলীয় সতীৰ্থসকলে সদায় সংযম ৰক্ষা কৰি দলৰ কাম কৰিব লাগে বুলি মন্তব্য কৰে। আনহাতে, পূৰ্বে কৰা ভুলৰ সংশোধন কৰি নতুন বছৰত ন-উদ্যমৰে কাম কৰিবলৈ দলৰ সকলোকে আহ্বান জনায়। মত বিনিময় কাৰ্যসূচীত মহিলা পৰিষদৰ জিলা সভানেত্ৰী প্ৰতিভা তালুকদাৰ, সম্পাদিকা বিজুলী ৰাজবংশী, যুৱ পৰিষদৰ জিলা সমিতিৰ সভাপতি কিশোৰ শৰ্মা, সংখ্যালঘু পৰিষদৰ জিলা সমিতিৰ সভাপতি আজগৰ চৌধুৰীকে ধৰি দুই শতাধিক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

মৰিগাঁও জিলা জনসংখ্যা সমাধান

১২ পৃষ্ঠাৰ পৰা জনসংখ্যা ফাউণ্ডেছনে ধিক্কাৰ দিয়াৰ লগতে দোষীক উপযুক্ত শাস্তি প্ৰদান কৰিবৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰলৈ দাবী জনায়। ইফালে, মৰিগাঁও জিলা জনসংখ্যা সমাধান ফাউণ্ডেছনে সম্বোধন কৰা সংবাদমেলত জনসংখ্যা সমাধান ফাউণ্ডেছনৰ সংযোজক উৎপল শৰ্মা, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কাৰ্যকৰ্তা ৰবীন ডেকা আৰু জয়দেৱ বৰাৰ লগতে বহুকেইজন কৰ্মকৰ্তা উপস্থিত থাকে।

মূলসুঁতিৰ মানুহৰ জীৱন ধাৰণৰ মানৰ লগত

১২ পৃষ্ঠাৰ পৰা অনলাইন ব্যৱস্থাৰে চৰাঞ্চলৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়াটো সম্ভৱ নহয়। সেয়ে নতুন শিক্ষা নীতি সন্দৰ্ভত সকলোকে সচেতন হ'বলৈ আহ্বান জনায়। ড° নাথে আৰু কয় প্ৰতিখন চৰকাৰে চৰাঞ্চলৰ মাটিৰ সমস্যা সমাধান নকৰি তেওঁলোকক হেঁচাত ৰখাৰ বাবে মাটিৰ সমস্যা জীয়াই ৰাখিছে। চৰাঞ্চলৰ যাতায়াত আৰু কৃষি সমস্যাৰ ওপৰত আলোকপাত কৰি প্ৰতিবাদ আৰু সংগ্ৰামৰ জৰিয়তে সমস্যাসমূহ সমাধান কৰিবলৈ কয়। অসম বিজ্ঞান সমিতিৰ নগৰবেৰা শাখাৰ সভাপতি ড° নুৰ আলম হকৰ সঞ্চালনাত 'অসমৰ চৰ অঞ্চলৰ লোকসকলৰ আৰ্থ-সামাজিক উন্নয়ন ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা' শীৰ্ষক বিষয়ক এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰত মূল বক্তব্য প্ৰদান কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ এম আব্দুল মজিদে। মজিদে কয় যে চৰাঞ্চলৰ মানুহখিনিয়ে শতাধিক বছৰৰ অধিক কাল ধৰি বসবাস কৰাৰ উপৰি অসমীয়া ভাষা, কৃষ্টি, সংস্কৃতি গ্ৰহণ কৰিবলৈ নিৰলস প্ৰচেষ্টা চলাই থকা সত্ত্বেও মূলসুঁতিৰ লোকসকলে এওঁলোকৰ ত্যাগক স্বীকৃতি নিদিয়াটো দুৰ্ভাগ্যজনক। এই ক্ষেত্ৰত তেওঁ অসম সাহিত্য সভাৰ লেখীয়া জাতীয় সংগঠনসমূহক গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। আলোপতি ছাত্ৰ সন্থাৰ সভাপতি হান্নানুল আহমেদে উদ্বোধন কৰা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক ৰাজ মাহমুদ হুছেইনে আদৰণি ভাষণ প্ৰদান কৰা আলোচনাচক্ৰত বিশিষ্ট লেখক তথা বিষয় শিক্ষক হবিবুৰ ৰহমানে চৰাঞ্চলত মাটি, শিক্ষা, খহনীয়া, কৃষি, যাতায়াত আদি বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰি কয় যে প্ৰায় ডেৰ/দুশ বছৰ পূৰ্বৰ পৰা বসবাস কৰি চৰাঞ্চলৰ লোকসকলে আজিও নাগৰিকত্বৰ সমস্যাত ভুগিবলগীয়া হোৱাটো লজ্জাজনক বুলি কয়। চৰাঞ্চলৰ লোকসকল হাড়ে-হিমজুৰে অসমীয়া। এই অঞ্চলসমূহত চৰৰ লোকে অসমীয়া মাধ্যমৰ স্কুল পাতি শিক্ষা গ্ৰহণ কৰি আহিছে। চৰকাৰে চৰাঞ্চলত নিজাকৈ কোনো এটা বিদ্যালয় পতা নাই। তেওঁ আৰু কয় যে একাংশ তথাকথিত অসমীয়াতকৈ চৰাঞ্চলৰ লোকে অসমীয়া ভাষা শুদ্ধকৈ ক'ব পাৰে আৰু অসমীয়া ভাষা জীয়াই ৰখাৰ ক্ষেত্ৰত চৰাঞ্চলৰ লোকৰ অৱদান যথেষ্ট আছে। অনুষ্ঠানত গোৱালপাৰা আইন মহাবিদ্যালয়ৰ অধ্যাপক আনোৱাৰ হুছেইনেও আলোচক হিচাপে বিষয়বস্তু সন্দৰ্ভত তথ্য সম্বলিত ভাষণ প্ৰদান কৰে। আলোচনাচক্ৰৰ আৰম্ভণিতে ছাজ্জাদ কবীৰ আৰু তেওঁৰ সহযোগীসকলে সমবেত সংগীত পৰিৱেশন কৰে।

বজালী জিলা প্ৰশাসন-সংবাদ মাধ্যমৰ ইতিবাচক কথোপকথন

বিশেষ সম্বাদদাতা

পাঠশালা, ২৬ ডিচেম্বৰ ঃ বজালীৰ ঐতিহ্যমণ্ডিত তথা এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ বট-বৃক্ষৰে পৰিবেষ্টিত জালিখাটা কলিবাৰী থানত আজি বজালী জিলা প্ৰশাসনে আয়োজন কৰা জিলা প্ৰশাসন আৰু সাংবাদিকসকলৰ মাজত এক ইতিবাচক কথোপকথন অনুষ্ঠান অনুষ্ঠিত হয়। বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীৰ নেতৃত্বত আয়োজন কৰা অনুষ্ঠানটোত বজালী জিলাৰ বিভিন্ন প্ৰান্তৰ ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ সাংবাদিকসকলে অংশগ্ৰহণ কৰে। বিশিষ্ট সাংবাদিক পুলু কুমাৰ শৰ্মাই আঁতধৰা অনুষ্ঠানত সাংবাদিকসকলক জিলা প্ৰশাসনৰ তৰফৰ পৰা ডায়েৰী, কেলেণ্ডাৰ, কলম আদি প্ৰদান কৰি আগন্তুক নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানত জিলা উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে নিজৰ প্ৰসংগত প্ৰশাসন আৰু সংবাদ মাধ্যমৰ কৰণীয় কামৰ কথা উল্লেখ কৰি কয়, 'জিলা প্ৰশাসনৰ প্ৰশাসন যন্ত্ৰৰ স'তে জড়িত বিষয়াসকলৰ যদি জিলাখনৰ ভৌগোলিক স্থিতি, সংস্কৃতি, জিলাখনৰ অভাৱ-অভিযোগ জ্ঞান বা জিলাখনৰ জনসাধাৰণৰ স'তে সম্পৰ্ক নাথাকে তেতিয়া প্ৰশাসন যন্ত্ৰটোৱে যিমানেই চেষ্টা নকৰিলেও জিলাখনক বিকাশৰ দিশত অগ্ৰগতিৰ বাটেৰে আগবঢ়াই নিব নোৱাৰে।' তেওঁ পুনৰ কয়, 'সাংবাদিকসকলে প্ৰশাসনৰ স'তে মধুৰ সম্পৰ্ক ৰক্ষা কৰি সকলো দিশতে জিলাখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সাংবাদিকসকলে আগবঢ়োৱা সহযোগিতাক উপায়ুক্তজনে স্বীকাৰ কৰে। উপায়ুক্ত দেৱচৌধুৰীৰ স্পষ্ট মত যে সাংবাদিকসকলে ইতিবাচক-নেতিবাচক সকলো খবৰে প্ৰকাশ কৰি প্ৰশাসনক জনায় আৰু তাৰ ভিত্তিতেই যিবোৰ নেতিবাচক খবৰ সেইবিলাক খবৰ ইতিবাচক পৰ্যায়লৈ অনাৰ ক্ষেত্ৰত তৎপৰতাৰে ভূমিকা গ্ৰহণ কৰি জিলাখনৰ নেতিবাচক কথাবোৰ যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পাৰি আৰু এই উদ্দেশ্য আগত ৰাখিয়েই আজি জিলা প্ৰশাসন আৰু সাংবাদিকৰ মাজত সমন্বয়ৰ সেতু নিৰ্মাণ কৰাৰ কাৰণে আৰু জিলাখনক অধিক ক্ষিপ্ৰতাৰে উন্নয়নৰ বাটত আগবঢ়াই নিয়াৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে ইতিবাচক কথোপকথনেৰে। অনুষ্ঠানটোত বজালী জিলা আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসে নিজৰ ভাষণত জিলাখনৰ সাংবাদিকসকলোলৈ অহা ইতিবাচক ভূমিকাক প্ৰশংসা কৰে। অনুষ্ঠানটোত সাংবাদিক ক্ৰমে ৰাণা ডেকা, নৰকান্ত কলিতা, জিণ্টুল তালুকদাৰ, কল্যাণ কলিতাকে ধৰি কে'বাগৰাকীও সাংবাদিকে ভাষণ প্ৰদান কৰি জিলাখনৰ ভিতৰৰ বহুতো অভাৱ-অভিযোগ প্ৰশাসনক দৃষ্টিগোচৰ কৰায়। অনুষ্ঠানটোত বজালী জিলাৰ অতিৰিক্ত উপায়ুক্ত মনজ্যোতি কুটুম, জিলা নিৰ্বাচনী বিষয়া হেমাশ্ৰী খনিকৰ, বজালী খণ্ড উন্নয়ন বিষয়া ৰঞ্জন বেজবৰুৱা, বজালী চক্ৰ বিষয়া কাকুমণি শইকীয়াকে আদি কৰি কে'বাগৰাকীও বজালী জিলা বিষয়া কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য যে উক্ত অনুষ্ঠানতেই কলিবাৰী থানৰ স'তে জড়িত কে'বাগৰাকীও ব্যক্তিক উপায়ুক্ত তথা জিলা প্ৰশাসনে আগন্তুক নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে।

অসম দাপোণ

দৈনিক অগ্ৰদূত

জিৰিকিন্দেঙত নিশাৰে পৰা ধুমুহা-শিলাবৃষ্টি

অগ্ৰদূত বাৰ্তা

ডংকামোকাম, ২৬ ডিচেম্বৰ ঃ পশ্চিম কাৰ্বি আংলং জিলাৰ জিৰিকিন্দেঙৰ বৃহত্তৰ অঞ্চলত যোৱা নিশা বতাহ-বৰষুণৰ পাছতেই শিলাবৃষ্টিপাত হয়। নিশাৰ ভাগত অহা শিলাবৃষ্টিয়ে এক প্ৰকাৰৰ অপ্ৰীতিকৰ পৰিস্থিতিয়ে অঞ্চলটোত বিৰাজ কৰিছে। নিশাৰ ভাগত হঠাৎ অহা বতাহ বৰষুণ আৰু শিলাবৃষ্টিৰ ফলত আজি বিয়লি ভাগলৈকেও বৃহত্তৰ জিৰিকিন্দেং অঞ্চলটোত বৰফেৰে ঢাক খাই পৰিছে। অৱশ্যে এই বতাহ-বৰষুণ আৰু শিলাবৃষ্টিত কোনো ধৰণৰ ক্ষয়-ক্ষতিৰ বাতৰি অহা নাই। কিন্তু এই বতাহ-বৰষুণ আৰু শিলাবৃষ্টিৰ ফলত হোৱা ঠাণ্ডাৰ ফলত বহু চৰাই-চিৰিকটিৰ মৃত্যু হোৱাৰ আশংকা প্ৰকাশ কৰিছে বৃহত্তৰ জিৰিকিন্দেঙৰ ৰাইজে।

মধ্য যোৰহাট উন্নয়ন খণ্ডত লোক গণনা ঃ আজৰ কাণ্ড

এঠাইত থাকি লোক গণনা, ৩০ টকা লৈ টিনৰ কাৰ্ড প্ৰদান

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ২৬ ডিচেম্বৰ ঃ যোৰহাট জিলাৰ মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৭ নম্বৰ মধ্য চাওখাত হাতীগড় গাঁও পঞ্চায়তত লোক গণনা আজৱ কাণ্ডই ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ভাৰতীয় সংবিধান অনুসৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে প্ৰতি ১০ বছৰৰ অন্তৰত মানুহৰ ঘৰে ঘৰে গৈ পৰিয়ালৰ বিতং তথ্য সংগ্ৰহ কৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক অৱগত কৰিব লাগে। ২০২১ত ২৭ নম্বৰ মধ্য চাওখাত হাতীগড় গাঁও পঞ্চায়তত লোক গণনা কৰাৰ নামত এঠাইত চাৰি-পাঁচ গৰাকী পাঁচ যুৱক-যুৱতীয়ে লোক গণনা কৰাৰ বাবদ একোজন লোকৰ পৰা ৩০ টকা সংগ্ৰহ কৰি ‘অসম লোক গণনা গাঁও পঞ্চায়ত ক্ৰমিক সংখ্যা (জিলা প্ৰশাসন বিভাগ)’ লিখা টিনৰ কাৰ্ড এখন দি পঠাই দিয়ে। এনেদৰেই লোক গণনা কৰি উলিওৱা তথ্যই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক বিপদত পেলাব। সেয়ে ৰাইজে যোৰহাট জিলাৰ উপায়ুক্তক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।



অসম

লোকগননা গাঁও পঞ্চায়ত ক্ৰমিক সংখ্যা

(জিলা প্ৰশাসন বিভাগ)

স্থায়ী ঘৰৰ নং : 2

দোকান নং :

স্বচ্ছ ভাৰত মিশন (গ্ৰামিণ), আমাৰ গাঁও স্বচ্ছ গাঁও

“আহক আমি সকলোৱে মিলি, এখন স্বচ্ছ আৰু সুস্থ অসম গঢ়ো”

শিৱসাগৰত ন্যায়াধীশ এন কটিশ্বৰ সিঙৰ উপস্থিতিত আইনসেৱা শিবিৰ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

শিৱসাগৰ/ডিমৌ, ২৬ ডিচেম্বৰ ঃ শিৱসাগৰ জিলা আইনসেৱা প্ৰাধিকাৰীৰ উদ্যোগত তথা শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত শিৱসাগৰ জিলাৰ ডিমৌৰ খৰাহাট বাগান দুৰ্গাপূজা মণ্ডপ প্ৰাংগণত আজি এখন বিশাল আইনসেৱা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰৰ জৰিয়তে বিভাগীয় বিষয়াসকলে জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা জনকল্যাণমূলক আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰাৰ লগতে বিৱৰণ আগবঢ়ায়। তদুপৰি এই শিবিৰত আধাৰকাৰ্ড, শূন্য জমাৰ বেংক একাউন্ট আদি খোলাত হিতাধিকাৰীসকলক সহায় কৰি দিয়া হয়। তিনি সহস্ৰাধিক ৰাইজৰ উপৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰে জিলা আৰু সত্ৰ ন্যায়াধীশ তথা শিৱসাগৰ জিলা আইনসেৱা প্ৰাধিকাৰীৰ অধ্যক্ষ মাধুৰ্য নাৰায়ণে। শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘনিধি দাহাল আৰু আৰক্ষী অধীক্ষক ৰাকেশ ৰৌশনৰ উপস্থিতিত অনুষ্ঠিত সভাত অসম ৰাজ্যিক আইনসেৱা প্ৰাধিকাৰীৰ সদস্য সচিব নয়ন শংকৰ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰি আইনসেৱা প্ৰাধিকাৰীৰ কাৰ্যকলাপৰ বিষয়ে বিতংকৈ বৰ্ণনা কৰে। অসম ৰাজ্যিক আইনসেৱা প্ৰাধিকাৰীৰ অধ্যক্ষ তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ ন্যায়াধীশ এন কটিশ্বৰ সিঙে ‘ন্যায় সকলোৰে বাবে’ শীৰ্ষক আলোচ্য বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। আজিৰ সভাত অংশগ্ৰহণ কৰি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলেও ভাষণ প্ৰদান কৰে। সভাৰ অন্তত শিৱসাগৰ জিলা আইনসেৱা প্ৰাধিকাৰীৰ সচিব বৰ্ণালী গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়ায়।

সাংস্কৃতিক কৰ্মী ৰঞ্জিত নাথৰ আকস্মিক মৃত্যু

অগ্ৰদূত বাৰ্তা

চিনামৰা, ২৬ ডিচেম্বৰ ঃ দক্ষিণ যোৰহাটৰ বিশিষ্ট সামাজিক তথা সাংস্কৃতিক কৰ্মী ৰঞ্জিত নাথ (৫৯)-এ যোৱা নিশা প্ৰায় আকস্মিকভাৱে মৃত্যুক সাবটি লয়। নিশা প্ৰায় ১২ বজাত তেওঁ হৃদৰোগত আক্ৰান্ত হৈ অতি অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ প্ৰথমে যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসা প্ৰদানৰ পূৰ্বেই মৃত্যুক সাবটি লয়। নাথৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগেই সমগ্ৰ দক্ষিণ যোৰহাটত শোকৰ ছাঁ পৰে। নাথৰ মৃত্যু সমগ্ৰ দক্ষিণ যোৰহাটৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে ব্যাপক ক্ষতি বুলি বিবেচিত হৈছে। তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ কৰ্মচাৰী অমায়িক নাথ অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠানৰ স’তে জড়িত আছিল। তেওঁ এজন সুদক্ষ অভিনেতাৰ লগতে সু-সংগঠকো আছিল। ঐতিহ্যমণ্ডিত কৰঙা ৰাসোৎসৱ সমিতিৰ সভাপতিকে ধৰি বিভিন্ন অনুষ্ঠানৰে জড়িত আছিল।

লখিমপুৰ জিলা লেখিকা সমাৰোহৰ বৰ্ষপূৰ্তি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ২৬ ডিচেম্বৰ ঃ সাহিত্য-সংস্কৃতিৰ অগ্ৰণী অনুষ্ঠান লখিমপুৰ জিলা লেখিকা সমাৰোহ সমিতিৰ বৰ্ষপূৰ্তি অনুষ্ঠান আজি নাওবৈচা শাখা লেখিকা সমাৰোহ সমিতি আৰু ডিমৰুগুৰি শংকৰ মন্দিৰ মহিলা গোটৰ সহযোগত নাওবৈচাৰ ডিমৰুগুৰি শংকৰ মন্দিৰ (আশ্ৰম) প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মহিলাসকলৰ বৌদ্ধিক তথা সাহিত্যিক চিন্তা-চৰ্চাৰ উন্মেষ ঘটোৱাৰ লক্ষ্যৰে আগবঢ়া পৰিৱেশ নিকাকৰণ আৰু পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠান মুকলি কৰে সাহিত্যিক তথা সমাৰোহৰ উপদেষ্টা আৰতি গোহাঞি দুৱৰাই। উদ্বোধনী ভাষণ প্ৰসংগত দুৱৰাই কয় যে বৰ্ষপূৰ্তি অনুষ্ঠানে লেখিকা সমাৰোহৰ শ্ৰীবৃদ্ধি কৰে আৰু সমাৰোহৰ কাম-কাজৰ এক সঠিক মূল্যায়নো হয়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে লেখিকা পুষ্পা গগৈয়ে কয় যে মহিলাসকলে নিজৰ ঘৰ-সংসাৰ চলোৱাৰ উপৰি সাহিত্য উন্নতিৰ ক্ষেত্ৰত অহৰহ প্ৰচেষ্টা চলোৱা কথাই জাতিটোক সমৃদ্ধি কৰিব। অনুষ্ঠানত পূৰ্ণিমা ভূঞা নাওবৈচা মৌজাৰ মৌজাদাৰ প্ৰমুখ্যে বহুকেইজন লোক উপস্থিত থাকে। অনুষ্ঠানত এখন কাব্য সংকলন উন্মোচন কৰাৰ লগতে সম্বৰ্ধনা অনুষ্ঠানো অনুষ্ঠিত হয়।

পূব মৰিয়মনগৰত বিলাতী সুৰা-গাঞ্জাসহ এজনক আটক

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২৬ ডিচেম্বৰ ঃ গোৱালপাৰা সদৰ আৰক্ষীয়ে যোৱা নিশা চহৰৰ উপকণ্ঠ অঞ্চল পূব মৰিয়মনগৰত অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা আৰু অবৈধ বিলাতী সুৰাৰ বটলসহ ছানোৱাৰ হুছেইন নামৰ লোক এজনক আটক কৰে। উল্লেখ্য যে ধৃত লোকজনে দীৰ্ঘদিন ধৰি নিজৰ ঘৰত মুকলিকৈ বিলাতী সুৰা আৰু গাঞ্জা বিক্ৰী কৰি আছিল। অভিযান কালত আৰক্ষীয়ে ছানোৱাৰৰ ঘৰৰ পৰা এক কাৰ্টুন বিলাতী সুৰা আৰু এক কিলোগ্ৰাম গাঞ্জা জব্দ কৰে।

লেখিকা সমাৰোহ সমিতি মৰিগাঁও শাখাৰ বাৰ্ষিক অধিৱেশন

‘সৰাপাতত জোনাকৰ চিঠি’-‘প্ৰজ্ঞান বিথিকা’ নামৰ দুখনকৈ গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৬ ডিচেম্বৰ ঃ ‘মানৱ শৰীৰৰ শ্ৰেষ্ঠ অংগ হৈছে মানুহৰ মন আৰু মনৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত। মনৰ চূড়ান্ত অনুভৱ প্ৰকাশেই হৈছে কবিতা।’ এই মন্তব্য মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাৰ। মৰিগাঁও জিলা সাহিত্য সভাৰ কাৰ্যালয়ৰ শশীকান্ত ভৱন প্ৰাংগণত আজি অনুষ্ঠিত সদৌ অসম লেখিকা সমাৰোহ সমিতি মৰিগাঁও শাখাৰ ২৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত কবি পলী মজুমদাৰৰ কবিতা পুথি ‘সৰাপাতত জোনাকৰ চিঠি’ উন্মোচন কৰি সভাপতি হাজৰিকাই কয় যে কবিতাৰ উৎস বা আধাৰ হ’ব পাৰে বিশ্ব প্ৰকৃতি, পানী, বায়ু, শিল, পোহৰ, বতাহ আদি। আনহাতেদি সমাজত চলি থকা পৌৰাণিক, আধুনিক সকলো ঘটনাৰ আলম লৈ কবিতা সৃষ্টি হ’ব পাৰে। কবিতাই মানুহৰ জীৱন দৰ্শন প্ৰকাশ কৰে বুলি মন্তব্য প্ৰকাশ কৰাৰ উপৰি হাজৰিকাই ভাষণত পুনৰ কয় যে প্ৰেম, দয়া, খং, অভিমান আদি মানৱীয় অনুভূতিক সমল হিচাপে লৈয়ো কবিতা ৰচিত হয়। সত্য প্ৰতিষ্ঠা কৰিবলৈ বিতৰ্ক কৰিব লাগিব, বিতৰ্ক মানে শত্ৰুতা নহয়। বিতৰ্কই সমাজত সৃষ্টি কৰিব পাৰে সত্যৰ সন্ধান বুলি জিলা সাহিত্য সভাৰ সভাপতি হাজৰিকাই গ্ৰন্থ উন্মোচনী ভাষণত উল্লেখ কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতি মৰিগাঁও শাখাৰ সভানেত্ৰী স্মৃতিৰেখা গোহাঁইৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাত ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ প্ৰবক্তা ড° বৰ্ণালী গোহাঁই দুৱৰাক সম্বৰ্ধনা জ্ঞাপন কৰে। মুকলি সভাতে ৰীণা শৰ্মাৰ প্ৰবন্ধ পুথি ‘প্ৰজ্ঞান বিথিকা’ উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰাই। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক তথা জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা আৰু মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই অংশগ্ৰহণ কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতি মৰিগাঁও শাখাৰ সম্পাদিকা অৰ্চনা শৰ্মাই আঁত ধৰা অনুষ্ঠানত জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্তকে ধৰি জিলাখনৰ বহু কবি-লেখিকাই অংশগ্ৰহণ কৰে। ইপিনে, পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰে সভানেত্ৰী স্মৃতিৰেখা গোহাঁইয়ে। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰে মৰিগাঁও শাখাৰ কাৰ্যকৰী সভানেত্ৰী ৰীণা ডেকাই। স্মৃতি তৰ্পণ কৰে মৰিগাঁও শাখাৰ উপ-সভাপতিদ্বয় পৰমেশ্বৰী ডেকা, ৰীণা শৰ্মা আৰু প্ৰতিষ্ঠাপক সম্পাদিকা ৰূপাৰাণী মহন্তই। মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰাক্তন সভানেত্ৰীদ্বয় মৰিগাঁও শাখাৰ চন্দ্ৰলেখা গোহাঁই লাহন আৰু পোনা দেৱী মহন্তই।

উদ্ধাৰ ড্ৰাগছ ভৰ্তি কে’বাটাও কণ্টেইনাৰ

বটদ্ৰৱা আৰক্ষীৰ জালত ড্ৰাগছ ব্যৱসায়ী

অগ্ৰদূত বাৰ্তা

বটদ্ৰৱা, ২৬ ডিচেম্বৰ ঃ ৰাজ্যৰ আন ঠাইৰ লগতে নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষীয়েও অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী অভিযান। যোৱা নিশা বটদ্ৰৱা আৰক্ষীয়ে বিশেষ সূত্ৰৰ পমখেদি বটদ্ৰৱাৰ কদমণিত অভিযান চলায়। বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কুমুদ গগৈৰ নেতৃত্বত চলা এই অভিযানত কদমণি ড্ৰাগছ ব্যৱসায়ী দিলদাৰ হুছেইন ওৰফে (ৰোৱেলক) আটক কৰিবলৈ সক্ষম হয়। আনহাতে, কুখ্যাত ড্ৰাগছ মাফিয়া গুলজাৰ হুছেইন নামৰ আন এটা ড্ৰাগছ ব্যৱসায়ীয়ে পলায়ন কৰে বুলি আৰক্ষীয়ে জানিব দিয়ে। ধৃত ড্ৰাগছ ব্যৱসায়ী দিলদাৰ হুছেইন ওৰফে (ৰোৱেলৰ) পৰা আৰক্ষীয়ে ন টা ড্ৰাগছভৰ্তি কণ্ট্ৰেইনাৰ আৰু দুটা খালী কণ্টেইনাৰৰ লগতে এটি ম’বাইল ফোন জব্দ কৰে। বৰ্তমানেও অধিক তথ্যৰ বাবে ড্ৰাগছ ব্যৱসায়ীজনক জেৰা অব্যাহত ৰাখিছে বটদ্ৰৱা আৰক্ষীয়ে।

অসম চাহ-জনগোষ্ঠী সাহিত্য সভাৰ কবিতা আবৃত্তি প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ২৬ ডিচেম্বৰ ঃ অসম চাহ-জনগোষ্ঠী সাহিত্য সভাৰ কলিয়াবৰ শাখা সমিতিৰ উদ্যোগত কলিয়াবৰৰ চিকনি চাহ বাগিচা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আদিবাসী আৰু চাহ-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এক কবিতা আবৃত্তিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাখনত মুঠ ২৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ ‘ক’ শাখা ‘ষষ্ঠৰ পৰা অষ্টম শ্ৰেণী’ত প্ৰথম স্থান দখল কৰে জখলাবন্ধাৰ হিন্দুস্তানী কেন্দ্ৰীয় বিদ্যালয়ৰ প্ৰিয়াংকী তাছাই। বামুণী উচ্চ মাধ্যমিক বিদ্যালয়ৰ দিপেন গোৱালা আৰু নিতুমণি গচুৰে যথাক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে। একেখন বিদ্যালয়ৰে জননীতা তাঁতিলৈ নিচুকনি বঁটা আগবঢ়োৱা হয়। ‘খ’ শাখা ‘নৱম-দশম শ্ৰেণী’ৰ প্ৰথম তিনিটা স্থান দখল কৰে বামুণী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ধৰিত্ৰী মোদী, প্ৰদীপ চাওতাল আৰু ছ’নিয়া তাঁতীয়ে। একেখন বিদ্যালয়ৰ ৰুমী ভূমিজে নিচুকনি বঁটা লাভ কৰে। শিক্ষক ৰঞ্জিত ভট্টাচাৰ্যই সঞ্চালনা কৰা কবিতা আবৃত্তি প্ৰতিযোগিতাখনত কবি মিণ্টুমণি ৰাজখোৱা, দেৱজ্যোতি শইকীয়াৰ লগতে কলিয়াবৰ প্ৰেছ ক্লাবৰ সভাপতি তপন শইকীয়া বিচাৰকৰূপে উপস্থিত থাকে। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে চাহ-জনগোষ্ঠী সাহিত্য সভাৰ নগাঁও জিলা সমিতিৰ সভাপতি বেণুধৰ তাছাই। কলিয়াবৰ শাখা সমিতিৰ সম্পাদক টোলন তাছাই আঁতধৰা সভাখনত মনিষ ঠাকুৰ, বীনা কালিন্দী, সূৰ্য তাঁতী, গৌতম মহনকে ধৰি চাহ-জনগোষ্ঠী সাহিত্য সভাৰ কে’বাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

টীয়কত কংগ্ৰেছৰ পঞ্চায়ত সভাপতিৰ অগপত যোগদান

অগ্ৰদূত বাৰ্তা

জাঁজী, ২৬ ডিচেম্বৰ ঃ টীয়ক বিধানসভা সমষ্টিৰ মধ্য টীয়ক গাঁও পঞ্চায়তৰ সভাপতি কৰুণানিধি বৰাৰ লগতে জোৰেন বৰা, কিৰণ বৰা, শিৱৰাম টায়ে, কলিয়াপানী ব্লক কংগ্ৰেছৰ এছ টি চেলৰ সভাপতি সন্তোষ মিলি আৰু পূব টীয়ক মণ্ডল কংগ্ৰেছৰ সম্পাদক ৰাতুল দাসে কংগ্ৰেছ ত্যাগ কৰি অগপৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ টীয়ক সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাৰ উপস্থিতিত দলত যোগদান কৰে। যোগদান কাৰ্যসূচীত অগপৰ যোৰহাট জিলা সম্পাদক দ্বিপেন বৰগোঁহাই, অগপ মধ্য টীয়ক পঞ্চায়ত পৰিষদৰ সভাপতি বিজয় বৰুৱা, অগপ মধ্য টীয়ক পঞ্চায়ত পৰিষদৰ সহকাৰী সম্পাদক ৰাজীৱ বৰা, ৱাৰ্ড সদস্য পল্লৱী শইকীয়া, অসম যুৱ পৰিষদৰ টীয়ক বিধান পৰিষদৰ সম্পাদক অৰূপ শইকীয়া উপস্থিত থাকে।

ছেল্‌ফীজ’নত পৰিণত বেঁকীৰ সুশীতল পানী যুঁৱলি

বছৰৰ শেষৰটো দেওবাৰত উখল-মাখল পৰিৱেশ মানাহৰ বনভোজস্থলীত

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৬ ডিচেম্বৰ ঃ আজি বছৰৰ অন্তিমটো দেওবাৰ। অন্তিম দেওবাৰটোত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বনভোজকাৰী দলেৰে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয় প্ৰকৃতিৰ ৰাণী মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ অন্তৰ্গত বেঁকী নৈপৰীয়া নাৰায়ণগুৰিৰ বনভোজস্থলীৰ বাকৰি। সৰু-বৰ বিভিন্ন গাড়ীৰে আজি ৰাতিপুৱাৰ পৰাই সোঁত বৈছে শ শ বনভোজকাৰী দলৰ। এক বিৰ দি বাট নোপোৱা অৱস্থা মানাহৰ বনভোজস্থলীৰ পৰিৱেশ। বিভিন্নজনে মাছে-মঙহে এসাঁজ খাই আনন্দ উল্লাস কৰাৰ লগতে কাষতে থকা বেঁকী নৈৰ বুকুত উপভোগ কৰিছে নৌকা বিহাৰৰ। বিভিন্নজনে আনন্দ লয় মানাহৰ অন্তৰ্ভাগত জীপ ছাফাৰী কিম্বা হাতী ছাফাৰীৰ। মুঠতে কৰ’নাকালীন দুবছৰীয়া সময়ৰ পাছত যেন মানাহৰ বুকুত আজি পৰ্যটক-বনভোজকাৰী দলেৰে উথপথপ পৰিৱেশ। উল্লেখ্য যে বিশ্ব ঐতিহ্যক্ষেত্ৰ তথা ব্যাঘ্ৰ প্ৰকল্প খ্যাত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ সমীপৱৰ্তী নাৰায়ণগুৰিৰ মাজেৰে বৈ যোৱা বেঁকী নৈৰ পাৰত আজি হেজাৰ হেজাৰ লোক সমবেত হৈ বনভোজৰ আনন্দ লোৱাৰ বিপৰীতে বহুতেই আকৌ সুশীতল বেঁকী নৈয়ে পথ সলাই শিলৰ ওপৰেৰে কুলুকুলু ধ্বনি তুলি বৈ যোৱা পানী যুৱলিত নামি ম’বাইলত চেল্‌ফী লোৱাত ব্যস্ত হৈ পৰা দৃশ্যই যেন মানাহৰ বেঁকী নৈৰ পাৰৰ নাৰায়ণগুৰিক এক চেল্‌ফী জ’নলৈহে ৰূপান্তৰিত কৰিছে। উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ ৰেঞ্জাৰ বাবুল ব্ৰহ্মই এইবেলি মানাহলৈ পূৰ্বতকৈ অধিক পৰ্যটক অহাৰ কথা উল্লেখ কৰি কয় যে পৰ্যটকে বনভোজ খোৱাৰ উপৰি তেওঁলোকে জীপ ছাফাৰী কৰি মানাহৰ মুখ্য প্ৰৱেশদ্বাৰৰ পৰা ভূটান সীমান্তৱৰ্তী মথনগুৰিলৈ গৈ মানাহৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰিব পাৰিব। কোনো লোকে যাতে নিচাসক্ত হৈ পৰিৱেশ বিনষ্ট কৰিব নোৱাৰে তাৰ প্ৰতিও চোকা নজৰ ৰাখিছে মানাহ কৰ্তৃপক্ষৰ লগতে স্থানীয় এনজিঅ’, আৰক্ষী প্ৰশাসনৰ লোকে।


অসম চৰকাৰ
পৰিবহণ বিভাগ
পথ সুৰক্ষা জীৱন ৰক্ষা
এখন দুৰ্ঘটনা মুক্ত অসমৰ সংকল্পৰে ২০২২ লৈ আগবাঢ়ো আহক
যোৱা তিনিটা বছৰত অসমত হোৱা পথ দুৰ্ঘটনাৰ ৬১৪৯ টা দুচকীয়া বাহনৰ দ্বাৰা সংঘটিত হৈছিল
দুচকীয়া বাহনত চালক আৰু আৰোহী উভয়ে হেলমেট পৰিধান কৰাটো বাধ্যতামূলক
হেলমেট পৰিধান নকৰাকৈ দুচকীয়া বাহন চলালে যান বাহন সংশোধনী আইন ২০১৯ ৰ ধাৰা 194 (D) মতে ১০০০ টকাৰ জৰিমনাৰ লগতে কমেও ৩ মাহ লৈকে অনুজ্ঞাপত্ৰ বাতিল হ’ব
TransportAssam
TransportAssam
transportassam
9531107518
জনসংযোগ/ডি/১১৯৭৬/২১

দৈনিক
অগ্ৰদূত

ৰাহুলৰ শতক, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে দৃঢ় আৰম্ভণি টীম ইণ্ডিয়াৰ

চেঞ্চুৰিয়ন, ২৬ ডিচেম্বৰ ঃ অপেনাৰ তথা সহঃঅধিনায়কৰ নতুন দায়িত্ব লাভ কৰা লোকেছ ৰাহুলৰ অপৰাজিত শতকীয় ইনিংছৰ সহায়ত দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ যোৱা ভাৰতীয় দলে প্ৰথম খন টেষ্টৰ প্ৰথম ইনিংছত সুন্দৰ আৰম্ভণি কৰিছে। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট আজিৰে পৰা আৰম্ভ হৈছে। আজি চেঞ্চুৰিয়নত টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে প্ৰথম দিনাৰ খেলৰ অন্তত তিনিটা উইকেট হেৰুৱাই 272 ৰাণ কৰিছে। ভাৰতীয় দলৰ হৈ অপেনিং বেটছমেন লোকেছ ৰাহুলে 122 ৰাণৰ শতকীয় ইনিংছ খেলে আৰু দিনান্তত দৃঢ়তাৰে বেটিং কৰি আছে দলৰ সহঃঅধিনায়কৰ নতুন দায়িত্ব লাভ বেটছমেনজনে। দিনান্তত ৰাহুলৰ লগত যোগ্য সহযোগ দি 40 ৰাণত বেটিং কৰি আছে অজিংক্য ৰাহানে। উল্লেখ্য যে ভাৰতক দুই অপেনাৰে আশাৰ আৰম্ভণি দিয়ে। ৰাহুল আৰু মায়ংক আগৰৱালাৰ (60] মাজত 117 ৰাণৰ যুটি হয়। কিন্তু মায়ংক আউট হোৱাৰ পাছৰটো বলতে শূণ্যত আউট হয় চেতেশ্বৰ পূজাৰা। অধিনায়ক বিৰাট কোহলিয়ে (35] ৰাহুলক সহযোগ দিয়ে যদিও ভাল আৰম্ভণিৰ পাছতো ডাঙৰ ইনিংছ খেলাত অসফল হয় বিৰাট। কিন্তু 17 টা বাউণ্ডেৰী আৰু এটা ছিক্সাৰ মাৰি ভাৰতৰ ইনিংছ আগুৱাই লৈ যায় ৰাহুলে। দক্ষিণ আফ্ৰিকাৰ হৈ এনগিডিয়ে তিনিওটা উইকেট পায়।

হিলফুল ক্লাবৰ জয়লাভ

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ২৬ ডিচেম্বৰ ঃ নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত হিলফুল ক্ৰিকেট ক্লাবে জয়লাভ কৰিছে। দলে ন উইকেটত পৰাস্ত কৰে বাৰপূজীয়া আঞ্চলিক ক্ৰিকেট ক্লাবক। পোনতে বেটিং কৰি বাৰপূজীয়া আঞ্চলিক ক্ৰিকেট ক্লাবে 74-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, হিলফুল ক্ৰিকেট ক্লাবে 75-1 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাখনত চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলক ট্ৰফীৰ লগতে নগদ ধন দিয়া হ'ব বুলি আয়োজকে অবগত কৰিছে।

সদৌ অসম ডাবলছ টেনিছ প্ৰতিযোগিতাৰ সামৰণি

ডাঃ অংশুমান দত্তৰ দ্বিমুকুট অৰ্জন

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ অসম টেনিছ সন্থাৰ উদ্যোগত দুদিনীয়াকৈ নৰ্থ ইষ্ট টেনিছ ফাউণ্ডেছনৰ ক'ৰ্টত অনুষ্ঠিত হোৱা প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণি সদৌ অসম প্ৰবিন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰিছে। উল্লেখ্য যে পুৰুষ আৰু মহিলাৰ উক্ত ৰাজ্যিক প্ৰবিন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাখনত পুৰুষৰ 35, 45 আৰু 55 বছৰ উৰ্দ্ধৰ তথা মহিলাৰ 35 বছৰ উৰ্দ্ধৰ খেল অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাত মহিলাৰ খিতাপৰ খেল প্ৰথমদিনা সমাপ্ত হোৱাৰ পাছত আজি পুৰুষ শাখাৰ ফাইনেল খেল তিনিখন অনুষ্ঠিত হয়। পুৰুষৰ 35 বছৰ উৰ্দ্ধৰ ফাইনেলত শিৱ কুমাৰ প্ৰজাপতি আৰু ডাঃ অংশুমান দত্তই 7-6, 6-2 ৰ ব্যৱধানত ৰাজেশ বৰুৱা আৰু ৰাহুল বৰগোহাঁইক পৰাস্ত কৰি খিতাপ লাভ কৰে। ইফালে, পুৰুষৰ 45 বছৰ উৰ্দ্ধৰ ফাইনেলত হাকিম আলি আৰু ডাঃ অংশুমান দত্তই 7-5, 6-2 ৰ ব্যৱধানত দেবেন্দ্ৰৰ সিং আৰু সঞ্জিৱ বৰুৱাক পৰাস্ত কৰি খিতাপ লাভ কৰিবলৈ সক্ষম হয়। পুৰুষৰ 55 বছৰ উৰ্দ্ধৰ ফাইনেলত নবাৰুন শইকীয়া আৰু অম্লান দাসে 5-7, 7-5, 10-5 ৰ ব্যৱধানত কৰ্ণেল এম বৰকাকতি আৰু ৰনদ্বীপ বৰুৱাক পৰাস্ত কৰি খিতাপ জয় কৰে। ইয়াৰপূৰ্বে প্ৰথমদিনা মহিলাৰ 35 বছৰ উৰ্দ্ধৰ শাখাত নাজনিন জাফৰ আৰু ৰাণী কৌড়ে খিতাপ লাভ কৰিছিল। ফাইনেলত নাজনিন জাফৰ আৰু ৰাণী কৌড়ে 6-0, 6-1 ৰ ব্যৱধানত পৰাস্ত কৰে ববিতা লাংথাছা আৰু মিতালী বৰুৱাক।

ফাইনেলত এ পি আৰ অ' ফুটবল দল

অগ্ৰদূত বাৰ্তা

আজাৰা, ২৬ ডিচেম্বৰ ঃ অমৃত চৌধুৰী আৰু কুসুম চৌধুৰী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে এ পি আৰ অ' দল। আজি অনুষ্ঠিত হোৱা দ্বিতীয়খন ছেমিফাইনেলত এ পি আৰ অ' দলে 1-0 গ'লত পৰাস্ত কৰে লিগুা একাডেমীক পৰাস্ত কৰে। অহা 29 ডিচেম্বৰত হ'বলগা ফাইনেলত এ পি আৰ অ' দল মুখামুখি হ'ব ভি আই পি ইউনাইটেড এফ চিৰ। উল্লেখ্য যে ইয়াৰপূৰ্বে হোৱা প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভি আই পি ইউনাইটেড এফ চি দলে 2-0 গ'লত পৰাস্ত কৰিছিল আচামিজ ওৱাৰিয়ৰ্ছক। অহা 29 ডিচেম্বৰত হ'ব অমৃত চৌধুৰী আৰু কুসুম চৌধুৰী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল।

টি জি বৰুৱা মিডিয়া ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা টি জি বৰুৱা মিডিয়া ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন হৈছে 'অসমীয়া প্ৰতিদিন'। আজি হোৱা ফাইনেলত 'অসমীয়া প্ৰতিদিন' দলে 101 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে 'এন ডি 24' দলক। পোনতে বেটিং কৰি 'অসমীয়া প্ৰতিদিন' দলে 192 ৰাণ কৰে। প্ৰত্যুত্তৰত, 'এন ডি 24' দলে 90 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এইবাৰৰ নৱম টি জি বৰুৱা মিডিয়া ক্ৰিকেট প্ৰতিযোগিতাত মুঠ 14 টা দলে অংশ লৈছিল।

বক্সিং ডে টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ইংলণ্ডৰ বেটিং বিপৰ্যয়

মেলবৰ্ণ, ২৬ ডিচেম্বৰ ঃ আজিৰে পৰা আৰম্ভ হৈছে চলিত এছেজ শৃংখলাৰ তৃতীয়খন টেষ্ট। বক্সিং ডে টেষ্টখনত প্ৰথমদিনা বেটিং কৰি ইংলণ্ডে মাত্ৰ 185 ৰাণতে প্ৰথম ইনিংছ সামৰে। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত অষ্ট্ৰেলিয়াই এটা উইকেট হেৰুৱাই 61 ৰাণ কৰিছে। ইংলণ্ডৰ হৈ জ' ৰুটে 50, বেয়াৰষ্টোৱে 35 আৰু বেন ষ্টকছে 25 ৰাণ কৰাৰ বিপৰীতে লিয়ন আৰু কামিনছে তিনিটাকৈ উইকেট পায়। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ প্ৰথম দুখন টেষ্টত অষ্ট্ৰেলিয়াই জয়লাভ কৰি শৃংখলাত 2-0 ৰ অগ্ৰগতি লৈছে। অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰিছিল। আনহাতে, দ্বিতীয় টেষ্টত ইংলণ্ডে 275 ৰাণত পৰাজয় স্বীকাৰ কৰে।

নন্দ বৰা-ৰুবুল হাজৰিকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

মৰিয়নি টাউন ক্লাবৰ খিতাপ দখল

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ২৬ ডিচেম্বৰ ঃ মৰিয়নি ক্ৰীড়া সন্থাই আয়োজন কৰা নন্দ বৰা আৰু ৰুবুল হাজৰিকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। আজি বাপুজী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ ফাইনেলত নকছাৰী একাদশে খেলে মৰিয়নি টাউন ক্লাবৰ বিৰুদ্ধে। একপক্ষীয় মেচত মৰিয়নি টাউন ক্লাব 2-0 গ'লত জয়ী হৈ চেম্পিয়ন ট্ৰফী লাভ কৰে। ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ প্ৰথম ছেমিফাইনেলত কঠালগুৰি চাহ বাগিচা দলৰ বিৰুদ্ধে খেলিছিল নকছাৰী একাদশে। মেচখনত নকছাৰী একাদশে পেনাল্টি শ্বুটত 6-5 গ'লত মৰিয়নি লীগৰ চেম্পিয়ন কঠালগুৰি চাহ বাগিচা দলক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। নিৰ্ধাৰিত সময়ত খেলখন 1-1 গ'লত সমাপ্ত হৈছিল। আনহাতে, বাপুজী ষ্টেডিয়ামত চলি থকা নন্দ বৰা আৰু ৰুবুল হাজৰিকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত মৰিয়নি টাউন ক্লাবে উদয়ন সংঘৰ বিৰুদ্ধে জয়ী হৈ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছিল।

অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট

ডিব্ৰুগড় ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰ চেম্পিয়ন

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ ডিব্ৰুগড় ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈছে। আজি হোৱা ফাইনেল মেচত ডিব্ৰুগড় ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 18 ৰাণত পৰাস্ত কৰে ক্ৰিকেট ক্লাব অব ডিব্ৰুগড় দলক। পোনতে বেটিং কৰি ডিব্ৰুগড় ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 155-6 ৰাণ কৰে। প্ৰত্যুত্তৰত, ক্ৰিকেট ক্লাব অব ডিব্ৰুগড় দলে 137-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।

মাণ্ডলিক ৰাউণ্ডলৈ যোগ্যতা অৰ্জন জিলাৰ খিতাপ জয়ী বোকাখাত টাউন ক্লাবৰ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ বোকাখাত টাউন ক্লাবে বোকাখাত ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰক পৰাস্ত কৰি অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈছে। আজি হোৱা ফাইনেল মেচত বোকাখাত টাউন ক্লাবে 81 ৰাণত পৰাস্ত কৰে বোকাখাত ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰক। পোনতে বেটিং কৰি বোকাখাত টাউন ক্লাবে 225-9 ৰাণ কৰে। প্ৰত্যুত্তৰত, বোকাখাত ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 144-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ।

ৰোমাঞ্চকৰ ফাইনেলত তিতাবৰ ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰৰ জয়লাভ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ ঃ তিতাবৰত অনুষ্ঠিত হোৱা তথা অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি সফল সামৰণি পৰিছে। আজি হোৱা ৰোমাঞ্চকৰ ফাইনেল মেচত তিতাবৰ ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই এক উইকেটত কাঞ্চনজংঘা ক্লাবক পৰাস্ত কৰি জিলাৰ খিতাপ লাভ কৰে। পোনতে বেটিং কৰি কাঞ্চনজংঘা ক্লাবে ন উইকেটত 145 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, তিতাবৰ ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 149-9 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।

তেজপুৰ জিলাৰ চেম্পিয়ন বি ডি এম টি চি চি চি দল

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ তেজপুৰ জিলাৰ চেম্পিয়ন হৈছে বি ডি এম টি চি চি চি দল। আজি হোৱা ফাইনেল মেচত বি ডি এম টি চি চি চি দলে 260 ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে কে চি চি, তেজপুৰ দলক। পোনতে বেটিং কৰি বি ডি এম টি চি চি চি দলে 312-4 ৰাণ কৰে। প্ৰত্যুত্তৰত, কে চি চি, তেজপুৰ দলে মাত্ৰ 52-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 42 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 42 টা স্থানত অনুষ্ঠিত হৈছে। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় 10 টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিছে। প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ।

এ এছ ই বি স্পৰ্টছ ক্লাবৰ পইণ্ট সংগ্ৰহ

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গুৱাহাটীৰ মেচত এ এছ ই বি স্পৰ্টছ ক্লাবে 69 ৰাণত পৰাস্ত কৰে এছ জি ক্লাবক। পোনতে বেটিং কৰি এ এছ ই বি স্পৰ্টছ ক্লাবে 154-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, এছ জি ক্লাবে 85-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম স্তৰত যিসকল চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হৈছে প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ।

ছেমিফাইনেলত ত্ৰিনয়ন গোষ্ঠী

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ২৬ ডিচেম্বৰ ঃ ঃ নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি হোৱা মেচত ত্ৰিনয়ন গোষ্ঠীয়ে (138-6] চাৰি উইকেটত নগাঁও টাউন ক্লাবক (137-10) পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰপূৰ্বে ষ্টাৰ স্পৰ্টিং ক্লাবে চাৰি উইকেটত ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। পোনতে বেটিং কৰি ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবে মাত্ৰ 68-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ষ্টাৰ স্পৰ্টিং ক্লাবে 69-6 ৰাণ কৰি সহজে জয় অৰ্জন কৰে।

চেম্পিয়ন পাঠশালা টাউন ক্লাবৰ যোগ্যতা

গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ নৱগঠিত বজালি জিলাৰ পৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন হৈছে পাঠশালা টাউন ক্লাব। আজি হোৱা ফাইনেল মেচত পাঠশালা টাউন ক্লাবে খেলে বজালি ক্ৰিকেট একাডেমীৰ বিৰুদ্ধে। মেচখনত পাঠশালা টাউন ক্লাবে 16 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে বজালি ক্ৰিকেট একাডেমীক। পোনতে বেটিং কৰি পাঠশালা টাউন ক্লাবে 211 -10 ৰাণ কৰে। প্ৰত্যুত্তৰত, বজালি ক্ৰিকেট একাডেমীয়ে 195 -10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে জিলাৰ চেম্পিয়ন হৈ পাঠশালা টাউন ক্লাব মাণ্ডলিক পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ।

ER CLUB CHAMPIONSHIP 2021-22
TION WITH BAJALI SPORTS ASSOCIATION

দৈনিক অগ্ৰদূত

বিলাসনন্দন চ'ৰা



ৰিটাৰ্ণ অৱ নাইট কাৰ্ফিউ

আকৌ একেখন নাটক আৰম্ভ হ'বলৈ ল'লেই! যেতিয়াই পৰিৱেশ-পৰিস্থিতি অলপ বিপৰীত দিশে যায়, তেতিয়াই ইয়াৰ আৱিৰ্ভাৱ হয়। কা চলি থাকোতেই ই আহি গ'ল। মেল-মিটিং ৰজা-মহাৰজাই কৰিব পাৰে, তাত কাৰো একো নহয়। কিন্তু যেতিয়াই আন্দোলন কৰাৰ কথা আহে, তেতিয়াই ই ডেল্টা হৈ সৰকে বেল্‌তাই থৈ দিয়ে। এইবাৰো ইউ পিত দিন-কাল বেয়াৰ ফালে গৈছিলেই! পাঞ্জাৱতো নাজল-নাথল। সৰু-সুৰাকৈ দুই-একে কা কাণ্ড কৰিব ধৰিছে। গতিকে আহি গ'ল অ'মিক্ৰন। বহু ডাক্তৰেই কৈছে যে বৰ এটা ডেঞ্জেৰাছ নহয়, পপকৰ্ণ খাই খায়ে অ'মিক্ৰন পাৰ কৰাই দিব পাৰি। হ'লে কি হ'ব, মানুহক পেটে-ভাতে মাৰি পেৰেলাইছিছ কৰি দিব পৰা ব্যৱস্থা, অৰ্থাৎ 'ছিষ্টেম অৱ পেৰেলাইছিছ' নাইবা চমুকৈ এছ অ' পি দিবই লাগিব। গতিকে আহি গ'ল এছ অ' পি।

এইখিনিতে কৈ থোৱা ভাল যে এইকেইদিন বাদশ্বাহক বৰ খুচি খুচি দেখা গৈছে। দুই-একৰ আগত এই বুলিও অহংকাৰ কৰি ফুৰিছে যে তেওঁৰ লগত আমেৰিকাই নোৱাৰে। যেতিয়াই সন্মুখত কাৰোবাক লগ পায়, বেলেগ কিহবাৰ পাতনি মেলাৰ আগতেই তেওঁ কয়—'নোৱাৰে বুজিছা, আমেৰিকাই মোৰ লগত নোৱাৰে!' নিয়মমাফিক হয়ভৰ দিও উৎসুক শ্ৰোতাই ওলোটাই সোধে—

'কিহত নোৱাৰে জাহাপনা?'

ঃ নোৱাৰে নোৱাৰে।

ঃ কিন্তু কিহত নোৱাৰে তাকেই সুধিছো জাহাপনা!

বাদশ্বাহে বুজাব ধৰিলে— 'খবৰটো পাইছা নে নাই?'

ঃ কি খবৰ?

ঃ আমেৰিকাত বৰ ডাঙৰ কেলেংকাৰি হৈছে।

ঃ কি হৈছে?

ঃ ক'ভিডৰ কাৰণে আমেৰিকাই ৰিলিফ ফাণ্ড খুলিছিল! সেই ফাণ্ডৰ পৰা এশ বিলিয়ন ডলাৰ হৰলুকি হৈছে। মানে কেলেংকাৰি হৈছে।

ঃ তাৰ পাছত?

বাদশ্বাহে চাপ্পন ইঞ্চিৰ বুকুখন ডাবোল ছাইজত ফুলাই দি ক'লে—'তাৰ পাছতেই মোক ফোন কৰিলে?'

ঃ কোনে?

ঃ বাইডেনে!

ঃ বাইডেনে! কিন্তু কিয়?

ঃ স্বীকাৰ কৰিবলৈ।

ঃ কি স্বীকাৰ কৰিলে তেওঁ?

ঃ স্বীকাৰ কৰিলে যে তেওঁতকৈ মই বহু বেছি দক্ষ।

ঃ কিয় তেনেকৈ ক'লে?

বাদশ্বাহে পুনৰ বুজালে—'বাইডেনে ক'লে যে ক'ভিড ৰিলিফ ফাণ্ডত জমা হোৱা ফুটাকড়ি এটাও তেওঁ চোৱা নাই। কিন্তু তেওঁৰ দিনতে ফাণ্ডত হোৱা কেলেংকাৰি ফাদিল হৈ গ'ল। তাৰ পাছত তেওঁ ক'লে মোক—'আপুনিতো আপোনাৰ নামতে টকা তুলি কেয়াৰ ফাণ্ডত জমা থৈছে। ক'ৰ টকা ক'লৈ গৈছে তাৰ হিচাপ নাই। তথাপিতো কোনো কেলেংকাৰি ফাদিল হোৱা নাই।' বাইডেনে মোক 'গ্ৰেট গ্ৰেট মেন' বুলি কৈছে জানা।'

বাদশ্বাহৰ চাপ্পন ইঞ্চিৰ বুকুখন ধপ্ ধপ্ কৰি থাকিল। অহংকাৰত! লগতে তেওঁ নিজেও মুখৰ ভিতৰতে এই স্বীকৃতিৰ কৃতিত্ব কিছু পৰিমাণে নিউজ চেনেল, চ'ৰী মিউট চেনেলবোৰকো দিলে, যিয়ে এইবোৰৰ প্ৰসংগত সদায় মিউট হৈ আছে। আমেৰিকাৰ ৰিলিফ ফাণ্ডত কেলেংকাৰি হোৱা খবৰটো জোৰদাৰকৈ পাব্লিচিটী কৰি মিউট চেনেলবোৰে দুৰ্নীতিবিৰোধী ভূমিকা বৰ সাৱলীলভাৱে প্ৰকাশ কৰি বাদশ্বাহৰ কেয়াৰ ফাণ্ডৰ টকাবোৰ ক'ত খৰচ হ'ল সেই প্ৰশ্ন কৰাটো যে চৰম দেছদ্ৰোহীৰ কাম, সেয়াও বুজাই দিলে।

ফাণ্ড-চাণ্ডৰ কথা বাদ দিয়ক, এতিয়া মূল কথা হ'ল—ৰাতিৰ কাৰ্ফিউ আকৌ ৰিটাৰ্ণ কৰিলে। ৰাতি এঘাৰ বজাৰ পাছত। প্ৰশ্ন উঠে—ভাইৰাছবোৰ ভূত নেকি যে দিনত নোলায়, ৰাতিহে ওলায়? নহয়। তেনে কথা নহয়। ভাইৰাছবোৰ ভূত নহয়। কিন্তু মানুহ মাৰি ভূত কৰাত এই ভাইৰাছবোৰৰ বিশেষ অৰিহণা থাকে। তাতে আকৌ কৰ'না ভাইৰাছৰ স্পেচিয়েলিটী এয়াই যে কৰ'না হৈ মানুহ নমৰে, কিন্তু মানুহ মৰাৰ পাছত কৰ'না ওলায়। লগতে এইটোও সঁচা যে ৰাতি ৰাতিহে ই দেখা দিয়ে, দিনত নিদিয়ে। কিয় দিনত দেখা নিদিয়ে? এইটো এটা লাখটকীয়া প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ বিচাৰি বিচাৰি অৱশেষত বিজ্ঞানীসকলে এটা উত্তৰ বিচাৰি পাইছে। উত্তৰটো এনে ধৰণৰ—পলিটিকেল মিটিং বা চৰকাৰী মেলবোৰ দিনতে হয়। তাত বিশিষ্ট আসনবোৰত বহি থকা ভাইৰাছবোৰ দেখি এই ভাইৰাছটোৱে ভয় খায়। সেই কাৰণে দিনত নোলায় ৰাতি ওলায়।

(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)

শেষ পৃষ্ঠাৰ প্ৰথম
দৈনন্দিন

কান্ধত মেটমৰা বোজাই লৈ মহানগৰবাসীৰ পদূলিয়ে পদূলিয়ে ছাহজামালৰ ইংৰাজী

কান্ধত মেটমৰা বোজা। কেকো-জেকোকৈ মহানগৰীৰ চুকে-কোণে পাচিভৰ্তি ভাৰখন লৈ পুৰাই ওলাই আহে তেওঁ। পাচি দুটাৰ এটাত বিধে বিধে মছলা জাতীয় সামগ্ৰী, আনটোত বিভিন্ন প্ৰকাৰৰ শুকান মাছ আৰু পাপৰৰ লগতে আচাৰ। গ্ৰাহকক উদ্দেশ্যি তেওঁ চিঞৰে— 'লাগে শুকান মাছ, মছলা, আচাৰ, পাপৰ।' তেওঁৰ আহ্বানত সঁহাৰি দি বহুতে আগবাঢ়ি আহি দৰ-দাম কৰি বিচৰা সা-সামগ্ৰীখিনি লৈ যায়। আন বহুতে নলয়। লোৱা-নোলোৱা দুয়ো প্ৰকাৰৰ গ্ৰাহকক তেওঁ প্ৰত্যয় নিয়াবলৈ কথাৰ মাজে মাজে সামগ্ৰীবিধৰ গুণগত মান সম্পৰ্কে সুন্দৰ সুন্দৰ ইংৰাজী বাক্য কৈ যায়। তেওঁৰ মুখত ইংৰাজীৰ সুন্দৰ এনে বাক্য শুনি বহুতে ভাবিবলৈ বাধ্য হয় ভাৰ বাহীজন আচলতে শিক্ষিত লোক। জীৱন যুঁজত হয়তো তেওঁ এইদৰে আগবাঢ়িছে। নাম তেওঁৰ ছাহজামাল (৫০)। বৰপেটা জিলাৰ চেঙাৰ খোলাবন্ধা চৰৰ বাসিন্দা ছাহজামাল ১৯৮৯তে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ। চাকৰিৰ আশাত ৰাজনৈতিক নেতাৰ পাছে পাছে দৌৰি ঘূৰি ফুৰা ছাহজামালে যেতিয়া নেতাৰ প্ৰতাৰণাৰ বিষয়ে জানিব পাৰিলে, সেইদিনাই ৰাজনীতি বোলা বিষয়টোকে পৰিহাৰ কৰি গুৱাহাটীলৈ কৰ্মৰ সন্ধানত গুচি আহে। মহানগৰীত প্ৰথমে ৰং মিস্ত্ৰিৰ যোগালিৰূপে কাম কৰা ছাহজামালে প্ৰথমে নিজাববীয়াকৈ হালধি গুৰিৰ ব্যৱসায় আৰম্ভ কৰে। পৰৱৰ্তী সময়ত ব্যৱসায় সম্প্ৰসাৰণ কৰি তেওঁ বিভিন্ন ধৰণৰ মছলাৰ লগতে গাঁৱলীয়া ঔষধি গুণসম্পন্ন সামগ্ৰী বিশেষকৈ তিল, তিচি, বেলৰ শুঁঠি, জলকীয়াৰ বিভিন্ন আচাৰ, শুকান মাছৰ লগতে গাঁৱত উপলব্ধ বিভিন্ন শুকান মাছৰ বিক্ৰী আৰম্ভ কৰে। সমান্তৰালকৈ বিভিন্ন আচাৰৰ লগতে পাপৰ জাতীয় সামগ্ৰীও বিক্ৰী কৰে। তাৰ বাবে তেওঁ কান্ধত ভুলুকা বাঁহৰ স'তে প্ৰকাণ্ড পাচি দুটা লৈ মহানগৰীৰ অলিয়ে-গলিয়ে, পাহাৰৰ চুকে-কোণেও সামগ্ৰী বিক্ৰী কৰি আহিছে। চাকৰিৰ পাছে পাছে হাবাথুৰি খাই এতিয়া নিজে যথেষ্ট কষ্ট কৰি ব্যৱসায় চলোৱা ছাহজামালৰ আছে দুই পুত্ৰ-কন্যা। আঠ বছৰীয়া আৰু চাৰি বছৰীয়া পুত্ৰ-কন্যাৰ স'তে পত্নী থাকে গাঁৱৰ ঘৰত। পত্নী ৰূপভানু বেগমো মেট্ৰিক উত্তীৰ্ণ। পত্নীয়ে গাঁৱতে এতিয়া

আত্মসহায়ক গোট গঠন কৰি স্বামীক কিছু পৰিমাণে হ'লেও সহায় কৰি আহিছে।

জু-ৰোড তিনিআলিৰ ভাস্কৰ নগৰত ভাৰাতীয়াৰূপে থকা ছাহজামালে নিজৰ জীৱন সংগ্ৰামৰ বিষয়ে সদৰী কৰি কয়, 'আমাৰ পিতৃ জয়নুদ্দিন আছিল সহজ-সৰল খেতিয়ক। খেতিৰ মাটি যিখিনি আছিল সেইখিনিতে খেতি কৰি আমাৰ চাৰি ভাই-ককাইক পোহপাল দিছিল। তদুপৰি শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো আগবঢ়াই দিছিল; কিন্তু আমি ডাঙৰ হৈ অহাৰ লগে লগে খৰচ বৃদ্ধি হোৱাত পিতৃয়ে অসহায় হৈ পৰে। যাৰ বাবে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈয়ে মই চাকৰিৰ সন্ধানত নামি যাওঁ। এজন ৰাজনৈতিক নেতাৰ লগত বহুত বছৰ কাম কৰিলো। দলীয় কৰ্মীৰূপে সহায় কৰিলো। আনকি চাকৰিৰ নামত ঘৰৰ সম্পদ বিক্ৰী কৰিও তেওঁক পইচা দিলো। সেই চাকৰি আজি হ'ব, কালি হ'ব বুলি কয়; কিন্তু সেই আজি-কালিটো আজিও আহি নাপালে। যাৰ বাবে চাৰি বছৰ পূৰ্বে কৰ্মৰ সন্ধানত গুৱাহাটীলৈ আহিছো। কাৰণ সাংসাৰিক হোৱা বাবে এতিয়া দায়িত্ব বহুত বাঢ়িছে। মা-দেউতাও ঢুকাল। আমি ভাই-ককাইকেইজনেও পৃথক হ'লো। সেয়েহে ৰং মিস্ত্ৰিৰ পৰা এতিয়া মছলাৰ ব্যৱসায়ী হ'লো।' আনহাতে, কান্ধত ভাৰখন বৈ নিওঁতে যথেষ্ট কষ্ট হোৱাৰ সন্দৰ্ভত তেওঁ কয়, 'কষ্টটো যথেষ্ট হয়; কিন্তু উপায়ো নাই। কাৰণ চাইকেল এখন লৈ পাহাৰৰ ওপৰলৈ উঠি যাব নোৱাৰো। তদুপৰি আন কেতবোৰ ঠাইলৈয়ো সোমাই যাব নোৱাৰো। মহানগৰীৰ পথ-উপপথসমূহৰ ভিতৰত থকা গলিসমূহলৈ যাওঁতে বহুত অসুবিধাৰ সন্মুখীন হওঁ। সেয়ে কষ্ট হ'লেও কান্ধত ভাৰখন লৈ যাওঁ। দিনটো এইদৰে অলিয়ে-গলিয়ে ঘূৰি বিক্ৰী কৰি চাৰিৰ পৰা ছশ মান টকা লাভ হয়। অৱশ্যে খৰচো হয়। তাৰ মাজেদি চলি আহিছো।' এতিয়া নিজৰ সমষ্টিটোত ৰাজনৈতিক পৰিৱৰ্তন হোৱাত তেওঁ মানসিকভাৱে সুখী বুলিও সমাজ-সচেতন লোকজনে সদৰী কৰে।

■ চাহাবুদ্দিন আহমেদ

এক কেজিৰ মূল্য ভাৰতীয় মুদ্ৰাত ২৬ হেজাৰ টকা

হাতীৰ মলৰ পৰাই তৈয়াৰ হয় সবাতোকৈ দামী কফি



নিউজ ব্যুৰ'
নতুন দিল্লী, ২৬ ডিচেম্বৰ ঃ পুৱা শুই উঠাৰ পাছত দেহ-মন সতেজ কৰাৰ বাবে অধিকাংশ লোকেই চাহ বা কফি পান কৰে। বলিউদৰ তাৰকা অভিনেতা অক্ষয় কুমাৰে অলপতে সদৰী কৰিছিল যে ফিটনেছ অটুট ৰখাৰ বাবে তেওঁ নিয়মিতৰূপে গো-মূত্ৰ পান কৰে। বহুতে দাবী কৰে যে অক্ষয়ে হেনো শাৰীৰিক সৌষ্ঠৱ বজাই ৰাখিবলৈ হাতীৰ মল মিহলোৱা চাহো পান কৰে। বহুতে হয়তো নাজানে যে কেৱল চাহেই নহয়, কফি প্ৰস্তুত কৰাতো হাতীৰ মলৰ প্ৰসংগ আছে। কিয়নো বিশ্বৰ সবাতোকৈ দামী কফি প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰা হয় হাতীৰ মল।

এইবিধ কফিৰ নাম হৈছে 'ব্লেক আইভৰী কফি'। থাইলেণ্ড হৈছে এইবিধ কফিৰ জন্মস্থান। ব্লেক ডানকিন নামৰ এজন লোক ব্লেক আইভৰী কফি প্ৰস্তুতকাৰী কোম্পানীৰ স্বত্তাধিকাৰ। অৱশ্যে ডানকিনৰ কোম্পানীয়ে এইবিধ কফি প্ৰস্তুত কৰাৰ পূৰ্বেই থাইলেণ্ডত এইদৰে কফি প্ৰস্তুত কৰাৰ ৰীতি আছিল। ২০০২ত ডানকিনে জাপানৰ এটা কোম্পানীত শকত অংকৰ দৰমহাত চাকৰি কৰিছিল। তেতিয়াই ডানকিনে শুনিলে যে থাইলেণ্ডৰ ক'পি লুয়াক নামৰ এবিধ কফিৰ বাবে কফিপ্ৰেমীসকলে একাপত ৫০ ডলাৰ (ভাৰতীয় মুদ্ৰাত ৩,৫০০ টকাৰ অধিক) মূল্য পৰ্যন্ত খৰচ কৰে। কথাটো শুনি ডানকিনৰ অনুসন্ধিৎসু মনত প্ৰশ্ন জাগিল যে কিয় ইমান বেছি দাম? তেতিয়াই তেওঁ গম পালে যে জহামালৰ মলৰ পৰা হেনো সেই কফিৰ মাহ বা গুটি তৈয়াৰ কৰা হয়। জহামালৰ মল ব্যৱহাৰ কৰাৰ বাবে সেই কফিতো জহা চাউলৰ দৰে গন্ধ পোৱা গৈছিল। সেই কথা শুনাৰ পাছতে ডানকিনৰ মনলৈ ব্যৱসায়ৰ পৰিকল্পনা আহে। চাকৰি ত্যাগ কৰি তেওঁ ব্লেক আইভৰী কফি নামৰ এটা কোম্পানী প্ৰতিষ্ঠা কৰে। সেই কফিৰ মাহ তৈয়াৰ কৰা হৈছিল হাতীৰ মলৰ পৰা। অৱশ্যে প্ৰথমাৱস্থাত ডানকিনে জহামালৰ মলো ব্যৱহাৰ কৰাৰ কথা ভাবিছিল। সেই সময়তে ক'পি লুয়াক কফিৰ বাবে উক্ত কোম্পানীৰ বিৰুদ্ধে জহামালক বলপূৰ্বক প্ৰয়োজনাধিক খাদ্য খুওৱাৰ অভিযোগ উঠে। মল বেছিকৈ পোৱাৰ স্বাৰ্থতে ক'পি লুয়াক কফিৰ কোম্পানীয়ে জহামালক বেছিকৈ আহাৰ খুৱাইছিল। এই অভিযোগৰ বাবেই ডানকিনে বিকল্পৰূপে হাতীৰ মল ব্যৱহাৰৰ সিদ্ধান্ত লয়।

কফিৰ মাহ তৈয়াৰত হাতীৰ মল ব্যৱহাৰৰ ফলো পালে তৎকালে। ডানকিনৰ কোম্পানীৰ দ্বাৰা তৈয়াৰ কৰা কফিৰ স্বাদ অপেক্ষাকৃতভাৱে কম তিতা তথা কিছু কেৰামেল আৰু চকোলেটৰ দৰে। ফলত এই কফিৰ জনপ্ৰিয়তাও সোনকালেই বৃদ্ধি পালে। এই কফি প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়াও বিশেষ। ব্লেক আইভৰী কফি কোম্পানীৰ তৰফৰ পৰা জনোৱা মতে, হাতীক প্ৰতিদিনৰ খাদ্যৰ স'তে এৰাবিকা চেৰী মিহলাই খাবলৈ দিয়া হয়। হাতী তৃণভোজী প্ৰাণী হোৱাৰ বাবে চেৰীৰ চেলুল'জত উৎসেচন হয়। ফলত হাতীৰ মলৰ পৰা মিঠা ফলৰ দৰে সুগন্ধি বাহিৰ হয়। ডানকিনৰ কোম্পানীয়ে দাবী কৰে যে এক কেজি কফি পোৱাৰ বাবে হাতীবোৰক ৩৩ কেজি চেৰী খুৱাবলগীয়া হয়। হাতীৰ লাদবোৰ সংগ্ৰহ কৰি সেইবোৰ পৰিষ্কাৰ কৰাৰ পাছত ৰ'দত শুকাবলৈ দিয়ে। সেইবোৰ ৰ'দত শুকাই টান হোৱাৰ পাছত প্ৰথমে ওপৰৰ অংশ এৰুৱাই পেলাই দিয়ে। বাকী ভিতৰৰ অংশ যন্ত্ৰৰ মাধ্যমেৰে পৃথক কৰি কফিৰ মাহ সৃষ্টি কৰাৰ পাছত সেইবোৰ যন্ত্ৰৰ ভিতৰতে শুকানকৈ ভাজে। তাৰ পাছতে অন্যান্য উপকৰণৰ জৰিয়তে কফি প্ৰস্তুত কৰা হয়। থাইলেণ্ডৰ চিয়াং ছায়েন অঞ্চলত অৱস্থিত গ'ল্ডেন ট্ৰায়েংগল এলিফেণ্ট ফাউণ্ডেচনত যিবোৰ হাতীয়ে আশ্ৰয় পায়, প্ৰধানকৈ সেইবোৰ হাতীৰ পৰাই মল সংগ্ৰহৰ প্ৰক্ৰিয়া চলে।

উল্লেখ্য যে উৎপাদনত প্ৰচুৰ খৰচ আৰু সুগন্ধিযুক্ত তথা স্বাদিষ্ট হোৱাৰ বাবেই এই ব্লেক আইভৰী কফিৰ দামো বহুত বেছি। সেয়ে কোম্পানীটোৱে বিলাসী হোটেলতে সততে এই কফি বিক্ৰী কৰে। মুষ্টিমেয় পঞ্চতাৰকাযুক্ত হোটেল কেইখনমানত এই কফি বিক্ৰী হয় আৰু প্ৰতিখন হোটেলে ইয়াৰ মূল্য নিজাকৈ নিৰ্ধাৰণ কৰে। অৱশ্যে ঘৰত এই কফিৰ স্বাদ ল'বলৈ হ'লে এপেকেট ব্লেক আইভৰী কফিৰ মূল্য হ'ব ভাৰতীয় মুদ্ৰাত প্ৰায় সাত হেজাৰ পাঁচশ টকা। অৰ্থাৎ ইয়াৰ এক কেজিৰ মূল্য প্ৰায় ২৬ হেজাৰ টকা।



ব্ৰহ্মাণ্ডত সংঘটিত হ'ল প্ৰলয়ংকৰী বিস্ফোৰণ

নিৰ্গত হ'ল সূৰ্যই এক লক্ষ বছৰত উদগীৰণ কৰা শক্তি

নিউজ ব্যুৰ'
নিউ য়ৰ্ক, ২৬ ডিচেম্বৰ ঃ মহাশূন্যত প্ৰলয়ংকৰী বিস্ফোৰণ চাক্ষুষ কৰিলে আন্তৰ্জাতিক মহাকাশ ষ্টেচনে। আমি দেখি অহা সূৰ্যটোৱে এক লক্ষ বছৰত যি পৰিমাণৰ শক্তি উদ্‌গীৰণ কৰিব পাৰে, সেই পৰিমাণৰ শক্তিয়েই মাত্ৰ এক ছেকেণ্ডৰ ১০ ভাগৰ এভাগ সময়তে ওলাই গ'ল সেই বিস্ফোৰণত। অৱশ্যে বিশ্ব ব্ৰহ্মাণ্ডত আমাৰ ঠিকনা আকাশগংগা হাতীপটীত এই বিস্ফোৰণ ঘটা নাই। বৰঞ্চ সংঘটিত হৈছে অনেক দূৰৰ আন এটা হাতীপটীত। এই প্ৰলয়ংকৰী বিস্ফোৰণত কিয় ইমান কম সময়তে সেই বিপুল পৰিমাণৰ শক্তিৰ নিৰ্গমন হ'ল, তাৰ কাৰণো কিছু পৰিমাণে জানিব পাৰিছে বিজ্ঞানীসকলে। ইয়াৰ গৱেষণা পত্ৰখন প্ৰকাশিত হৈছে আন্তৰ্জাতিক বিজ্ঞান গৱেষণা পত্ৰিকা 'নেচাৰ'ত।

গৱেষকসকলে জনাইছে যে এই প্ৰলংয়কৰ বিস্ফোৰণৰ ঘটনাটো সংঘটিত হৈছে এটা মৃত তৰাৰ পৰা। যাৰ ওজন হ'ব পাৰে আমাৰ সূৰ্যৰ ভৰৰ ২০ বা ২৫ গুণ বেছি। মৃত্যুদশাত ইন্ধন শেষ হৈ আহিলে এনে ওজনৰ তৰাবোৰ তাৰ ভিতৰত থকা গধুৰ মৌলৰ অভিকৰ্ষজ বলৰ টানত মৰহি যাবলৈ আৰম্ভ কৰে। তেতিয়াই জন্ম লয় হয় ব্লেক হ'ল বা কৃষ্ণ গহ্বৰে, নাইবা অতি ঘন নিউট্ৰন নক্ষত্ৰই। আন্তৰ্জাতিক মহাকাষ ষ্টেচনত থকা 'এটম'স্ফিয়াৰ-স্পেচ ইণ্টাৰএকচন মণিটৰ' (এছিম) যন্ত্ৰই যিটো মৃত তৰাৰ এই প্ৰলয়ংকৰ বিস্ফোৰণৰ ঘটনা চাক্ষুষ কৰিছে, সেইটো আচলতে এক বিশেষ ধৰণৰ নিউট্ৰন নক্ষত্ৰ। যিবোৰক কোৱা হয় 'মেগনেটৰ'। বিজ্ঞানীসকলে এই মৃত তৰাৰ নাম ৰাখিছে 'জিআৰবি২০০১৪১৫'।

উল্লেখ্য যে মেগনেটৰতে ব্ৰহ্মাণ্ডৰ সবাতোকৈ শক্তিশালী চৌম্বক ক্ষেত্ৰ থাকে। সেয়ে এই প্ৰলয়ংকৰ বিস্ফোৰণৰ অন্তৰালত সেই চৌম্বক ক্ষেত্ৰৰো কোনো ভূমিকা আছে নেকি আৰু আছে যদি কিমান, সেয়াই বুজিব বিচাৰিছিল গৱেষকসকলে। তেওঁলোকে দেখিছে যে এই মেগনেটৰৰ ভিতৰত কোনো কাৰণত চৌম্বক ৰেখাবোৰ ভাঙি-ছিঙি গৈছে বা তাতো অতি তীব্ৰ কোনো কম্পন হৈছে। এই কম্পনতে আমি পৃথিৱীত ভূমিকম্প বুলি জানো। তৰা বা নক্ষত্ৰসমূহৰ ক্ষেত্ৰত এই কম্পনক কোৱা হয় 'ষ্টাৰকুৱেক'। এইবোৰৰ কাৰণতে সেই প্ৰলয়ংকৰী বিস্ফোৰণ ঘটা বুলি গৱেষকসকলে ধাৰণা কৰিছে।

উত্তৰ শালমাৰাৰ বিভিন্ন স্থানত বনভোজকাৰীৰ ভিৰ

অগ্ৰদূত বাৰ্তা
অভয়াপুৰী, ২৬ ডিচেম্বৰ ঃ ২০২১ বৰ্ষ সমাপ্ত হ'বলৈ মাজত মাথোঁ চাৰিটা দিন থকা সময়তে আজি বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ বনভোজস্থলীসমূহত এক উথপথপ পৰিৱেশৰ সৃষ্টি হৈছে। বনভোজকাৰী দলৰ উপস্থিতিৰে জীপাল হৈছে জিলাখনৰ উত্তৰ শালমাৰা মহকুমাৰ কয়াকুজিয়া বিল উন্নয়ন প্ৰকল্প, অভয়াপুৰী বামুণগাঁও পাহাৰৰ পাদদেশৰ বনভোজস্থলী, সৃজনগ্ৰামৰ সোণাখুলি পাহাৰকে ধৰি বিভিন্ন ক্ষেত্ৰসমূহ। শীতৰ আলহী পৰিভ্ৰমী চৰায়ে সম্ভাৰনাময় পক্ষী উদ্যানত সুমধুৰ কলৰৱৰ সৃষ্টি তথা জলকেলিৰ দৃশ্য, দেশী-বিদেশী ফুলৰ সমাৰোহ, নৌকাবিহাৰ আদিৰ বাবে দূৰ-দূৰণিৰ পৰা বনভোজকাৰী দলে ভিৰ কৰিছে কয়া-কুজিয়াত। তেনেদৰে অভয়াপুৰীৰ নিকটৱৰ্তী বামুণগাঁও পাহাৰতো কে'বাটাও দলৰ আগমন ঘটা পৰিলক্ষিত হৈছে। শীতৰ ৰ'দত উম লৈ এক নিৰিবিলি পৰিৱেশত প্ৰকৃতিৰ স'তে লগে-ভাগে এসাঁজ খোৱাৰ বাবে সৃজনগ্ৰাম অঞ্চলৰ চক্ৰভৌম পঞ্চায়তৰ অন্তৰ্গত সোণাখুলি পাহাৰৰ পাদদেশত অৱস্থিত বনভোজস্থলীতো দূৰ-দূৰণিৰ পৰা অহা বনভোজকাৰী দলৰ উপস্থিতিয়ে এক উথপথপ পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। সেউজ সোণাখুলি পাহাৰৰ কুলু কুলুকৈ বৈ অহা চঞ্চল নিজৰা, সৰ্পিল গতিত পাহাৰৰ ওপৰেৰে আগবাঢ়ি যোৱা পকীপথ, বিহংগৰ সুমিষ্ট প্ৰকৃতিৰ সৌন্দৰ্যৰ স'তে কান্ধত কান্ধ মিলাই এৰি অহা দিনবোৰৰ অৱসাদ আঁতৰাই নৱবৰ্ষত অধিক উৎসাহ উদ্দীপনাৰে অগ্ৰসৰ হোৱাৰ কামনাৰে সমবেত হৈছে নামনি অসমৰ এটাৰ পাছত আন এটা বনভোজকাৰী দল। ডিচেম্বৰৰ পহিলা সপ্তাহৰ পৰাই দৈনিক বনভোজ দলৰ আগমন হোৱা পাহাৰখনলৈ আজি দেওবৰীয়া দিনটোত ৩০ৰ পৰা ৩২ টা বনভোজকাৰী দলৰ আগমন ঘটে। বনভোজ দলসমূহক সোণাখুলি পাহাৰলৈ আদৰণি জনাবলৈ তত্ত্বাৱধানৰ ভূমিকা পালন কৰি অহা চক্ৰভৌম পঞ্চায়তৰ সভাপতি ৰজনী ৰায়, হৰিদেৱ ৰায়, প্ৰফুল্ল ৰায়, নিজম ৰায়, ৰাজেন ৰায়ক লৈ প্ৰায় ৩০ জনীয়া যুৱক তথা ৰাইজে বনভোজকাৰী দলক আদৰণি জনোৱাৰ বাবে চলিত মাহৰ প্ৰথম সপ্তাহৰ পৰাই অহৰহ লাগি থকা পৰিলক্ষিত হৈছে। বনভোজ দলসমূহ যাতে কোনো ধৰণৰ সমস্যাৰ সন্মুখীন নহয় তাৰ প্ৰতি নজৰ ৰাখিছে উদ্যোক্তাসকলে। বনভোজস্থলীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব প্ৰদানৰ লগতে শব্দ প্ৰদূষণৰ ক্ষেত্ৰতো বিশেষ মনোযোগ দিয়াৰ কথা সংবাদ মাধ্যমক জানিবলৈ দিছে তত্ত্বাৱধায়কসকলে। বনভোজকাৰী দলবিলাকে যাতে উচ্চস্বৰত মাইক নবজায় আৰু বেলি ডুবাৰ পূৰ্বে বনভোজস্থলী ত্যাগ কৰি সুস্থ পৰিৱেশ বৰ্তাই ৰাখে তাৰ বাবে সহযোগ কামনা কৰিছে তেওঁলোকে। ইপিনে অহা ৩১ ডিচেম্বৰৰ বিশেষ দিনটোত বনভোজকাৰীলৈ অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনোৱা আহ্বানৰ প্ৰতিও সঁহাৰি জনাবলৈ সকলোলৈকে অনুৰোধ জনাইছে বনভোজস্থলী পৰিচালনা সমিতিয়ে। সোণাখুলি নিজৰা পাৰ্ক উন্নয়ন সমিতিৰ লগতে উক্ত বনভোজস্থলীক পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে অঞ্চলটোৰ কে'বাটাও সংগঠনৰ উপৰি বিভিন্নজনে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে যদিও আজি পৰ্যন্ত আশানুৰূপ সঁহাৰি নাপালে। ফলত প্ৰতিবছৰে স্থানীয় যুৱক আৰু একাংশ ৰাইজে পাহাৰখনক বনভোজকাৰীসকলৰ বাবে সজাই-পৰাই তোলে।

মৎস্য পালনৰে স্বাৱলম্বিতাৰ পথ দেখুৱাইছে ঘগ্ৰাপাৰৰ ভেলামাৰীৰ দম্পতীয়ে

নিবনুৱা যুৱক-যুৱতীৰ বাবে আদৰ্শ-প্ৰেৰণা স্বৰূপ নাৰায়ণ-পদ্মিনী

অগ্ৰদূত বাৰ্তা
ঘগ্ৰাপাৰ, ২৬ ডিচেম্বৰ ঃ যিটো সময়ত ৰাজ্যৰ একাংশ নিবনুৱা যুৱক-যুৱতীয়ে চৰকাৰী চাকৰিৰ পাছত দৌৰি সময় নষ্ট কৰিছে তেনে সময়তে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভেলামাৰি গাঁৱৰ নাৰায়ণ বৈশ্য আৰু সহধৰ্মিণী তথা সমাজসেৱিকা পদ্মিনীক্ৰ বৈশ্যই মীন পালনৰ ক্ষেত্ৰত অঞ্চলটোত আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে। চৰকাৰী সাহায্য তথা চাকৰিৰ আশা বাদ দি নিজকে আত্মনিৰ্ভৰশীল কৰাৰ লগতে অইন যুৱক-যুৱতীৰ বাবে আদৰ্শ হৈ পৰিছে দম্পতীহালে। তেওঁলোকে একক প্ৰচেষ্টাৰে ২০১০ৰ পৰা আজিলৈকে নিজা মাটিত ১৪-১৫ বিঘাৰ পাঁচটাকৈ বিভিন্ন আকাৰৰ পুখুৰীত 'বেডিং' আৰু 'হাপা'ৰ যোগেদি কৃত্ৰিমভাৱে মাছৰ পোনা উৎপাদন কৰি অঞ্চলটোত মাছৰ পোনাৰ অভাৱ দূৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মৎস্য পালনৰ সমান্তৰালভাৱে এখন হাঁহ-কুকুৰাৰ ফাৰ্ম, প্ৰায় দুবিঘা মাটিত ২৫০ জোপা চেগুন গছ ৰোপণ কৰাৰ উপৰি এইবেলি দুবিঘা মাটিত উন্নত মানৰ বগৰীৰ বাগান তৈয়াৰ কৰি বিক্ৰীৰ উপযোগী কৰিছে। বৈশ্য দম্পত্তিয়ে নিজৰ গাঁঠিৰ ধন খৰছ কৰি মৎস্য ব্যৱসায়ীৰ পৰা স্বাৱলম্বী হোৱাৰ উপৰি একমাত্ৰ জীয়ৰী প্ৰিংয়কা মালাকৰ বৈশ্যক উচ্চ শিক্ষিত কৰি ইতিমধ্যে বিয়া দিছে। মৎস্যপালক বৈশ্যই সংবাদ মাধ্যমক জানিব দিয়া মতে, এই মৎস্য ব্যৱসায়ৰ পৰা বছৰি ৩ ৰ পৰা চাৰি লাখ টকা উপাৰ্জন কৰি লাভান্বিত হৈ আহিছে যদিও চৰকাৰে এতিয়ালৈ তেওঁক কোনোধৰণৰ সহায়ৰ হাত আগবঢ়োৱা নাই। তেওঁ লগতে ইয়াকো কয় যে চৰকাৰ তথা মীন বিভাগৰ সদিচ্ছা থাকিলে অসমত মীন উৎপাদনৰ বিভিন্ন থল আছে। সেইবোৰ ঠাইৰ পুখুৰীত বৈজ্ঞানিকভাৱে মাছ উৎপাদন কৰিলে অসমে অন্ধ্ৰ প্ৰদেশৰ পৰা মাছ আনিব নালাগে। লগতে মীন পালনেৰে শ শ নিৱনুৱা যুৱক-যুৱতী সংস্থাপিত হ'ব বুলি তেওঁ উল্লেখ কৰে। ঘগ্ৰাপাৰ ভেলামাৰী অঞ্চলৰ দম্পতীহালে বিশেষ মৎস্য পালনৰ ব্যৱসায়ৰ প্ৰতি আগ্ৰহী কৰিবলৈ নলবাৰীৰ অইন নিৱনুৱা যুৱক-যুৱতীকো চেষ্টা চলাইছে।

ৰংফাৰকঙত কুণ্ডাভৰ্তি বলেৰ' পিকআপ জব্দ

অগ্ৰদূত বাৰ্তা
ডংকামোকাম, ২৬ ডিচেম্বৰ ঃ পশ্চিম কাৰ্বি আংলঙত বন বিভাগে তীব্ৰ অভিযান চলায়। অভিযানত জব্দ এম এল-০৪ চি-৬৭২৬ নম্বৰৰ চোৰাং কুণ্ডা ভৰ্তি বলেৰো পিকআপ ভান। অসম, মেঘালয় সীমান্তৱৰ্তী ৰংফাৰকং অঞ্চলত খেৰণি আৰু জিকিকিন্দেং বন বিভাগৰ যুটীয়া অভিযানত জব্দ কৰা হৈছে এই চোৰাং কুণ্ডা ভৰ্তি বাহখন। বন বিভাগৰ কৰ্মী অহাৰ উমান পাই চোৰাং কাঠ সৰবৰাহকাৰীয়ে উক্ত স্থানৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয়। সম্প্ৰতি বলেৰো পিকআপ ভানখন খেৰণি বন বিভাগে জব্দ কৰি খেৰণিস্থিত বনাঞ্চলিক কাৰ্যালয়তলৈ অনা হৈছে।

'সোণোৱালৰ ভাষাত কথা-বতৰা'ৰ সভা সম্পন্ন

বিশেষ সংবাদদাতা
শিৱসাগৰ, ২৬ ডিচেম্বৰ ঃ অসমৰ ভূমিপুত্ৰ সোণোৱাল কছাৰীসকলৰ অন্যতম প্ৰতিষ্ঠান 'সোণোৱালৰ ভাষাত কথা-বতৰা'ৰ আজি ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অন্তৰ্গত মৰাণ নগৰ হাইস্কুলত বৃহত্তৰ মৰাণ অঞ্চলৰ আঞ্চলিক সাংগঠনিক সভা মৰাণ মহাবিদ্যালয়ৰ অধ্যাপক ড° তুলসী সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত হয়। 'সোণোৱালৰ ভাষাত কথা-বতৰা' প্ৰতিষ্ঠানৰ যুটীয়া কাৰ্যবাহী সম্পাদক উৎপল সোণোৱালে উদ্দেশ্য ব্যাখ্যা কৰা সভাত কেন্দ্ৰীয় সভাপতি ৰাজু সোণোৱালৰ লগতে কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া তথা মৰাণ অঞ্চলৰ সোণোৱাল জনগোষ্ঠীৰ বহুলোক উপস্থিত থাকে। এই সভাতে সোণোৱালৰ ভাষাত কথা-বতৰা প্ৰতিষ্ঠানৰ মৰাণ আঞ্চলিক সমিতিখন প্ৰদীপ সোণোৱালক সভাপতি আৰু ড° ভীষ্ম সোণোৱাল, গুণ বৰুৱাক যুটীয়া কাৰ্যবাহী সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া সবল আঞ্চলিক সমিতি গঠন কৰা হয়। আগন্তুক 'ধাম খৰা হবাহ' অহা ফেব্ৰুৱাৰীত মৰাণ অঞ্চলত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ধাম খৰা হবাহতেই 'সোণোৱালৰ ভাষাত ব্যৱহৃত শব্দকোষ'ৰ সম্পূৰ্ণ খণ্ড প্ৰকাশ কৰাৰ লগতে স্মাৰক গ্ৰন্থ 'গজাই' আৰু বহুকেইখন সোণোৱাল লেখক-লেখিকাৰ গ্ৰন্থ প্ৰকাশ কৰা হ'ব।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com